চাকনৈয়া

উত্তম চন্দ্ৰ চেতিয়া

"Chaknaya" an Assamese novel written by Sri Uttam Chandra Chetia, Tezpur.
Price Rs. 15·00 only.

প্ৰথম প্ৰকাশ :
এপ্ৰিল, ১৯৮৭

প্ৰকাশক :
শ্ৰীউত্তম চন্দ্ৰ চেতিয়া,
গোঁহাঞি বৰুৱা পথ, তেজপুৰ

বেটুপাত শিল্পী :
শ্ৰীতৰুণ বৰা

মূল্য . ১৫·০০ টকা মাত্ৰ

ছপা : চিৰঞ্জীৱ প্ৰেছ, তেজপুৰ।

উচর্গা

এই পুথিখনি মোৰ স্বৰ্গগতা পত্নী পুষ্পপ্ৰভা চেতিয়াৰ পবিত্ৰ স্মৃতিত উচৰ্গা কৰিলো।

শ্ৰীউত্তম চন্দ্ৰ চেতিয়া

পাতনি

"চাকনৈয়া" মোৰ দ্বিতীয়খন প্ৰকাশিত সামাজিক উপন্যাস পুথি। ইয়াৰ আগতে প্ৰকাশিত উপন্যাস "পৰিচাৰিকা" আৰু "ফুল" নামৰ কবিতা পুথিখনৰ উপৰিও এই বছৰ মোৰ স্বৰ্গগতা পত্নী পুষ্পপ্ৰভা চেতিয়াৰ স্মৃতিত লিখা "তোমাক সুঁৱৰিছো" নামৰ পুথিখনি সদৌ অসম শিক্ষিকা সমাৰোহ সমিতিৰ তেজপুৰ কাৰ্যালয় ভৱনত পুষ্পপ্ৰভা চেতিয়া স্মৃতি চ'ৰাটি যোৱা ২০।৩।৮৭ তাৰিখে উদ্বোধন কৰাৰ দিনা মোৰ বন্ধু, প্ৰবীন সাহিত্যিক শ্ৰীসুৰেণ বৰুৱাই আনুষ্ঠানিক ভাৱে উন্মোচন কৰে।

"চাকনৈয়া" উপন্যাসখনত মোৰ মনত ৰেখাপাত কৰা গাঁৱৰ সহজ-সৰল চিত্ৰৰ মাজেদি জীৱন-সংঘাতৰ কথা বৰ্ণনা কৰাৰ চেষ্টা কৰিছো।

চাকৰি কালৰ পৰাই আজৰি সময়ত যৎকিঞ্চিত ভাৱে হলেও সাহিত্য চৰ্চ্চা কৰাৰ হাবিয়াস মোৰ আছিল। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত সেই ভাৱৰে অনুপ্ৰাণিত হৈ মোৰ ক্ষুদ্ৰ লেখনীৰে ১০ খন পুথি লিখি সম্পূৰ্ণ কৰিলো যদিও প্ৰকাশ কৰাৰ নানা আহুকালত এতিয়ালৈকে মাত্ৰ চাৰিখন পুথিহে প্ৰকাশ কৰিবলৈ সমৰ্থ হৈছো। মোৰ আগৰ কেইখন পুথিৰ দৰে এইখন উপন্যাস পুথিয়েও পঢ়ুৱৈ সমাজৰ সমাদৰ পালে অতিশয় কৃতাৰ্থ মানিম।

এই পুথিখনৰ বেটুপাতৰ শিল্পী শ্ৰীতৰুণ বৰাক মই আন্তৰিক ধন্যবাদ জনালো।

শ্ৰীউত্তম চন্দ্ৰ চেতিয়া।
অৱসৰ প্ৰাপ্ত অধ্যক্ষ

পদ্মনাথ গোহাঞি বৰুৱা পথ
কলিবাৰী, তেজপুৰ
৬।৪।৮৭

১

ভৰ দুপৰীয়া, ভাদ মাহ। পুৱাৰেপৰা টিক্-ফদীয়া ৰ'দ। ক'তো গছৰ পাত এখিলাও লৰা নাই। প্ৰখৰ ৰ'দৰ তাপত চৰাই-চিৰিকতিবোৰে আহাৰ খাবলৈ এৰি দি, গছৰ ডালে ডালে পৰি, পাতৰ ছাঁ-লৈ ফাঁ-ফাঁকৈ মুখ মেলি মেলি আছেহি। পথাৰত চৰি থকা গৰুবোৰে ৰ'দ সহিব নোৱাৰি, ডাঙৰ গছ তলৰ ছাঁত জুম বান্ধি হেঁচা ঠেলাকৈ আছে। ভাগৰুৱা পথিক ৰাজ-আলিৰ কাষত থকা ডাঙৰ ডাঙৰ গছৰ ছাত হেলাই-হেপাই আহি জিৰাইছেহি। আগৰে পৰা জিৰণি লৈ থকা বাটৰুৱাই ৰ'দৰ তাপ দেখি উঠিবলৈ সাহ কৰা নাই। কেওঁযালে জিলিৰ মাতে কেৱল মাত্ৰ খৰাং বতৰৰ জাননী দিছে। জগতৰ সকলো প্ৰাণীয়েই যেন এই ৰ'দৰ তাপৰ পৰা ৰক্ষা পৰিবলৈ গছ, হাবি, জোপা আদিৰ ছাঁত আশ্ৰয় লৈছেগৈ। কিন্তু এই প্ৰচণ্ড সূৰ্য্যৰ তাপলৈ কেৰেপ নকৰি কেৱল খেতিয়ক সকলেহে নিজ নিজ কামত ব্যস্ত হৈ আছে।

ভাদমহীয়া খৰ। আজি দহদিন মান একেৰাহে ৰ'দ দিয়াৰ ফলত পথাৰৰ মাটিবোৰ শুকাই গৈছে। বাম ঠাইবোৰৰ শালি খেতি জেঠৰ পৰা আৰম্ভ কৰি আহাৰ শাওণ মাহত ধান ৰোৱা শেষ হৈ যায়। কিন্তু, দ ঠাইবোৰত ভাদ মাহতহে ভৰ খেতি হয়। কিছুমান দ-পথাৰত আহিনৰ পোন্ধৰ দিন যোৱালৈকে কলেও খুব ভাল ধান হয়। এনে এখন পথাৰতে, খেতিয়ক সকলে মাটিবোৰ শুকাই যোৱাৰ আগতে কষ্ট শেষ কৰিবলৈ

দিনে ৰাতিয়ে খাটিছে। খুব ৰাতি পুৱাবে পৰা হালোৱাবিলাকে পথাৰত হাল বাই, পিচত, হাল মেলাৰ আগতে মাটিবোৰ মৈয়াই দি, ভুঁই কৰৰ কাৰণে প্ৰস্তুত কৰি দিছে। হাল মেলি খেতিয়কসকলে আনি থোৱা কঠিয়াবোৰ মৈযাই থোৱা মাটি কেইডৰাত বুলাই দিছে, যাতে, ৰোৱণীসকলে আহি বিনা কষ্টে খৰতকীয়াকৈ ৰুই যাব পাৰে। কিছুমানে হাল মেলি কঠিয়াতলীৰ পৰা কঠিয়া আনিবলৈ গৈছে আৰু আন কিছুমানে হাতত কোৰ লৈ আলি পচুলিবোৰ ভালকৈ দিছে যাতে, পথাৰৰ পানীবোৰ কেনিও ওলাই যাব নোৱাৰে। ইফালে গৃহিণীহঁতে ৰাতিপুৱাই গা-পা ধুই, ভাত পানী ৰান্ধি, পথাৰৰ হালোৱালৈ জলপান পঠাইছে আৰু ঘৰৰ যাবতীয় কামবোৰ লৰালৰিকৈ শেষ কৰি, নিজ এমুঠি ভতাতৈয়াকৈ খাই-বই লৈ, পথাৰলৈ ধাপলি ধৰিছে আৰু হালোৱাই হাল মেলাৰ লাগ লাগেই পথাৰত ভুঁই ৰুবলৈ আৰম্ভ কৰিছে। আন দুই এজনে হালবোৱা গৰুবোৰ গৰখীয়াক গতাই দিবলৈ বুলি পথাৰৰ পৰা খেদি উলিযাই লৈ আহিছে। যি দুই এজনে ম'হৰ হাল বায়, তেওঁলোকে হাল মেলি ম'হৰ পিঠিত উঠি, বাকী ম'হ জাকৰ লগত ম'হটো এৰি দিবলৈ পথাৰৰ মূৰত থকা হাবিৰ মাজেদি পোনাই দিছে।

লাহে লাহে বেলিটো মূৰৰ পৰা একতীয়া হৈছে। কিন্তু, গৰমৰ কোব কমক চাৰি বাঢ়িছেহে। হাল মেলি পথাৰৰ পৰা হালোৱা বিলাক দিহা-দিহি গ'ল। বাকী যি দুই এজনে হাতত কোৰখন লৈ পথাৰৰ ইটো সিটো কাম কৰি আছিল, তেওঁলোকেও ভোকে পিয়াহে ক্লান্ত আৰু অৱশ হৈ, হাতৰ কোৰখন কান্ধত লৈ, লাহে লাহে ঘৰমুৱা হৈছে। এতিয়া পথাৰত মতা মানুহৰ সঁচেই নাই। আনহাতে তাৰ ঠাইত, গোটেই বহল পথাৰখন ৰোৱণীয়ে ছাটি ধৰিলেহি। যি ঠাইত চাৰি পাচখন হাল বাইছিল, সেই ঠাইত ছয় সাতজনী ৰোৱণীৰ কম নহয়।

যি ঠাইত দুই তিনিখন হাল আছিল, সেই ঠাইত তিনি চাৰি জনী আৰু য'ত এখন হাল আছিল, তাত এজনী বা দুজনীয়েই ভুঁই কইছিল। সেই দিনাই, ইবিলাক ৰোৱণীৰ পৰা অলপ আঁতৰত পথাৰৰ মূৰৰ ফালে, এটি সৰু ছোৱালীয়ে অকলে অকলে ভুঁই কৰি আছে।

আহক পাঠক, আমি ছোৱালীটিক অলপ ওচৰৰ পৰা নিৰীক্ষণ কৰো।

ছোৱালীটো দেখাত দহ-বাৰ বছৰৰ বেছি নহয়। বই পৰা নাক, ধুনীয়া মৰম লগা চকু যুৰি। মূৰৰ চুলিত বোকা লাগে বুলি ফটাকানিৰে মূৰটো ঢাকি, খোপাত ভালকৈ বান্ধি থৈছে। গাটো এখন চাদৰেৰে মেৰিযাই লৈ, পিছফালে আটিলকৈ বান্ধিছে। ভুঁই কৰলৈ সুবিধাৰ কাৰণে, মেখেলাখন আঠুৰ ওচৰলৈকে চপাই, ককালত খোচনিমাৰি থৈছে। ৰ'দৰ তাপত ছোৱালীটিৰ বগা মুখখন তেজগোৰা হৈ পৰিছে।

ছোৱালীটিৰ সৰুতেই বাপেক মৰিল। ঘৰত মাক আৰু এটা সৰু ভায়েক। মাক অসুখিয়া হৈ পৰিল। ইহঁতৰ অৱস্থা দেখি গাঁৱৰ ৰাইজে সকলো প্ৰকাৰে ইহঁতক সহায় কৰে। খেতিৰ দিনত ৰাইজে পাল পাতি ইহঁতৰ মাটিত হাল বাই দিয়ে। কঠিয়াতলিত কঠিয়া পাৰে আৰু সময় মতে গাঁৱৰ ৰাইজেই কঠিয়া তুলি আনি পথাৰত পেলাই দিয়হি। ছোৱালীটিয়ে বাকী ঘৰৰ সকলো যাৱতীয কাম কৰি, নানা কষ্টেৰে মাক আৰু ভায়েকক পোহপাল দি আহিছে।

সেইদিনা ৰাতিপুৱাই ছোৱালীটিয়ে ঘৰৰ সকলো কাম কৰি, ৰান্ধি বাঢ়ি এমুঠি খাই লৈ, লগতে হালোৱাৰ কাৰণে জলপান লৈ, আন ৰোৱণীৰ আগতে পথাৰত ভুঁই কৰলৈ আহিল। সেইদিনা ৰাইজৰ দিহামতে দুহাল গৰুৰে ছোৱালীটিৰ মাটিত হাল

বোৱাই দিছিল। ছোৱালীটি পথাৰলৈ অহা দেখি, তাৰে এজন হালোৱাই ডুডৰা মাটি মৈযাই, কঠিয়া বুলাই দি, ছোৱালীটিক কৰলৈ দিলে। তাৰ পাচত, হালোৱা ডুজনে বাকী আৰু তিনিডৰা মাটিত হালবাই, মৈযাই কঠিয়া বুলাই দি, পিছত হাল গৰু লৈ তাৰ পৰা গুছি আহিল।

ছোৱালীটিয়ে এবাৰ হালোৱাইঁতে হালবাই, মৈযাই পিচত কঠিয়া বুলাই থৈ যোৱা এই আহল-বহল পাচ ডৰা মাটিলৈ ইমুৰৰ পৰা সিমুৰলৈ চকু ফুৰাই চাহ, তাইৰ বুকুখন কঁপি উঠিল। প্ৰায় ছবিখাৰ চেৰাওচাৰি। ইমানখিনি মাটি এদিনাত কৰলৈ হলে, খুব খৰকৈ কৰ পৰা অন্ততঃ তিনিজনী ৰোৱণীযহে বেলি বহালৈকে কৰগৈ পাৰিব। তেনেহ'লে ইমানখিনি মাটি জানো তাই অকলেই কৰগৈ পাৰিব? নোৱাৰিলেও নহব। কাৰণ, যেনেকৈ ৰ'দ মাৰিছে, কিছুমান আৰলি ভাগলৈ পিচৰ মাটি কেইডৰা শুকাই কৰ কৰীযা হবগৈ। পিচদিনালৈ থালেও, বাহি মাটিত ক'ল ধান নহয়। আনহাতে, আকৌ কেইদিনমান পিচতহে ৰাইজে দিয়া হাল-গৰু পাব। কাৰণ, এনেকুৱা খৰাং বতৰত প্ৰত্যেকেই নিজৰ নিজৰ মাটিৰ কাৰণেহে চকু কান দিব। গতিকে, ছোৱালীটিযে ভাবিলে যে আজিয়েই যেনে তেনে শেষ কৰিবই লাগিব। ৰাতি হলেও হব।

মুহূৰ্ত্তলৈ তাইৰ মনত পৰিল স্বৰ্গীয় দেউতাক, অসুখীযা মাক আৰু ভাযেকটোলৈ। তাযেই আজি মাক আৰু ভাযেকক জীযাই ৰাখিছে। ছোৱালীটিযে এটা দীঘল হুমুনিযাহ কাঢ়িলে। দুখ আৰু বেজাৰত তাইৰ চকু ডুটা চল্‌চলীযা হৈ আহিল।

কিন্তু পিচ মুহূৰ্ত্ততে ছোৱালীটিৰ মনোবল ঘূৰি আহিল। তাই ভাবিলে যে এতিয়া কামৰ সময়, কান্দিবৰ সময় নহয়। ইযাকে ভাবি তাই লৰালৰিকৈ গৈ হালোৱাই থাই যোৱা জল-

পানৰ বাটি দুটা পানীত আওখালি আলিটোৰ ওপৰাত থলে। পিচ মুহুৰ্ত্ততে, প্ৰথম মাটি ডৰাৰ মূৰলৈ গৈ কঠিয়া ফেৰা খুলি, এমুঠি হাতত লৈ ৰুবলৈ আৰম্ভ কৰিলে। আৰম্ভণিতে ভুঁই ৰোৱা মন্থৰ গতিত চলিল। পিচত দেখিলে যে এইদৰে ৰুবলৈ হলে মাটি আধাখিনিও শেষ নহবগৈ। ইযাকে ভাবি ছোৱালীটিয়ে হাতৰ বেগ ক্ৰমাত বঢ়াবলৈ ধৰিলে। ক্ষন্তেক পিচতে আগৰ অভ্যাস ঘূৰি আহিল আৰু ভুঁই ৰোৱা হাতৰ বেগ তীব্ৰগতিৰে চলিব ধৰিলে। ছিলাই কলৰ বেজীৰ দৰে ছোৱালীটিৰ হাতৰ বেগও তেনেকৈ মনিব নোৱৰা হৈ চলিল।

অলপ সময়ৰ পিছতে এডৰা মাটি ৰুই শেষ কৰিলে। আনহাতে পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছে। ছোৱালীটিয়ে লৰি যোৱাদি গৈ, মাটি ডৰাৰ চুকত ঢাকি থোৱা লোটাটো উলিয়াই লৈ ধকৃধকৃকৈ পানী খাই লোটাটো আকৌ আগৰ ঠাইত থৈ ইডৰা মাটি ৰুবলৈ আৰম্ভ কৰি দিলে। আগৰদৰেই তীব্ৰগতিত হাত চলিল।

পুৱাৰপৰা গধূলিলৈকে চোকা ৰ'দটো পিঠিত লৈ ভুঁই ৰোৱা যে কিমান কষ্টকৰ, তাক ভুক্তভোগীযেহে জানে। কিন্তু আনহাতে, এনেকুৱা দীঘলীয়া কষ্টকৰ কামত কেইবাগৰাকীয়ে এক লগে ভুঁই ৰুলে বহুত কষ্ট লাঘৱ হয়। কাৰণ তেওঁলোকৰ মাজত কথা বতৰা, হাঁহি-ধেমালী, বং তামাচা আদি কৰি থাকিলে কঠোৰ পৰিশ্ৰমৰ দুখ কষ্টবোৰ পাহৰি যায়। কেতিয়াবা এনেকুৱা জাককৰা ৰোৱণীৰ মাজৰ পৰা গাভৰু ছোৱালীৰ সুললীত সুৰৰ বনগীতে, গোটেই পথাৰখনৰ শ্ৰোতাসকলৰ মনত আনন্দ দিয়ে। কিন্তু যি অকলশৰীয়া, তাৰ কষ্টৰ সীমা নাই। কাৰণ তাইৰ এই নিঃসঙ্গ জীৱনৰ লগত সাঙোৰ খাই থকা জীৱনৰ নানা দুখৰ কাহিনীবোৰ আহি মনত খেলায়হি আৰু এনে শাৰীৰিক কষ্টৰ লগত মানসিক কষ্টও আহি যোগ দিয়েহি।

আজি এই ছোৱালীটিৰো তেনকুৱাই অৱস্থা হৈছে। বিচে-ডাঙ নোপোৱা নিজান ঠাইত অকলশৰে ভুঁই কই থাকোতে ধকৰা বিষাদ পূৰ্ণ কাহিনীবোৰ এটা এটাকৈ মনত পৰি তাইৰ মনত আৰু দুখ লাগিছে। কিন্তু, তথাপি কামৰ বিৰাম নাই। দুখৰ মাজতো মেচিনৰ দৰে চলি থকা তাইৰ ভুঁই ৰোৱা হাত খন চকুৰে মনিব নোৱাৰাকৈ চলি আছে।

বেলি লহিয়ালে আৰু ছোৱালীটিয়েও লাগ লগে তিনিডৰা মাটি কই শেষ কৰিলে। ইতিমধ্যে লোটাটোত থকা খোৱা পানীখিনিও শেষ হ'ল। ইফালে গৰমৰ প্ৰকোপ কমা নাই। তাইৰ আকৌ পিয়াহ লাগিছে। কিন্তু কতো এটোপাও পানী পাবলৈ নাই। পানী খাবলৈ নাপাই তাই পিয়াহত চট্ফটাই আছে। তথাপি বিৰাম নাই। কিন্তু আনহাতে তাই ভোক আৰু পিয়াহত ক্লান্ত আৰু অৱশ হৈ পৰিছে আৰু লগে লাগ হাতৰ বেগও ক্ৰমাৎ কমি আহিছে।

হঠাৎ যেন আকাশত এটা 'গুৰ-গুৰ' শব্দ শুনিবলৈ পোৱা গ'ল। শব্দটো শুনি ৰোৱণীসকলৰ মনত এটা আশাৰ সঞ্চাৰ হ'ল—কিজানিবা বৰষুণ এজাক আহেই। তেতিয়াহ'লে সকলোৰে মনত অনন্দ লাগিব। কিন্তু, বতৰৰ এৰো পৰিবৰ্ত্তন নঘটিল।

বেলি মাৰ যাবলৈ বেছি সময় নাই। এনেতে, আকাশত আকৌ গুৰ-গুৰ শব্দ সঘনে হবলৈ ধৰিলে। লাগে লাগ পশ্চিম ফালৰ পৰা দুই এচাতি বতাহ পিঠিত লাগি ৰোৱণীইঁতৰ দেহা জুৰ পৰি গৈছে। তেওঁলোকে নতুন উদ্যমেৰে বাকীথকা কামখিনি শেষ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে।

লাহে লাহে মেঘৰ গাজনি বেছি হৈ আহিল। পশ্চিম ফালৰ আকাশ ডাৱৰে ছাটি ধৰিছে আৰু সেইফালৰ পৰাই জোৰেৰে হো-হোকৈ বতাহ বলিছে। ঠিক এনেতে বেলি মাৰ গ'ল আৰু হঠাৎ কেওফালে আন্ধাৰ হৈ আহিল।

এইবাৰ বোৰণীহঁত অলপ আতঙ্কিত হৈ পৰিল। যাৰ যাৰ বোৱা শেষ হ'ল, তেওঁলোকে লৰাকৰিবৈ ঘৰলৈ খোজ দিছে। যিবিলাকৰ অলপ মাটি ৰৈছে, তেওঁলোকে কেনে ঘৰলৈ যাব তাকে ভাবিছে। কিছুমানে য'ৰে মাটি ত'তে এৰি থৈ ধুমুহাই পাবহি বুলি ঘৰলৈ ধাপলি ধৰিছে।

ঠিক এনেতে, ছোৱালীটিয়ে চতুৰ্থ মাটিডৰা কই শেষ কৰি পঞ্চম বা শেষ মাটি ডৰাৰ এটা চুক কইছে মাত্ৰ। এনেতে, বতৰৰ ৰুদ্ৰমূৰ্ত্তি দেখি, তাইৰ পেটে পোটে ভয় লাগিল। ইফালে, মাটি ডৰা এৰি যাবলৈও মন যোৱা নাই। এনে অৱস্থাত কি কৰিব কি নকৰিব বুলি ভাবি থাকোতেই অলপ দূৰৰ পৰা এগৰাকী আদহীয়া বোৰণীয়ে ছোৱালীটিক হাত-বাউল দি চিঞৰি মাতিলে— 'হেৰঔ আই ফাগুনী' তই কি কৰিছ, গুছি আহ, গুছি আহ, যি থাকিল থাকক, কাইলৈকে কৰিবি।

ফাগুনীয়ে উত্তৰ দিলে - বাক, জেঠাদেও। আপোনালোক আগবাঢ়ক। মই এই অলপ পিচতেই গৈছো।

তেতিয়া জেঠায়েকে আকৌ ক'লে—নেলাগে হেৰ আই, গুছি আহ। কেওফালে ক'লা কৰি আহিছে। ধুমুহা বতাহ আহিছে, গুছি আহ, গুছি আহ।

তেতিয়া ওচৰতে থিয় হৈ থকা মানুহগৰাকীৰ গাভৰু জীয়েকে মাকক ক'লে—মাৰানা কি হৈছে এইবোৰ? ফাগুনী কিবা কেচুৱা ছোৱালীনে, তাইক কোলাতকৈ দাঙি আনিবগৈ লাগে। তাই আহিব নহয় নিজে নিজেই। কি দৰকাৰ পৰিছে এ'দৰে চিঞৰি থকাৰ।

তেতিয়া মাকে ক'লে—নহয় অ', বাপেক নাইকিয়া ছোৱালী। তাই অকলে অকলে ভুঁই কইছে। বেয়া লাগে নহয় অ', এৰিথৈ যাবলৈ।

তেতিয়া জীয়েক কলে— ধ-থহ। এনেহে মৰম দেখুৱাবলৈ আহিছ। আমাক দেখান তই চকু পৰি দেখিব নোৱাৰ। লোকৰ ছোৱালীলৈ হ'লে তোৰ ইমান মৰম।

জীয়েকৰ কথা শুনি মাকে খঙেৰে কলে—তই দেখোন বৰ সাহ পাইছ কথা কবলৈ। একেবাৰে মুখ ঠেকছি পেলাম জানিছ ?—

—বুলি কৈয়ে মাকে জীয়েকলৈ চোচা লালে। জীয়েক লৰমাৰি পলাল। তেতিয়া একেলগে ভুঁই ৰোৱা ছোৱালীজনীৰ খুৰীয়েকে মাকক আগভেটি ধৰি কলে — নহয় বাইদেও। এইবোৰ সৰু ছোৱালীৰ লগত লাগি নেথাকিবা। বলা ঘৰলৈ যাওঁ। ধুমুহা বৰষুণ পাবহিয়েই এতিয়া। এই বুলি যা-যেকক আগবঢ়াই দি, তিনিও ঘৰলৈ বুলি বেগা-বেগীকৈ খোজ ললে।

ফাগুণীৰ ৰূপ-গুণৰ কথা সকলোৰে প্ৰশংসা কৰে। ইবিলাক সিমান নাপায়। সেই কাৰণে, সমনীয়া ছোৱালীবিলাকে ফাগুণীক সিমান ভাল চকুৰে নেচায়।

পথাৰৰ মূৰত এতিয়া ফাগুণী অকলে। এবাৰ গোটেই পথাৰখনলৈ চালে। কোনো ৰোৱণী পথাৰত নাই। সকলো দিহা দিহি ঘৰলৈ গ'লগৈ। কেওফালে আন্ধাৰ হৈ আহিছে। আকাশত সঘনে বিজুলি-ঢেৰেকণি। পশ্চিম ফালৰপৰা হো হোকৈ ধুমুহা আৰু বৰষুণ আহিছে।

ফাগুণীৰ পেট পোট বৰ ভয় লাগিল। তাই ভাবিলে যে জেঠায়েক মতাৰ লগে লগেই যাব লাগিছিল। তেতিয়া নগৈ বৰ ভুল কৰিলে।

এই বুলি ভাবিয়েই, ফাগুণীয়ে লৰালৰিকৈ এহাতে বাটি ছুটা আৰু ইহাতে লোটাটো লৈ ঘৰলৈ বুলি বেগাই খোজ দিলে।

ঠিক এনেতে ফাগুণীয়ে পিছফালে পথাৰৰ মূৰৰ পৰা

কোনোবাই তাইক চিঞৰি মতা শুনিলে—হেৰঔ ফাগুনী ! ৰবি ৰবি, মইও গৈছো।

পিছফালে হাবিৰপৰা কোনোবাই মতা শুনি, ফাগুনীৰ চুলিৰ আগে জীৰ গ'ল। তাই ভাবিলে যে তাইক মতা এইটো মানুহ নহয়। কোনোবা ভুত-প্ৰেত বা ম'হ-যশহে। তাইক অকলে পাই ধৰিবলৈ আহিছে।

এইবুলি ভাবিয়েই ফাগুনীয়ে—আই ঐ—খালে ঐ বুলি বৰকৈ চিঞৰিলে। হাতত থকা বাটি দুটা আৰু লোটাটো দলিয়াই পেলাই দি, তাই পথাৰৰ আলিয়েদি প্ৰাণকাতৰে লৰিবলৈ ধৰিলে।

ফাগুনীয়ে ভয়খাই চিঞৰা শুনি, পিছফালৰ পৰা আকৌ মাত আহিল—হেৰঔ ফাগুনী ! মই গণেশ হে, আন নহয়। মই ম'হৰ পৰা আহিছো। তই একো ভয় নকৰিবি। ৰবি, ৰবি একেলগে যাওঁ।

আকৌ পিছফালৰ পৰা 'মই ম'হৰ পৰা আহিছো' বুলি চিঞৰা শুনি, ফাগুনীৰ আৰু বেছি ভয় লাগিল। তাই ভাবিলে যে এই ম'হ-যশটোৱে মিছাকৈয়ে সিহঁতৰ ওচৰৰে গণেশ নামে এটা ডেকা ল'ৰাৰ নাম কৈ, চল বুদ্ধি কৰি তাইক ধৰিবলৈ আহিছে। এইবাৰ তাই প্ৰাণকাতৰে চিঞৰি চিঞৰি—আই ঐ—মৰিলো ঐ—খলে ঐ— বুলি পথাৰৰ মাজেদি লৰ ধৰিলে।

ফাগুনীৰ চিঞৰ শুনি গণেশে ভাবিলে যে তাক কিবা ভুত-প্ৰেত বুলি ভাবি ফাগুনীয়ে ভয় খাইছে। সেইকাৰণে সি ভাৱিলে ফাগুনীৰ পিছে পিছে নগৈ, অলপ আতৰ হৈ, দৌৰ মাৰি, ফগুনীতকৈ আগবাঢ়ি গৈ, নিজৰ পৰিচয় দিলেই ফাগুনীৰ ভয় ভাগিব আৰু তাইক ঘৰত থৈ আহি নিজৰ ঘৰলৈ যাবগৈ পাৰিব। ইয়াকে ভাবি, গণেশে চুঙৰামান মাটি আঁতৰি গৈ, ফগুনীৰ সমান্তৰাল ভাবে দৌৰিবলৈ ধৰিলে। কিন্তু ইফালে ফাগুনী তালেখিনি আগ-

বাঢ়িল। তথাপি, গণেশে ফাগুনীতকৈ আগবাঢ়িবলৈ প্ৰাণকাতৰে লৰিবলৈ ধৰিলে। আনহাতে, প্ৰবল ধুমুহা বতাহ, দোপালপিতা বৰষুণ আৰু বুকু কঁপি যোৱা বিজুলী-ঢেৰেকণী ভীষণ ভাবে চলিয়ে আছে।

ঠিক এনেতে, চকু চাৎমাৰি যোৱা এটা বিজুলীৰ পোহৰে গণেশৰ চকুছুটা কাণি-মুণি লগাই দিলে। সি অচল হৈ পৰিল। পিছ মুহূৰ্ত্তত—ছেৰ,—ছেৰ,—ছেৰ—গেৰ,—ৰেং ! এটা পৃথিবী কঁপি যোৱা শব্দ কৰি ওচৰতে ক'ৰবাত বজ্ৰপাত পৰিল। লগে লগেই গণেশ অচেতন হৈ পৰি গ'ল।

বজ্ৰপাতৰ প্ৰচণ্ড আঘাতত পৃথিবীখন যেন চিৰা-চিৰ হৈ ফাটি গ'ল। ওচৰে-কাষৰে কোনো প্ৰাণী যেন জীয়াই থকা নাই। আনহাতে, ধুমুহা, বৰষুণ, মেঘৰ গৰ্জ্জন আদি একেৰাহে চলি আছে। খৰাং বতৰত শুকাই যোৱা পথাৰৰ মাটিবোৰ বৰষুণৰ পানীৰে উপচি পৰি আলিবাৰৰ ওপৰেদি বাগৰিছে। কেওফালে অন্ধকাৰ। কেৱল মাজে মাজে বিজুলিৰ চমকে মুহূৰ্ত্তৰ কাৰণে এছমকা ঠাই পোহৰ কৰি আকৌ নিমিষতে নাইকিয়া হয়।

অচেতন অৱস্থাত, গণেশ এইদৰে কিমান সময় পৰি থাকিল, সি নিজেই ক'ব নোৱাৰে। বহুত পৰৰ পিছত, তাৰ অলপ অলপ চেতন আহিল। এতিয়াও সি নিজে ক'ত আছে, কি কৰিছে একো ক'ব পৰা হোৱা নাই। কেৱল মাত্ৰ অলপ অনুভৱ কৰিছে যে ওপৰৰ পৰা তাৰ গাত বৰষুণ পৰিছে, তাৰ গাটো পানীত ডুব-গৈ আছে আৰু মূৰটো পথাৰৰ আলিত ভেজা দি আছে। কেও-ফালে আন্ধাৰ। মাজে মাজে বিজুলি মাৰিলে পথাৰৰ একাংশ পোহৰ হৈ আকৌ নিমিষতে আন্ধাৰ হৈ পৰে।

লাহে লাহে গণেশৰ জ্ঞান আহিল। ঠিক আগৰ ঘটনা-বোৰ তাৰ এটা এটাকৈ মনত খেলাবলৈ ধৰিলে।

সেইদিনা গণেশে সেইখন পথাৰতে এটা গল্‌ধন্‌ ধৰা মতা ম'হেৰে হালবাই আছিল। হালমেলি গণেশে ম'হটোৰ পিঠিত উঠি তাক আন ম'হজাকৰ লগত এৰি দিবলৈ পথাৰৰ মূৰত থকা ইকৰাণি হাবিৰ মাজদি গৈ ডাঠ হাবিত সোমালগৈ। হাবিত সোমোৱাৰ আগতেই, পথাৰৰ মূৰত ফাগুণীয়ে অকলে অকলে ভুঁই কই থকা গণেশৰ চকুত পৰিছিল। সেইদিনা আন ম'হজাক ওচৰত নেপাই, সি ম'হৰ পিঠিত উঠি বহুত ঘূৰি পকি থাকিব লগা হ'ল। শেষত, লগ পাই জাকৰ মাজত ম'হটো এৰি দি, হাবিৰ মাজৰ গছ এজোপাৰ গুৰিতে খন্তেক বহিল। দিনটো অনাহাৰে ঘুৰি পকি ফুৰি, তাৰ বৰ ভাগৰ লাগিছিল। গতিকে, সি বহাৰ লগে লগেই টোপনি আহিল। এবাৰ কিবা এটা শব্দ শুনি চক্‌খাই সাৰ পালে। কিন্তু, তাৰ ইমান ভাগৰ লাগিছিল যে সি খন্তেক জিৰাবই লাগিব। কিন্তু গছৰ তলত টোপনি গ'লে, হঠাৎ বাঘ ভালুক ওলাবহি পাৰে। তেতিয়া ডাঙৰ বিপদ হব। ইফালে তাৰ হাতত ম'হৰ টকোন ডালৰ বাহিৰে আন অস্ত্ৰ নাই। ইয়াকে ভাবি, গণেশে টকোনডাল গছত আঁওজাই থৈ, সেই গছজোপাতে উঠি গৈ, এটা গছৰ ফেৰেঙণিত বহি ললেগৈ। তাৰ পৰা তললৈ চাই দেখিলে যে ইমান ওখত, তলৰপৰা বাঘে জপিয়ালেও তাক ধৰিব নোৱাৰে। তাৰ পিচতেই সি ডিঙিত মেৰিয়াই থোৱা গামোছাখন খুলি, তাৰ ককাল আৰু যোৰেঙণিৰ ডালটোৰ লগত মেৰিয়াই ললে, যাতে টোপনি আহিলেও সি গছৰপৰা পৰি নেযায়। এইদৰে কেওফালৰ পৰা নিশ্চিন্ত হৈ, খন্তেক পিচতে সি টোপনিত লালকাল দিলে।

গণেশ গভীৰ টোপনিত। মাজে মাজে গছৰ পাত লৰাই যোৱা ছুই এচাতি বতাহে তাৰ টোপনিত আৰু সহায় কৰিছে। তাৰপিচত আবেলি পশ্চিমফালৰ পৰা অহা বতাহ জাকত সি বেছি আৰাম পাইছে।

এইদৰে কিমান সময় গ'ল গণেশে নিজেই ক'ব নোৱাৰে। বেলি মাৰ যাবৰ হ'ল। পশ্চিমৰ বতাহজাক জোৰেৰে আহিছে। এনেতে, ওপৰত এবাৰ ডাঙৰ মেঘৰ গাজনিত গণেশে চকুখাই সাৰ পালে। ইতিমধ্যে বেলি মাৰ গ'ল। কেওফালে আন্ধাৰ হৈ আহিছে। দূৰৰ পৰা বতাহ আৰু বৰষুণৰ হো-হো-শব্দ তাৰ কাণত পৰিল। আকাশত মেঘৰ গাজনি ক্ৰমাৎ ভয়লগা হৈ আহিছে।

গণেশ আতঙ্কিত হৈ পৰিল। গছৰ পৰা গামোছাখন খুলি নিজৰ ডিঙিত মেৰিয়াই ললে। পিছ মুহূৰ্ততে লৰালৰিকৈ গছৰ পৰা নামি, হাতত টকোনডাল লৈ, হাবিৰ মাজেদি পথাৰৰ মুৰত থকা ইকৰাণি ডবাৰ ফালে লৰ ধৰিলে। ভালেখিনি সময় হাবি আৰু ইকৰাণিৰ মাজেদি অকাই-পকাই আহি পথাৰৰ মুৰত ওলালহি। হাবিপৰা ওলায়েই তাৰ চকুত পৰিল— অলপ দূৰত ঘৰৰ ফালে ধাপলি ধৰা এজনী ছোৱালী—ফাগুণী। কি ? ফাগুণী !! —হয় ফাগুণীয়েই। তেনেহলে ফাগুণী কলৈ গ'ল ? ফাগুণীক সি মাতিছিল। তেতিয়া ফাগুণীয়ে ভয়তে চিঞৰিছিল। তাৰ পিচত সি কেইডৰা-মান মাটি আঁতৰি গৈ, ফাগুণীক আগভেটি ধৰি চিনাকী দিবলৈ ধাপলি ধৰিছিল। ইতিমধ্যে ফাগুণী গৈ, পথাৰৰ মাজত থকা আঁহত গছ জোপাৰ ওচৰ পাওঁ পাওঁ হৈছে। এনেতে, বজ্ৰপাত পৰি সি অচেতন হ'ল।

বিজুলিবেগেৰে আকৌ গণেশৰ মনত খেলালে— তেনেহলে, ফাগুণী ক'লৈ গ'ল ? যদি ভালে ভালে গৈছে, তেনেহলে ইমানপৰ ঘৰ পালেগৈ। যদি নাই যোৱা। যদি তাৰ নিচিনাকৈ ফাগুণীৰ গাতো বজ্ৰপাত পৰিল !!

—নাই, গণেশ আৰু থিৰোৰ থাকিব নোৱাৰিলে। সি চিপমাৰি উঠিবলৈ চেষ্টা কৰিলে। কিন্তু, তাৰ মূৰটো ঘূৰি আহিল। সি বহি পৰিল। আন্ধাৰত হাতেৰে টকোনডাল খেপিয়াই

চালে—নেপালে। অলপ পিচতে, বিজুলীৰ পোহৰত দেখিলে যে তাৰ টকোণডাল পানীত ওপঙি গৈ পথাৰৰ আলি এটাত লাগি, ঢৌৰ লগত উঠা-নমা কৰি আছে। বগুৰাবাই গৈ টকোণডাল ললে আৰু থিয়কৈ ধৰি, তাতে ভেজা লৈ, লাহেকৈ থিয় হ'ল। গাটো কঁপিছে, আৰু মূৰটো এতিয়াও জিন্‌জিনাই আছে। সি ভাবিলে যে বজ্ৰপাতৰ প্ৰভাৱ তাৰ গাৰ পৰা এতিয়াও যোৱা নাই।

কিছু সময় একেথৰে থিয় লৈ ৰ'ল লাখুটিডালত ধৰি। তাৰ পিচত, লাখুটিত ভৰদি লাহে লাহে সেই আঁহত গছজোপাৰ ফালে খোজ দিলে। গছজোপা সি পৰি থকাৰ পৰা কেইডৰামান মাটি গলেই পাবগৈ।

গছজোপাৰ ওচৰ পায়েই, গছৰ ডাঙৰ ডাল এটা মাটিত পৰি থকা দেখি তাৰ বুকুখন চিৰিংকৈ গলগৈ। তেনহলে, বজ্ৰ-পাত এই গছজোপাতে পৰিছিল! অৱশ্যে, পথাৰৰ মাজত থকা অকলশৰীয়া গছজোপাত সৰগ পৰা একো আচৰিত কথা নহয়। বিজুলী বেগেৰে ফাগুণীৰ কথা তাৰ মনলৈ আহিল। সৰগ পৰা আগমুহূৰ্তত, ফাগুণী এইখিনি পাইছিলহি যেন তাৰ অনুমান হয়।

তেনহলে ফাগুণী ক'ত আছে? ইয়াতেই ক'ৰবাত পৰি আছেনে—নাই ঘৰ পালেগৈ?

স্তম্ভিত হৈ গণেশে ইফালে-সিফালে চাইছে।

আন্ধাৰত ভালকৈ একো নেদেখি। তেতিয়াও ধুমুহা, বৰষুণ চলিয়ে আছে। কেৱল মাত্ৰ বিজুলী-ঢেৰেকণি অলপ কমিছে।

এবাৰ বিজুলীৰ পোহৰতে তাৰ চকুত পৰিল যে চাদৰৰ আগ এটা পৰি থকা গছৰ ডালটোৰ কাষতে ওপঙি আছে আৰু বাকী ডোখৰ পাতবোৰে ঢাকি থৈছে। গণেশে কাপোৰৰ আগটোত ধৰি টানমাৰি দিয়াত, গোটেই কাপোৰখন ওলাই আহিল। ফাগুণীক দেখা নেপালে। সি অনুমান কৰিলে যে হয়তো, এই ডালটোৰ

তলতে ফাগুনী পৰি আছে, এইবুলি ভাবিয়েই গণেশে গাৰ সৰ্ব্ব শক্তি প্ৰয়োগ কৰি ডাঙৰ ডালটো লুটিয়াই দিয়াত, আন্ধাৰৰ মাজতো ধৌ-ধৌ কৰে বগা ফাগুনীৰ দেহাটো ওলাই পৰিল।

—"আই ঔ ফাগুনী!"— বুলি গণেশে দুইহাতেৰে ফাগুনীক দাঙি আনি পথাৰৰ আলি এটাত বহি পৰিল। পিচ মুহূৰ্ত্ততে ফাগুনীৰ মুখখনলৈ চাই— ফাগুনী! ফাগুনী! এই ফাগুনী! ফাগুনী!—বুলি কেইবাবাৰো চিঞৰি মাতিলে। কোনো উত্তৰ নাই। আনহাতে সি দেখিলে যে প্ৰাণহীন মানুহৰ দৰে ফাগুনীৰ হাত, ভৰি, মূৰ আদি অঙ্গ-প্ৰত্যঙ্গবোৰ ওলমি পৰিছে। তাৰ পিচত গণেশ ফাগুনীৰ গোটেই গাতে হাতদি দেখিলে যে গাটো বৰফ যেন চেচা। উশাহ নিশাহ নাই। গণেশৰ চুলিৰ আগে জীৱ গ'ল।

তেনেহলে ফাগুনী আৰু জীৱিত অৱস্থাত নাই। একো অসম্ভৱ নহয়। কাৰণ, গছৰ পৰা তিনি-চাৰিডৰা মাটি দূৰত থাকিও যদি সি অচেতন হৈ পৰি গ'ল, তেনেহলে সৰগ পৰা সেই গছ-জোপাৰ তলত থকা ফাগুনী কোনোমতেই জীয়াই থাকিব নোৱাৰে। তেনেহলে, মৃতপ্ৰায় ফাগুনীক কোলাত লৈ সি কি কৰিব ভাবি অস্থিৰ হৈ পৰিল। ৰাতি অকলে অকলে তাৰ ভয়ও লাগিছে। সি এবাৰ ভাবিলে—ফাগুনীৰ দেহাটো তাতে থৈ, সি লৰি গৈ ঘৰত খবৰ দিবগৈ। কিন্তু, এবাৰ ফাগুনীৰ মুখখনলৈ চাই তাৰ অন্তৰ গলি গ'ল। সি সিদ্ধান্ত কৰিলে যে ফাগুনীক সি তেনেকৈ কেতিয়াও এৰি যাব নোৱাৰে। নিজৰ প্ৰাণ দি হলেও সি ফাগুনীক ঘৰলৈ নিবই। তাৰ পিচত কি হয়, সেইটো পিচৰ কথা।

ইয়াকে ভাবি, চাদৰখন চেপি গাত মেৰিয়াই দি, ফাগুনীক কোলাত লৈ লাহেকৈ বহাৰপৰা উঠিল। এতিয়া তাৰ মনত ফাগুনীৰ দেহটো এটা বৰ ডাঙৰ গধূৰ শিল যেন হে লাগিছে।

কাৰণ, ৰাতিপুৱাই পথাৰত জলপান কেটাৰ বাহিৰে, তাৰ মুখত কেচাপানী এটোপাও পৰা নাই। বিশেষকৈ আগতে সৰগ পৰি অচেতন হোৱাৰ পৰা সি একেবাৰে অৱশ হৈ পৰিল। সুস্থীয়া অৱস্থাত হোৱা হলে, ফাগুণীৰ নিচিনা দুজনী ছোৱালী দুহাতে দাঙি লৈ যাব পাৰিলেহেঁতেন। সেইখিনি শক্তি তাৰ আছিল।

ফাগুণীক কোলাত লৈ গণেশ লাহে লাহে এখোজ-দুখোজকৈ বোৱণি পথাৰৰ মাজেদি আগবাঢি গ'ল। সমুখলৈ চাই অনুমান কৰিলে যে সেইখিনিৰ পৰা ফাগুণীৰ ঘৰলৈ আধা মাইলৰ কম নহয়। পথাৰৰ বোকাত ভৰিবোৰ দ-কৈ সোমাইছে। গতিকে, বেছিদূৰ আগবাঢিব পৰা নাই। এতিয়া তাৰ মনত এডৰা মাটিযেই এমাইলমান দূৰ যেন লাগিছে।

অলপ দূৰ গৈযেই, পথাৰৰ আলি এটাত আকৌ বহি পৰিল গণেশ। সি ইমান ক্লান্ত হৈ পৰিছিল যেন ফাগুণীক লৈ আৰু সি এটা খোজো আগবাঢি নোৱাৰে। এবাৰ ভাবিছিল— সৰু ল'ৰা-ছোৱালীৰ দৰে ফাগুণীক চান্দৰখনেৰে পিঠিত বোকোছা বান্ধি লৈ যাব নেকি? কিন্তু, আকৌ ভাবিলে যে ফাগুণীৰ এনে অজ্ঞান অৱস্থাত, দুফালে দুখন হাতেৰে ধৰি বোকাপানীত খোজ দি যোৱাটো একেবাৰে অসম্ভৱ। গতিকে, এইদৰে দুহাতে কোলা কৰিযেই লৈ যাব লাগিব গোটেই বাটটো—ইফালে যিমানেই কষ্ট নহওক লাগিলে। ইয়াকে ভাবি, গণেশে আকৌ লাহে লাহে আগবাঢিবলৈ ধৰিলে।

ক্ৰমাৎ আৰু অৱশ হৈ পৰিছে গণেশে। তাৰ মনত এনে ভাব হ'ল যেন কোনোবা মুহূৰ্তত আকৌ সি পথাৰৰ বোকা-পানীতে অচেতন হৈ পৰি যাব। কিন্তু, যেতিয়াই সি ফাগুণীৰ মুখ খনলৈ চাই পঠিয়ায়, তেতিয়াই তাৰ মানসিক শক্তিৰ লগতে যেন শাৰীৰিক শক্তিও ঘূৰি আহে আৰু তেতিয়াই সেই উৎসাহতে

ভালেখিনি বাট আগবাঢে। এইদৰে ভালেমান ঠাইত জিৰণি লৈ লৈ, শেষত ফাগুনীৰ ঘৰৰ ওচৰ চাপিলহি।

তেতিয়াও বতাহ-বৰষুণ দিয়ে আছে যদিও আগতকৈ বহুত কম। লগে লগে বিজুলী-ঢেৰেকণীও বহুত কমিল। ঠিক এনেতে, ফাগুনীহঁতৰ ঘৰৰ পথাৰৰ ফালে থকা পিৰালীটোৰ পৰা কাৰোবাৰ যেন করুণ বিননি গণেশৰ কাণত পৰিলহি— ঐ আই ফাগুনী, তই কলৈ গলিঐ—তই ইমান পৰ ক'ত আছগৈ ঐ—তোক নেদেখিলে মই আৰু জীয়াই নাথাকো ঐ—তই ক'ত আছ তুৰন্তে আহ ঐ আই ।

গণেশে অনুমান কৰিলে যে মাকেই ইনাই-বিনাই কান্দিছে। তাৰ মনত বৰ দুখ লাগিল। আনহাতে, তাৰ এটা ভাতৰ মনোবল আছিল। গণেশে পথাৰৰ পৰাই চিঞৰি ক'ব খুজিছিল, কিন্তু বৈ গ'ল। কাৰণ, সি ভাবিলে যে ইমান দূৰৰ পৰা চিঞৰিলে, হয়তো মাকে তাক কিবা ভুত-প্ৰেত বুলিহে ভাবিব। ইয়াকে ভাবি, সি মনৰ উলাহতে ফাগুনীক লৈ ঘৰৰফালে বেগাই আগবাঢ়িল। ইফালে, মাকৰ করুণ বিননি তাৰ কাণত পৰিছেহি। গণেশে আৰু ৰব নোৱাৰি পথাৰৰ মাজৰ পৰাই চিঞৰি ক'লে— মাহী, এইয়া মই ফাগুনীক লৈ আহিছো। তুমি নেকান্দিবা।

পথাৰৰৰ পৰা জপং জপংকৈ কিবা এটা তেওঁৰ ঘৰৰ ফালে অহা দেখি, মাকে ভয়খাই চিঞৰি উঠিল—আইঐ! সেইটো কি আহিছে ঐ ।

মাজতে বাধা দি গণেশে ক'লে—নহয় মাহী, মই গণেশহে। ফাগুনীক পথাৰৰ পৰা লৈ আহিছোঁ। তুমি ভয় নেখাবা।

এইবুলি কৈয়েই, ফাগুনীক কোলাত লৈ, গণেশ মাকৰ ওচৰ পালেহি। ফাগুনীক সেইটো অৱস্থাত দেখিয়েই মাকে ভয় খাই চিঞৰমাৰি উঠিল—আই ঐ! ফাগুনী তোৰ কি হ'ল ঐ ॥

ঠিক এনেতে, গণেশে ফাগুণীকলৈ তুৰাৰমুখ পায়েই মাকক ক'লে—মহী, তুমি নেকান্দিবা। ফাগুণীৰ একো হোৱা নাই। বাটাতে ভয়খাই অজ্ঞান হৈ পৰি গৈছিল। মই বাটৰ পৰা দাঙি লৈ আহিছোঁ—বুলি কৈয়েই গণেশে ভিতৰ সোমাই, ফাগুণীক এখন দীঘল চাৰীত শুৱাই দিযেই মাকক ক'লে— মাহী, তুমি কাপোৰবোৰ এতিয়াই সলাই দিয়া আৰু মই ইযাতে জুই একুৰা ধৰি ফাগুণীক সেক দিওঁ। বৰষুণৰ পানীত ঠাণ্ডা লাগি তাই অজ্ঞান হৈছে। জুইৰ সেক দিলেই ভাল হৈ আহিব। তুমি চিন্তা নকৰিবা।

তাৰপিচতে মাকক সুধি গণেশ ভৰালৰ গাধৈৰপৰা এমোঠা ধানখেৰ লৈ আহিলগৈ। পিচত চাকিটো লৈ ফাগুণীৰ ওচৰতে একুৰা জুই ধৰিলে। ইতিসময়তে, মাকে কান্দি কান্দি ফগুণীৰ কাপোৰবোৰ সলাই দি মূৰত গাৰু এটা দিলেহি। ইফালে, গণেশে কাপোৰৰ টোপোলা এটা বান্ধি, জুইত গৰম কৰি ফাগুণীক মূৰৰ পৰা ভৰিলৈকে সেক দিবলৈ ধৰিলে। আনহাতে, মাককো সেইদৰে সেক দিবলৈ দি, ব্যস্ত কৰি ৰাখিছে, যাতে মাকে ফাগুণীৰ বিষয়ে কোনো কথা নোসোধে। কিন্তু মাকে ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলে। কন্দনামুৱা হৈ মাকে আকৌ সুধিলে— বোপাই গণেশ! ফাগুণীৰ কি হৈছিল তই এতিযাও কোৱা নাই কিয়? মই আৰু ধৈৰ্য্য ধৰি থাকিব নোৱাৰা হৈছোঁ।

তেতিয়া গণেশে হাতখন ওপৰলৈ দাঙি লাহেকৈ ক'লে— মাহি, ফাগুণীযে জ্ঞান পাই ভাল নোহোৱালৈকে, এই বিষয়ে মোক আৰু একো নুসুধিবা। ভাল হোৱাৰ পিচত মই সকলো কম। তাৰ আগতে নহয়। মই ফাগুণীৰ ভালৰ কাৰণেই কৈছোঁ।

এইবুলি কৈয়েই, গণেশ সেক দিয়াত লাগিল। মাকে ভয়ে ভয়ে একেথৰে গণেশলৈ চাই থাকিল। মুখেৰে আৰু একো কথা সুধিবলৈ সাহ নকৰিলে। চকুপানী টুকি টুকি সেক দিবলৈ

লাগিল। আনহাতে, গণেশৰ ওপৰতো অলপ সন্দেহ নোহোৱাকৈ নাথাকিল। কাৰণ, মাকে ভাবিলে—ইমান ৰাতি গণেশে পথাৰৰ মূৰত ফাগুণীক কেনেকৈ লগ পালে। ইয়াৰ কিবা বেলেগ উদ্দেশ্য আছিল নেকি? নাইবা ইয়েই ফাগুণীক কিবা এটা কৰি, পিচত ভয়খাই এইদৰে ডাংকোলা কৰি ঘৰলৈ লৈ আহিছে। নহলে ইমান ডাঙৰ ঘটনা এটাৰ কথা সি ক'ব খোজা নাই কিয়। নিশ্চয় ইয়াত কিবা এটা ডাঙৰ ৰহস্য আছে। তথাপি, মুখেৰে একো নকৈ, জীয়েকৰ কাৰণে মনটো চটফটাই থাকিল।

ইফালে গণেশৰ মনলৈও নানা কথাবাৰ আহি ভুমুকি মাৰিছে। হয়তোবা ভুলতে সি ফাগুণীক দেখি ৰবলৈ চিঞৰিলে। তাৰ চিঞৰ শুনিয়েই বোধকৰো, ফাগুণীয়ে তাক ভূত বুলি ভয়খাই চিঞৰি চিঞৰি ঘৰলৈ লৰ ধৰিলে আৰু শেষত, গছৰ তল পোৱাৰ লগে লগেই তাইৰ গাত বজ্ৰপাত পৰিল। সি নমতা হলে কিজানি, ফাগুণীয়ে লাহে লাহে আন বাটেদি ঘৰলৈ গ'লাহেঁতেন। তেতিয়াহলে তাইৰ এনে বিপদ নহ'লাহেঁতেন। এতিয়া ফাগুণীৰ এনে দুৰ্ঘটনাৰ কাৰণে সিয়েই দোষী নহয় জানো।

গণেশ বিচলিত হৈ পৰিল। এতিয়া ফাগুণীৰ কিবা এটা ভালৰ লক্ষণ দেখা নেপাইমানে তাৰ মনটো চটফটাবলৈ ধৰিলে। আনহাতে সি আৰু বেছি সতৰ্কতাৰে ফাগুণীক সেৱা দিয়াত ব্যস্ত হৈ পৰিল।

মাজনিশা, বাহিৰত বতাহ-বৰষুণ, বিজুলী-ঢেৰেকণি নোহোৱা হ'ল। তাৰ পৰিবৰ্ত্তে, ৰাতি এটা ভয়াবহ নিস্তব্ধতা বিৰাজ কৰিছে। ইফালে ঘৰৰ ভিতৰত মাক আৰু গণেশে ফাগুণীৰ চেতন ঘূৰাই আনিবলৈ আপ্ৰাণ চেষ্টা চলাইছে। কিন্তু ফাগুণীৰ একো পৰিবৰ্তন দেখা নগ'ল। শুশ্ৰূষাকাৰী দুজন হতাশ হৈ পৰিছে। তথাপি চেষ্টা এৰা নাই। এবাৰ গণেশে মাকক কৈ

মিঠাতেলৰ বটলটো অনাই, বাটি এটাত তেল গৰম কৰি, ফাগুণীৰ পিঠি, হাত আৰু ভৰিৰ তলুৱাত অলপ জোৰেৰে মালিচ কৰি দিলে। তাৰ পিচত ফাগুণীক ওপৰ মুৱাকৈ শুৱাই দি, একেথৰে ফাগুণীৰ মুখলৈ চাই থাকিল। ইফালে, ফাগুণীৰ এতিয়ালৈকে জ্ঞান নহাদেখি, মাকে আনফালে মুখকৰি উচুপি উচুপি কান্দিবলৈ ধৰিলে।

মাজনিশা পাৰহৈ গ'ল, এতিয়াও ফাগুণীৰ ভাল হোৱাৰ কোনো লক্ষণ দেখা নাই। এবাৰ গণেশে ফাগুণীৰ কপালত হাত দি চালে। কপালখন অলপ গৰম যেন লাগিল। তাৰপিচত বুকু, পিঠি, হাত, ভৰি আদিত হাত দি দেখিলে যে প্ৰথমে বৰফ যেন চেঁচা গাটো এতিয়া অলপ গৰম হৈছে। হয়তো, ইমান পৰ গৰম সেক দিয়াৰ কাৰণেও গাটো গৰম হ'ব পাৰে। তাৰ পিচত নাকৰ ওচৰত আঙুলিটো দি চালে। একো ধৰিব নোৱাৰিলে। অলপ সময় কিবা ভাবি, ফাগুণীৰ মূৰৰ কেইডালমান দীঘল চুলিৰ আগ আলফুলকৈ আনি নাকৰ ওচৰত ধৰি থাকি একেথৰে চাই থাকিল। গণেশে দেখিলে যে চুলি কেইডাল অলপ ইফাল-সিফাল কৰিছে। তাৰ মনটো আনন্দত নাচি উঠিল। আকৌ কেইবা-বাৰো সেইদৰে প্ৰমাণ চালে। আগৰদৰেই চুলি কেইডাল লৰচৰ কৰা দেখিলে। তাৰ পিচত এখন চাদৰ আনি চাদৰৰ মূৰৰ সূতা কেইডালমান নাকৰ ওচৰত থৈ চালে। সূতা কেইডালো চুলিৰ দৰেই লৰা দেখিলে। তেতিয়া গণেশ নিশ্চিত হ'ল যে ফাগুণীৰ চেতন ঘূৰি আহিছে। আনহাতে ইমানপৰ মাকে গণেশৰ কাৰ্য-কাৰ্য্যবোৰৰ আলেখ-লেখ চাই আছিল।

গণেশৰ মনত বৰ ৰং লাগিল। মাকৰ ফালে চাই, মিছিকীয়া হাঁহি এটা মাৰি ক'লে—মাহী, এইফালে চোৱাছোন। ফাগুণীয়ে উশাহ-নিশাহ লোৱা যেন লাগিছে। মাকে কথাটো

শুনিয়েই জাপমাৰি উঠি চিঞৰি ক'লে—হঁা, কি কলি বোপাই ' ফাগুণীয়ে উশাহ লৈছে ' তই কেনেকৈ জানিলি ?

—নিচিঞৰিবা মাহী। মনে মনে কোৱা। এইয়া মই দেখুৱাওঁ চোৱা। গণেশে লাহেকৈ কথাটো কৈ, মাকক আগৰ দুটা প্ৰমাণ দেখুৱালে। তেতিয়া মাকে নিজেও ফাগুণীৰ কপালৰ পৰা ভৰিলৈকে গোটেই গা'টো পিটিকি চাই গণেশৰ কথাটো সঁচা যেন লাগিল।

অলপ সময়ৰ পিচত, ফাগুণীয়ে এবাৰ চকু মেলি চাইছে। গণেশে দেখি খুব ৰং পালে আৰু লাগ লগেই মাকক ঠাৰে চিঞাৰে দেখুৱালে। মাকে দেখিযেই হাততে সৰগ ধুকি পালে।

—ঐ মোৰ আই ' কেনে পাইছ এতিয়া ? মাকে লাহেকৈ সুধিলে, কোনো উত্তৰ নাই।

—ফাগুণী ' এতিযা অলপ ভাল পাইছ নহয ? গণেশেও লাহেকৈ সুধিলে।

ফাগুণীযে এবাৰ গণেশৰ ফালে চাই চকু দুটা মুদি দিলে। খন্তেক পিছতে - 'আই ঐ' বুলি চিঞৰি মাৰি আকৌ মুছ-কছ গ'ল।

ফাগুণীৰ এনে অৱস্থা দেখি, মাকে হুকু-হুকুকৈ কান্দিবলৈ ধৰিলে। গণেশে অবাক হৈ একেথাৰে ফাগুণীলৈ চাই থাকিল।

বহুত পৰ পিচত ফাগুণীযে আকৌ এবাৰ 'উস্' বুলি চকু মেলি চালে। মাকে লৰালৰিকৈ ওচৰলৈ আহি 'কি আই' বুলি আগ্ৰহেৰে সুধিলে।

ফাগুণীয়ে খুব ক্ষীণ স্বৰেৰে ক'লে—মই ক'ত আছো, মা। মাকে কিবা ক'ব খোজোতেই, গণেশে হাতখন দাঙি মাকক ক'বলৈ বাধা দি নিজেই মাত লগালে—তই এতিয়া ঘৰৰ ভিতৰতে শুই আছ, ফাগুণী।

—মোৰ কি হৈছে ? লাহেকৈ ফাগুণীয়ে ক'লে।

—তোৰ একো হোৱা নাই। তই ভালেই আছ, মনে মনে শুই থাক।

ফাগুণী নিমাত হৈ ৰ'ল। আগৰ ঘটনাবোৰ তাই এতিয়াও মনত পেলাব পৰা নাই।

ঠিক এনেতে গণেশে মাকলৈ চাই ক'লে—মাহী, কিবা গাখীৰ-চাখীৰ অকণমান আছেনে, ফাগুণীক দিবলৈ ?

মাকে লৰালৰিকৈ উঠি গৈ, কৰীযাটো আনি, গাখীৰখিনি বাটি এটাত বাকি দি দেখিলে যে গাখীৰবোৰ গৰমত ফাটি গ'ল।

তেতিয়া গণেশে কলে—তেনেহলে মাহী, চাউল এমুঠি মানকে সিজাই পিচত খছি থপথপীয়া কৰি অলপমান ফাগুণীক খুৱাই দিব লগা হ'ল। তেতিয়া তাই গাত অলপ বল-শক্তি পাব। কাৰণ দিনটো ভুঁই ৰোৱাৰ পিচত তাইৰ পেটত পানী এটোপাও পৰা নাই। সেই কাৰণে বৰ দুৰ্ব্বল হৈ পৰিছে। মই বাৰু ফাগুণীক ৰখি আছো। তুমি সোনকালে ভাতমুঠি ৰান্ধাগৈ।

গণেশৰ কথামতে মাক ভিতৰলৈ গ'ল। সি একেথৰে ফাগুণীৰ মুখৰ ফালে চাই থাকিল। গণেশ মন কৰিলে যে ফাগুণী লাহে লাহে ভালৰ ফাললৈ আহিছে। চকুমুদি আছে যদিও, উশাহ-নিশাহ বোৰ সুস্থীয়া মানুহৰ দৰে লৈছে। তাৰ পিচত, কপাল, হাত ভৰি বোৰত হাতদি বুজিব পাৰিলে যে এতিয়া গোটেই গাটো স্বাভাৱিক মানুহৰ দৰে হৈ আহিছে।

হঠাৎ তাৰ মনলৈ আহিল—কিছু সময়ৰ আগতে ফাগুণীয়ে তাৰ ফালে চাই অলপ পিচতে চিঞৰ মাৰি উঠিছিল। তেনেহলে সি হাবিৰ পৰা পথাৰৰ মূৰলৈ ওলাইয়ে ফাগুণীক ৰখলৈ চিঞৰি মতা আৰু ফাগুণীয়ে ভয়ত চিঞৰমাৰি উঠা আদি কথা-বোৰ ফাগুণীৰ মনত খেলাইছিল নেকি ? তেনেহলে এতিয়া ফাগুণীয়ে তাক পথাৰৰ মুৰত তাইক মতা মানুহটো এইটোৱেই

বুলি চিনি পাই, আকৌ চিঞৰ মাৰি উঠিছিল নেকি ? ইত্যাদি কথাবোৰ ভাবি সি অস্থিৰ হৈ পৰিল আৰু পৰাপক্ষত ফাগুণীয়ে নোদেখাকৈ ওচৰতে থাকি সকলোখিনি কৰি যাবলৈ ঠিক কৰিলে।

খন্তেক পিচত, এবাটি মাৰ-ভাত লৈ মাক ওলাই আহিল। গণেশৰ দিহামতেই অকণমান নিমখ ছটিয়াই লৈ, মাকে লাহে লাহে খুৱাই দিলে। আধা বাটিমান খোৱাৰ পিচত, ফাগুণীয়ে মুৰটো জোকাৰি দিয়াত, গণেশে মাকক আৰু নুখুৱাবলৈ ক'লে। তাৰ পিছত, অলপমান পানী খুৱাই মুখখন মচি, কাপোৰ-কানিবোৰ দিহা লগাই দি, ফাগুণীক শুবলৈ দিলে। গণেশে দেখিলে যে এতিয়া ফাগুণী আগতকৈ বহুত ভাললৈ আহিছে। তাই কিজানি ভোকাতে চট্‌-ফটাই আছিল। ভাতৰ পানী টোপা পেটত পৰি তাই অলপ শান্ত হৈ পৰিল। গণেশৰ মনটো বৰ ভাল লাগিল।

শেষনিশা। ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। মাজে মাজে ফেহুজালি দিছে। এনেতে গণেশে মাকলৈ চাই ক'লে—মাঐ, ঈশ্বৰৰ কৃপাত ফাগুণী এতিয়া ভাললৈ আহিছে। তুমি ফাগুণীৰ কাষতে শুই থাকা আৰু হাতখন তাইৰ গাতে দি থাকিবা, যাতে টোপনিত কেতিয়াবা চক্‌খাই উঠিলেও তুমি হাতদি থকা বুলি জানিলে মান মনে থাকিব। মই এতিয়া যাওঁ। মোক নোদেখি ঘৰত ছাগৈ বৰ চিন্তিত হৈছে।

গণেশৰ কথা শুনি মাকে একেথাৰে গণেশৰ মুখলৈ চাই থাকিল। ৰাতি নুপুৱাইমানে ফাগুণীক লৈ অকলে থাকিবলৈ পেটে পেটে ভয় লাগিছে। আনহাতে গণেশৰ মুখলৈ চাই মাকৰ মন গলি গ'ল। আজি গণেশেই ফাগুণীক নতুন জীৱন দিলে। সি নোহোৱাহালে মাকে ফাগুণীক ঘূৰাই নেপালে হঁতেন। বিশেষকৈ আজি গোটেই ৰাতিটো যিমান কষ্ট কৰি ফাগুণীক যমৰজাৰ ঘৰৰ পৰা ঘূৰাই আনিলে, আনে কোনেও ইমানখিনি কৰিব নোৱাৰিলে-

হৈঁতেন। আজি তাৰ মাক জীয়াই থকা হলে, মাকেও তাক নেদেখি ঘৰত কান্দি-কাটি ব্যাকুল হল'হেঁতেন। ইত্যাদি কথা ভাবি মাকৰ মনত বৰ দুখ লাগিল। কব নোৱাৰাকৈ মাকৰ দুটোপাল চকুপানী বই আহিল। গণেশে কথাটো লক্ষ্য কৰিলে।

কিছুপৰ গণেশৰ মুখলৈ চাই থাকি এটা হুমুনিয়াহ কাঢ়ি মাকে ক'লে—বোপাই গণেশ। তোৰ উপকাৰ মই জীৱনত পাহৰিব নোৱাৰো। আজি তই নোহোৱা হলে, ফাগুনীক মই ঘূৰাই নেপালোহেঁতেন। বাৰু এতিয়া যা। কাইলৈ পুৱাই এবাৰ আহি যাবি।

এইবুলি কৈয়েই মাকে চাদৰেৰে চকুপানী মচিলে। গণেশৰ মনত বৰ দুখ লাগিল। এবাৰ ফাগুনীৰ মুখলৈ ৰ-লাগি চাই থাকিল। পিচত মাকৰ পৰা বিদায় লৈ, লাহেকৈ ঘৰৰ পৰা ওলাই আহিল।

[২]

ফাগুনীহঁতৰ ঘৰৰ পৰা ওলাই আহিয়েই গণেশৰ মনলৈ সেইদিনা সন্ধিয়াৰ পৰা পুৱতী নিশালৈকে যিবোৰ ঘটনা হৈ গ'ল, সেইবোৰ এটা এটাকৈ মনত খেলাবলৈ ধৰিলে। কিন্তু, গোটেই ৰাতিটো ভয়া-মৰা সংগ্ৰামৰ ফলত শেষত যে ফাগুনীৰ চেতন ঘূৰাই আনিব পাৰিলে, তাতেই সি পৰম তৃপ্তি লাভ কৰিলে। আনহাতে তাৰ মনত এটা ভয় ভয় ভাব থাকিল যে কিজানি সি অহাৰ পিচত হঠাৎ ফাগুনীৰ কিবা এটা পৰিৱৰ্তন ঘটে। তেনে

অৱস্থাত অসুখীয়া মাক অকলে কি কৰিব, সেইটোকে ভাবি সি বিচলিত হৈ পৰিল। তথাপি এবাৰ জ্ঞান পালে যেতিয়া আকৌ বেয়া অৱস্থালৈ যাব নেলাগে দেখোন।

হঠাৎ গণেশৰ নিজৰ ঘৰখনলৈ মনত পৰিল। আজি তাৰ মাক জীয়াই থকা হ'লে ফাগুণীৰ মাকৰদৰে তাৰ নিজৰ মাকেও সি এই পুৰতী নিশালৈকে ঘৰলৈ ঘুৰি নহাৰ কাৰণে ঘৰত চট্‌ফটাই থাকিলাহেঁতেন। কিন্তু, আজি ঘৰত মাকৰ ঠাইত আছে মাহীমাক, যি, গণেশ ঘৰৰ পৰা আঁতৰি থাকিলে বা ঘৰলৈ নাহিলেই বেছি ভাল পায়। কাৰণ, সতিনীৰ ল'ৰা-ছোৱালীলৈ মাহীমাকৰ 'মৰম চেনেহৰ' নিদৰ্শণ নিজৰ কথাতে প্ৰকাশ পাইছে,

যেনে— "সতিনী-সতিনী-সতিনী-পো।
ঢাৰী নাই, পাটী নাই, মাটিত শো॥"

সতিকে মাতৃহীন ল'ৰা-ছোৱালীয়ে মাহীমাকৰ হাতত যিখিনি নিৰ্য্যাতন ভোগ কৰে, তাক সকলোৱে জানে। কিন্তু একপ্ৰকাৰে মাহীমাক সকলক দোষ দিব নোৱাৰি। কাৰণ, ই এটা সৃষ্টিৰ অংশ স্বৰূপ। ইয়াৰ ব্যতিক্ৰম নহয়। আনহাতে, মাহীমাক হ'বলৈ অহাৰ লগে লগে তেওঁলোকে নিজকে বৰ দুৰ্ভগীয়ানী বুলি ধৰি লয়।

বৰলা মানুহলৈ ছোৱালী খুজিবলৈ গ'লে, ছোৱালীয়ে পোনেই মুখ বিকটাই কয়—ই হ' সেই ঘৈণীয়েক মৰাটোলৈ যাবলৈ নেপাইছে মৰিছো।

কিন্তু, সৌভাগ্যক্ৰমেই হওক বা দুৰ্ভাগ্যক্ৰমেই হওক, মাহীমাক হোৱাৰ পিচত হয়তো কেতিয়াবা মাজে মাজে মাহীমাকে আক্ষেপ কৰে যে এজনী ঘৈণীয়েকৰ মুৰ চোবোৱা এই বৰলাটোলৈ আহিবলৈহে কপা বিধাতাই মোৰ ফুটা কপালত লিখিবলৈ পালে।

ইফালে, আগৰ লৰা-ছোৱালী কেইটাক, মাহীমাকে অত্যাচাৰ কৰা দেখিলে, বাপেকৰ অন্তৰ কান্দি উঠে যদিও, মুখফালি এষাৰো ক'ব নোৱাৰে। কেতিয়াবা বাধ্য হৈ দু-আষাৰ টান কথা কলেই, ঘৰত হুলস্থুল লাগি পৰে। তেতিয়া ২য় পত্নীয়ে স্বামীক দোষাৰোপ কৰি কয় যে তেওঁৰ প্ৰথম গৰাকীৰে চোনহৰ ঘৈণীয়েক আছিল। ইয়াৰ কেৱল সাক্ষী গোপালহে। আৰু আন বহুতো। তেতিয়া প্ৰথম গৰাকীলৈ মনত পৰি বাপেকৰ মনত বৰ দুখ লাগে আৰু ইফাল মুখ কৰি লাহে লাহে আতৰি যায়।

বাটত আহোঁতে মাকলৈ মনত পৰি গণেশৰ চকু চল্‌চলীয়া হৈ আহিল। মাক মৰাৰ পিছত সি কিমান দুখ পালে। মাহীমাক অহাৰ পিচত সিহঁতৰ দুখ-কষ্ট বহুগুণে বাঢ়িল। ইমান দুখৰ মাজতো এটা কথা মনত পৰিলে তাৰ মনত বৰ বং লাগে। সি সকলো দুখ-কষ্ট পাহৰি যায়। সেইটো হৈছে — তাৰ নিজৰ ভনীয়েকজনীক আজি দুবছৰৰ আগতে, বাগিছাত কাম কৰা, ওচৰৰে এখন গাঁৱৰ এটা লৰালৈ বিয়া দিলে। এতিয়া সি নিচিন্ত হ'ল। নিজৰ কাৰণে সি বেছি চিন্তা নকৰে। পালেও খালে এমুঠি নাপালেও নাই। ঘৰত সি খুব কমেই থাকে। কিন্তু, আনহাতে ভনীয়েকজনী আন কলৈকো ঘৰৰ পৰা আতৰি যাব নোৱাৰে। গতিকে, মাহী মাকে তাইৰ ওপৰত সকলো জাল সাৰে। তাই মাহীমাকৰ চকুৰ কুটা দাতৰ শূল। ভনীয়েকৰ এইবোৰ দুখ দেখি গণেশৰ প্ৰাণ কান্দি উঠে। কেতিয়াবা ভনীয়েকৰ কাৰণেই তাৰ মাহীয়েকৰ লগত তৰ্কা-তৰ্কি হয়। কেতিয়াবা সি ভনীয়েকৰ দুখত চকুপানী টোকে। এতিয়া ভনীয়েকক গতাই লৈ, সি নিজৰ কাৰণে সম্পূৰ্ণ উদাসীন হৈ পৰিল।

এইদৰে বাটত নানা কথা ভাবি আহি গণেশে নিজৰ

পচুলিমুৰ পালেহি। সি আন্ধাৰতে গৈ নিজৰ নদীঘাটত হাত ভৰি কেইটা ধুই আহিলগৈ। পথাৰত জুকলি-জুপুৰিকৈ ভিজা কাপোৰ কানিবোৰ ধাগুণীক জুইত সেক দিওঁতে অলপ শুকাল যদিও বেচি ভাগ সেমেকা হৈয়ে আছে। সেইবোৰলৈ সি বিশেষ মন-কান কৰা নাই। ঘৰলৈ আহিযেই, সি লাহেকৈ দুৱাৰখনত হেচা দি চাই দেখিলে যে ভিতৰফালে দুৱাৰত দাং দিয়া আছে। খন্তেক তাতে থিয় হৈ, ভিতৰৰ মানুহক জগাবনে নাই, তাকে ভাবিছে। পিচত ঠিক কৰিলে যে ৰাতি পুৱাবলৈ আৰু বেছি সময় নাই। এতিয়া কাকো নজগোৱা ভাল বুলি ভাবি, গণেশে ভৰালটোৰ গাধৈতে ধানখেৰ অলপ পাৰি শুই পৰিল আৰু লগে লগেই টোপনি আহিল।

সেইদিনা বতাহ-ধুমুহা ৰাতি বহুত পৰলৈকে চলি আছিল। গণেশ ঘৰলৈ নহা দেখি দেউতাকে চিন্তিত হৈ বাহিৰতে বহি আছিল। মাজ নিশালৈকে বাট চাই থাকি, পিচত শুই থাকিলগৈ যদিও টোপনি নাহিল। ধল পুৱাতে বিচনাৰ পৰা উঠি বাহিৰলৈ আহিল আৰু পিতেকক ইফালে সিফালে বিচাৰি চালে। তেতিয়াও ভালকৈ পোহৰ হোৱা নাই। এবাৰ হঠাৎ ভৰালৰ গাধৈত কিবা এটা পৰি থকা যেন দেখি, লৰালৰিকৈ ওচৰলৈ আহি দেখে যে গণেশ গাধৈতে শুই আছে। তেনেকৈ বাহিৰত পৰি থকা দেখি অলপ আচৰিত হৈছিল যদিও, পিতেকক দেখি মনটো ভাল লাগিল। তেতিয়া নজগাও বুলি ভাবিও পিছত লাহেকৈ গাত হাত দি কলে— হেৰঔ বোপাই, তই এই ধুমুহা ৰাতিখন ক'ত আছিলি? এইবুলি দেউতাকে তাৰ গাটো লৰাই দিলে। তেতিয়া গণেশে চকা মকাকৈ সাৰ পাই— হঁা, কি হ'ল বুলি এভামুৰি দি উঠিল।

—বোলো এই ধুমুহাত ক'ত আছিলি— ঘৰলৈ কেতিয়া আহিলি—আমাক নজগালি কিয়—ইত্যাদি নানা প্ৰশ্নৰ কোনটোৰ উত্তৰ দিব বুলি ভাবি থাকোতেই, দেউতাকে আকৌ সুধিলে—ধুমুহাই তোক ক'ত পালে ?

- সেই হাবিৰ মাজতে পালে। —লাহেকৈ গণেশে কলে।

—পিচে তই কি কৰিলি তেতিয়া ? দেউতাকে সুধিলে।

—সেই গছ এজোপাৰ তলতে বহি থাকিলো। পিছত, বতাহ ধুমুহা থামিলত, মাজনিশা হাবিৰ পৰা ঘৰ পালোহি।

—আমাক তেতিয়া নজগালি কিয় ?

—এহ , ভাল নেলাগিল আৰু জগাবলৈ। সেইকাৰণে ইযাতেই শুই থাকিলো।

—ইছ্-ইছ্-ইছ্, ইছ ইছ্। আজি কিবা ঈশ্বৰেহে ৰক্ষা কৰিলে। এই বুলি দেউতাকে চট্ফটাই থাকিল।

মাহীমাকে, ইমান ৰাতিপুৱাই কাৰ লগত কোনো কথা পাতিছে বুলি লৰালৰিকৈ বিচনাৰ পৰা উঠি আহি, দুৱাৰ মুখতে আঁৰ লৈ বাপেক-পিতেকৰ কথাবাৰ শুনি আছিল। পিছত সিহঁতৰ কথাৰ মাজত সুকণ্ডা পাই মাহীমাকে দেউতাকক উদ্দেশ্য কৰি কলে— ইহ্, হাবিৰ মাজত গছৰ তলত বহি আছিল নে নাই, কাৰোবাৰ ঘৰত মেল মাৰি আছিলহি, তুমি জানো জানা ভালকৈ ?

মাহী মাকৰ কথা শুনি, গণেশৰ খঙে মুৰৰ চুলি পালেগৈ। দুৱাৰ মুখৰ ফালে চাই খঙেৰে ক'লে— মাহী ' মই তোমাক একো কোৱা নাই দেই। তুমি চুপ থাকা।

গণেশৰ কথা শুনি মাহীমাক জলি উঠিল। স্বামীলৈ চাই ক'লৈ— দেখিছানে ? ৰাতিপুৱাই দিনটোলৈ সি মাকৰ

নিচিনা মানুহজনীক কেনেকৈ কুকুৰ-মেকুৰীৰ দৰে গালি পাৰিছে ?

তেতিয়া গণেশে ক'লে— তুমি মোৰ মা নহয়, মাহী আইহে। তুমি মাৰ ভৰিৰ আঙুলি এটাৰো যোগ্য নহয়। তাৰ উপৰিও, আজি মই ভিতৰলৈ নগৈ কিয় ভৰালৰ গাধৈতে শুই থাকিলোহি, সেইটোও তুমি নজনা নহয়।

এইবুলি কৈয়েই গণেশ উঠি বহিল। ইফালে, দেউতাকে অবাক হৈ পিতকলৈ চাই থাকিল। ভিতৰত মাহী মাকৰ মাত হেৰাল।

অলপ সময় তলকা মাৰি থাকি দেউতাকে গণেশক ক'লে— বাৰু, যা, যা। যি হ'ল, হ'ল। তই যে ভালে ভালে আহি পালিহি, সেয়েই বইথা।

এতিয়া মইও যাওঁ, দেউতা— গণেশে লাহেকৈ কলে।
—ওৰা! তই আকৌ ক'লৈ যাৱ ? আচৰিত হৈ দেউতাকে সুধিলে।

—পথাৰলৈ, হাল বাবলৈ। এই বুলি কৈয়েই, গণেশ জাপমাৰি গাধৈৰপৰা নামি, পচুলি মুৰৰ যালে খোজ ললে আৰু ওচৰতে শুই থকা মতা ম'হটোৰ নাকিত ধৰি, পথাৰৰ যালে টানি লৈ গ'ল। দেউতাক সেইফালেই থৰ লাগি ৰ'ল আৰু ইফালে ভিতৰত মাহীমাকো পেপুৱা লাগিল।

তাহানি মাক মৰাৰ পিচত, মাহীমাক ঘৰৈল অহাৰে পৰা গণেশ আৰু ভনীয়েকৰ দুখে কুলাই-পাচিয়ে নধৰা হ'ল। গণেশ লৰা মানুহ। সি প্ৰায় বাহিৰত থাকে। গতিকে, তাক মাহীমাকে অত্যাচাৰ কৰিবলৈ বৰ সুবিধা নেপায়। আনহাতে ভনীয়েকজনী অনবৰতে ঘৰতে থাকিব লগা হোৱাত, মাহীমাকৰ কথাই কথাই চৰটো, ভুকুটো, চুলি-জোকৰা আৰু কেতিযাবা এচাৰিৰ

কোবও নপৰাকৈ নাথাকে। ভনীয়েকৰ কান্দোনত গণেশৰ বুকু ফাটি যোৱা যেন লাগে। কেতিয়াবা দেখিলে দৌৰি গৈ ভনীয়েকক এৰুৱাই দিয়েগৈ, কেতিয়াবা প্ৰতিবাদ কৰে, তৰ্কা তৰ্কি হয় আৰু কেতিয়াবা মাহীয়েকক টান কথা শুনায়। গতিকে মাহীয়েকে তাৰ গাত হাত চলাবলৈ সাহ নকৰে। কিন্তু আনহাতে, তাৰ প্ৰতি মাহীমাকৰ ধৰ্ম্ম পালন কৰিবলৈ পিছ নুহুহকে। ইফালে ছোৱালী ভনীক মাৰ ধৰ কৰা কামটো মাহীমাকৰ অভ্যাসত পৰিণত হৈছে। গণেশ ভনীয়েকৰ দুখ দুৰ্গতি দেখি, মনত বৰ আঘাট পায়। কেতিয়াবা দেখিও নেদেখাৰ ভাও জোৰে, কেতিয়াবা প্ৰতিবাদ কৰে আৰু কেতিয়াবা বিদ্ৰোহী হৈ উঠে। গণেশ লাহে লাহে ডাঙৰ হোৱাত, সি ঘৰত থাকিলে, মাহীয়েকেও ভনীয়েকক মাৰ-ধৰ নকৰে। কিন্তু, গণেশ এফালে গলেই, ছোৱালীজনীৰ ওপৰত ৰোপটিক তোলে।

কিন্তু, আজি দুবছৰৰ আগত ভনীয়েকক বিয়া দিয়াৰ পিছত, গণেশ নিশ্চিন্ত হ'ল। সি স্বাধীন হৈ পৰিল। মনলৈ আহিল উদাস ভাব। মানুহৰ মাজত আছে যদিও, তাৰ যেন কোনো আপোন নাই। গতানুগতিক ভাবে সংসাৰখন চলি গৈছে।

সেইদিনা পুৱা গণেশে মতা ম'হটোৰে পথাৰত হাল-বাই আছে। লাহে লাহে বেলি উঠি আহিল আৰু লাগে লাগে বোৱাৰীসকলেও নিজ নিজ ঘৰৰ হালোৱাৰ কাৰণে জলপান সজাই লৈ পথাৰলৈ আহিল। কিন্তু এতিয়ালৈকে গণেশলৈ কোনেও জলপান অনা নাই। পিচত, সি বুজিলে যে ৰাতিপুৱাই মাহী মাকক টান কথা কোৱাৰ কাৰণেই আজি তাৰ জলপান বন্ধ হ'ল। ফলত, সি পথাৰৰ জলপান কেইটাও হেৰুৱালে।

ইবিলাক হালোৱাৰ লগে লগে, গণেশেও হাল মেলি ম'হটো পথাৰৰ মুৰৰ ইকৰাণিৰ মাজলৈ খেদি দি উলটি আহিল।

সি এতিয়া ঘৰলৈ নগৈ বাহিৰে বাহিৰে ফাগুনীহঁতৰ ঘৰলৈ বুলি খোজ ল'লে। আগদিনা পথাৰত খোৱা জলপান কেটাৰ বাহিৰে এতিয়ালৈকে পানী এটোপাও পেটত দিবলৈ পোৱা নাই। ভোক পিয়াহত সি অৱশ হৈ পৰিছে।

—অ মাহী ' ফাগুনী কেনে আছে? —বুলিয়েই ফাগুনীহঁতৰ ঘৰলৈ সোমাই আহিল। ফাগুনী ৰাতি শুই থকা বিচনাতে পৰি আছিল। ইফালে মাক ভিতৰৰ পৰা লৰালৰিকৈ ওলালহি।

—এতিয়া কেনে আছে মাহী? গণেশে লাহেকৈ সুধিলে।

—সেইয়া দেখিছাই নহয়। ইমানপৰ শুইয়ে আছিল। তোক অহা দেখিহে লাহেকৈ উঠি বহিছে। মাকে ক'লে।

গণেশে করুণ ভাবে ফাগুনীলৈ চালে। ফাগুনীয়েও এবাৰ গণেশলৈ থৰ লাগি চাই তলমুৰ কৰি ৰ'ল। ধুনীয়া চকু যুৰিৰ চাৱনিত গণেশৰ বুকুত বিজুলি সঞ্চাৰিত হ'ল। ফাগুনীলৈ তাৰ বৰ মৰম লাগিল আৰু যোৱা ৰাতিৰ ঘটনাটোলৈ মনত পৰি, তাৰ মনত বৰ দুখ লাগি আহিল।

ক্ষন্তেক ফাগুনীলৈ চাই থাকি, গণেশে লাহেকৈ সুধিলে— অলপ ভাল পাইছ নহয় ফাগুনী।

ফাগুনীয়ে 'ওঁ' বুলি মূৰ জোকাৰিলে।

-ফাগুনীক কিবা খাবলৈ দিছানে মাহী?

—এই জলপান দুটামান খাব বোপাই। ভাত ৰান্ধিছো।

—গাখীৰ অলপমান খোৱা হ'লে ভাল আছিল।

—এই লৰাটো পঠাইছো গাখীৰ আনিবলৈ—মাকে লাহেকৈ ক'লে

উঠনাকৈ গাখীৰ এপোৱা দিয়ে নে নিদিয়ে মাকৰ সন্দেহ লাগি থাকিল।

গণেশে ফাগুনীৰ লগত দুই-আষাৰ কথাপাতি, পিচত মাকলৈ চাই ক'লে— সোনকালে ভাত দুটামান খুৱাই আকৌ শুই থাকিবলৈ দিয়া মাহী। অলপ জিৰণি ললেই ভাল হৈ আহিব।

অলপ পিছত, মাকে গণেশক সুধিলে— কালিনো কি হৈছিল বোপাই, তই দেখান একো নকলি।

গণেশে এবাৰ মাকলৈ, পিছত ফাগুনীলৈ একেথৰে বকণ ভাৱে চাই আকৌ মাকলৈ ঘূৰি চাই ক'লে— বিশেষ একো হোৱা নাই, মাহী। ফাগুনীয়ে কিজানি ভয়খাই পথাৰৰ পানীত পৰি মুৰ্ছ্ কছ, গ'ল আৰু মই দেখি তুলি লৈ আহিলো।

গণেশৰ কথাত মাক পতিয়ন নগ'ল। —নহয় বোপাই, নিশ্চয় কিবা এটা ডাঙৰ ঘটনা হৈছে। তই কথাটো লুকুৱাইছ। কথাটো ভালকৈ নজনালৈকে মই শান্তি পোৱা নাই, বোপাই।

গণেশৰ মনত বৰ দুখ লাগিল। তথাপি আচল ঘটনাটো এতিয়া নকৈ, কেইদিনমানৰ পিছতহে কলে ভাল হব বুলি ভাবি, লাহেকৈ কলে— একো ডাঙৰ কথা নহয় মাহী। বাৰু, ফাগুনী আকৌ যেতিয়া পথাৰৰ মুৰত অকলই ভুঁই কৰবলৈ যাব পৰা হব, তেতিয়া মই সকলো কথা কম।

এই বুলি গণেশে ফাগুনীলৈ চাই মিচিকাই হাঁহিলে। ফাগুনীয়েও অলপ মিচিকিয়ালে। মাকেও গণেশলৈ চাই হাঁহি হাঁহি কলে— তোৰ যে কথাবোৰ আৰু ।

ক্ষন্তেক পিচত গণেশে মাকক কলে —মাহী লোটাটো আনাছোন। বৰ পিয়াহ লাগিছে।

মাকে লৰালৰিকৈ গৈ লোটাটো আনি দিয়াত, গণেশে ধক ধককৈ আধালোটা পানী খাই, লোটাটো মাটিত থৈ, লাহেকৈ

ক'লে— মাহী, কালি আগবেলা পথাৰত খোৱা জলপান মুঠিৰ পৰা এইটোপা পানীকে মুখত দিছো। বাৰু, মই আহিলো মাহী। ফাগুনী, আহিলো দেই। চিন্তা নকৰিবি। ভাল হৈ যাব। —বুলিয়েই বাহিৰ ওলাই তুলসী মৰলৈ খোজ দিলে। মাক ফাগুনীয়ে, ইজনীৰ মুখলৈ সিজনীয়ে চাই অবাক হৈ ৰ'ল।

ক্ষন্তেক পিচত, মাকে বেজাৰ মনেৰে কপালত হাত দি কবলৈ ধৰিলে— ইচ্, ইচ্, ইচ্। মইনো বাৰু ইমান অগিয়াণ হব লাগেনে। চাচোন ফাগুনী, কালি ইমান বতাহ ধুমুহাৰ মাজতো গণেশে তোক পথাৰৰ পৰা দাঙি লৈ আহিল। তাৰপিচত গোটেই ৰাতিটো সেও-পোতক দি, মৰা মানুহজনী জীয়াই দিলে। পুৱতী নিশা ইয়াৰ পৰা গৈ একো নোখোৱাকৈ পৰি থাকিল। আজি সাৰা পথাৰত হালবাই, পাছিৰে বাহিৰে ইয়াত সোমাই পানী খাওঁতে, সি নিজেই কৈছে যে কালিৰপৰা সি কেচা পানী এটোপাও মুখত দিয়া নাই। ইমানতো বাৰু মোৰ গিয়ান হব নেপায়নে তাক জলপান দুটামান যাচিবলৈ। গণেশনো বাৰু মোক কি বুলি ভাবিছে। এইবোৰ কথা ভাবি মই নিজেই মৰি যাম যেন লাগিছে। দোহাই ঐ । মাক নোহোৱা ল'ৰা ছোৱালীৰ কি যে বিপদ । আজি মাকজনী জীয়াই থকা হলে, এনেকুৱা এলাগ এথানি হবলৈ নেপায়। সাত শত্ৰুৰো যেন এনেকুৱা দুৰ্গতি নহওক।

এইবুলি কৈয়েই মাকে চকুপানী মচিলে। ইফালে, মাকৰ কথা শুনি ফাগুনীৰো দুটোপাল চকুপানী ওলাই আহিল।

গণেশ শইকীয়াই আজি দুবছৰৰ আগতে ভালকৈ মেট্ৰিক পাচ কৰি ঘৰতে বহি আছে। অঙ্ক আৰু অসমীয়াত দুটা লেটাৰো পাইছিল। উচ্চ শিক্ষাৰ কাৰণে প্ৰবল হেঁপাহ আছিল। কিন্তু, ঘৰুৱা অৱস্থা আৰু মাহীমাকৰ খিচি-পখালিৰ কাৰণে সেইটো সম্ভৱ হৈ নুঠিল। ওচৰতে ইফালে-সিফালে ক'ৰবাত সৰু সুৰা যি কোনো চাকৰিৰ এটাৰ কাৰণে চেষ্টা কৰি আছে। কিন্তু ইফালে বহুত বি, এ, এম, এ পাচ কৰা ল'ৰাই চাকৰী বিচাৰি অনাই-বনাই ঘূৰিছে। এনে অৱস্থাত চাকৰী পোৱাটো সহজ কথা নহয়। তথাপি চেষ্টা চলাই আছে। কিবা এটা পালেই, তাৰে সহায় লৈ গণেশে প্ৰাইভেটকৈ পাচ বি,এ টো যেনে তেনে পাচ কৰিবই আৰু তাৰ পিচত সুবিধা কৰিব পাৰিলে এম,এ টো পাচ কৰাৰো ইচ্ছা আছে। আনহাতে সি আগৰদৰেই ঘৰৰ সকলো কাম নিয়াৰীকৈ কৰি আছে। ঘৰৰ কোনো কামত সি পিচ-হুঁহকা মৰা নাই। ৰাতিপুৱা হাল বোৱাৰ পৰা গধূলি গৰু-ম'হ চপোৱালৈকে সকলো কামত ব্যস্ত থাকিব লাগে। কেতিয়াবা সমনীয়া বন্ধুৰ লগত খন্তেক হাঁহি-ধেমালিৰ কথা পাতে যদিও, ঘৰুৱা কামলৈ পিঠি নিদিয়ে। কেতিয়াবা অকলশৰে থাকিলে তাৰ মাকলৈ মনত পৰি এটা দীঘল হুমুনিয়াহ কাঢ়ে। আনহাতে ভনীয়েকক বিয়া দি, মাহীমাকৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰি, তাৰ মনটো ভাল লাগি আছে। আকৌ ঘৰুৱা কামলৈ মন দিয়ে।

কেইদিনমানৰ পিছৰ কথা। এতিয়া ফাগুনী আগতকৈ বহুত ভালৰফালে আহিছে। ঘৰৰ ভিতৰতে ইখন সিখনকৈ কাম-বন কৰি ফুৰিছে। মাকে পথাৰলৈ যাবলৈ দিয়া নাই। বাকী থকা মাটি কেইডৰা আন বোৱনীৰ হতুৱাই কৈ মেলি বোৱালে।

এদিন গণেশে গধূলি সময়ত ক'ৰবাৰ পৰা ঘূৰি আহি ফাগুনীহঁতৰ চোতালৰ পৰাই মাত দিলে—অ' মাহী, কি কৰিছা ?

মাহী মাৰল ঘৰৰ চাকাটো জলাই শাক-পাচলি কুটি আছিল। গণেশৰ মাত শুনিয়েই মনত বং পাই কলে—অ' বোপাই গণেশ নেকি ? আহা, বোপাই আহা। তই এইকেইদিন নহা দেখি মনটো বৰ বেয়া লাগি আছে।

—নহয় মাহী। এইকেইদিন মই পথাৰৰ কামৰ পৰা আজৰি পোৱা নাই। নাঙল দাঙিবৰ হৈছে নহয়। দিন-ৰাতি খাটিব লগা হৈছে। আজি মাটি কই শেষ কৰিলোঁ। সেই কাৰণে গৰু-ম'হ কেইটা চপাই থোৱায় ইয়ালৈ আহিছোঁ। কিয় ফাগুনী ক'লৈ গ'ল ?

ইমানপৰ ফাগুনীয়ে ঘৰৰ আৰ হৈ কথা শুনি আছিল। নিজৰ নাম লোৱা শুনিয়েই লৰালৰিকৈ ওলাই আহি, হাঁহি এটা মাৰি লাহেকৈ ক'লে---এহয়া নকাইদেউ মই ভাত ৰান্ধি আছিলো।

ফাগুনীক দেখি গণেশৰ মনটো ভাল লাগি আহিল। সেইদিনা পথাৰত পৰি থকা ফাগুনী আৰু এই মাত্ৰ মিচিকি হাঁহিৰে ওলাই অহা ফাগুনীৰ দুটা বেলেগ ৰূপ তাৰ মনলৈ আহিল। খন্তেক ফাগুনীৰ ফালে চাই থাকি গণেশ তন্ময় হৈ ৰ'ল।

আজি-কালি দেখোন ককাইদেউ নহাই হ'ল আমাৰ ঘৰলৈ। কিবা বেয়াই পাইছে নেকি ?—বুলি মিচিকি হাঁহি ফাগুনীয়ে গণেশৰ ফালে চালে।

—নহয় অ'। এই কেইদিন মই ঘৰৰ কামৰ পৰা আজৰি-যেই পোৱা নাই। মই মাহীক সকলো কৈছো। পিছে তোৰ এওয়া ভালেই নহয়। —গণেশে ক'লে।

—অঁ, ভালেই। তুমি আহিলে বৰ ভাল লাগে। নহ'লে ঘৰখন তেনেই নিমাও-মাও হৈ থাকে।

—অ' হয়নেকি? তেনেহলে মই ইযাত থাকিলে মোক কোনে খুৱাব বাৰু কচোন?

—ই হ'! আমাৰ এই সৰগ দেখা দুখীয়া পঁজাত কোন থাকিবলৈ আহিব।

এইবুলি কৈয়েই ফাগুনীয়ে মুখখন আন্ধাৰলৈ পেলালে। গণেশে মন কৰিলে। ফাগুনীজনী সঁচাকৈয়ে বৰ ধুনীয়া হৈ পৰিছে।

ঠিক এনেতে মাকে মাত লগালে—অ, এটা কথা নকয় বোপাই। সেইদিনা পথাৰত ফাগুনীৰ কি হৈছিল আৰু তই তাইক কেনেকৈ আনিলি—ইত্যাদি কথাবোৰ নকলি দেখোন। মোৰ মনটো এতিয়াও বৰ খু-দুৰাই আছে। ক-চোন বাৰু বোপাই সেইদিনা কি হৈছিল।

এই বুলি মাকে গণেশৰ ফালে একেথৰে চাই থাকিল। গণেশে এবাৰ মাকৰ ফালে, পিচত ফাগুনীৰ ফালে চাই থাকি, কথাটো ক'বনে নকয় তাকে ভাবিছে।

—নকলি দেখোন বোপাই। কি হৈছিল বাৰু কচোন? মাকে আকৌ আগ্ৰহেৰে সুধিলে।

গণেশ গহীন হৈ পৰিল। এবাৰ ফাগুনীলৈ চাই ক'লে—কমনে কি ফাগুনী। ক'লে তই বেয়া নাপাবা নহয়।

—কিয় বেয়া পাম ককাইদেউ। ময়ো কি হৈছিল ক'ব নোৱাৰো। তোমাৰ পৰা শুনিবলৈ বাট চাই আছো। —ফাগুনীয়ে লাহেকৈ ক'লে।

—তেনেহলে কওঁ বাৰু শুন। মাহী তুমি ভয় নেখাবা দেই।

—কিয় ভয় খাম বোপাই। কচোন বাৰু কি হৈছিল?

তেতিয়া গণেশে গহীনাই ক'লে—তেনেহলে শুনা। সেইদিনা আমাৰ দুইটাৰে গাত বজ্ৰপাত পৰিছিল।

—কি। কি! তুইঁতৰ গাত বজ্ৰপাত পৰিছিল!! আইঐ. মই মৰি নগ'লো কিয় ঐ—বুলি মাকে দৌৰমাৰি গৈ ফাগুণীক গৰামাৰি ধৰিবলগে। ফাগুণীও সেইফালেই পৰ হৈ ৰ'ল।

তেতিয়া গণেশ ফাগুণীৰ মাকলৈ চাই হাঁহি হাঁহি ক'লে—সেইয়া মই কৈছিলো নহয় মাহী, তুমি ভয় খাবা বুলি। সেই কাৰণেইতো মই ইমানদিনে কোৱা নাছিলো আৰু সেই কাৰণেই ফাগুণী ভাল হৈ নুঠে মানে মই ইয়ালৈ অহা নাছিলো। এতিয়া বুজিলানে ফাগুণী, আচল কথাটো—বুলি গণেশে ফাগুণী'ল চাই মিচিক মিচিক হাঁহিলে। ফাগুণীয়ে তলমূৰ কৰি মিচিকিয়াই থাকিল। ইফালে মাক ফাগুণীক এৰি দি গণেশৰ ফালে অবাক হৈ চাই থাকিল।

খন্তেক পিচত মাকে আকৌ ক'লে—অ, বোপাই গণেশ, তাৰ পিচত বাৰু কি হৈছিল, চব কথা কচোন। মোৰ কথাটো শুনিয়েই জীৱ উৰি গ'ল।

তেতিয়া গণেশ ক'লে—ক'ম মাহী, চবকথাই ক'ম। ফাগুণীৰ অৱস্থা ভাল দেখিলে আজি চব কথাই ক'ম বুলি আহিছো। পিচত আহি ফাগুণীক দেখি বুজিলো যে এতিয়া ক'ব পৰা অৱস্থা হৈছে।

এইবুলি গণেশ মিচিককৈ হাঁহি ফাগুণীৰ ফালে চালে। ফাগুণীয়ে ৰং পাই তলমূৰ কৰি হাঁহিলে।

তাৰ পিচত গণেশ সেইদিনা ধুমুহা-বতাহত হাবিৰপৰা পথাৰৰ মুৰত ওলাই, ফাগুণীক অকলে দূৰত দেখি কেনেকৈ ফাগুণীক মাতিছিল—ফাগুণীয়ে কেনেকৈ ভয়খাই প্ৰাণকাতৰে দৌৰিছিল আৰু দুয়োটা ওচৰা-ওচৰিকৈ আহি পথাৰৰ গছজোপাৰ ওচৰ পাওঁতেই, কেনেকৈ সিহঁতৰ গাত বজ্ৰপাত পৰি মুচ্ছ-কচ্ছ,

গ'ল। তাৰ পিচত গণেশে চেতনা পাই আহি, কেনেকৈ ফাগুনীক গছকোপাৰ তলৰ পৰা 'কোলাতকৈ দাঙি আনি ঘৰ পালেহি—ইত্যাদি সকলো কথা কৈ গ'ল। ইফালে মাক-জীয়েকে গণেশে কোৱা কথাবোৰ শিলৰ মূৰ্ত্তিৰদৰে থৰলাগি শুনি গ'ল।

বহুতপৰ অবাক হৈ চাই থাকি, পিচত ফাগুনীৰ মাকে এটা দীঘল হুমুনিয়াহ কাঢ়ি ক'লে—বোপাই গণেশ, তয়েই ফাগুনীক নতুন জীৱন দিলি। আজি তই আমাৰ কুলৰ পুৰুষ হলি। ফাগুনীৰ কিবা এটা হোৱা হ'লে, মযো আৰু জীযাই নাথাকিলোহেঁতেন। শেষত এই ভাগ্যকাটা একেবাৰে ঘাত-মাউৰা হ'লাহেঁতেন। তোৰ ধাৰ মই জীৱনত শুজিব নোৱাৰো বোপাই।

এইবুলি মাকে চকুপানী মচিবলৈ ধৰিলে। লাগে লাগে ফাগুনীৰ চকুহুটাও চলচলিয়া হৈ আহিল।

তেতিয়া গণেশে ক'লে—নহয় মাহী, সেইটো নকবা। আন মানুহ হোৱা হ'লেও, ফাগুনীক তাত এৰি থৈ নাহে। যেন-তেনে ঘৰলৈ আনিলেহেঁতেন।

—নহয় বোপাই। তই যেনেকৈ ইমান দূৰ বাট, বোকা-পানীৰ মাজেদি ফগুনীক কোলাতকৈ বহুত কষ্ট কৰি ঘৰলৈ আনিলি, তাৰ পিচত গোটেই ৰাতিটো সেক-পোতক দি, তাই মৰা মানুহজনী জীযাই দিলি, আন হোৱা হ'লে সিমানখিনি কাম কেতিয়াও কৰিব নোৱাৰিলাহেঁতেন। মই সেইটো ভালকৈ জানো।

এনেতে ফাগুনীয়ে মাত লগালে—নহয় ককাইদেউ। তুমি মই মৰিলো বুলি পথাৰতে পেলাই থৈ নাহিলা কিয়? তেতিয়া-হলে তুমি ইমান দুখ খাব নেলাগিলেহেঁতেন নহয়।

গণেশে একেথৰে চাই থাকিল ফাগুনীলৈ। তাৰ পিচত গহীনাই ক'লে—মই ইমান কাঠ-চিতীয়া নহয় ফাগুনী। মোৰ

প্ৰাণ দি হ'লেও মই তোক বচাবলৈ চেষ্টা কৰিলোহেঁতেন। সেইটো ঠিক জানিবি।

এইবুলি কৈ গণেশ শূন্যৰ ফালে চাই ৰ'ল। ফাগুণীৰ মুখৰ মাত হেৰাল। তাইৰ অন্তৰখন গণেশৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু মৰম-চেনেহেৰে উপচি পৰিল। গণেশলৈ চাই এটা হুমুনিয়াহ কাঢ়িলে। মনলৈ ভাব আহিল—এই গণেশ মানুহ নে দেৱতা ! এই গণেশক স্বামী হিচাপে পাবলৈ মই জানো কপালত সাধি আহিছো।

ফাগুণী চিন্তাত তন্ময় হৈ ৰ'ল।

—ইয়ে ফাগুণী, কি কৰিছ। হঠাৎ মাকে ফাগুণীলৈ চাই ক'লে। —যাহঁক, জলপান দুটামান কৰাগৈ।

তাৰ পিচত আকৌ গণেশলৈ চাই মাকে ক'লে—বোপাই, সেইদিনা যে তই আমাৰ ঘৰলৈ আহি পানী খোৱাৰ পিচত দিনটো আগদিনা আৰু পিছদিনা দুপৰলৈকে একো খোৱা নাই বুলি শুনি গলিগৈ, তেতিয়া আমাৰ যে ইমান দুখ লাগিছিল, তোক কি ক'ম। দুখত আমি দুইজনীয়ে কান্দিছিলো, বুইছ। দেখিঐ, মাক নথকা ল'ৰা-ছোৱালীৰ যে কি এনাই-এখানি, ভাবিলেই চকুপানী ওলাই আহে।

তেতিয়া গণেশে হাঁহি হাঁহি কলে—সেইটো হয় আৱশ্যে। পিচ মানুহে কয় দেখোন বোলে 'মাক নাইকিয়া মাউৰা আৰু বাপেক নাইকিয়া কৌৰৱ।' নহয় জানো মাহী ?

মাকে মিচিকিকৈ হাঁহিলে, কিন্তু একো নকলে। ইফালে ফাগুণীয়ে তপৰাই সুধিলে—তাৰ অৰ্থটো কি, ককাইদেউ ?

—তাৰমানে মাক মৰা ল'ৰা-ছোৱালীবোৰ বৰ দুৰ্ভগীয়া। কিন্তু বাপেক মৰা ল'ৰা-ছোৱালীবোৰ একেবাৰে কৌৰৱ-কৌৰৱণী হৈ থাকে। নহয় জানো মাহী ?

ই হ,। বকাইদেৱে মোক ঠেলিযাইছে—বুলি ফাগুনীয়ে লাজতে তলমুৰ কৰিলে।

তেতিয়া মাকে ক'লে -কিয় নহয় আৰু। বাপেক মৰাৰ পিচত মই ইহঁতক কষ্ট নোপোৱাকৈ কম কতনা শাটি খুৱালোঁনে!

—সেইযা দেখিছ ফাগুনী। মাহীয়ে সঁচা কথাটোকে কৈছে— বুলি গণেশে ফাগুনীলৈ চাই হাঁহিলে।

—ইহ,। মাই তোমাৰ ফলীয়া হৈ ক'বই। আজি কিছুমান দিনৰ পৰা মাই দিনে-ৰাতিয়ে তোমাৰ গুণ গাইযে ওৰ নাই।

—অ, হয়নেকি? ইফালে তোক কিজানি মাৰিবলৈ খেদি লৈ ফুৰায় নহয়নে?

—ইহ,, সেইবোৰ নকৰে যদিও মাজে মাজে বাৰে।

—-যা, যাহ। তোক জলপান দুটামান কৰিবলৈ কৈছিলো নহয়, পাহৰিছিলি যই হবলা? ---মাকে ফাগুনীক ক'লে।

---ইয়ে, হয় কি নহয়। বাৰু গৈছো---বুলি ফাগুনী ভিতৰ-লৈ যাব খোজোতেই গণেশে হাত দাঙি ক'লে---এই ফাগুনী নেলাগে ৰবি।

তাৰ পিচত মাকলৈ চাই ক'লে---মাহী, আজি ম'হজাকৰ লগত মতা ম'হটো নাহিল। সি কৰবাত যালবি কাটি বৈ গ'ল। পিচত আহি, সেই বান্ধি থোৱা ম'হবোৰ খুছিবহি আৰু। সেই কাৰণে মই এতিয়াই যাওঁ। মোৰ বাহিৰ মতা মহটো কোনেও চম্ভালিব নোৱাৰে। মই আহিলো মাহী। ফাগুনী, যাওঁ দেই। বেয়া নেপাবি। মই বাৰু আন এদিন আহি জলপান খামহি।

এইবুলি কৈয়েই গণেশ লৰালৰিকৈ বাহিৰ ওলাই, এন্ধাৰত নাইকিয়া হ'ল। মাক-জীয়েকে সেইফালে চাই থাকিল।

অলপ পৰ তলকা মাৰি থাকি ফাগুণীয়ে মাকক ক'লে মা, গণেশ ককাইদেৱে বাক কিয় জলপান নেখাওঁ বুলি ক'লে?

জীয়েকৰ কথা শুনি মাকে লাহেকৈ ক'লে---নহয় অ। সি আমাৰ খোৱা বস্তু নাটনি পাৰ বুলিয়েই আন এটা জৰুৰী কথা কৈ গুছি গ'লগৈ। সি বৰ জ্ঞানী ল'ৰা। আমাৰ দুখ-কষ্ট বুজে।

অলপ পৰ নিতালমাৰি থাকি মাকে এটা হুমুনিয়াহ কাঢ়ি ক'লে---দেখী ঐ! এনেকুৱা এটা ল'ৰা পোৱাহ'লে আমাৰ নিজৰে বৰ ভাগ্য বুলি ভাবিলোহেঁতেন। আমি জানো সেইখন কপাল লৈ আহিছো?

মাকৰ কথা শুনি ফাগুণীৰ গাটো ৰঙত জিকাৰখাই উঠিল। তেনেহ'লে ফাগুণীয়ে ইমানদিনে ভাবি থকা কথাটো মাকেও ভাবিছে। ফাগুণীৰ মনটো আনন্দত নাচিবলৈ ধৰিলে।

ইফালে মনৰ কথাটো গোপন কৰি ফাগুণীয়ে মাকক ক'লে---মাযেনা এইবোৰ কি পগলা মানুহৰ দৰে বকিছ?

---মই পগলা বকা নাই অ'। মোৰ মনৰ কথাটোহে কৈছো। এনেকুৱা এটা ল'ৰাৰ হাতত তোক গতাব পৰা হ'লে, মই মৰিও শান্তি পালোহেঁতেন। কিন্তু এই দুৰ্ভগীয়াণীৰ কপালত জানো সেইটো হৈ উঠিব? তোৰ চিন্তায়ে মোক দিন-ৰাতিয়ে খাই মাৰিছে।

মাকে এটা দীঘল হুমুনিয়াহ কাঢ়িলে। ফাগুণীয়ে একেথৰে মাকলৈ চাই থাকিল। মাকৰ সমৰ্থন পাই, ফাগুণীৰ অন্তৰত গণেশক পাবলৈ প্ৰবল হেঁপাহ জাগি উঠিল।

দিনবোৰ কালৈকো বৈ নাথাকে। মেট্ৰিক পাচ কৰি আজি দুবছৰৰো অধিক কাল ঘৰতে বহি বহি গণেশৰ বৰ আমনি লাগিছে। উচ্চ শিক্ষাৰ কাৰণে তাৰ এটা প্ৰবল হেঁপাহ আছে। তাৰ কাৰণে অনেক চেষ্টা কৰিও ক'তো একো সুবিধা কৰিব পৰা নাই। আনহাতে, ঘৰৰ যাৱতীয় কামবোৰ সিয়েই কৰিব লগা হৈছে। ঘৰৰ ম'হৰ গাখীৰ সিয়েই খিৰায়। কজুৰাই আহি ঘৰৰ পৰা গাখীৰ লৈ যায়হি। মাজে মাজে হাট বজাৰ কৰে। গাৱঁৰ পৰা ধান কিনি আনি ঘৰত জমা থয় আৰু মহাজনক অলপ দামত বেছি দুপইচা লাভ কৰে। এইদৰেই গণেশে ঘৰখন চলাই নিছে। মাজে মাজে ফাগুনীহঁতৰ ঘৰলৈও যায় আৰু টানে আপদ, নিমখ তেল কিনিবলৈ বা কাপোৰ-কানি এডোখৰ লবলৈ, দুই এটকা ফাগুনীৰ মাকৰ হাতত দি আহেগৈ।

কথা বুলিলে বতাহ। কথাবোৰ বেছিদিন লুকাই নেথাকে। গণেশ ফাগুনীহঁতৰ ঘৰলৈ ঘনাই অহা-যোৱা, ফাগুনীৰ লগত প্ৰীতি ভাব, টকা-পইচাৰ আদান প্ৰদান ইত্যাদি সকলোবোৰ কথা, ইকাণ-সিকাণকৈ সহস্ৰ কাণলৈ বাগৰিবলৈ ধৰিলে আৰু লগে লগে নানা কথাৰে ডাল জোৰাদি, আচল কথাটো সঁচাই-মিছাই দহ গুণে বঢ়ালে। প্ৰথমে কথাবোৰ তিৰোতাৰ সমাজত বিজুলী বেগেৰে প্ৰচাৰিত হ'ল। তাৰপিচত, ডেকা-গাভৰুৱে গণেশ ফাগুনীৰ কথা, নানা ৰহন লগাই, হাঁহি কিৰিলীৰে সম্ভাষণ জনাবলৈ ধৰিলে।

অলপ দিনৰ পিচতে, ইকাণ-সিকাণকৈ কথাবোৰ আহি গণেশৰ মাহীমাকৰ কাণত পৰিলহি। কথাবোৰ শুনিয়েই মাহীমাক খঙত

জ্বলি-পকি উঠিল। মনতে ভাবিলে—কি? সেই ফাগুণী! আৰু বিশেষকৈ সেই ফাগুণীৰ মাকজনী—যাৰ লগত সৰুৰে পৰা মাত বোল নাই, সেইজনী!

কোৱা বাহুল্য যে গণেশৰ মাহীমাক আৰু ফাগুণীৰ মাক এক সমনীয়া আৰু একে গাঁৱৰে ছোৱালী আছিল। এদিন সৰুতে কোনো এখন বিয়াত, কিবা এটা কথাতে, দুয়োজনীৰে চুলিয়া-চুলি লাগিল। পিচত, ওচৰত থকা ছোৱালীবোৰ আহি ইজনীৰ হাতৰ মুঠিৰ পৰা সিজনীৰ চুলি আৰু সিজনীৰ হাতৰ মুঠিৰ পৰা ইজনীৰ চুলি, বহু কষ্টৰে এৰুৱাই দি, দুইজনীক দুফালে টানি লৈ গ'ল। তেতিয়াৰ পৰা দুইজনীৰ মাজত মাত-বোল যে নায়েই, ইজনীৰ চকুলৈ সিজনীয়ে নেচায়।

এতিয়া গণেশৰ মাহীমাকে দেখিলে যে, তাহানীৰ সেই জনীৰ জীয়েক ফাগুণী ঘৰলৈ বোৱাৰী হৈ আহিব আৰু সেইজনীৰ মাকক 'বিয়নী' বুলি আদৰি সাদৰি আনিব লাগিব আৰু সেই জনীৰে ঘৰলৈ গৈ, শৰাই-বটা লৈ, মান ধৰিবগৈ লাগিব। এইটো কাম কেতিয়াও হবই নোৱাৰে, পিচলৈ যিয়েই নহওক লাগিলে। মাহীমাক দৃঢ় প্ৰতিজ্ঞ হ'ল।

মাহীমাকে আকৌ ভাবিলে যে আগেয়ে কথাটো বাপেকক কৈ ল'ব লাগিব। বাপেকে বা কি কয়? আগেয়ে তেওঁৰ মতামত লৈহে যি হয় ব্যৱস্থা কৰিব লাগিব। তথাপি, সেইজনীৰ জীয়েকক যে বোৱাৰী হবলৈ নিদিয়ে, সেইটো খাতাং।

এইদৰে ভাবি চিন্তি, সকলো ঠিক-ঠাক কৰি লৈ মাহীমাকে বাপেকক এপাতিকৈ দুপাতিকৈ গণেশৰ সকলো কাণ্ড কাৰখানা বোৰ ক'লে। কথাবোৰ শুনি বাপেকৰ খন্তেকতে কপালখন থুপখাই আহিল। কিন্তু, পিচত ভাবিলে—কথাটো সঁচানে মিছা। মাহী-মাক মিছাকৈয়ে তাৰ কথা লগাইছে নেকি? গণেশে এনেকুৱা

এটা কাম কৰিব বুলি তেওঁ ভাবিবলৈ টান পালে। তথাপি, একো ঠিক নাই। কৰিবও পাৰে। কাৰণ, মানুহে কথাতে কয় বোলে— "চৰাইৰ বসন্ত কালে, ঘনে কাটে ৰাম।

মানুহৰ বসন্ত কালে, নিচিনে বাপ-মাৰ॥"

পিচ মুহূৰ্ত্তেতে মাকলৈ মনত পৰিল। মাক জীয়াই থকা হ'লে এনেকুৱা হবলৈ নেপায় আৰু হোৱা হ'লেও মাকেই এগা-ভেটা দিলেহেঁতেন। এতিয়া এনে অৱস্থাত তাক কি কৰা যায়। ডাবি ধমকি দিলেও সি বৰ আঘাট পাব আৰু আনহাতে তেনেকুৱা এটা হবলৈও দিব নোৱাৰি। গাওঁখনৰ ভিতৰত তেওঁ এজন মুখীয়াল মানুহ আৰু ঘৰৰ অৱস্থাও ভাল। ইফালে, অতি দুখীয়া বিধবা মানুহৰ ছোৱালী আনিলে, মানুহে তেওঁক হাঁহিব আৰু নিজৰ মান সন্মানো বহুত কমিব। গতিকে, তেনেকুৱা এটা হ'ব দিব নোৱাৰি।

সেইওতাকে আকৌ ভাবিলে যে সম্ভৱতে, গণেশই ঘৰখন ধৰি চলাই আছে। তেওঁ কেৱল নাম মাত্ৰহে। মাহীয়েকৰ ফালৰ দুটা ল'ৰা ছোৱালী সৰু সৰু হৈ আছে। এতিয়া মাহীমাকৰ লগনীয়া কথাত তাক শাস্তি দিলে, হয়তো হিতে বিপৰীতহে হবগৈ পাৰে।

- কিয়? একো নমতা হ'লা দেখোন? নাই, পিতেকক কবলৈ ভয় কৰিছা, নহয়নে? — বুলি মাহীমাকে বাপেকক সুধিলে।

বাপেকে লাহেকৈ ক'লে— নহয় অ'। কথাটো কিমানদূৰ সঁচা তাকে ভাবিছো। ভালকৈ আঁতি-গুৰি জানি নোলোৱাকৈ ঘপককৈ যিকোনো এটা কাম কৰিব নোৱাৰি। বাৰু, মই ভালকৈ খবৰটো লওঁ। কথাটো সঁচা হলে পিচত যি হয় কৰিম।

—তেনেহ'লে, ইমানবোৰ মই মিছা কথাহে কলো, নহয়নে? সিজনী ঘৈণীয়েকৰ পিতেক নহয়। সেই কাৰণে

হেজাৰ দোষ কৰি, মূৰে উভতি কাটিলেও, মুখেৰে নেমাতে। আমাৰ হ'লে খোজেপতি অপৰাধ। বাৰু, তুমি যি নকৰা লাগিলে মই হ'লে সেইজনীৰ জীয়েকক কেতিয়াও ঘৰ সোমাবলৈ নিদিওঁ। লাগিলে পিচত, মযে ঘৰৰ পৰা ওলাই যাম।

এইবুলি উচাৎমাৰি, মাহীমাক তাৰপৰা আতৰ হ'ল। দেউতাকে একেথৰে তললৈ চায়, সেই কথাকে ভাবি থাকিল।

মাহীমাকে দেখিলে যে বাপেকে এই বিষয়ে বিশেষ গুৰুত্ব দিয়া নাই বা দিছে যদিও, গণেশক এই বিষয়ে কৰলৈ টান পাইছে। সেই কাৰণে, ইযাৰ এটা সমিধান নিজেই বিচাৰি উলিয়াব লাগিব। এই বুলি ভাবি, সেইদিনাই আবেলি ওচৰৰ আন এখন গাৱৰ পৰা ফুৰি আহিলগৈ। তাৰপিচত, বহুত ভাবি চিন্তি, এটা ডাঙৰ সিদ্ধান্তত উপনীত হ'ল।

কেইদিনমানৰ পিচৰ কথা। এদিন দুপৰীয়া খাই-বই উঠি, মাহীমাকে চিন্তিত মনেৰে বাপেকৰ ওচৰলৈ আহি গহীনাই ক'লে— মই এটা কাম কৰিব খুজিছো।

—কি কাম, কছোন। —বুলি বাপেকে সুধিলে।

—মই গণেশৰ বিযাখন সোনকালে পাতিব খুজিছো।

দেউতাকৰ চকু কপাললৈ উঠিল।

- কি? গণেশৰ বিয়া পাতিব খুজিছ? সেই ফাগুণী বোলা ছোৱালীজনীৰ লগত?

—নহয় সেইজনী। সৌ সিখন গাঁৱৰ জগত গাওঁবুঢাৰ ছোৱালী জনী। ঘৰৰ অৱস্থা খুব ভাল। কেইবাটাও ভ্যাল। গোহালীত গৰু, খুটিত ম'হ। ইফালে ঘৰত মাক বাপেক, ককায়েক-ভায়েক, বাই-ভনী সকলো ফালৰ পৰা ঘৰখন নদন-বদন। সেইজনীৰ দৰে খাবলৈ নোপোৱা দাল দৰিদ্ৰ নহয়।

—পিছে ছোৱালীজনী কেনেকুৱা দেখিবলৈ। বাপেকটো দেখোন মেদ-মেদকৈ ক'লা। জীয়েকজনীও যদি বাপেকৰ নিচিনা হয়, তেনেহ'লে ।

বাপেকৰ কথা শুনি, মাহীমাকৰ খং উঠিল। স্বামীৰ ফালে টল্‌টলকৈ চাই ক'লে— ছোৱালীৰ ৰূপনো কেইদিন থাকে। গুণটোহে লাগে। চকুত চমক লগা এজনী নহলেও হয় দেখোন। শুনিছো —ছোৱালীজনী মাতে কথাই, বোৱা-ভোলা, বোৱা-কটা, আদি ঘৰৰ সকলো কামত কোনেও পেলাব নোৱাৰে। ধোঁ ধোঁ কৰে বগী ছোৱালীবোৰ কেৱল দেখাতহে। কামত এংকোডাল নাই। তেনেই সোপা ঢিলা। কামতহে লাগে ছোৱালী। এনেযে আগত থৈ চাই থাকিবলৈ নহয় নহয়।

—বাৰু থ-থ সেইবোৰ কথা। পিছে গণেশে জানো এতিয়া বিয়া কৰাব? তাৰ দেখোন এতিয়ালৈকে একো থান্‌-থিত নেলাগিল। কিবা চাকৰী বাকৰী এটাকে পোৱা হলে ভাল আছিল।

—থৈ দিয়া চাকৰী বাকৰী। গাঁৱৰ ইমান বোৰ মানুহে চাকৰী কৰিহে খাইছে নেকি? সেইবোৰ দেখোন তাৰ সমনীয়া গাৱৰ গোটেইবোৰে খেতি কৰি খাইছে। সিনো কি বৰ লাট্‌ চাহাবটো হৈছেহি খেতি কৰি নেখাবলৈ।

কথাবোৰ শুনি বাপেকৰ খং উঠিছিল যদিও, সংযত হৈ ৰ'ল। পিচত লাহেকৈ আকৌ কলে— নহয়, ঘৰত আছে যদিও সি মনত এটা ডাঙৰ আশা পুহি আছে। কিবা কৰি হলেও, তাৰ কলেজত পঢ়িবলৈ বৰ মন আছিল। আন মানুহৰ আগত কোৱা এইবোৰ কথা মই শুনিছো।

— থোৱা বাৰু সেইবোৰ কথা। ইফালে সি কোনদিনা

ফাগুনীক পলুৱাই আনি ক'লৈ পলাই যায়গৈ, তাৰ ঠিক নাই। তেতিয়া ঘৰখনৰ সকলোৰে নাক-কাণ কটা যাব। মই চব কথা জানি শুনিহে এইখিনি কথা কৈছো। বাহিৰত কি হৈছে তুমি একো নেজানা বা খবৰো নোলোৱা। মই সকলো ফালৰ পৰা চাই চিতিহে তাৰ বিয়াখন পাতি দিব খুজিছো। নহলে, ইমান খিনি হাবাথুৰি খাই ফুৰিবলৈ মোৰ একো গৰজ পৰা নাই।

এই বুলি মাহীমাকে আনফালে চাই ৰ'ল। বাপেকে একেথৰে পত্নীৰ ফালে চাই থাকিল।

কিছুপৰ নিতাল মাৰি থাকি, বাপেকে আকৌ মাহী-মাকলৈ চাই ক'লে—বাৰু, তই কেনেকৈ জানিলি, গণেশে ফাগুনীক পলুৱাই আনিব বুলি। মই ভালকৈ জানো যে সি ইমানখিনি তললৈ কেতিয়াও নেযায়।

—ভাল কথা কৈছা। মই চব কথা জানো, বুইছা। কেৱল তুমি বেয়া পোৱা বুলিহে ইমানদিন কোৱা নাছিলো। ঘটনাটো তলে তলে ইমান দূৰ আগবাঢ়িল যে এতিয়া গণেশ বাধ্য হৈ ফাগুনীক আনিবগৈ লাগিব। ইতিমধ্যে যদি ফাগুনীৰ কিবা এটা লেঠা হয়, তেনেহ'লে কি কাণ্ড হব ভাবি চাইছেনে? তেতিয়া তোমাৰ নাকটো ক'ত থবা? তেনেকুৱা কিবা এটা হলে, গাৱৰ ৰাইজে জানো তোমাক শুদাই এৰিব? সেই কাৰণে, জোৰ পুৰি হাত পোৱাৰ আগতে মই তাৰ বিয়াখন পাতি, সকলো লেঠাৰ পৰা হাত সাৰিবলৈ চাইছো। বেচিদিন পলম কৰিলেই তুমি আৰু মানুহৰ আগত মুখ উলিয়াব নোৱাৰিবা। মই তোমাৰ ভালৰ কাৰণেহে এইখিনি কৈছো। নহলে তুমি পস্তাব নেলাগে যদি মোৰ নাম সলাবা।

এইবুলি মাহীমাকে স্বামীৰ ফালে চাই থাকিল। বাপেকে আনফালে চাই গভীৰ চিন্তাত নিমগ্ন হ'ল। মাহীমাক ভাবপৰা লাহে লাহে আঁতৰি আহিল।

সেইদিনা গণেশ তেতিয়াও ঘৰলৈ ঘুৰি অহা নাছিল। এই সুযোগতে মাহীমাকে বাপেকৰ আগত কথাখিনি কৰলৈ সুবিধা পালে। তাৰপিচত ভিতৰলৈ আহি অলপ আগতে কোৱা কথা-বোৰকে ভাবি নিজে নিজে আমোদ পালে।

মাহীমাকে ভাবিলে—ঠিকেই। মই ভবামতেই কাম বোৰ আগবাঢ়িছে। গণেশ আৰু ফাগুণীৰ বিষয়ে বহুত মিছাকৈ সাজি কোৱা কথাৰে বাপেকক পতিয়ন নিয়াইছে। পিচত, গণেশৰ বিয়াপাতি, ছোৱালী ঘৰলৈ অনাৰ কিছুদিনৰ পাচতেই কিছুমান মিছা দোষ উলিয়াই বোৱাৰীয়েকৰ লগত উৰাই ঘুৰাই দন কৰিব। তাৰপিচত এনেকুৱা দন্দুৰী বোৱাৰীৰ লগত থাকিব নোৱাৰি বুলি বাপেকক লগাই সিহঁতক বেলেগ কৰি দিব আৰু অলপ আতৰত থকা সিহঁতৰ আন এডাখৰ মাটিত ঘৰ সাজি থাকিবলৈ কব। তেতিয়াহ'লে এটা ফৰ্ম্মুটিতে দুটা চিকাৰ হব। এহাতে গণেশক ঘৰৰ পৰা আতৰোৱা হব আৰু আনহাতে ফাগুণীৰ মাকৰ ওপৰত ভীষণ প্ৰতিশোধ লোৱা হব। ইত্যাদি-বোৰ কথা ভাবি মাহীমাক আনন্দত তন্ময় হৈ ৰ'ল।

ভাদমাহ পাৰ হৈ আহিনৰ কেবাদিনা গ'ল। বেছি ভাগ মানুহে হাল দাঙিলে। কৰবাত দুই এঘৰে কই আছে যদিও দুই এদিনাতে শেষ হব।

গণেশহঁতৰো ধান ৰোৱা শেষ হল। আজি দুই-তিনি মাহ কঠোৰ পৰিশ্ৰম কৰি গণেশে অলপ জিৰণি লৈছে। কিন্তু লগে লগে তাৰ আন কিছুমান চিন্তাই আগুৰি ধৰিছে। সি এতিয়া কি কৰিব—ভৱিষ্যত জীৱন কি হব ইত্যাদি কথবোৰ ভাবি চিন্তাত তন্ময় হৈ থাকে। কেতিয়াবা চহৰলৈ গৈ পুৰণা দুই এজন বন্ধুক লগ ধৰি দু-অৱাৰ সুখ-দুখৰ কথা পাতে আৰু

লগতে কৰবাত কিবা সক সুৰা চাকৰী ওলাইছে নেকি খবৰ কৰে। একো খবৰ নেপাই চিন্তিত মনৰে ঘৰলৈ ওভটে।

এদিন আগবেলা পথাৰৰ বোৱাবোৰ চাবলৈ বুলি ওলাই গল। গোটেই পথাৰখন ঘুৰি পকি চাই পথাৰৰ ধানবোৰৰ চেহেৰা ভাল হোৱা দেখি মনত বৰ বং পালে। শেষত পথাৰৰ পৰা উলটি আহি, বাহিৰে বাহিৰে ফাগুণীহঁতৰ ঘৰত সোমাল।

—অ' মাহী, ঘৰত আছ নে? —চোতালৰ পৰাই মাত দি গণেশ ভিতৰ সোমাই গ'ল। বাহিৰত গণেশৰ মাত শুনি ভাত বান্ধি থকা ফাগুণী লৰালৰিকৈ ওলাই আহিল।

—কি, মাহী ক'লৈ গ'ল? গণেশে ফাগুণীক সুধিলে। —নাই ভাইটিৰে সৈতে মা কেনিবা ওলাই গৈছে। —লাহেকৈ হাঁহি ফাগুণীয়ে ক'লে।

—অ' হয়নেকি? তেনেহ'লে মই যাওঁ বাৰু।

—হয়ে, বৰাছোন ককাইদেউ, খন্তেক বহা। মা আহিব এতিয়া। পিচে কিয় আহিছিলা নকলাই দেখোন। আজি কালি ককাইদেৱে কেতিয়াবাহে আমাৰ ঘৰলৈ আহে। কিবা বেযাই পাইছানেকি জানো?

—হেৎ, কি কথাবোৰ কৰ। তহঁতক আক' বেয়া পাম কিয়। দিনটো কামৰ পৰা আজৰিয়েই নেপাওঁ, বুইছ।

—বুজিছো, বুজিছো— মানে-- হবই। নতুন সংসাৰ পাতিবলৈ যো-যা কৰিছা যেতিয়া কামত ব্যস্ত থাকিবই লাগিব— বুলিয়েই ফাগুণীয়ে মুখখন আন্দোলাই তলমূৰ কৰিলে। গণেশে লক্ষ্য কৰিলে। অলপ আচৰিতো হ'ল।

—কাৰ নতুন সংসাৰ পতা কথা কৈছ অ' ফাগুণী?

ফাগুণীয়ে লাহেকৈ মুৰটো দাঙি—তোমাৰ নতুন সংসাৰৰ কথাকে কৈছো —বুলি আকৌ তলমুৰ কৰিলে।

এইবাৰ ফাগুণীৰ চকু দুটা অলপ চলচলীয়া হোৱা যেন দেখা পালে গণেশে। অবাক হৈ চাই থাকিল একেথৰে ফাগুণীলৈ।

—মই তোৰ কথা একো বুজা নাই ফাগুণী। কিহৰ কথা কৈছ খোলা-খুলিকৈ কছোন।

—বাৰু, বুজিও নুবুজাৰ ভাও ধৰিব নেলাগে। বোলো তোমাৰ বিয়াখন কেতিয়া পাতিছা তাকে জানিব খুজিছো।

কথাটো কৈয়েই এটা হুমুনিয়াহ কাঢ়িলে ফাগুণীয়ে।

—কি, মোৰ বিয়া! কোনে ক'লে তোক এইবোৰ মিছা কথা— বুলিয়েই গণেশ জাপ মাৰি উঠিল।

—বাৰু, মোক ফাকি দিব নেলাগে। তুমি নকলেও আমি চব জানিছো। কোন গাৱঁৰ, কাৰ ছোৱালী, ছোৱালীৰ নাম কি— দেখিবলৈ কেনেকুৱা ইত্যাদি সকলো। এতিয়া কোৱাছোন কোন মাহত, কোন তাৰিখে বিয়া পাতিছা?

গণেশ বৰ আচৰিত হ'ল। অবাক হৈ চাই থাকিল ফাগুণীৰ মুখলৈ।

—তই এই মিছা কথাবোৰ ক'ত শুনিলি বাৰু কছোন ফাগুণী।

—মিছা নহয় ককাইদেউ। সঁচা বুলিয়েই শুনিছো। পিছে, আমাকো বিয়ালৈ মাতিবলৈ নেপাহৰিবা আকৌ।

হঠাৎ গণেশ গম্ভীৰ হৈ পৰিল। এবাৰ ফাগুণীলৈ চাই গহীণাই ক'লে— মইতো এইবোৰ কথা একো শুনা নাই। কোনোবাই মিছাকৈয়ে এইবোৰ উলিয়াইছে। এতিয়া দেখিছো তলে তলে এটা ডাঙৰ চক্ৰান্ত চলিছে। বাৰু, থাওক সেইবোৰ কথা। পিচে মোৰ এটা কথা শুনিবিনে ফাগুণী?

—কি কথা ?

—মানে, এইবোৰ চব মিছা কথা। মই আজি মাত্র তোৰ মুখতহে প্ৰথম শুনিছো। কোনোবাই মিছাকৈয়ে এইবোৰ কথা উলিয়াইছে। আৰু এটা কথা। বিয়া কৰালে মইহে কৰাম। মোৰ মত নেথাকিলে, কোনেও মোক ধৰি বান্ধি কৰাব নোৱাৰে।

—সেইটো হয়, ককাইদেউ। কিন্তু, বাধ্যত পৰি কেতিয়াবা অনিচ্ছাসত্বেও মান্তি হয়গৈ। নহয় জানো বাৰু ?

—হব পাৰে। কিন্তু মোৰ ক্ষেত্ৰত সেইটো কেতিয়াও নহয়। কাৰণ মই ।

—কিয় ?, বৈ গ'লা দেখোন ককাইদেউ ?

—নহয় মানে— মই এটা কথা আজি বহুত দিন তোক কওঁ কওঁকৈ ক'ব পৰা নাই। যদি তই বেয়া নেপাৱ, তেনে-হ'লে, কম জানো কথাটো ?

—কোৱা ককাইদেউ, মই একো বেয়া নেপাওঁ।

—তেনেহ'লে কওঁ শুন। বেয়া নেপাবি আৰু' দেই। মই বিয়া কৰিলে তোকেই বিয়া কৰাম। তোৰ বাহিৰে আন কাকো বিয়া নকৰাওঁ। এইটো ঠিক জানিবি।

ফাগুনীৰ গাটো বঙতে জিকাৰ খাই উঠিল। গোটেই দেহাটো যেন ক'ৰবালৈ উৰুৱাই নিছে। তথাপি, মনৰ ভাৱ গোপন কৰি লাজকুৰীয়াকৈ হাঁহি ক'লে— ইহ, ককাইদেৱে মোৰ লগত চুপতি কৰিছে।

—চুপতি নহয় ফাগুনী। একেবাৰে মোৰ অন্তৰৰ কথা। এইবুলি গণেশে ওচৰ চাপি আহি ফাগুনীৰ গাত হাত দি কলে—

—বুইছ ফাগুনী। মই তোৰ বাহিৰে আন কাকো বিয়া নকৰাওঁ। তই আনৰ লগলীয়া কথা নুশুনিবি।

আনন্দৰ চকুলো ফাগুনীৰ দুগালেদি বৈ আহিল। যাক পাবলৈ ইমানদিন দেহে-কেহে কামনা কৰিছিল, সি আজি নিজেই আহি ধৰা দিছেহি। ইযাতকৈ সৌভাগ্যৰ কথা আৰু কি হ'ব পাৰে ?

—অ' ফাগুনী, কি কৰিছ ? বুলি বাহিৰৰ পৰা মাকে মতা শুনি, দুয়োটাই চক্‌খাই উঠিল। গণেশ সেমেনা-সেমেনিকৈ পিছ দুৱাৰেদি ওলাই গ'ল।

[৫]

আহাৰ মাহৰ ভৰ বাৰিষা। শদিযাৰ পৰা ধুবুৰীলৈ গোটেই অসমৰ উপনৈবোৰ বঢ়াৰ লগে লগে ব্ৰহ্মপুত্ৰও ফেনে-ফোটোকাৰে বাঢ়ি আহি তাণ্ডৱ লীলা সৃষ্টি কৰিছে। নদীবোৰে মথাউৰি ভাঙি ওচৰৰ গাওঁ-ভুঁই বুৰাই পেলাইছে। বানপানীৰে ভৰা ডাঙৰ ডাঙৰ পথাৰবোৰ সাগৰ যেন দেখি। প্ৰবল সোঁতে ঘৰ-দুৱাৰবোৰ ভাঙি উটুৱাই নিছে। বহুত গৰু-ম'হ বানপানীত উটি গ'ল। বাকী গৰু-ম'হবোৰ গৃহস্থই অনেক দুখ-কষ্ট কৰি কোনোবা নিৰাপদ বাম ঠাইলৈ লৈ গৈছে।

এই ভৰ বাৰিষাতে ব্ৰহ্মপুত্ৰৰ কাষে কাষে সৃষ্টি হোৱা অথাই সাগৰ যেন বানপানীৰ প্ৰবল সোঁতৰ মাজেদি, এদিন গণেশেও তাৰ নিজৰ ম'হজাক উজনীফালে দুমাইলমান দূৰত থকা এডোখৰ বাম ঠাইলৈ লৈ গৈছিল। সেইদিনা তাহাঁতৰ ঘৰৰ নাওখন আন এটা জৰুৰী কামত আন ঠাইলৈ নিব লগা হোৱাত, গণেশে ম'হজাকৰ লগতে সাতুৰি যাব লগা হ'ল। কিন্তু, এই দুমাইল বাট সোঁতৰ বিৰুদ্ধে সাতুৰি যোৱাটো অসম্ভৱ যেন দেখি, গণেশে

মত্তা ম'হটোৰ নেজতে ধৰি লৈ সাতুৰিবলৈ লাগিল। আনহাতে গণেশৰ প্ৰতিমুহূৰ্ত্ততে ভয় লাগি থাকিল যে যদি কেনেবাকৈ ম'হটোৰ নেজৰপৰা তাৰ হাতখন এৰাই যাব লগা হয়, তেনেহলে বানপানীৰ প্ৰবল সোঁতে নি তাক ব্ৰহ্মপুত্ৰত পেলাই দিবগৈ। কোনো কোনো দ-ঠাইত মানুহৰ ঘৰৰ ভিতৰত এককাল-এবুকু পানী। তেনে অৱস্থাত মানুহবোৰে চটিয়ে চটিয়ে চাং সাজি ৰাতিটো পৰি থাকে আৰু ৰাতি পুৱালেই এবুকু পানীত নামি দিনটো ঘুৰি ফুৰিব লগা হয়। যাৰ নাও আছে, তেওঁলোকে নাৱত উঠি ইফাল-সিফাল কৰে। কিন্তু যাৰ নাও নাই, তেওঁলোকে পুৱাৰ পৰা গধুলিলৈকে পানীত নামি নামি ফুৰিব লাগে। কিন্তু আটাইতকৈ মাৰঘাত মৰা কথাটো হ'ল যে এনে প্ৰবল বান পানীত বহুতৰ ভঁৰালবোৰো তল যায়। গাঁৱৰ মানুহৰ একমাত্ৰ অন্ন-সংস্থান এই ভঁৰালৰ ভাতমুঠিও পানীত তল গলে ৰাইজৰ কি বিলাই বিপত্তি হয়, তাক সহজে অনুমান কৰিব পাৰি। কাৰণ, পানীত ভিজা ধানবোৰ গাপ লাগি পচি যায় আৰু পিছত এই ধানৰ পৰা ওলোৱা চাউলবোৰ পচা গুৰিত পৰিণত হয়।

আনহাতে এই বানপানীয়ে আগতীয়াকৈ ৰোৱা পথাৰৰ ধান আৰু কঠীয়াতলিত থকা কঠীয়াবোৰ মাৰি লৈ যায়। ফলস্বৰূপে আকৌ পথাৰত ৰুবলৈ কঠীয়া নোহোৱা হয়, নাইবা কঠীয়া নতুনকৈ পাৰিবলৈও সময় নেথাকে। ইত্যাদি বানপানীৰ পৰা উদ্ভৱ হোৱা নানা সমস্যাই খেতিয়ক সকলক তেনেই জুৰুলা কৰি পেলায়।

তাৰ উপৰিও ঘৰৰ ভিতৰত পানী হ'লে নানা পোক-পৰুৱা, সাপ-বেং আদি প্ৰাণীবোৰে আশ্ৰয় বিচাৰি ঘৰৰ ভিতৰ সোমায়হি। কেতিয়াবা এই প্ৰাণীবোৰে আতুৰ হৈ আহি ৰাতি

শুই থকা মানুহৰ গাতে উঠেছি।

এই বিধ্বস্ত অঞ্চলবোৰত মানুহবোৰে বানপানীৰ পৰা কেনেকৈ ৰক্ষা পৰে, তাৰ বাহিৰে আন কথা ভাবিবলৈ সময় নেথাকে।

এইদৰে বানপানীত মানুহবিলাকে কিমান দুখ-কষ্ট ভুগিব লগা হয়, তাক ভুক্ত ভোগীৰ বাহিৰে আন কোনেও বুজিব নোৱাৰে।

দিচাং নদীৰ মথাউৰি ভাঙি গণেশহঁতৰ গাওঁখনো বানপানীয়ে বুৰাই দিলে। ফলত খেতি-বাতি নষ্ট হ'ল, গৰু-ম'হ উটাই নিলে, ঘৰ-দুৱাৰ আৰু বহুতৰ ভঁৰাল পৰ্যন্ত তল গ'ল। মানুহৰ বিলাই বিপত্তিৰ সীমা নোহোৱা হ'ল।

দিচাং নদী যি ঠাইত ব্ৰহ্মপুত্ৰত পৰিছে, সেই ঠাইকে দিচাং মুখ বোলে। দক্ষিণ পাৰৰ এই দুই নদীৰ সংগমস্থলীৰ নিচেই কাষতে ব্ৰহ্মপুত্ৰৰ দাঁতিত প্ৰতি বৃহস্পতিবাৰে এখন ডাঙৰ হাট বহে। হাটলৈ বহুত ঠাইৰ পৰা বহুত মানুহ আহে। এই হাটৰ পৰা কেইমাইলমান ওচৰত থকা গণেশহঁতৰ গাঁৱৰ মানুহ বিলাকেও হাঁহ, পাৰ, লাও-কোমোৰা আদি লৈ বৃহস্পতিবৰীয়া হাটলৈ যায়। বানপানীৰ কাৰণে বিশেষ কাম নথকাত, গণেশেও ঘৰৰ হাঁহ এযোৰ লৈ, গাঁৱৰ আন মানুহৰ লগত হাটলৈ গ'ল। হাট-বজাৰৰ ৰাস্তাৰ দাঁতিত, গাঁৱৰ মানুহৰ লগতে শাৰী পাতি গণেশে সমুখত হাঁহযোৰ লৈ বহি পৰিল।

গণেশ বেছি সময় বহিব লগা নহ'ল। কাৰণ, নোদোকা হাঁহযোৰ দেখি গ্ৰাহক কাষ চাপি আহিল। গণেশে দুটকাতে হাঁহ যোৰ দি দিলে। গ্ৰাহকে সস্তাত পাই বংমনৰে হাঁহযোৰ লৈ গুচি গ'ল।

হাটলৈ লগত অহা গাঁৱৰ আন মানুহ কেইজনৰ আটাইখিনি বস্তু তেতিয়াও বিক্ৰী নোহোৱাৰ কাৰণে গণেশ হঁতলোকলৈ ৰব লগা হ'ল। তেতিয়া গণেশে হাটৰ ওচৰতে থকা দিচাং-ব্ৰহ্মপুত্ৰৰ সংগম স্থলীৰ নিচেই ওচৰলৈ আহি দুই নদীৰ মিলনৰ পৰা উদ্ভৱ হোৱা সেই দৃশ্যবোৰ চাই তন্ময় হৈ ৰ'ল।

কি ভয়াবহ দৃশ্য! মাজে মাজে দুই নদীৰ সংঘৰ্ষৰ পৰা হোৱা কাণ তাল মৰা গৰ্জ্জন। এই সংগম স্থলীতেই প্ৰচণ্ড বেগেৰে ঘূৰি থকা ভালেমান ভয় লগা পানীৰ পাক চক্ৰবোৰ —যাক সাধাৰণতে 'চাকনৈয়া' বুলি কয়। এনে ভয়াবহ চাকনৈয়াত যদি কোনবাকৈ কোনো জীৱ-জন্তু বা মানুহৰ নাও আহি পৰেহি, তেনেহ'লে সেই দুৰ্ভগীয়াহঁতৰ প্ৰাণ ৰক্ষাৰ কোনো উপায় নাই।

ওচৰতে নদীৰ পাৰত বহি লৈ, গণেশে এইবোৰ দৃশ্য অবাক হৈ চাই থাকিল। এনেতে বহুত দূৰত, উত্তৰ পাৰৰ পৰা দক্ষিণ মুৰা হৈ সেই হাটৰ ফালেই আহি থকা এখন সৰু নাও গণেশৰ চকুত পৰিল। গণেশে ভাবিলে যে সেইখন নাও কিজানি এই হাটলৈকে আহিছে। সি জানে যে উত্তৰ পাৰৰ পৰাও বহুত মানুহ নাৱেৰে আহি ইয়াত হাট বজাৰ কৰি আকৌ দিনে পোহৰে ঘূৰি যায়গৈ। ইযাৰ আগতে উত্তৰ পাৰৰ বহুত বেপাৰী নাৱেৰে আহি হাট বজাৰত বহি গল আৰু তেওঁলোকৰ নাওঁবোৰ ব্ৰহ্মপুত্ৰৰ পাৰত খুটি মাৰি ভালকৈ বান্ধি থৈছে।

অলপ আগতে ৰিণিকি ৰিণিকি দেখা উত্তৰ পাৰৰ পৰা অহা নাওখন ভটিয়নী সোঁতত বিজুলি বেগেৰে আহি ব্ৰহ্মপুত্ৰৰ মাজভাগ পালেহি। গণেশে দেখিলে যে সেই নাওখনত তিনিজনে ব'ঠা মাৰিছে আৰু দুজন বহি আহিছে আৰু লগতে

হাটত বেচিবলৈ অনা কিছুমান মাল বস্তুও গণেশৰ চকুত পৰিল।
গণেশে একেথাৰে নাওখনলৈ চাই থাকিল।

নাওখন ক্রমাৎ ব্রহ্মপুত্রৰ দাঁতিতে দক্ষিণ পাৰে বহা হাটখনৰ ফালে আগবাঢ়ি আহি আছে। এই হাতখনৰ দুশগজ মান উজাই দিচাং নদী ব্রহ্মপুত্রত পৰিছে। গতিকে উত্তৰ পাৰৰ পৰা হাটলৈ অহা নাওবোৰ এই দুই নদীৰ সংগমৰ ওপৰেদি বা তাৰ নিচেই কাষেদি আনিব লাগিব। নহলে হাট বহাৰ পোনে পোনে নাও পাৰলৈ চপাব পৰা সম্ভৱ নহয়।

অলপ সময়ৰ পিছত নাওখন কাষ চাপিলহি। কিন্তু, দুৰ্ভাগ্যবশত নাওখন আহি দুই নদীৰ সংগমৰ ভয়াবহ চাকনৈয়াৰ ওপৰত পৰিলহি আৰু লগে লগেই নাওখন চাকনৈয়াৰ লগে লগে খুব বেগাই বৃত্তাকাৰে ঘূৰিবলৈ ধৰিলে। নাৱৰীয়া কেইজনে প্রাণপনে চেষ্টা কৰিও নাওখন পানীৰ পাকঘূৰণিৰ পৰা এৰুৱাই আনিব নোৱাৰিলে। অৱস্থা দেখি নাৱত থকা আটাই কেইজনৰ চুলিৰ আগে জীৱ গ'ল। আৰু লগে লগে অস্থিৰ হৈ পৰিল। এনেতে, নাওখনৰ এটা মূৰ চাকনৈয়াৰ মাজত উত্তৰ হোৱা এটা দ-পানীৰ গাতত সোমাই পৰিল। লগে লগেই মানুহ কেইজনে নাৱৰ পৰা জাপ দিলে। ইফালে নাওখন পাকনিত পৰি থিয়ৈ থিয়ৈ পানীৰ তললৈ সোমাই গ'ল।

দৃশ্যটো দেখি হাত-বজাৰত থকা মানুহবোৰে ৰবকৈ চিঞৰ-বাখৰ কৰিবলৈ ধৰিলে। তৎক্ষণাৎ কেইজনমান নাৱৰীয়াই নৈৰ পাৰত বান্ধি থোৱা দুখন নাও লৈ মৰসাহ দি পানীত পৰা মানুহ কেইজনক তুলি আনি বাম পোৱালেহি। পিচত পানীত পৰা মানুহ কেইজনক সুধি জনা গ'ল যে মুঠতে নাওখনত অহা পাচজন মানুহৰ ভিতৰত চাৰিজন বাচিল আৰু ইজনৰ কোনো সুংসুত্র নাই। হয়তো মানুহজনে সাতুৰিব নেজানিছিল বা সাতুৰিব

জানিলেও পেপুৰা লাগি থাকোতেই নাওখনৰ লগতে পানীৰ তললৈ গ'ল। বাচি থকা চাৰিজনে সাতুৰিব জানিছিল আৰু সিহঁতক তুলিবলৈ যোৱা নাও দুখন নেপায়গৈ মানে চাকনৈযাৰ ওপৰতে প্ৰাণপনে সাতোৰ দি, কোনোমতে নিজক বচাই আছিল।

ইমানপৰ আছুতীয়াকৈ বহি ওচৰৰ পৰা ঘটনাটো দেখি থাকি গণেশৰ চকু থৰ হৈ গ'ল। নাওখন ডুবাৰ লগে লগে সি চিঞৰি উঠিল। আই ঐ নাও ডুবিল ঐ। নাৱৰ লগতে মানুহ তললৈ গ'ল ঐ' বুলি চিঞৰি চিঞৰি আহি ইবোৰ মানুহৰ লগ লাগিলহি আৰু লগে লগে তাৰ গা'টো কঁপিবলৈ ধৰিলে।

ইতিমধ্যে হাটৰ মানুহবোৰে কিনা বেচা এৰি দি পানীত পৰা মানুহ কেইজনলৈ চাই চাই চিঞৰ বাখৰ কৰিলে। লগে লগেই দুখন নাও গৈ মানুহ চাৰিজনক তুলি আনিলেগৈ। বাকী মানুহজন আৰু নাওখন ক'লৈ গ'ল— তাকে বিচাৰি সকলো মানুহে ব্ৰহ্মপুত্ৰৰ কেওফালে চকু ফুৰালে। নাই— ক'তো একো চিনচাব নাই। কেৱল দেখিলে ব্ৰহ্মপুত্ৰৰ বুকুত উটি যোৱা ডাঙৰ ডাঙৰ গছ আৰু মাজে মাজে প্ৰকাণ্ড প্ৰকাণ্ড ঢৌৰ গৰ্জ্জন।

ঠিক এনেতে, হাটৰ পৰা ভালেখিনি ভটিয়াই ব্ৰহ্মপুত্ৰৰ বুকুত এখন নাও ওপঙি যোৱা এজন মানুহৰ চকুত পৰিল। লগে লগেই তেওঁ আন মানুহক দেখুৱালে। ইবিলাক মানুহেও 'হয় হয়' বুলি চিঞৰি উঠিল। লগে লগেই দুখন নাও তীব্ৰ বেগেৰে চলাই নিলে উটি যোৱা নাওখন ধৰিবলৈ। ভালেখিনি ভটিয়াই গৈ নাওখন ধৰিলেগৈ আৰু নাওখনৰ ভিতৰতে হেৰোৱা মানুহজন আছে নেকি ভালকৈ চালে। নাই— মানুহ নাই। কেৱল পানীৰে ভৰা নাওখন। তেতিয়া নাৱৰীয়া এজনে নাওখন ধৰি থাকিল, এজনে পানী সিচিলে আৰু বাকী কেইজনে নাও বাই

বাট, বহুত পৰৰ পিচত হাটৰ ওচৰ চাপিলাহি। তাৰ পিচত, সোঁহাৰা মানুহজন যে পানীত ডুবি মৰিল সেইটো খাতাং হৈ পৰিল। সকলো মানুহে 'হাঁয় হাঁয়' কৰিবলৈ ধৰিলে। লগৰ চাৰিজন মানুহে উচুপি কান্দি থাকিল।

ঘটনাটো দেখি থকা মানুহ বিলাকৰ মাজত আলোচনা চলিল। যি হ'ব লগা হ'ল। এতিয়া মৃতকৰ পৰিয়াল বৰ্গলৈ কিবা এটা সহায় কৰিব পাৰি নেকি বুলি ভাবি, তেওঁলোকৰ মাজতে কিছু টকা তুলিবলৈ ঠিক কৰিলে। ইযাত উত্তৰ পৰীয়া বেপাৰী কেইজনে আগভাগ ললে। তেওঁলোকে জানে যে পানীত পৰি মৰা মানুহজনৰ ঘৰুৱা অৱস্থা বৰ বেযা। পেটৰ দাযত পৰি, অলপ বস্তু আনিছিল হাটত বেচিবলৈ।

এইবোৰ কথা শুনি, গণেশৰ মনত বৰ দুখ লাগিল। পিচত সিও সুকীয়াকৈ পইচা তুলিবলৈ লাগি গ'ল। নিজৰ গাঁৱৰ মানুহ আৰু আন চিনাকী মানুহৰ পৰা দু-অনা, চাৰিঅনাকৈ তুলি, পিচত হিচাব কৰি দেখিলে যে সি তোলা পইচাখিনি আঠ টকা চাৰি অনা হলগৈ, এইখিনি টকাৰ লগত তাৰ হাঁহ বেচা টকা দুটাও দি মুঠ দহ টকা চাৰি অনা কৰি টকা জমা লোৱা মানুহজনৰ হাতত দিলগৈ। মানুহজনে টকাখিনি গন্তি কৰি লৈ পিচত ইফালে সিফালে চাই টকা দি থৈ যোৱা অচিনাকী ল'ৰাজনক নেদেখি কিছু আচৰিত হল। ইতিমধ্যে গণেশে বেজাৰ মনেৰে ঘৰলৈ বুলি খোজ ললে।

সেইদিনা ৰাতি বিচনাত গণেশৰ টোপনি নাহিল। চকুৰ আগত ভাঁহি উঠিছে কেবল সেইদিনা দুপৰীয়া তাৰ চকুৰ আগতে ব্ৰহ্মপুত্ৰৰ বুকুত হোৱা ভযাবহ নাও দুৰ্ঘটনা। সি যেন ভালকৈ দেখিছে যে এটা মানুহ নাওখনৰ লগতে চাকনৈযাত পৰি পানীৰ তললৈ সোমাই গ'ল। অলপ ভটিযাই নাওখন ওলাল।

কিন্তু মানুহজনক বিচাৰি নেপালে। হয়তো দুদিনমানৰ পিছত ভটিয়াই অনেক দূৰত মানুহজনৰ মৃতদেহ আপোনা-আপুনি ওপঙি উঠিব। তেনেহলে পানীত পৰি নোহোৱা হোৱা মানুহ সেইজনেই — যাক গণেশে নাওখনৰ লগত পানীৰ মেৰপাকত পৰি তললৈ সোমাই যোৱাৰ আগমুহূৰ্ত্তত দেখা পাইছিল।

গণেশৰ মনত বৰ দুখ লাগি আছিল। দুখ লাগিল— সেই মানুহজনৰ বিধৱা পত্নী, এমা-ডিমা লৰা-ছোৱালী কেইটালৈ। সিহঁতক পোহপাল দিবলৈকে বোধকৰো মানুহজনে এই ভয়াবহ বিশাল ব্ৰহ্মপুত্ৰৰ বিপদ সমূহ বুকুপাতি লৈ আহিছিল হাট কৰিবলৈ। এতিয়া সিহঁতৰ কি গতি হব? সিহঁতক এতিয়া কোনে পোহ-পাল দিব? হয়তো কেচুৱা কোলাত লৈ বিধবা পত্নীয়ে এতিয়া ঘৰে ঘৰে ভিক্ষা কৰি ফুৰিব। বিষম আঘাট লাগিল গণেশৰ বুকুত।

গণেশে আগতেও শুনিছিল যে কৌটিকালৰে পৰা ব্ৰহ্মপুত্ৰত নাও ডুবি মানুহ মৰে। আজি কিন্তু সি চকুৰ আগতে এই ভয়াবহ দৃশ্য দেখিবলৈ পালে। গণেশৰ বুকু কঁপি উঠিল।

বিচনাত চট্‌ফটাই পৰি আছে গণেশ। তাৰ মনলৈ আহিল— পানীৰ চাকনৈয়াত পৰি মানুহ মৰে। কিন্তু জীৱনৰ চাকনৈয়াত পৰি আজি কোটি কোটি মানুহে কিমান যমৰ যাতনা ভোগ কৰিছে, তাৰ আদি নাই অন্ত নাই। পানীত পৰি হয়তো কৰবাত দুই এজন মানুহ মৰে। কিন্তু জীৱনৰ চাকনৈয়াত কম বেছি পৰিমাণে সকলো মানুহে জীয়াতু ভোগ কৰিব লগা হয়। এই যাতনা ভোগৰপৰা কোনেও ৰেহাই নেপায়।

শেষ নিশা গণেশৰ চিল্‌মিলকৈ টোপনী আহিল। এবাৰ চক্‌খাই— আই ঐ নাও ড্‌বিল! নাও ড্‌বিল!! বুলি

চিএগৰি বিচনাত বহি পৰিল। খন্তেক পিচত আকৌ বিচনাত পৰি থাকিল যদিও ৰাভিপুৱালৈকে গণেশৰ টোপনি নাহিল।

এই ঘটনাই গণেশৰ বুকুত এটা গভীৰ বিষাদৰ সাঁচ বহুৱাই দিলে।

[৬]

কেইদিনমানৰ পিছৰ কথা। সেইদিনা গণেশে ৰাতি-পুৱাই অলপ দূৰত থকা তাৰ সমনীয়া বন্ধু এটাৰ ঘৰলৈ গৈছিল। ঘৰলৈ ঘূৰি আহোঁতে বেলি লহিয়ালে। লৰালৰিকৈ গাটো ধুই ঢাকৈ ঢাকি থোৱা ভাত কেইটা খাই নিজৰ কোঠাত বহিছেগৈ। এনেতে ভিতৰত বাপেক আৰু মাহীমাকৰ ভুনভুননি তাৰ কাণত পৰিল। কথাবোৰ অস্পষ্ট যদিও কিবা এটা যে গোপন আলোচনা চলিছে সেইটো খাতাং। হয়তো তাৰ বিষয়েও হব পাৰে।

খন্তেক পিচতে মাহীমাক ওলাই আহিল। তাৰ অলপ পিচতে দেউতাকে ভিতৰৰ পৰা মাতিলে— অ' গণেশ এইফালে আহ।

হঠাৎ দেউতাকে মতা শুনি গণেশ আচৰিত হ'ল আৰু অলপ আগতে হোৱা আলোচনাৰ লক্ষ্য যে সিয়ে আছিল, তাক বুজিবলৈ বাকী নেথাকিল।

—কি দেউতা গৈছো —বুলি গণেশ বহাৰ পৰা উঠিল আৰু তিতিকৈ মনেৰে দেউতাকৰ ওচৰলৈ খোজ ললে। অজানা আশঙ্কাত তাৰ বুকুখন যেন কঁপিব ধৰিছে।

—কি দেউতা, মোক মাতিছিল ? —আহেকৈ গণেশে ক'লে।

—হঁ, তোকে মাতিছিলো, এটা বিশেষ কথাত— গহীনাই ক'লে দেউতাকে।

গণেশ আতঙ্কিত হৈ পৰিল ।

—কিয় দেউতা ? খুউব ক্ষীণ সুৰত গণেশে ক লে ।

—তাকে কৈছো শুন — বুলি গাটো লৰচৰ কৰি দেউতাক আৰু গহীন হৈ পৰিল। গণেশে লক্ষ্য কৰিলে।

—ভাবি চা আজি তই মেট্রিক পাচ কৰা তিনি বছৰ হওঁ হওঁ। এতিয়ালৈকে তোৰ পঢ়াও নহল আৰু আনহাতে ক'তো চাকৰী বাকৰী এটা'ৰো সুবিধা নহ'ল। সেইবুলি আৰু বেছিদিন বৰ নোৱাৰি। পিচলৈ তোৰ ভাগ্যত যি হয় হব। সম্প্ৰতি তোৰ বিয়াখনকে পাতি দিব খুজিছো। তই অমত নহবি।

—কি মোৰ বিয়া পাতিব খুজিছে ? —বুলি চক্‌খাই উঠি, গণেশ আচৰিত হৈ ক'লে।

—ওঁ, তোৰেই বিয়া পাতিব খুজিছো। কেইবছৰমানৰ আগতে ভনীযেৰক বিয়া দি মই কিছু সকাহ পালো। এতিয়া তোৰ বিয়াখন পাতি দিলে মই নিশ্চিন্ত হম। সেই কাৰণে ভাবিছো অহা আঘোণ মাহতে তোৰ বিয়াখন পাতো। এতিয়া আহিন। মাজত এমাহ আছে। ছোৱালী মই ঠিক কৰি থৈছো। সৌ সিখন গাওঁৰ জগত গাওঁবুঢাৰ জীয়েক। মানুহঘৰ সকলো-ফালেই ভাল। তই ইবোৰ সিবোৰ নকৰিবি।

গণেশৰ মূৰটো ঘূৰি আহিল। ঘৰটো যেন তাৰ মূৰৰ ওপৰত ঘূৰিব লাগিছে। বিজুলী বেগেৰে তাৰ মনলৈ আহিল সেইদিনা ফাগুনীয়ে কোৱা কথাবোৰ। তেনেহ'লে সি ফাগুনীৰ পৰা শুনা কথাবোৰ মিছা নহয়। গণেশ চিন্তাত তন্ময় হৈ পৰিল।

—কি তই দেখোন একো নকলি? —দেউতাকে ক'লে।

গণেশ চক্‌খাই উঠিল। সি যেন টোপনীৰ পৰাহে সাৰ পালে। এবাৰ দেউতাকলৈ চাই লৈ আকৌ তলমূৰ কৰি ক'লে— নহয় দেউতা আপোনালোকে আগতে মোক নোসোধাকৈ ইমান দূৰ আগবাঢ়িব নেলাগিছিল। আপুনি জানেই মোৰ এতিয়ালৈকে একো থান্-থিত নেলাগিল। অন্ততঃ বি, এ, টো পাচ কৰি ভাবপিছত জীবিকাৰ বাট এটা মোকলাই নোলোৱাকৈ বিয়া বাকৰ কথা মই ভাবিবই নোৱাৰো। আপুনি কথাবোৰ দ-কৈ ভাবি চাওক।

গণেশৰ কথা শুনি দেউতাকে ক'লে— নহয়, তই সেইবোৰ খোৱা-লোৱাৰ কথা ভাবিব নেলাগে। বোৱাৰী আহি নিজেই কাম-বন কৰি ঘৰতে থাকিব। তই এতিয়াৰ দৰেই ঘূৰি ফুৰিব পাৰিবি। কেৱল বিয়াখন পাতিলেই হ'ল।

—নহয় দেউতা, মই জানি শুনিও চীপ জৰীত ভৰি দি নিজেই বন্দী হব নোৱাৰো। চকুৰ আগতে তেনেকুৱা বহুত মানুহ দেখিছো।

গণেশৰ কথা শুনি দেউতাকৰ খং উঠিল।

—তেনেহ'লে তই বিয়া নেপাতো বুলিয়ে ভাবিছ নেকি?

—মই কৈছো নহয়। কিন্তু এতিয়া নহয়। বহুত দিনৰ পিছত।

—অ' তাৰমানে ' ' 'তই মোক অমান্য কৰিবি, মোৰ কথা দলিয়াই পেলালি নহয়? নিজৰ ল'ৰা হৈ তই মোক ইমান অপমান কৰিবি বুলি ভৱাই নাছিলো।

—মই অপমান কৰা নাই দেউতা। এতিয়াই বিয়া পাতিলে মোৰ ভবিষ্যত জীৱনটোৱে কিমান ভয়াবহ হৈ উঠিব, সেইটো

ভাবিছে মই ইমান আপত্তি কৰিছো। আৰু এইটোও ঠিক যে ইয়াৰ ভিতৰত এটা গভীৰ চক্ৰান্ত আছে। মই জানি-শুনিও সেইখন চিটিকাও ভৰি দিবলৈ নেযাওঁ। আপুনি তাৰ কাৰণে মোক ক্ষমা কৰিব।

দেউতাকৰ আৰু খং উঠিল। গণেশলৈ একেথাৰে টলক্-টলকৈ চাই বিদ্ৰূপৰ সুৰত ক'লে— অ' এতিয়াহে বুজিছো। তোক সেই বাৰী তিৰোতাৰ জীয়েক ফাগুণীক বিয়া কৰাবলৈ লাগে। মই প্ৰথমে শুনি বিশ্বাসেই কৰা নাছিলো। কিন্তু, কথাটো মিছা নহয়। মই সেইবোৰ কথা শুনা নাই বুলি ভাবিছ নেকি ? কিন্তু মই জীয়াই থাকো মানে তোক সেইজনী ছোৱালী আনিবলৈ নিদিওঁ।

—নহয় দেউতা। মই সেইজনী ছোৱালীক আনিম বুলি কাকো কৈ ফুৰা নাই। কিন্তু এনে অৱস্থাত মই যে বিয়া কৰাব নোৱাৰো সেইটো খাতাং।

কি ? তই মোৰ কথা নুশুনিলি ? তই পিতৃ বাক্য লঙ্ঘণ কৰিলি। তেনেহ'লে যাহ। তই মোৰ পো নহয়। তই মোৰ একো নহয়। তই এতিয়াই মোৰ ঘৰৰ পৰা ওলাই যা। তই মোৰ চকুৰ আগত নেথাকিবি। তই ওলাই যা ঘৰৰপৰা।

দেউতাকৰ আদেশ শুনি গণেশৰ মূৰত বজ্ৰপাত পৰাৰ নিচিনা লাগিল। তথাপি, প্ৰতিবাদৰ সুৰত ক'লে—

—দেউতা, মই একো ডাঙৰ অপৰাধ কৰা নাই যে ঘৰৰপৰা ওলাই যাব লাগিব। আপুনি কথাবোৰ নুবুজি অনাহকত মোক দোষ দিছে কিয় ?

দেউতাকে চিঞৰি ক'লে—মই সেইবোৰ একো নুশুনো,

নেজান্‌মা। মই তোক ঘৰৰপৰা ওলাই যাবলৈ কৈছো, তই ওলাই যা।

—সেইটো নহয় দেউতা। আপুনি লোকৰ কথাত পৰি কৈছে মোক ওলাই যাবলৈ ক'লেই, মই ওলাই যোৱাটো উচিৎ নহয়।

—কি কলি? তই ওলাই নেযাৱ? তেনেহলে----তেনেহ'লে----মই যাওঁ ঘৰৰপৰা ওলাই। মই যাওঁ— মই ওলাই যাওঁ। —বুলি কৈয়েই লৰমাৰি ওচৰতে থকা ছোলা এটা, চুৰীয়া এখন আৰু দুটামান সৰু কাপোৰ, ডাঙৰ এৰী কাপোৰ খনেৰে মেৰিয়াই কাষলতিত লৈ যাবলৈ ওলাল।

ইমানপৰ মাহীমাকে বেৰখনৰ আঁৰ লৈ, বাপেক-পিতেকৰ তৰ্ক-বিতৰ্কবোৰ শুনি আছিল। পিচত বাপেকে যেতিয়া কাষত টোপোলাটো লৈ যাবলৈ ওলাল, তেতিয়া মাহীমাকৰ চুলিৰ আগে জীৰ গ'ল। লৰমাৰি ওলাই আহি টোপোলাটোত গৰামাৰি ধৰি চিঞৰি ক'লে,

—কি? তুমি ক'লৈ যাবলৈ ওলাইছা? এইটো বাপেকৰ ঘৰখন পিতেকৰ ঘৰ? চেনেহৰ পিতেকক খেদাব নোৱাৰি, এতিয়া নিজেই ওলাই যাবলৈ লাজ লগা নাইনে? মোৰ ল'ৰা হোৱা হ'লে, মই তাক ডিঙিত ধৰি গতিয়াই উলিয়াই দিলোহেঁতেন। তাকে কৰিব নোৱাৰিলে নিজেই মৰি যোৱাই ভাল।

তেনেহ'লে— তেনেহ'লে মই নিজেই চীপ্‌ জৰী লৈ মৰি যাওঁ— বুলিয়েই মূৰত মাৰি থকা দীঘল গামোছাখন খুলি লৈ এমূৰে এটা চোচনি গাঁথি দিলে। তাৰপিচত, গাঁথিটো দুমুৱাৰ খোজোতেই মাহীমাকে লৰমাৰি আহি গামোছাখন থাপমাৰি ধৰি চিঞৰিবলৈ ধৰিলে—আই ঐ! তেনেকৈ নমৰিবা ঐ— তাৰ সলনি মৰে ক'ৰবাত গৈ মৰোগৈ ঐ—বুলি দুয়োজনে গামোছাখনৰ দুমূৰে ধৰি টনা-টনি কৰিবলৈ ধৰিলে।

ঘটনা বিষম দেখি গণেশে লৰমাৰি আহি, গামোছাখনৰ মাজতে ধৰি টানমাৰি দুযোজনৰ হাতৰ পৰা আজুৰি লৈ আহিল। দুইজনে অবাক হৈ চাই থাকিল গণেশৰ মুখলৈ। তেতিয়া গণেশে দেউতাকলৈ চাই ক'লে— দেউতা! কোনো মৰিব নেলাগে। মই নিজেই ওলাই যাওঁ। মোক দুই মিনিট সময় দিয়ক।

এইবুলি কৈয়েই হাতত থকা গামোছাখন দূৰলৈ দলিয়াই দি গুৰ্‌গুৰকৈ নিজৰ কোঠালৈ আহিল। এবাৰ কেওফালে চাই ল'লে। তাৰপিচত সৰু বাকচটো খুলি নিজৰ পিন্ধা কাপোৰ-কানিবোৰ ভৰালে। আটাইখিনি কাপোৰ সৰু চুটকেছটোত নধৰাত, এবিচাদৰ খনাৰ বাকী কাপোৰখিনি মেৰিয়াই লৈ এটা বেলেগ টোপোলা কৰি ল'লে। আকৌ এবাৰ কেউফালে চালে। তাৰপিচত জোতাযোৰ পিন্ধি এহাতে চুটকেছটো আৰু এহাতে টোপোলাটো লৈ এটা দীঘল হুমুনিয়াহ কাঢ়ি, কোঠাৰ পৰা ওলাই আহিল।

নিজৰ কোঠাৰপৰা আহি, ইটো কোঠাত সোমাওঁতেই সি দেখিলে অলপ আঁতৰৰ পৰা বাপেক আৰু মাহীমাকে আতঙ্কিত হৈ তাৰফালে চাই আছে। গণেশে দেখিও নেদেখাৰ ভাও জুৰি সমুখলৈ চাওঁতেই তাৰ চকুত পৰিল বাহিৰলৈ ওলোৱা দুৱাৰখনৰ ওপৰত আৰি থোৱা তাৰ মাকৰ ছবিখন। থমকি ৰৈ গ'ল গণেশ। তাক শোকে খুন্দামাৰী ধৰিলে। কোনোমতে চম্ভালি সি লাহেকৈ বাকচটো আৰু টোপোলাটো মাটিত থলে আৰু ওচৰতে থকা চকীখন আনি দুৱাৰখনৰ ওচৰতে ঠেকেছা মাৰি থৈ, মাকৰ ফটোখন নমাই আনিবলৈ লাহেকৈ চকীখনত উঠিল। ইয়াকে দেখি ওচৰতে চাই থকা মাহীমাকে বাপেকক ক'লে— ইহ, চোৱাছোন। যোৱাৰ আগতে যেন গোটেই ঘৰখন জাহি চুৰমাৰ কৰি থৈ যাব।

মাহীয়েকৰ কথা শুনি গণেশৰ খঙে মূৰৰ চুলি পালেগৈ। ফটোখন বেৰৰ পৰা খুলি হাতত লৈ মাহীয়েকলৈ চাই ক'লে— মোৰ মাৰ ফটোখনৰ ওপৰত কাৰো অধিকাৰ নাই। তুমি আজি মাহী নহৈ আন হোৱা হ'লে মই চুলিত ধৰি চোঁচোৱাই নি নৈত পেলাই দিলোঁগৈহেঁতেন বুজি পাইছা। মোৰ বুজিবলৈ বাকী নাই যে এই আটাইবোৰ ঘটনাৰ গুৰি তুমিয়েই। দেখিম বাক পিচত।

এই বুলি বৈয়েই হাতত মাকৰ ফটোখন লৈ চকীৰ পৰা নামিল। বাকচটো খুলি ছবিখন বাকচত ভৰাই ল'লে। তাৰপিচত বাকচটো আৰু টোপোলাটো দুহাতে লৈ দেউতাকলৈ চাই ক'লে— দেউতা, মই আহিলো।

এইবুলি ঘৰৰপৰা বাহিৰ ওলাই, পচুলি মুৰলৈ খোজ ল'লে। বাপেকে আৰু মাহীমাকে শিলৰ মূৰ্ত্তিৰ দৰে তাৰ ফালে চাই থাকিল।

গণেশৰ কথাত মাহীমাকে ৰব ভয় খাইছিল যদিও, সতিনীয়েকৰ ছবিখন চকুৰ আঁতৰ হোৱাত বৰ ভাল পালে। কাৰণ ছবিখন পুৱা-গধূলি দেখি থকা কাৰণে মাহীয়েকৰ ঈৰ্ষাত গাটো জ্বলি পুৰি আছিল। গণেশে খং কৰে বুলি ভয়ত একো কবও নোৱাৰে। আনহাতে ছবিখন চকুত পৰিলেই গোটেই গাটো জ্বলি আছে। এতিয়া ইবোৰ কথা বাদ দি ছবিখন গণেশে নিজেই লৈ যোৱাত, মাহীয়েকৰ মনটো ভাল লাগিল। কাৰণ গণেশক দেখিব নোৱৰা আন এটা কাৰণ আছিল— সেই ছবিখন।

গণেশ ওলাই যোৱাৰ পিচতে বাপেক বাহিৰলৈ ওলাই আহিল। ইতিমধ্যে গণেশে পচুলি মুৰৰ পৰা বিষাদ মনেৰে এবাৰ ঘৰটোৰ ফালে চাই পঠিয়ালে। তাকে দেখি বাপেকে

চিঞৰি ক'লে - যা, যা। তোৰ লগত যেন মোৰ আৰু দেখা নহয়। মাহীমাকে কথা কেইটা শুনি ভাল পালে। ইফালে, প্ৰচণ্ড আঘাট লাগিল গণেশৰ বুকুত। মনৰ দুখত চকু দুটা মুদি সিফাল মুখ কৰিলে। পিচ মুহূৰ্ততে চকু মেলি চাই, সমুখৰ বাস্তাইদি লাহে লাহে আগবাঢ়ি গ'ল।

অলপ দূৰ গৈয়েই বাটত ভোগেশ্বৰ আৰু কানুৰাম নামৰ দুজন সমনীয়া বন্ধুৰ লগত ভেটা-ভেটি হ'ল। সৰুতে গণেশ আৰু ভোগেশ্বৰ গাঁৱৰ স্কুলত একেলগে পঢ়িছিল। ভোগেশ্বৰে স্কুল এৰি দিলে। গণেশ হাইস্কুললৈ গ'লগৈ।

নিলগাত গণেশক দেখিয়েই ভোগেশ্বৰে সুধিলে—হেৰঙ গণেশ, হাতত বাকচ লৈ এই আবেলি সময়ত ক'লৈ যাৱ।

—অলপ ফুৰি আহোঁগৈ অ'— লাহেকৈ গণেশে ক'লে।

—কলৈ যাম বুলি ভাবিছ নো?

—এই ডিব্ৰুগড়ৰ ফালে।

—কেতিয়াকৈ আহিবি?

—ঠিক নাই কেতিয়া আহো।

তাৰপিচত ভোগেশ্বৰে গণেশৰ চকু দুটালৈ চাই, অলপ আচৰিত হৈ সুধিলে— ইয়ে! তোৰ চকু দুটা কি হ'ল? বঙা পৰিছে দেখোন?

—নহয় অ'। এই শুই উঠি আহিছো—বুলি গণেশে ইফাল মুখ কৰিলে।

—বাৰু যা তেনেহ'লে। আমি সেই দিচাঙৰ সিপাৰে হাবিত কাটি খোৰা খৰি আনিবলৈ যাওঁ।

এইবুলি ভোগেশ্বৰ আৰু কানুৰাম গ'লগৈ। বাটত যাওঁতে ভোগেশ্বৰে কানুৰামক কৈছে— বুইছ কানু, আমি নপঢ়িলো

ভালেই হ'ল। গণেশকে এতিয়া দেখিছু নহয়। হালোৱাও নহ'ল, ভালোৱাও নহ'ল, মাজতে দুখোৰ মোৰ হৈ এতিয়া চাকৰী বিচাৰি ফুৰিছে।

এইদৰে কথাপাতি সিহঁত গ'লগৈ। ইফালে গণেশে চিন্তিত মনেৰে হাতত চুটকেছ, আৰু টোপোলাটো লৈ দিচাঙৰ মধ্যউৰিত চহৰৰ ফালে খোজ দিলে।

এঘণ্টামানৰ পিচতে ভোগেশ্বৰ খৰি এভাৰ আনি ধেমেহ.কৰে চোতালতে পেলালেহি। খৰিভাৰ পেলোৱাৰ শব্দটো শুনিযেই ঘৈণীয়েকে লৰালৰিকৈ লোটাটো লৈ ওলাই আহি ক'লে— মই জলপান দি থৈছো। হাত-ভৰি কেটা ধুই ভিতৰলৈ আহা।

কথাটো শুনি ভোগেশ্বৰৰ মনটো ভাল লাগিল। হাত-মুখ ধুই ভিতৰলৈ আহি জলপান খাবলৈ পীৰাত বহিলহি। ইফালে ঘৈণীযেক জলপানৰ বাটিটো আৰু লোটাটো ভোগেশ্বৰৰ ওচৰ চপাই দি, ওচৰতে আন এখন পীৰাত বহি লৈ, জলপান খোৱা চাই থাকিল।

কেইগৰাহমান জলপান খাওঁতেই ঘৈণীয়েকে মিচিকৈ হাঁহি ভোগেশ্বৰলৈ চাই ক'লে— আজি এটা বৰ ডাঙৰ ঘটনা হ'ল নহয়।

—কি ঘটনা? বুলি ভোগেশ্বৰে জলপান খাবলৈ এৰি দি আচৰিত হৈ সুধিলে।

—হি-হি-হি-হি-হি। বৰ ডাঙৰ ঘটনা। বাৰু, তুমি জলপান কেইটা খাই লোৱাছোন। পিচতো কম।

—এহ., কি পিচত কম আৰু'। ডাঙৰ ঘটনা বুলি শুনিলেনো মানুহে জলপান খাব পাৰেনে? কি হৈছিল নকয় কেলেই?

—বাক তুমি জলপান খাই লোৱাছোন। পিচত কম নহয়।

—তই আগেয়ে কথাটো কৈ ল। তেহে মই জলপান খাম।

এইবুলি ভোগেশ্বৰে খঙতে জলপানৰ বাটিটো ঠেকেছা মাৰি থ'লে। ভোগেশ্বৰৰ খং দেখি ঘৈণীয়েকে ভয় খালে।

— বাক কওঁ তেনেহ'লে শুনা। হি-হি-হি। বৰ ডাঙৰ ঘটনা। আজি গণেশক বাপেকে ঘৰৰ পৰা খেদি দিলে।

কথাটো শুনিয়েই ভোগেশ্বৰ চকুখাই উঠিল।

—হঁা! কি কলি! গণেশক বাপেকে ঘৰৰ পৰা খেদি দিলে!! কেতিয়া? — আচৰিত হৈ ভোগেশ্বৰে সুধিলে।

— এই অলপ আগতে।

—তই কেনেকৈ জানিলি?

—মই পানী আনিবলৈ যাওঁতে, ঘাটত গোটেই মাইকী মানুহবোৰে তাকেই কথা পাতি আছে।

—এহ্, এই অলপ আগতে মই দেখোন গণেশক হাতত বাকচএটা আৰু টোপোলা এটা লৈ যোৱা দেখিছিলো। তাক সুধিলত সি ডিব্ৰুগড়লৈ যাম বুলি ক'লে।

—অ' হয় তেনেহ'লে হয়, হয়। তেতিয়াই কিজানি গণেশ ওলাই গৈছে। তোমাৰ আগত লাজ পাই নক'লে আৰু কথাবোৰ।

অলপপৰ তলকামাৰি থাকি ভোগেশ্বৰে ক'লে—অ' সেই দেখিহে তাৰ চকু দুটা ৰঙা পৰা যেন দেখিছিলো। তাক সুধিলত, সি শুই উঠি অহা বুলি ক'লে। ইছ্-ইছ্-ইছ! বৰ দুখৰ কথা হ'ল নহয়। এই মাহীয়েকজনী বৰ বদ্‌মাছ, বুইছ। তাইয়ে বাপেকক লগাই লগাই গণেশক খেদালে।

এইবুলি কৈ ভোগেশ্বৰ অলপপৰ ভাবিলে। তাৰপিচত ঘপহ্‌কৰে বহাৰপৰা উঠি কোটাটো লৈ, ওচৰৰ চৰিয়াটোত মুখ ধুই কলে— এই জলপানখিনি ঢাকি থছোন। মই পিচত আহি

খাইছি। এতিয়া মই যাওঁ।

—ওৰা! কলৈ যোৱা তুমি জলপান নোখোৱাকৈ?

আচৰিত হৈ ঘৈণীয়েকে সুধিলে।

ভোগেশ্বৰে গহীনাই ক'লে— ক'লৈ যাম আৰু। পাৰো যদি গণেশক ঘূৰাই লৈ আহোঁগৈ। চাইকেল এখন লৈ গ'লে তাক বোধকৰো বাটতে ধৰিবলৈ পাৰিম।

—ইযে! জলপানকেটা খাই যোৱাছোন।

—আৰু একো নকৰিবা। মই যাওঁ।

এই বুলি কৈয়েই, ভোগেশ্বৰ কাপোৰ সলাই ঘৰৰ পৰা ওলাই লৰ মাৰিলে। ঘৈণীয়েকে অবাক হৈ সেই ফালেই চাই থাকিল।

ভোগেশ্বৰ গাঁৱৰ চাইকেল এখন লৈ, গাঁৱৰ বাটেদি হাতেৰে ঠেলি ঠেলি লৰি যোৱাদি গৈ মথাউৰিত উঠিলগৈ। তাৰ পিচত কেইটামান দোপ্ দি চাইকেলত উঠিল। কিন্তু থৰক্-বৰক্ লাগিলত ঘপ্ কৰে নামি দিলে। এইবাৰ আকৌ অলপ দূৰ বাট দোপ্ দি চাইকেলত উঠিল আৰু লাহে লাহে চলাবলৈ ধৰিলে। তাৰ নিজৰ চাইকেল নাছিল। কেইবছৰ মানৰ আগতে আনৰ এখন চাইকেলত অনেক বাৰ পৰি ধৰি গাৰ ছাল চিঙি শিকি থৈছিল। এতিয়া তাকেই কামত লগালে।

দিচাংমুখৰ ফালে ধাই আহি পাৰ হৈ সিফালে মথাউৰিৰ কাষত গণেশ আৰু ভোগেশ্বৰহঁতৰ ঘৰ। তাৰপৰা টাউনলৈ প্ৰায় ছ মাইল দূৰ।

লাহে লাহে চাইকেলৰ বেগ বাঢ়িল। দুমাইলমান যাওঁতেই আগে আগে গৈ থকা এজন বুঢ়া মানুহৰ ভেনেই ওচৰ পালেগৈ। টিলিঙা বজাবলৈ পাহৰিলে। বুঢ়াই উলটি চাই

কেনি যাম, কি কৰিম বুলি থকৰ বকৰ কৰি থাকোতেই ভোগেশ্বৰৰ চাইকেলে বুঢ়াৰ কঁকালতে খুন্দা মাৰি দিলেগৈ। বুঢ়াই 'আই ঔ' বুলি চিঞৰাই পৰিল। তেতিয়া ভোগেশ্বৰে জাপমাৰি চাইকেলৰ পৰা নামি আই ঔ ভাৰৈদেউ' বুলি বুঢ়াৰ তুলি ধৰিলেগৈ। তেতিয়া খঙতে বুঢ়াই চকু পকাই কটা কুকুৰৰ পিতেক! চাইকেলত উঠিব নেজান যদি, বাপেৰৰ মুৰত উঠিছিলি কেলেই। ভালকৈ দিম নেকি তুছাতমান ?

এইবুলি বুঢ়াই লাখুটিডাল ভোগেশ্বৰৰ মুৰৰ ওপৰত জোকাৰিবলৈ ধৰিলে।

তেতিয়া ভোগেশ্বৰে বুঢ়াৰ ভৰিত ধৰি কাকুতি মিনতি কৰি ক'লে ভাৰৈদেউ। নেজানি আপোনাৰ ওচৰত অপৰাধ কৰিছো। এতিয়া আৰু আপুনি মাৰে, কাটে যি কাৰ কৰক।

ভোগেশ্বৰৰ কথা শুনি বুঢ়াৰ মনটো অলপ কুমলিল। হেজাৰ হওক এ্যকলগে শৰণ লোৱা বন্ধুৰ পিতেক। সেই কাৰণে বুঢ়াই লাহেকৈ ক'লে— বাৰু তোৰ বাপেৰৰ মুখলৈ চাই, আজি তোক এৰিলো। নহলে, ভালকৈয়ে টাঙোন ছটামান লগালোহেঁতেন।

তেতিয়া ভোগেশ্বৰে মিচিকৈ হাঁহি ক'লে— হয় ভাৰৈদেউ। আপোনাক মোৰ দেউতাৰ নিচিনাই ভাবো। সেই কাৰণে আপুনি মোৰ দোষ মৰিষণ নকৰিলে কোনে কৰিব।

—বাৰু যা এতিয়া— বুলি বুঢ়াই লাখুটিডাল লৈ আগলৈ খোজ দিলে। ভোগেশ্বৰে উশাহ পাই, লৰালৰিকৈ চাই-কেলত উঠি চেকুৰ মেলিলে। সমুখলৈ চাই অনুমান কৰিলে শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত উঠিবলৈ কমেও আৰু চাৰিমাইলমান আছে। সেই সময়ত ৰাস্তাত বেচি মানুহ, গাৰী আদি নথকাত সি খুব বেগাই চলাবলৈ ধৰিলে।

খন্তেক পিছতে ভোগেশ্বৰ আহি বৰ পুখুৰীৰ পাৰৰ চাৰিকট হাউচৰ কাবেদি উঠা গড়খাৰৈ পালেহি। পুখুৰীৰ পাৰলৈ উঠা বাটটো বৰ থিয় গড়া কাৰণে, তলতে নামি চাইকেলখন ওপৰলৈ ঠেলি, লৰি অহাদি আহি, পুখুৰীৰ পাৰত উঠিলহি। চাইকেলখনত ধৰি থাকি সি খুব ফোপাৰলৈ ধৰিলে আৰু লগে লগে পুখুৰীটোৰ চাৰিও পাৰলৈ চকু ফুৰালে। পুখুৰীৰ পাৰেদি মানুহ অহা আহিছে, যোৱা গৈছে। এইবাৰ ভোগেশ্বৰে আকৌ ভালকৈ ওচৰতে থকা মহকুমাধিপতিৰ বঙলাৰ পৰা ক্ৰমে ট্ৰেজাৰী, কাছাৰী ঘৰ, তিনটা দৌল আৰু সিফালে পুখুৰীৰ চুকটোৰ পৰা অলপ গৈ ষ্টেচনৰ ফালে নামি যোৱা বাটটোলৈকে ভালকৈ চকু ফুৰাই চালে। কিন্তু গণেশ তাৰ চকুত নপৰিল। এইদৰে কেবাবাৰো ঘূৰাই ঘূৰাই চায়ো এবো ধৰিব নোৱাৰিলে।

ঠিক এনেতে সিফালে মৰাণৰ ফালৰ পৰা অহা এখন ৰেলৰ দীঘলীয়া উকি শুনিবলৈ পালে। সেই মুহূৰ্ত্ততে ভোগেশ্বৰৰ চকুত পৰিল যেন পুখুৰীৰ সিমূৰে ষ্টেচনৰ ফালে নামি যোৱা বাটটোৰ মুখতে হাতত চুটকেচ, আৰু কাষত টোপোলা লৈ যোৱা মানুহ এটাই পুখুৰীটোৰ কেউফালে চাই লৈ পিচ মুহূৰ্ত্ততে তললৈ নামি গ'ল। ভোগেশ্বৰে ৰিণিকি ৰিণিকি গণেশৰ মুখখন দেখি তাক চিনি পালে। 'সেইটোৱেই গণেশ' বুলি জাপমাৰি চাইকেলত উঠি খুব বেগাই চলাবলৈ ধৰিলে। পুখুৰীৰ পাৰত থকা চাহাবৰ বঙলা, কাছাৰী ঘৰ, তিনটা দৌল আদি সকলোবোৰ সি যেন নিমিষতে পাৰ হৈ গ'ল। এবাৰ পুখুৰীৰ পানীলৈ চাওঁতে তাৰ নিচিনা যেন এটা মানুহ পানীয়েদি চাইকেল চলাই গৈছে। পুখুৰীৰ সিটো মূৰৰ চুকটো ঘূৰিয়েই তললৈ নামি যোৱা বাটটো চকুত পৰিল। সি ভাবিলে চাইকেলত উঠি তললৈ নামিলে কিবা দুৰ্ঘটনাও হব পাৰে। সেই কাৰণে ভোগেশ্বৰে ঘপ্‌কৰে

নাম চাইকেলখন হাতত ধৰি তললৈ লৰ ধৰিলে। তাৰপিচত চাৰি আলিটো পাযেই ষ্টেচনলৈ যোৱা ৰাস্তাটোৰ ফালে জাপমাৰি আকৌ উঠি তীব্ৰ বেগৰে চাইকল চলাই দিলে।

ইফালে ৰেলৰ উকি শুনিয়েই গণেশ চক্ খাই উঠিল। আৰু এ ৰ কেওফালে চাই লৈ পুখুৰী পাৰৰ পৰা তললৈ নামি যোৱা বাটটোৰেদি খুব বেগাবেগীকৈ ষ্টেচনৰ ফালে খোজ ললে। হাতত বাকচ আৰু টোপোলাটো লৈ ছ-মাইল ৰাস্তা খোজ কাটি আহি তাৰ বৰ ভাগৰ লাগিছিল। তাৰোপৰি অন্তৰত গভীৰ বেদনা। তথাপি সি প্ৰাণকাতৰে আগবাঢ়িছে ষ্টেচনৰ ফালে। অলপ সময়ৰ পিছত ফোপাই-জোপাই আহি ষ্টেচন পাইয়ে দেখিলে যে ৰেলৰ ইঞ্জিনৰ মাঙুলাটোৰেদি ডাঠ ধোঁৱা জোৰেৰে ওলাইছে। তাৰমানে ৰেল এৰিবলৈ আৰু বেচি সময় নাই। বাকচ আৰু টোপোলাটো থৈ লৰালৰিকৈ টিকেট কৰিবলৈ গ'ল। যাত্ৰীবোৰ আগতে টিকেট লৈ ৰেলত উঠি ৰেলখন কেতিয়া এৰে তালৈকে বাট চাই আছে। গণেশ শিমলুগুৰিলৈ বুলি টিকেটটো লওঁতেই ইফালে এটা দীঘলীয়া হুইছেলৰ শব্দ শুনিলে। তাৰ বুকুখন কঁপি উঠিল। ইফালে চাই দেখিলে যে গাৰ্ডজনে হুইছেল মাৰি নীলা নিচানখন জোকাৰি, ৰেলখন চলাবলৈ নিৰ্দেশ দিছে আৰু লগে লগেই এটা দীঘলীয়া উকি মাৰি ৰেলখন চলিবলৈ আৰম্ভ কৰিছে। গণেশ পেপুৱা লাগিল। পিচ মুহূৰ্ততে বাকচ আৰু টোপোলাটো লৈ ৰেলত উঠিবলৈ লৰ ধৰিলে। ডুটামান ডবা তাৰ চকুৰ আগেদি পাৰ হৈ গ'ল। নি উঠিব নোৱাৰিলে। ইফালে ৰেলৰ গতিও বেচি হৈ আহিল। এইবাৰ গণেশে মৰো-জীওঁ সোঁ-অধিকৈ লৰমাৰি গৈ এটা ডবাৰ দুৱাৰৰ বাহিৰৰ লোহা ডালত থাপমাৰি ধৰি উঠিল যদিও ভিতৰত সোমাব পৰা নাই। ইখন হাতত থকা বাকচটো আৰু টোপোলাটো হাতৰ পৰা পৰো

পৰো হৈছে। ঠিক সেই মুহূৰ্ততে পিছফালৰ পৰা যেন কোনোবাই তাক চিঞৰি মাতিছে— হেৰঐ গণেশ! নেযাবি— নেযাবি— নামি আহ— নামি আহ--- মোৰে শপত –তই নামি আহ ।

গণেশে তাৰ নাম ধৰি কোনোবাই মাতিছে যদিও, সি পিচলৈ ঘূৰি চাব পৰা নাই। তাৰ এনেহে লাগিছে যেন সিযেই কোন মুহূৰ্তত ভৰি পিছলি পৰি যায়। ঠিক এনেতে এজন বয়সীয়া মানুহে ভিতৰৰ পৰা দুৱাৰখন খুলি দি গণেশক হাতত ধৰি টান মাৰি ভিতৰলৈ নিলে। গণেশে এটা দীঘল উশাহ ললে।

ইফালে ভোগেশ্বৰে গণেশ উঠা ডবাটোৰ লগে লগে গণেশক চিঞৰি চিঞৰি দৌৰি গৈ আছে। গণেশে বাহিৰলৈ মুৰটো উলিয়াই ভোগেশ্বৰক দেখি অবাক হৈ গ'ল। ঠিক এনেতে ৰেলৰ ডিউটিত থকা এজন কৰ্ম্মচাৰীয়ে ভোগেশ্বৰক ৰেলৰ লগে লগে দৌৰি যোৱা দেখি তাৰ হাতখনত ধৰি টানমাৰি ৰখাই দিলে। ভোগেশ্বৰক দেখি গণেশৰ মনত বৰ দুখ লাগিল। হাত দুখন উলিযাই ভোগেশ্বৰৰ ফালে কৰ-যোৰ কৰি পিচত তাক উভটি যাবলৈ ইঙ্গিত দিলে। এনেতে ৰেলখন বেকা বাটেদি ঘূৰোতে, গণেশ অদৃশ্য হৈ পৰিল। ভোগেশ্বৰৰ দুচকুৰে পানী বৈ আহিল ।

খন্তেক ভোগেশ্বৰলৈ চাই থাকি ৰেলৰ কৰ্ম্মচাৰীজনে সুধিলে—

—হেৰা, তুমি ক'ৰপৰা আহিছা ?

—এই দিচাংমুখৰ পৰা। —ভোগেশ্বৰে লাহেকৈ ক'লে।

—ৰেলত যোৱাজন তোমাৰ কি হয় ?

—মোৰ এজন বন্ধু ।

এই বুলি কৈয়েই ভোগেশ্বৰে বিষাদ মনেৰে ইফালমুখ কৰি ঘূৰি আহিল। কৰ্ম্মচাৰীজনে অবাক হৈ তালৈ চাই থাকিল।

লাহে লাহে বেজাৰ মনেৰে আহি ভোগেশ্বৰে মাটিত

পেলাই থৈ যোৱা চাইকেলখনৰ ওচৰ পালেহি। পৰি থকা চাইকেলৰ পিছৰ চকাটো তেতিয়াও ঘুৰিয়ে আছে।

চাইকেলখন লাহেকৈ তুলি লৈ, চিন্তিত মনেৰে তলমুৰ কৰি ষ্টেচনৰ পৰা ওলাই আহিল। বাটত আহোঁতে সি তাকেই ভাবি আহিছে— আৰু যদি দুই মিনিটৰ আগতে পোৱাহি হলেও গণেশক ৰেলত উঠাৰ আগতে ধৰিবহি পাৰিলোহেঁতেন। কিন্তু দুৰ্ভাগ্য বশতঃ সেই দুই মিনিট পলম হোৱাৰ কাৰণেই সি গণেশক ৰাখিব নোৱাৰিলে।

হঠাৎ মনত পৰিল তাৰ চাইকেলে খুন্দামৰা সেই বুঢ়াজন। সি ভাবিলে সেই আপদীয়া বুঢ়াটোৰ গাত চাইকেলখন নলগা হ'লে সি কিজানি বৰপুখুৰীৰ পাৰতেই গণেশক পালেহি হেঁতেন আৰু তেতিয়া তাক ঘূৰাই নিবলৈ আৰু সহজ হ'লহেঁতেন। কাৰণ বুঢ়াজনক খং মাৰ নিযাবলৈ ভালেখিনি সময় লাগিল। সেই বুঢ়াজনেই 'কালৰ কলি' হ'ল বুলি ভাবি ভোগেশ্বৰৰ বুঢ়াজনলৈ বৰ খং উঠিল।

এইদৰে নানা কথা ভাবি হাতেৰে চাইকেলখন টানি লৈ গোটেই বৰপুখুৰীৰ পাৰটো খোজ কাঢ়ি আহিল। পিছত গড়খাৰৈটো নামিযেই লাহেকৈ চাইকেলত উঠি ঘৰমুৱা হ'ল।

শিমলুগুৰি ষ্টেচনত নামি লাহে লাহে আহি গণেশ এখন বেঞ্চত বহিল আৰু আকাশ-পাতাল ভাবিবলৈ ধৰিলে। হঠাৎ এইবোৰ কি ঘটিল, যাৰ কাৰণে সি কল্পনাও কৰা নাছিল। এতিয়া সি কি কৰিব, ক'লৈ যাব, ইত্যাদি একো সিদ্ধান্ত কৰিব পৰা নাই। ভোগেশ্বৰলৈ মনত পৰি তাৰ বৰ দুখ লাগিল। সি তাক ঘূৰাই নিবলৈকে আহিছিল। হঠাৎ তাৰ ফাগুনীলৈ মনত পৰিল। ফাগুনীযে চাগৈ কথাবোৰ শুনি নীৰৱে চকুলো

টুকিছে। কিন্তু এতিয়া সি ক'লৈ যাব—উজনীলৈ নে ভাটীলৈ—এইটোৱেই হ'ল প্ৰথম সমস্যা। শেষত সিদ্ধান্ত কৰিলে যে সম্ভৱতে সি তিনচুকীয়ালৈকে যাব। কাৰণ, তিনচুকীয়াৰ পৰা কেইমাইলমান দূৰত থকা এখন বাগিছাত তাৰ ভনীয়েক থাকে। এতিয়া তালৈকে গৈ দুই এদিন থাকি, তাৰপিছত ক'লৈ যাব, সেইটো পিছত ঠিক কৰিব।

উজনী ৰেলখন ৰাতি সাতটামান বজাত শিমলুগুৰি পায়হি আৰু ৰাতি ৯টাৰ পিছত তিনচুকীয়া পায়গৈ। কিন্তু সেইদিনা ৰেলখন দুঘণ্টা পলম হ'ল। গতিকে তিনচুকীয়া পাওঁতে ৰাতি বাৰটা বাজিল। ইমান ৰাতি বাগিছাৰ নিচিনা আওহতীয়া ঠাইলৈ কোনো যান-বাহন নেথায় আৰু খোজ কাঢ়ি যাবলৈও এডোখৰ হাবিৰ মাজেদি যাব লাগে কাৰণে ৰাতি বাটত বাঘ ওলোৱাৰ ভয়। গতিকে সাত-পাঁচ গুণি গণেশে ষ্টেচনতে ৰাতিটো পৰি থাকিল। পিছদিনা ৰাতিপুৱা ষ্টেচনৰ পৰা খোজ কাঢ়ি গৈ ৯টা মান বজাত ভনীয়েকৰ ঘৰ পালেগৈ। সেই সময়ত বৈনায়েক কামলৈ ওলাই গৈছিল। গণেশে ভালেই পালে। ভনীয়েকে ককায়েকৰ চকু সোমোৱা, শুকান আৰু চিন্তাশীল মুখ খন দেখিয়েই বুকুখন চিৰিংকৈ উঠিল।

—ইমান ৰাতিপুৱাই ক'ৰপৰা পালাহি ককাইদেউ? ঘৰৰ পৰা কেতিয়া আহিলা?

গণেশে অলপ হাঁহিবলৈ চেষ্টা কৰিছিল যদিও নোৱাৰিলে।

—কালি আবেলিয়ে আহিলো ঘৰৰ পৰা। ৰেলখন মাজ-ৰাতি তিনচুকীয়া পালেহি কাৰণে ৰাতিটো ষ্টেচনতে পৰি থাকিলো। এতিয়া পুৱাহে আহিছো। এই বুলি গণেশে আনফালে মুখ কৰি এটা হুমুনিয়াহ কাঢ়িলে। ভনীয়েকে লক্ষ্য কৰিলে।

—আগবেলাই নাহিলা কিয়? তেতিয়া হ'লে দিনে পোহৰে

এইখিনি পালাহি হৈছেন—ভনীয়েকে সুধিলে।

—এহ মন গ'ল আহিলো আৰু— বুলি গহীন হৈ বল গণেশ। ভনীয়েকে অনুমান কৰিলে যে নিশ্চয় কিবা এটা ডাঙৰ অঘটন ঘটিছে। নহ'লে এনেকুৱা অসময়ত ককায়েক কেতিয়াও নাহে। তথাপি সেইবোৰ কথা পিছতো হ'ব বুলি ভাবি, ভনীয়েকে লৰালৰিকৈ গণেশক নি ভিতৰত বহুৱালেগৈ আৰু চা জলপানৰ দিহা কৰিবলৈ গ'ল। গণেশে তাতে বহি আকাশ-পতাল ভাবিবলৈ ধৰিলে।

এতিয়া কথা হ'ল— ভনীয়েকে সুধিলে সি কি বুলি কব। নকলেও নহব। কাৰণ, এতিয়া তাৰ জগতত আপোন বুলিবলৈ নিজৰ ভনীয়েকজনীৰ বাহিৰে কোনো নাই। ইফালে ক'লেও ভনী জোঁৱায়েকে জানিব। বৰ লাজ লগা কথা হব। তথাপি উপায় নাই। গোটেইখিনি নক'লেও, অলপ আভাসটো দিবই লাগিব। এইবোৰ কথা ভাবিয়েই গণেশ গভীৰ চিন্তাত নিমগ্ন হ'ল।

চাহ-জলপান খোৱাৰ পিছত, ভনীয়েকে নানা প্ৰশ্ন সুধিলে। গণেশে চমুকৈ কথাখিনি ক'লে। শেষত এইটোও কলে যে সি আৰু ঘৰলৈ নেযায়। দুই এদিন থাকি আন কোনোবা ফালেহে যাবগৈ।

গণেশৰ কথা শুনি ভনীয়েকৰ বৰ দুখ লাগিল। নিজৰ কথাবোৰ মনলৈ আহিল—আজি তিনি বছৰৰ আগলৈকে মাহী মাকৰ হাতত কিমান যাতনা ভুগিছিল। এতিয়া নিজে ৰক্ষা পৰিল যদিও ককায়েকটো সেই যন্ত্ৰনাৰ পৰা ৰক্ষা পোৱা নাই। শেষত, নিজেই ঘৰৰ পৰা ওলাই আহিবলৈ বাধ্য হ'ল। এতিয়া বা কলে সাধু সন্ন্যাসী হৈ গুচি যাযগৈ কি ঠিক। ইত্যাদি ককায়েকৰ দুখ-কষ্টৰ কথাবোৰ ভাবি ভনীয়েকে নীৰৱে চকুলো টুকিলে আৰু তাৰ ভবিষ্যতৰ কথা ভাবি বৰ চিন্তিত হৈ পৰিল।

ভনীয়েকৰ ঘৰত কেইদিনমান থাকিয়েই গণেশ যাবলৈ ওলাল। ভনীয়েকে আৰু কিছুদিন ৰাখিব খুজিছিল, কিন্তু নোৱাৰিলে। গণেশে ভনীয়েকক বুজালে যে সি কিবা এটা জীৱনৰ বাট উলিয়াবই লাগিব। এইদৰে বহি থাকিলেতো নহব। যদিও ভনীয়েকে সেই কথাত প্ৰত্যয় মানিছিল, তথাপি কিজানি কিকায়েকে মনৰ দুখত কৰবালৈ গুচি যায়গৈ, নাইবা কিজানি আপোনঘাতীয়েই হয়গৈ— এইবোৰ কথা ভাবি ভনীয়েকৰ বুকুখন কঁপিবলৈ ধৰিলে। তথাপি উপায়তো নাই। এদিন যাবলৈ দিবই লাগিব। যোৱাৰ আগতে গণেশে ভনীয়েকৰ পৰা টকা পঞ্চাশটা ধাৰলৈ বুলি ললে। তাৰ হাততো অলপ টকা আছিল। ইয়াকে সম্বল লৈ গণেশ ভনীয়েক আৰু বৈনায়েকৰ পৰা বিদায় ল'লে। ভনীয়েকে ককায়েকক নেদেখালৈকে একেথৰে চাই থাকিল। তাৰপিচতে ভিতৰলৈ আহি হুকুহুকৈ কান্দিবলৈ ধৰিলে।

আবেলি সময়ত গণেশ ভনীয়েকৰ ঘৰৰপৰা ওলাই আহিল। ভনীয়েকে কেতিয়াবা আলহী-দুলহী আহিলে শুবলৈ আচুতীয়াকৈ থোৱা তুলি, গাৰু, আঠোৱা, লেপ, বিচনা চাদৰ আদি সম্পূৰ্ণ বিচনাখন ককায়েকক দিলে আৰু এজন বন্ধুৱাৰ হাতত বিচনা-পত্ৰবোৰ দি, ষ্টেচনত থৈ আহিবলৈ ক'লে। গধূলি সময়ত গণেশে তিনচুকীয়াৰ পৰা গুৱাহাটীলৈ যোৱা ৰেলখনত এটা তৃতীয় শ্ৰেণীৰ টিকেট কিনি লৈ, এটা ডবাত উঠিল। কেওফালে চাই-চিতি লৈ, গণেশে ডবাটোৰ এমূৰে চুক এটাত বিচনাখন আৰু বাকচটো থৈ ওচৰতে বহিল। অলপ পিচতে বিচনাখন খুলি লৈ বহা বেঞ্চখনত পাৰি ল'লে। বাকচটো চুকৰ ফালে শিতান কৰি লৈ বিচনাত কাতি বৈ ব'ল। তৎক্ষণাৎ তাৰ

ভনীয়েকলৈ মনত পৰিল। ভনীয়েকে জানি বুজিয়েই বিচনাখন তাক দি পঠাইছিল। এই বিচনাখন নোহোৱা হ'লে যে তাৰ কি দুৰ্গতি হ'লহেঁতেন, সেইটো কথা গণেশে তেতিয়াহে উপলব্ধি কৰিলে। ভনীয়েকৰ তাৰ প্ৰতি মৰম চেনেহৰ কথা ভাবি গণেশৰ চকু চলচলীয়া হৈ আহিল।

অলপ সময়ৰ ভিতৰতে ৰেলখন যাত্ৰীৰে ভৰি পৰিলহি। দীঘলীয়া বাটৰ যাত্ৰীয়ে নিজৰ সুবিধামতে বিচনা পাৰি লৈছে আৰু অলপীয়া বাটৰ যাত্ৰীয়ে য'তে ত'তে বহিছে।

খন্তেক পিচত, এটা দীঘলীয়া উকি মাৰি ৰেলখন চলিবলৈ আৰম্ভ কৰিলে। আৰু লগে লগেই গণেশ গভীৰ চিন্তাত নিমগ্ন হ'ল। গণেশে ভাবিলে— সি এতিয়া কলৈ যাব? গুৱাহাটীলৈ টিকেটটো লৈছে যদিও, সি আগতে কোনো দিনেই গুৱাহাটীলৈ যোৱা নাই। তথাপি সি ঘৰৰ পৰা যিমান দূৰ আঁতৰি যাব পাৰে সিমানেই ভাল বুলি ভাবিলে। এই দীঘলীয়া ৰেল যাত্ৰাৰ লগে লগে তাৰ আৰম্ভ হ'ল জীৱনৰ এক নতুন অধ্যায় আৰু লগে লগেই আৰম্ভ হ'ল জীৱনৰ কঠোৰ সংগ্ৰাম। এই সংগ্ৰামত জয় পৰাজয় সকলো কালৰ গৰ্ভত। তথাপি, সি আগবাঢি যাবই লাগিব— শত সহস্ৰ বিপদৰ ধুমুহা তাৰ মূৰৰ ওপৰেদি বাগৰি যাব— অগণন ঘাত-প্ৰতিঘাতৰ মাজেদি তাৰ জীৱনটো টানি লৈ যাবই লাগিব। সি এতিয়া সম্পূৰ্ণ মুক্ত। সংসাৰৰ মায়া মোহৰ বান্ধোনে তাক এতিয়া ধৰি ৰাখিব নোৱাৰে। জীৱনৰ সকলো বিপদ-আপদৰ সমুখীন হ'বলৈ সি আজি প্ৰস্তুত।

ৰেলখন প্ৰচণ্ড বেগেৰে চলিব ধৰিছে। কিন্তু, তাতোকৈ প্ৰচণ্ড বেগেৰে আলোড়ণ চলিছে গণেশৰ অন্তৰত। সি ক'লৈ যাব— ক'ত থাকিবগৈ— কি কৰি খাব — ইত্যাদি একো সিদ্ধান্তলৈ

আহিব পৰা নাই। কেৱল ঘৰৰ পৰা আতৰি কোনোবা এখন অজানা ৰাজ্যলৈ গুচি যাবগৈ। তাৰ পিছত কি হ'ব সেইটো পিছৰ কথা।

এইদৰে ইটোৰ পিচত সিটো ষ্টেচন পাৰ হৈ ৰেলখন গৈ আছে। ষ্টেচনত ৰোৱাৰ লগে লাগেই যাত্ৰী উঠা-নমা কৰোতে কিছু হৈ-চৈ লাগে। তাৰ পিচতেই আকৌ ৰেলৰ তীব্ৰ গতিত কাৰো মাত কোনেও শুনা নহয়।

ক্ৰমাৎ ৰাতি গহীন হৈ আহিল। গণেশে এবাৰ ডবাটোৰ কেউফালে চকু ফুৰাই চালে। সি দেখিলে যে কিছুমান যাত্ৰীয়ে টোপনিয়াইছে, সৰু সৰু ল'ৰা-ছোৱালীবোৰ মাকৰ কোলাত বা বিচনাত শুই পৰিছে। ক'ৰবাত দুই-এজনৰ মাজতহে দু-আষাৰ কথা-বতৰা চলিছে। তাৰ নিজৰো অলপ টোপনি অহা যেন কৰে। কিন্তু যেতিয়াই তাৰ নিজৰ কথাবোৰ মনলৈ আহে, তেতিয়াই সি চকুখাই উঠে আৰু আকৌ গভীৰ চিন্তাত নিমগ্ন হয়।

পিছদিনা দুপৰীয়া ৰেলখন আহি গুৱাহাটী পাওঁ পাওঁ হৈছেহি। ইবিলাক যাত্ৰীক বিচনা-পত্ৰ বন্ধা দেখি, গণেশেও নিজৰ বিচনাখন বান্ধি থ'লে। পিচ মুহূৰ্ততে তাৰ মনলৈ আহিল— সি গুৱাহাটীত নামি কলৈ যাব? অলপপৰ ভাবি সি ঠিক কৰিলে যে আগতে গুৱাহাটীত নামি লব। তাৰপিছত চাই-চিতি লৈ কিবা সিদ্ধান্ত কৰিব। ইতি সময়তে, ৰেলখন গুৱাহাটী ষ্টেচনত ৰোৱা লগে লগে যাত্ৰী বিলাকৰ হৈ-চৈ লাগিল। নামিব লগাবোৰ নামিছে, উঠাবোৰ উঠিছে। ইয়াৰ মাজতে গণেশে এহাতে বিচনাখন আৰু এহাতে বাকচটো লৈ ৰেলৰপৰা নামিল। কেইখোজমান আহি, বিচনাখন আৰু বাকচটো মাটিত থৈ ইফালে সিফালে চাইছে। এনেতে এজন আদহীয়া মানুহে

হাতত চুটকেছ এটা লৈ বেগা-বেগীকৈ 'অভাৰ ব্ৰীজ'ৰ ফালে অহা দেখিলে। তেতিয়া কৌতূহল হৈ গণেশে সুধিলে—আপুনি কলৈ যাব ?

—মই ছিলঙলৈ যাম—বুলি মানুহজনে ক'লে।

—মযো ছিলঙলৈ যাওঁ বুলি গণেশে তপৰাই মাত লগালে।

—তেনেহ'লে বেগাই আহাঁ— বুলি মানুহজনে দলঙৰ চিৰিত উঠিলগৈ। তেতিযা গণেশও দুই হাতে বিচনা আৰু বাকচ লৈ মানুহজনৰ পিছে পিছে গ'ল। গণেশে মানুহজনৰ হাতত তাৰো টিকেটটো লবলৈ পইচা দিলে। মানুহজনে টিকেটটো কিনি দি, গণেশৰ বিচনাখন কোনটো অফিচত বুক কৰিব লাগে দেখুৱাই দিলে আৰু পিচত আহি ওচৰতে থকা বাচখনত উঠিবলৈ গণেশক ক'লে। গণেশও লৰালৰিকৈ বিচনাখন বুক কৰি আহি, মানুহ-জনৰ ওচৰতে বাছত বহিলহি। গণেশে এটা দীঘলীয়া হুমুনিয়াহ কাঢ়িলে।

খন্তেক পাছত বাছ এৰিলে। কেইমাইলমান আহি বাছখন পাহাৰৰ আকোৰা-পকোৰা, উঠা-নমা বাটেদি বাট বুলিবলৈ ধৰিলে। পাহাৰৰ মনোৰম দৃশ্যবোৰ দেখি গণেশ মুগ্ধ হৈ পৰিল। পিছমুহূৰ্ত্তত বিজুলী বেগেৰে তাৰ মনলৈ আহিল—সি ক'লৈ আহিছে—ক'ত থাকিবগৈ— আৰু তাত কি কৰি খাবগৈ। কিবা এটা কৰি খাবগৈ লাগিব। এইদৰেতো ৰেল বাছ বগাই ফুৰিলে নহব। ঘৰৰ পৰা সি বহুত দূৰ আতৰি আহিল। সম্প্ৰতি ছিলঙতে কিছুদিন থাকিব লাগিব। তাতেই কিবা এটা জীৱিকাৰ পথ বিছাৰি উলিযাব লাগিব। তাৰপিছত অৱস্থা অনুযায়ী কি কৰা যাব, সেইটো ভৱিষ্যতৰ কথা। ইত্যাদি কথাবোৰ ভাবি সি চিন্তাত তন্ময় হৈ ৰ'ল।

ডেৰ ঘণ্টামানৰ পিছত বাছখন আহি নংপুত ৰ'লহি। যাত্ৰীবোৰৰ লগতে সিও নামিগৈ চাহ খালেগৈ। পিচত ওচৰৰ দোকানবোৰৰ পৰা কেইটামান ফলমূল কিনি আনি বাকচটোত ভৰাই থ'লেহি। ছিলঙত গৈ যদি ভাতপানী খোৱাৰ সুবিধা কৰিব নোৱাৰে, তেনেহলে তাকেই খাই ৰাতিটো পৰি থাকিব। কাৰণ আগদিনা তিনিচুকীয়াত ভনীয়েকৰ ঘৰত খাই অহাৰপৰা পিচদিনা আবেলি নংপুত চাহটোপাহে প্ৰথম আহাৰ পৰিছে। আকৌ বাছখনত বহিযেই সি বৰ চিন্তিত আৰু উৎকণ্ঠিত হৈ পৰিছিল সি এতিয়া ছিলঙত ক'ত থাকিবগৈ আৰু পিচত কি কৰি খাবগৈ।

বোলি বাহিবলৈ আৰু বেছি দেৰি নাই আৰু লগে লগে বাছখনো ক্ৰমাৎ ছিলঙৰ ওচৰ চাপি আহিছে। গণেশে বাহিৰলৈ চাই দেখে যে দূৰৰ পাহাৰবোৰ কুঁৱলীয়ে ঢাকি ধৰিছে। এই সময়ত পাহাৰৰ দৃশ্যবোৰ ভৈয়ামৰ লগত সম্পূৰ্ণ বেলেগ। বাছখন যিমানেই আগবাঢ়িছে, সিমানেই যেন ডাঠ কুঁৱলীয়ে অন্ধকাৰ কৰি আগুৰি ধৰিছে। গণেশৰ বুকুত এটা আতঙ্কৰ ভাৱ সৃষ্টি হ'ল— সি ক'লৈ আহিল—ক'লৈ যাবগৈ—এই অচিন ৰাজ্যত এই ৰাতিখন সি ক'ত থাকিবগৈ—নতুবা নিচিন্তাকৈ ছিলঙলৈ আহি সি যেন আৰু বেছি বিপদ মাতি আনিলে—ইত্যাদি কথাবোৰ ভাবি তাৰ বুকুখন কঁপি উঠিল। কিন্তু পিচ মুহূৰ্ততে সি বুকু ডাঠ কৰি লৈ ভাবিলে যে সি নিজে ইচ্ছা কৰিযেই সকলো সাম্ভাব্য বিপদ মূৰপাতি লবলৈ আগবাঢ়ি আহিছে। গতিকে এতিয়া পিচ-হুঁহকা মাৰিলে নচলিব। বিপদ-আপদৰ সন্মুখীন নহ'লে, কোনো মানুহেই জীৱনত উন্নতি কৰিব নোৱাৰে।

ইয়াকে ভাবি গণেশে ওচৰৰ মানুহজনক ৰাতিটো থাকিবলৈ যি কোনো এটা হোটেলৰ কথা সুধিলে। মানুহজনে ছিলঙৰ বাছ ষ্টেশনৰ কাষতে থকা এখন অসমীয়া হোটেলৰ নাম ক'লে।

গণেশ কিছু নিশ্চিন্ত হ'ল আৰু হোটেলত উঠি, বাকীটো তাৰ ভৱিষ্যত কৰ্ম্ম-পন্থাৰ বিষয়ে চিন্তা কৰিব লাগিব বুলি ভাবি নীৰৱে অপেক্ষা কৰি থাকিল, ৰাজধানীত নামিবলৈ। খন্তেক পিচত বাছখন আহি 'মৌলাই গেটদি' ৰাজধানী সোমালহি। ইমান পৰলৈকে জনশূন্য, উঠা-নমা, আকোৰা-পকোৰা ৰাস্তাইদি আহি বাছখন হঠাৎ জনপূৰ্ণ ৰাজ্যত প্ৰৱেশ কৰিলেহি। যাত্ৰীবিলাকৰ মনলৈ এটা উচপিচনিৰ ভাৱ আহি পৰিল। প্ৰত্যেকেই ভাবিছে—বাছৰ পৰা নামি নিজ নিজ গন্তব্য স্থানলৈ কেনেকৈ যাবগৈ। কিন্তু, আনহাতে নানা চিন্তাত গণেশৰ বুকুখন বেছিকৈ উজনি-ভাটি কৰিবলৈ ধৰিলে।

ঠিক এনেতে বাছখন আহি ছিলঙৰ বাছ ষ্টেণ্ডত সোমালহি। বাছখন ৰোৱাৰ লগে লগেই কেওফালে হৈ-চৈ লাগি পৰিল। যাত্ৰীবিলাক লাহে লাহে বাছৰ পৰা নামিবলৈ ধৰিছে। ইফালে, বাছখনলৈ বৈ থকা যাত্ৰীসকলৰ অণ্ডহী-বণ্ডহী বিলাক কেউফালে বাছৰ ওচৰ চাপি আহিল। লগে লগে বিচনা পত্ৰ কঢ়িয়াই নিয়া প'টাৰ বিলাক ওচৰলৈ আহি—বাবু, ক'লৈ যাব - কি কি মাল আছে—ইত্যাদি কথা যাত্ৰীবিলাকক সুধিছে। তেতিয়া যাত্ৰীবিলাকেও লগত এজোন প'টাৰ লৈ বিচনা বাকচ আদি বোলেগ এখন বাছৰে আনি আচুতীয়াকৈ থোৱা ঠাইৰপৰা নিজ নিজ বিচনা-পত্ৰাবোৰ প'টাৰক চমজাই দি, ওচৰৰ যাত্ৰীবিলাকে খোজ কাঢ়িয়েই নিজ নিজ গন্তব্য স্থানলৈ গৈছে আৰু দূৰৰ যাত্ৰীবিলাকে অলপ ওচৰতে বৈ থকা টেক্সীত উঠিছেগৈ। এইবিলাক হুলস্থুল দেখি গণেশ কিছু সময় পেপুৱা লাগি চাই থাকিল। শেষত যাত্ৰীবিলাকৰ লগত সিও নামি আহিল আৰু এজন প'টাৰক তাৰ বিচনাখন ক'ত আছে বুলি সুধিলে। তেতিয়া প'টাৰে বিচনাৰ বন্ধিদখনৰ কথা কোৱাত, গণেশে বন্ধিদখন দেখুৱালে। প'টাৰে বন্ধিদখন হাতত লৈ, গণেশক বিচনা থকা ঠাইলৈ লৈ গ'ল আৰু বন্ধিদখন

মাল বাবুক দেখুৱাই, গণেশৰ বিচনাখন পিঠিত বান্ধি লৈ—কলৈ যাব বুলি গণেশক সুধিলে। তেতিয়া গণেশ ওচৰতে থকা অসমীয়া হোটেলখনৰ নাম কোৱাত, প'টাৰে 'এই চামনে' বুলি কৈ হোটেলৰ ফালে খোজ ললে। গণেশো পিছে পিছে গ'ল। কেইখোজমান গৈয়েই, এটা চিৰিয়েদি উঠি গাতে লাগি থকা হোটেলখনত সোমালহি। প'টাৰে এখন খালি বিচনাৰ ওপৰত গণেশৰ বিচনাখন থৈ গণেশৰ পৰা আঠআনা পইচা লৈ গুছি আহিল। গণেশ কিছুপৰ থৰ, লাগি বৈ, ইফালে-সিফালে চাই থাকিল। তাৰ পিচত বিচনাখনৰ ওচৰতে বহি, গালে মূৰে হাত দি আকাশ পতাল ভাবিবলৈ ধৰিলে।

বহুত দিনৰ আগৰ কথা। দ্বিতীয় মহাসমৰৰ প্ৰায় দহ বছৰৰ আগৰ ঘটনা। সেই সময়ত এহাতে ভাৰতৰ স্বাধীনতা আন্দোলন, আৰু আনহাতে বৃটীছৰ কঠোৰ দমন নীতি, এনে অৱস্থাতে ১৯৩৯ চনত আৰম্ভ হ'ল পৃথিবী জুৰি ২য় মহাযুদ্ধ। তেতিয়া অসমখন আজিৰ দৰে টুকুৰা-টুকুৰ হোৱা নাছিল। বাৰখন জিলাৰে এখন অসম প্ৰদেশ। ৰাজধানী ছিলং। সেই সময়ত খাছীয়াসকলৰ মাজত স্বাধীনতা আন্দোলন ভালকৈ ফুটি উঠা নাছিল। তেতিয়া তাত অনা খাছীয়াসকলে সম্পূৰ্ণ আধিপত্য বিস্তাৰ কৰিছিল। সেই সময়ত বিদেশীৰ কাৰণে ছিলংখন ভূ-স্বৰ্গ হৈ পৰিছিল। আনহাতে বাৰখন জিলাৰ ৰাজধানী কাৰণে, শিক্ষিত নিবনুৱা ডেকাসকলৰ প্ৰায় ভাগেই চাকৰি বিচাৰি ছিলঙলৈ অহা যোৱা কৰিছিল। সৌভাগ্যক্ৰমে দুই এজনৰ চাকৰি মিলে, বাকীবিলাকে হতাশ হৈ ঘৰলৈ উভটি আহে। সেই সময়ত গোটেই ভাৰতৰ লগতে অসমতো এটা ডাঙৰ অৰ্থনৈতিক সমস্যাই দেখা দিছিল। আজি কালি শিক্ষিত নিবনুৱাৰ কাৰণে চাকৰী নহলেও আন বেপাৰ-বাণিজ্য, কাৰবাৰ আদি কৰি খাবলৈ বহুত সুবিধা ওলাইছে।

কিন্তু, সেই সময়ত চাকৰীৰ বাহিৰে আন বিশেষ কোনো সুবিধা নাছিল। সেই কাৰণে নিবনুৱা ডেকা সকলৰ পানীত হাঁহ নচৰা গতি হৈছিল।

গণেশও সেই কালৰে এটা নিবনুৱা ডেকা। কিন্তু ঘটনাক্ৰমে তাৰ অৱস্থা বাকীবিলাকৰ লগত সম্পূৰ্ণ বেলেগ। হৈ যোৱা ঘটনাবোৰ এটা এটাকৈ তাৰ মনত খেলাবলৈ ধৰিলে, যেনে—সেইদিনা আকস্মিকভাবে দেউতাকে তাৰ আগত কৰা বিযাৰ প্ৰস্তাৱ—তাৰ প্ৰত্যাখ্যান ঘৰৰ পৰা বহিষ্কাৰ—তিনিচুকিয়াত থকা ভনীয়েকৰ ঘৰলৈ যাত্ৰা, তাৰ পিচত এই ভযাবহ ছিলং যাত্ৰা। তাৰ পিচত ?—গণেশে কেওফালে যেন অন্ধকাৰ দেখিলে।

সি এবাৰ ভাবিলে—নভৱা নিচিন্তাকৈ মনৰ আবেগত উত্তেজিত হৈ, এই আচহুৱা ছিলং হেন ঠাইলৈ আহি সি মাৰাত্মক ভুল কৰিলে নেকি ? প্ৰথমেই ঘৰৰ পৰা লোই আহি কিছুদিন আন ঠাইত থাকি আকৌ ঘৰলৈ ঘূৰি যোৱা হলে কিজানি বাপেকে দ্বিতীয়বাৰ তাক খেদাই নপঠালেহেঁতেন। কিন্তু গণেশে ভালকৈ জানে যে এইবোৰ চব মাহীমাকৰ কু-চক্ৰান্ত। তাক ঘৰৰ পৰা আঁতৰ কৰি পঠিওৱা এইটো এটা অভিনৱ কৌশল। গতিকে গণেশে ঘৰলৈ ঘূৰি গৈ সেইজনী মাহীমাকৰ মুখ চাই কেতিযাও থাকিব নোৱাৰে। তাৰ পিচত তিনিচুকিযালৈ আহি ভনীয়েকৰ ঘৰত থাকি, ইফালে-সিফালে কিবা চাকৰী-বাকৰী এটা বিচাৰ কৰি চাব পাৰিলেহেঁতেন। কিন্তু তেনে পৰিস্থিতিত ভনীয়েকৰ ঘৰত বেছি দিন থাকিবলৈ বিবেকে তাক নকলে। গতিকে তাৰ পক্ষে এনে বিপদ সঙ্কুল অন্ধকাৰ পথত জপিযাই পৰাৰ বাহিৰে আন উপাই নাই। গণেশে ভাবিলে যে প্ৰচণ্ড ধুমুহাই খলকনি তোলা অপাৰ সমুদ্ৰত তাৰ টুলুঙা নাওখন এৰি দিছে। হয়তো যি কোনো মুহূৰ্তত নাও ডুবি সি সমুদ্ৰৰ অটল গৰ্ভত বিলীন হৈ যাব। নাইবা

পৰ্ব্বতাকাৰ ঢৌৰ ওপৰেদি তাৰ নাওখন সহস্ৰবাৰ লুটি-বাগৰ খাই আহি, মৃতপ্ৰায় অৱস্থাত, হয়তো কোনোবা এখন অজান ৰাজ্যৰ বালিৰ চটত খুন্দা খাই ৰবগৈ। গতিকে এই ভয়াবহ সমুদ্ৰ যাত্ৰাৰ মাজভাগৰ পৰা ঘূৰি আহিবলৈ তাৰ কোনো উপায় নাই। সকলো বিপদ আপদৰ সন্মুখীন হৈ, মৰসাহ দি আগবাঢ়ি যাবলৈ সি দৃঢ় প্ৰতিজ্ঞ।

সেইদিনা হোটেলত ৰাতিৰ সাঁজ ভাত খাই আহি, বিচনাখন তৰাতে তাৰ মনত পৰিল ভনীয়েকৰ কথা। ভনীয়েকে জানি বুজিয়েই লেপখনৰ সৈতে বিচনাখন গণেশক দি পঠাইছিল। গণেশে বিচনাৰ কথা ভবাই নাছিল। ৰাতি হোৱাৰ লগে লগে গণেশে যেতিয়া ছিলঙৰ ঠুটৰি কঁপা জাৰ অনুভৱ কৰিলে, তেতিয়া গণেশৰ মনত পৰিল – ভনীয়েকে যে তাক কি এটা ডাঙৰ বস্তু লগত দি পঠাইছিল। লেপখনৰ সৈতে বিচনাখন নোহোৱাহ'লে সি ৰাতি জাৰত ঠেৰেঙা লাগি মৰিব লাগিলেহেঁতেন। এই বহল পৃথিৱীখনত গণেশৰ আপোন বুলিবলৈ ভনীয়েকজনীৰ বাহিৰে যেন দ্বিতীয় এটা প্ৰাণী নাই।

গণেশৰ দুগালেদি চকুপানী বৈ আহিল।

আগদিনা গধূলি তিনিচুকিয়াত বেলত উঠি গোটেই ৰাতিটো আৰু পিচদিনা গোটেই দিনটো অনাহাৰে আহি গধূলি সময়ত ছিলং পাই, গণেশ বৰ ক্লান্ত হৈ পৰিছিল। বিচনাত পৰি বহুত সময় তাৰ জীৱনৰ ঘাত প্ৰতিঘাতবোৰৰ কথা ভাবি থাকোঁতেই, এবাৰ তাৰ টোপনি আহিল।

পিছদিনা ৰাতিপুৱা গণেশ সহুত পলমকৈ সাৰ পালে। চকু মোহাৰি লাহেকৈ বিচনাত বহিল। এবাৰ কেউফালে চকু ফুৰাই চালে। তাৰ চকুত পৰিল এখন অচিনাকী দেশ। ওচৰত থকা বাছ ষ্টেচন আৰু ৰাস্তাৰ পৰা তাৰ কাণত বাজি উঠিল মটৰ, বাছ, লৰীৰ ঘিট্‌-ঘিটনি। দূৰলৈ চকু ফুৰাই দেখিলে—শাৰী শাৰী পাহাৰৰ ওপৰত সূৰ্য্যৰ ৰশ্মি পৰি তিৰবিৰাই থকা মনোৰম দৃশ্য বোৰ। খন্তেকৰ কাৰণে সি মুগ্ধ হৈ পৰিল। সি যেন এখন সপোন ৰাজ্যত বিচৰণ কৰিছে।

পিচ মুহূৰ্ত্তত তাৰ মনলৈ আহিল সি এতিয়া ক'ত? এইবোৰ সপোন নে দিঠক?—যদি সঁচাকৈয়ে বাস্তৱ হয়, তেনেহলে সি এইখিনি কেনেকৈ পালেহি?

গভীৰ চিন্তাত ডুব গ'ল গণেশ। যোৱা কেইদিনৰ ঘটনাবোৰ তাৰ মনত খেলাবলৈ ধৰিলে। ঘৰৰপৰা গুলাই আহি ভনীয়েকৰ ঘৰ পালেহি। যোৱা দুদিনৰ আগত ভনীয়েকৰ ঘৰৰ পৰা আহি, গধূলি তিনিচুকিয়াৰ পৰা অহা ভটীয়নী ৰেলত উঠিলহি। গোটেই ৰাতিটো আৰু পিচদিনা এবেলা ৰেলত আহি, ভাটিবেলা গুৱাহাটী পালেহি। তাৰ পিচত ছিলঙলৈ অহা এজন যাত্ৰীৰ লগত আহি আগদিনা গধূলি এইখন হোটেলত নামিলহি। তেনেহলে—এইখন ছিলং আৰু সি এতিয়া অসমৰ ৰাজধানী ছিলঙত। ইয়াত কোনো ভুল নাই।

তেনেহলে—সি ছিলঙলৈ আহিল কিয়? এই প্ৰশ্নৰ উত্তৰ সি নিজেই জানে। তাৰ পিচত প্ৰশ্ন আহিল—সি ছিলঙতে

থাকিবনে নাই আৰু ইয়াৰ পৰা কৰবালৈ যাবগৈ। এই-টোৱেই হ'ল এতিয়া আটাইতকৈ ডাঙৰ প্ৰশ্ন। ইয়াৰ সমিধান উলিওৱা সহজ নহয়। তথাপি, গণেশে ভাবিলে যে এইদৰে বলিয়াৰ নিচিনাকৈ ঘূৰি ফুৰিলে তাৰ নচলিব। সি এই ছিলঙতেই থাকিব লাগিব আৰু ইয়াতেই কিবা এটা কৰি হ'লেও তাৰ জীৱিকা উলিয়াব লাগিব। তাৰ জীৱন নিৰ্বাহৰ কাঠোৰ সংগ্ৰাম ইয়াতেই আৰম্ভ কৰিব লাগিব। এইটোৱেই হ'ল গণেশৰ শেষ সিদ্ধান্ত।

তেনেহ'লে—সি এতিয়া কি কৰিব? এইদৰে হোটে-লত বহি-শুই খাই থাকিলেও তাৰ নচলিব। তাৰ হাতত আৰু বেচি পইচা নাই। অলপ টকাহে আছেগৈ। এইখিনি টকা শেষ হ'লে সি ক'লৈ যাব, কি কৰিবগৈ। আনহাতে তাৰ কোনো চিনা-পৰিচয় মানুহ ছিলঙত নাই যে সিহঁতৰ ঘৰতে দুদিনমান আলহী থাকিব—যিটো কাম আন কিছুমান নিৰ নুৰা লৰাই আহি ছিলঙত থকা বঙালী-খেলুৱৈৰ ঘৰত থাকি চাকৰী বিচাৰি ফুৰে। কিন্তু গণেশ, পিছলৈ তেনে চিনাকী মানুহ পালেও, তাত থাকিবলৈ নেযায়, সেইটো ঠিক। তেনে-হ'লে—এই কেইদিনমানৰ ভিতৰতে কিবা কৰিবই লাগিব কিবা এটা জীৱিকা-নিৰ্ব্বাহৰ পথ বিচাৰি উলিয়াবই লাগিব—লাগিলে যিমানেই সক নহওক। কিন্তু সেইবুলি, কোনো অসৎ উপায়েৰে নহয়। তেনে কাম সি কেতিয়াও কৰিবলৈ নেযায়। এতিয়া কি উপায় কৰি সি নিজৰ ভাত মুঠি মোকলাব—এইটোৱেই হৈছে তাৰ জীৱন-মৰণ সমস্যা।

গণেশ চিন্তাত ডুব গৈ ৰ'ল।

কিছুপৰ এইদৰেই চিন্তা কৰি গণেশে ঠিক কৰিলে যে সম্প্ৰতি এই হোটেলৰ মালিকক কিছু কথা সুধিব। তেওঁ ইয়াতেই

থাকে যেতিয়া ছিলঙৰ বহুত কথা জানে আৰু লগতে কিছু দিহা-পৰামর্শও দিব পাৰে। তাৰ পিচত কি হয় দেখা যাব। ইযাকে ভাবি, গণেশে লাহেকৈ বিচনাৰ পৰা উঠি মুখ-হাত ধুই, চাহটোপা খাই ল'লে আৰু মালিকৰ লগত আলোচনা কৰিবলৈ কিছু কথা মনতে জুকিয়াই ল'লে।

কাপোৰ-কানি সলাই গণেশে মালিক থকা কোঠালৈ গ'ল। তেতিয়া মালিকে কিবা হিচাব পত্র চাই আছিল। গণেশে দুৱাৰ মুখৰ পৰাই মালিকক নমস্কাৰ জনালে। মালিকে মূৰ তুলি চাই - অঁ, কি লাগে? ক'ৰপৰা আহিছা? —বুলি গণেশলৈ চাই প্ৰশ্ন কৰিলে।

তেতিয়া গণেশে নম্রভাবে ক'লে— চাৰ, মই যোৱা কালি গধূলি আহি এই হোটেলতে আছোঁহি। আপোনাৰ ওচৰত কেইটামান কথা সুধিবৰ কাৰণে আহিলো। আপুনি যদি বেয়া নেপায় তেনেহ'লে ।

কিয় বেয়া পাম কোৱা— বুলি মালিকে গণেশৰ মূৰৰ পৰা ভৰিলৈকে ভালকৈ নিৰিক্ষণ কৰিলে।

অ' বহা, সেইখন চকীতে। পিছে তুমি আহিছা ক'ৰপৰা? মালিকে সুধিলে।

—চাৰ মই তিনিচুকিয়াৰপৰা আহিছো— ইতস্তত: কৰি, চকীত বহি গণেশে ক'লে।

—কি, তিনিচুকিয়াৰপৰা আহিছা? —অলপ আচৰিত হৈ মালিকে ক'লে।

—হয় চাৰ — গণেশে লাহেকৈ ক'লে।

— ইমান দূৰৰপৰা কিয় আহিছা?

গণেশ নিমাত। কথাৰ চলতে তাৰ জীৱনৰ কাহিনীবোৰ ওলাই পৰিব বুলি ভয় খালে। তথাপি, কিবা এটা কবই

লাগিব। কিছুপৰ তলমূৰ কৰি থাকি, পিচত মূৰটো খজুৱাই লাহেকৈ ক'লে— কিবা কাম-চাম এটা পাওঁ নেকি, তাকে বিচাৰি আহিলো চাৰ।

—কি? কাম বিচাৰি আহিছা? তুমিনো কি পাচ কৰিলা?

—ফাৰ্ষ্ট ডিভিজনত মেট্ৰিক পাচ কৰিলো চাৰ।

—কি? মেট্ৰিক পাচ কৰিলা? অলপ বিদ্ৰূপৰ সুৰেৰে মালিকে ক'লে। আজি কালি এম, এ, পাচ ল'ৰাই চাকৰী বিচাৰি পোৱা নাই, তুমি আকৌ মেট্ৰিক পাচ কৰি ইয়ালৈ চাকৰী বিচাৰি আহিছা? কোনে বুধি দিলে তোমাক চিলচৰলৈ আহিবলৈ?

—নহয় চাৰ। কিবা সৰু সুৰা চাকৰী পালেও কৰিম চাৰ।

—নহয় বুজিছা। এই ছিলচৰত মেট্ৰিক পাচ ল'ৰাৰ কাৰণে সৰু-সুৰা চাকৰীও নাই। ইয়াত ডাঙৰ ডাঙৰ চাকৰীৰ সদায় খোৱা কামোৰা লাগি থাকে বুইছা।

গণেশ স্তম্ভিত নিতালমাৰি তলমূৰাকৈ থাকিল। তাৰপিচত আকৌ মালিকলৈ চাই নম্ৰভাৱে ক'লে - চাৰ আপোনাৰ এই হোটেলতে মোক কিবা সৰু সুৰা কাম এটা দিব নোৱাৰেনে চাৰ?

হোটেলৰ মালিকে একেথৰে গণেশলৈ চাই থাকি পিচত ক'লে— নাই, মোৰ ইয়াত হোটেলৰ হিচাব-পত্ৰ কৰাৰে পৰা ভাত ৰন্ধা, বজাৰ কৰা, বাচন-বৰ্তন ধোৱা আদি সকলো কামৰ কাৰণে মানুহ আছে।

গণেশে, বেজাৰ মনেৰে হতাশৰ এটা দীঘল হুমুনিয়াহ কাঢ়িলে। মালিকে লক্ষ্য কৰিলে কথাটো। লৰাটোৰ বিষাদপূৰ্ণ মুখখন দেখি, মালিকৰ অলপ বেয়া লাগিল।

মালিকে আকৌ সুধিলে— বাৰু, এটা কথা, তুমি

মেট্ৰিক পাচ কৰিয়েইনো কিয় ছিন্‌ডলৈ আহিলা। অন্ততঃ, বি, এ, টো পাচ কৰি অহা হলেও, কেতিয়াবা ক'ৰবাত কিবা এটা কাম পোৱাৰ সম্ভাৱনা আছিল। বাৰু, কোৱাছোন, তোমাক কিহে পাইছিল, মেট্ৰিক পাচ কৰিয়েই কাম বিচাৰি ছিলঙলৈ আহিবলৈ।

গণেশে কিছুপৰ তলকামাৰি থাকি, পিচত মালিকলৈ চাই বেজাৰ মনেৰে কলে— সেইবোৰ বহুত কথা চাৰ। মই কথাবোৰ বুজিছো। কিন্তু অৱস্থাই মোক বাধ্য কৰিলে ইয়ালৈ আহিবলৈ। আপুনি মোক এই বিষয়ে কিবা এটা দিহা পৰামৰ্শ দিলে বৰ ডাঙৰ উপকাৰ হয়, চাৰ।

হোটেলৰ মালিকে একেথাৰে চাই ৰ'ল গণেশলৈ। ভাবিলে— ইমান কম বয়সতে ই কিজানি বহুত ঘাত-প্ৰতিঘাতৰ মাজেদি আহি এইখিনি পাইছেহি। গণেশলৈ পুতৌ লাগিল। কোমল সুৰত লাহেকৈ কলে— বাৰু, তুমি যদি ইয়াত একো সুবিধা কৰিব নোৱাৰা, তেনেহলে কি কৰিম বুলি ভাবিছা।

তেতিয়া গণেশে গহিণাই কলে - চাৰ, কিছু দিন ইফালে-সিফালে চেষ্টা কৰি চাওঁ। তেতিয়াও যদি নহয়, তেতিয়া যি হয় আন ব্যৱস্থা কৰিম। কিন্তু, মই ভাবো, চেষ্টা কৰিলে ক'ৰবাত কিবা এটা পাই যাবও পাৰো, চাৰ।

ল'ৰাটোৰ মনৰ দৃঢ়তা দেখি কিছু আচৰিত হ'ল মালিক। কথাৰ সুৰ সলাবলৈ ল'ৰাটোক সুধিলে— অ' এটা কথা, তোমাৰ নামটো কি মই সুধিবলৈ পাহৰিছোৱেই।

—মোৰ নাম গণেশ শইকীয়া, চাৰ।

গণেশে দেখিলে যে এওঁৰ পৰা কোনো সহায় পোৱাৰ সম্ভাৱনা নাই। তথাপি, এটা সন্দেহ দূৰ কৰা যাওক বুলি ভাবি সুধিলে— চাৰ, ইয়াৰ চৰকাৰী অফিচবোৰ কোনফালে আছে?

—কিয় সুধিছা? —মালিকে কলে।

—মই সেই অফিচবোৰৰ ফালেই যাওঁ বুলি ভাবিছো। কিজানি, আগৰ চিনাকি মানুহ লগ পাওঁৱেই। কেনেবাকৈ তেনেকুৱা এজন মানুহক লগ পালেই হয়তো তেওঁৰ পৰাই কিবা এটা দিহা-পৰামৰ্শ পাব পাৰো।

তেতিয়া মালিকে অফিচলৈ যোৱা ৰাস্তাটো দেখুৱাই দি কলে যে সেই বাটেদি অলপ দূৰ গৈযে মানুহক সুধিলেই চব অফিচ দেখুৱাই দিব।

—ভাল চাৰ, আহিলো। বেযা নেপাব। এই বুলি গণেশ আহিব খোজোতেই মালিকে তপৰাই মাত লগালে— ওৱা, কিয় বেযা পাম। অ' এটা কথা। তুমি বাৰু হোটেলত কিমান দিন থাকিবা ?

—মই কমেও এমাহমান থাকিম বুলি ভাবিছো, চাৰ। ইতিমধ্যে, যদি কিবা এটা সুবিধা কৰিব পাৰো, তেনেহলে তাৰ আগতেও যাব পাৰো। মুঠতে, মই এই ছিলঙতেই থাকিম বুলি ভাবিছো। আহোঁ চাৰ।

এইবুলি গণেশ মিচিকীয়া হাঁহি এটা মাৰি কোঠাৰ পৰা ওলাই আহিল। মালিকে থৰলাগি কিছুপৰ গণেশৰ ফালেই চাই থাকিল।

চিন্তিত মনেৰে গণেশ আহি নিজৰ বিচনাখনৰ ওচৰত থিয় হ'লহি। তাৰ পিচত বিচনাখন ভালকৈ জাপি থৈ, তাতে বহি, কিবা-কিবি ভাবিবলৈ ধৰিলে। তাৰ মনলৈ আহিল ঘৰখনৰ কথা, ফাগুনীৰ কথা, ঘৰৰ পৰা ওলাই আহি তিনিচুকীয়া হৈ ছিলঙলৈ অহাৰ কথা। তাৰ পিচত এতিয়া কি হব ? সি-তো আৰু ঘৰলৈ ঘূৰি নেযায়। ইযাতেই সি কিবা এটা কৰি খাবই লাগিব। এতিয়া তাৰ সমুখত কেৱল আছে দুটা বাট— এই ভয়াবহ জীৱন যুদ্ধত আত্মাহুতি দিযা বা আত্ম প্ৰতিষ্ঠা কৰা।

শেষত গণেশে সকলো বিপদৰ ধুমুহা মূৰ-পাতিলৈ, নিজকে আত্ম প্ৰতিষ্ঠা কৰিবলৈকে দৃঢ-প্ৰতিজ্ঞ হ'ল।

এবাৰ চাৰিওফালে চকু ফুৰাই চালে গণেশে। ওচৰৰ ৰাস্তাবোৰেদি মটৰ, লৰী, বাচ আদি অবিৰাম গতিৰে চলি আছে। মাজে মাজে ৰাস্তাত দুই-চাৰিজন লোক হোটেলৰ মালিকে দেখুৱাই দিয়া ৰাস্তাই দি খৰতকীয়াকৈ খোজ দিছে। গণেশে ভাবিলে যে এওঁলোক অফিচত কামকৰা লোক হব লাগিব। ঘড়ীলৈ চাই দেখিলে যে দহোটা বাজিবলৈ আৰু বেছি সময় নাই। তেনেহলে তাৰ ধাৰণা ভুল নহয়। এওঁলোকৰ আগে-পাছে গৈ থাকিলেই অফিচবোৰো দেখা পাব আৰু হয়তো, কপাল ভাল হলে, দুই এজন চিনাকি মানুহো লগ পাব পাৰে। ইয়াকে ভাবি, গণেশে লৰালৰিকৈ সেই বাটেদি যাবলৈ ওলাল।

বাকচত থকা টকা কেইটা উলিয়াই জেপত ভৰাই লৈ, বাকচটো ভালকৈ তলামাৰি বিচনাৰ তলত থ'লে। তাৰপিচত, নিজে থকা কোঠাটো কেওফালে চাই লৈ, চিন্তিত মনেৰে ৰাস্তালৈ ওলাই আহিল। অফিচৰ সময়। ডাঙৰ ডাঙৰ অফিচাৰৰ গাড়ী বোৰ বেগাই অফিচৰ ফালে গৈছে। তাৰপিচত অফিচৰ সহকাৰী সকলৰ খৰতকীয়া খোজ। এইবোৰ দেখি গণেশৰ অনুমান হ'ল যে এই সকলোখিনি নিজ নিজ অফিচলৈকে গৈছে। তাৰ মাজতে গণেশেও ৰাস্তাৰ ইফালে-সিফালে চাই চাই আগলৈ খোজ দিছে। এইদৰে যাওঁতে বহুত পদযাত্ৰীয়ে গণেশক পিছ পেলাই গৈছে। এবাৰ গণেশে ভাবিছিল যে এওঁলোকৰ এজনকে সুধিব নেকি অফিচবোৰৰ কথা আৰু কোনোবা চিনাকী মানুহ আছে নেকি ইত্যাদি। কিন্তু পদযাত্ৰী সকলে যেনেকৈ তৰা-নৰা চিণ্ডি খোজ দিছে, তেওঁলোকক সেইবোৰ কথা সুধিলেযে কিবা ভাল সমিধান পাব, সেইটো গণেশে আশা কৰিব নোৱাৰিলে। গতিকে এওঁলোকনো কোন কোন অফিচত সোমায়গৈ, তাকে

লক্ষ্য কৰি সি লাহে লাহে আগবাঢ়ি গৈ থাকিল।

কিছুদূৰ গৈ এটা তিনিআলি পালেগৈ। তাৰে এটা গভৰ্ণৰৰ হাউছৰ ফালে আৰু আনটো লাবানৰ ফালে যোৱা ৰাস্তা। গণেশ এতিয়া কোনফালে যাব। দুয়োফালেই মানুহবোৰ বেগা-বেগীকৈ গৈছে। ক্ষন্তেক ভাবি সি লাবানৰ ফালে যোৱা ৰাস্তাইদি যাবলৈ ঠিক কৰি আগবাঢ়ি গ'ল। কিছুদূৰ গৈ, বেঁকুৰী এটা ঘূৰি, গণেশে দেখিলে যে ৰাস্তাৰ বাওঁফালে থকা দুমহলীয়া ঘৰটোত কিছুমান মানুহ সোমাইছে, কিছুমানে ৰাস্তাটো ঘূৰি, সোঁফালে ঘৰবোৰত সোমাইছেগৈ। আৰু কিছুমান আৰু আগবাঢ়ি গৈ নেদেখা হৈছে। ক্ষন্তেক ৰৈ, গণেশে ভাবিলে যে এইবোৰ আৰু ইয়াৰ আশে-পাশে থকা ঘৰবোৰেই অফিচ হব লাগিব। এবাৰ ভাবিলে সি অফিচলৈ সোমাই গৈ বাহিৰৰ বাৰণ্ডাৰ পৰাই চাবগৈ নেকি— কিজানি ক'ৰবাত চিনাকী মানুহ চকুত পৰেই। কিন্তু ভিতৰ সোমাবলৈ সাহ নকৰিলে। গতিকে সন্মুখৰ ৰাস্তাইদি ডি, পি, আই অফিচলৈ নামি যোৱা বাটেদি আগবাঢ়ি গ'ল। অলপ দূৰ নামি গৈযেই, অলপ ওখ-চাপৰত থকা দুটা ডাঙৰ ডাঙৰ দীঘল ঘৰ দেখিবলৈ পালে। ওচৰতে থকা এখন পাণ দোকানৰ পৰা তামোল এখন কিনি খাই, দোকানীৰ পৰাই জানি ল'লে যে তলত থকাটো ডি, পি, আই অফিচ আৰু ওপৰত থকাটো চাৰ্ভে অফিচ। সেইখিনিতে থিয় হৈ ইফালে সিফালে চাই তাৰপিচত এতিয়া কলৈ যাব তাকে ভাবিবলৈ ধৰিলে।

গণেশে দেখিলে যে আজি ওলাই অহা দেৰি হ'ল। সি অহাৰ আগে আগেই বেছিভাগ মানুহ নিজ নিজ অফিচত সোমাই গ'ল। আগতেই আহি এইখিনিতে ৰৈ থকাহি হলে, অফিচৰ প্ৰায় সকলো মানুহ দেখা পালে হেঁতেন আৰু ভাগ্য থাকিলে, তাৰমাজতে, হয়তো কোনোবা এজন চিনাকী মানুহ তাৰ চকুত পৰিল হেঁতেন। এইদৰে প্ৰত্যেক অফিচতে খাপ, দি

থাকিলে এদিন নহয় এদিন, সি কোনো চিনাকী মানুহ লগ পাবই। নাইবা বাটে-পথে, হাটে বজাৰে হলেও চিনাকী মানুহ লগ পোৱাৰ আশা আছে। কাৰণ, অসমৰ প্ৰত্যেক ঠাইৰ পৰা আহি ইয়াত চাকৰী কৰা মানুহ আছে। তাৰ উপৰিও ছিলঙৰ কোন কোন ঠাইত অসমীয়া মানুহ বাস কৰে, আৰু কোন কোন ঠাইত ডাঙৰ ডাঙৰ গধূলি একাৰ বহে, এইবোৰত ঘূৰি ফুৰিলে নিশ্চয় তাৰ উদ্দেশ্য সিদ্ধি হব। ইয়াকে ভাবি গণেশ, লাহে লাহে অহা বাটটিদি উলটি খোজ ল'লে। প্ৰথমে বাটত আহোঁতে গণেশে কিছুমান ঠাই চিন ৰাখি আহিছিল আৰু ঘূৰি আহোঁতে, সি অতি সাৱধানে, আগৰ চিনে চিনে, হোটেলমুৱা হৈ খোজ দিলে। হোটেলৰ ওচৰ পাওঁতেই, ওচৰতে থকা বাছ ষ্টেশনত সাধাৰণতে হৈ থকা গাড়ীৰ শব্দ, যাত্ৰীৰ চিঞৰ-বাখৰ ইত্যাদি হুলস্থুলবোৰ তাৰ কানত পৰিলহি। গণেশ হোটেলত নোসোমাই, বাহিৰে বাহিৰে বাছ ষ্টেশনলৈ গ'ল। মনলৈ ভাব আহিল--কিজানি, তাতো কোনোবা মানুহ লগ পাব পাৰে। আগদিনা গধূলি নামোতে, গণেশৰ সেইবোৰ কথালৈ কান দিবলৈ অৱসৰ নাছিল। এতিয়া বিশেষ আৱশ্যক নোহোৱা স্বত্বেও, সি তালৈ গ'ল। সি গৈয়েই দেখিলে যে ক'ৰবাৰ পৰা অহা এখন বাছৰ মানুহ নামিছে। কেওফালে হৈ-চৈ লৰা-ধাপৰা। গণেশ নমা যাত্ৰীবোৰলৈ চালে। চিনা-জনা মানুহ কাকো নেদেখিলে। ওচৰতে আন এখন বাছ যাত্ৰী লৈ যাবলৈ প্ৰস্তুত হৈ আছে। গণেশ বাছৰ যাত্ৰীবোৰ ভালকৈ চালে। নাই-কোনো নাই। অযাচিত এটা হুমুনিয়াহ ওলাই আহিল। অলপপৰ ইফালে-সিফালে চাই, হতাশ মনেৰে হোটেললৈ ঘূৰি আহিল।

ক্লান্ত আৰু অৱশ হৈ আহি, গণেশ নিজৰ বিচনাত বহি পৰিলহি আৰু লগে লগেই এটা দীঘল হুমুনিয়াহ ওলাই আহিল। নানা ভাৱ আৰু নানা চিন্তাই তাক চাৰিওফালে

বেৰি ধৰিলে। এবাৰ ভাৱিলে একো নভবা নিচিন্তাকৈ ছিলঙলৈ আহিবলৈ তাক কিহে পাইছিল। এতিয়া নিজৰ বিপদ সি নিজেই মাতি আনিলে। এই অচিন ৰাজ্যত তাক এতিয়া বিপদৰপৰা কোনে ৰক্ষা কৰিব। খন্তেক পিচত, সি আকৌ ভাবিলে যে সি নিজ ইচ্ছা মতেই ইয়ালৈ আহি এনে বিপদ মূৰ পাতি লৈছেহি। গতিকে, এনে অৱস্থাত, নিজেই নিজক উদ্ধাৰ নকৰিলে, আন কোনেও তাক ৰক্ষা কৰিবলৈ নাহে। তেনেহ'লে, এই কেইদিনমানৰ ভিতৰতেই সি কিবা এটা উপায় উলিয়াবই লাগিব, যাৰ দ্বাৰা সি নিজকে নিজে পৰিত্ৰাণ কৰিব পাৰিব। এতিয়া কি উপায় উলিয়াব, তাকে সি চিন্তা কৰিবলৈ ধৰিলে।

এইদৰে ভাবি থাকোঁতেই, গণেশক হোটেলত কাম কৰা ল'ৰা এটাই ভাত খাবলৈ মাতিলেহি। দুপৰীয়া ভাত কেটা খাই আহি, সি বিচনাত পৰিলহি। খন্তেক চিলমিলকৈ টোপনি আহাৰ পিচতে, সি চক্ খাই সাৰ পালে। আকৌ এক চিন্তাই তাৰ মনলৈ আহিল। এইদৰে বহি থাকিলে নচলিব বুলি ভাবি, গণেশ লাহেকৈ বিচনাৰ পৰা উঠিল আৰু কাপোৰ কানি পিন্ধি এফালে ওলাই গ'ল।

বহুপৰ ইফালে-সিফালে ঘূৰি-পকি, আবেলি তিনমান বজাত আকৌ আগৰেলা দেখি থোৱা অফিছবোৰৰ ওচৰলৈ গ'ল। সি ভাবিলে যে অফিচ ছুটীৰ পিছত মানুহবোৰ ওলাই আহিলে হয়তো কোনোবা চিনাকী মানুহ দেখিবও পাৰে। অলপ সময়ৰ পিচত, অফিচত কাম কৰা মানুহ বিলাক দুই-এজনকৈ ওলাই আহিছে। গণেশ এটা অফিচৰ মুখত থিয় হৈ মানুহ বিলাকক চাবলৈ ধৰিলে। তাৰ চকুৰ আগেদিয়েই দুই-চাৰিটাকৈ মানুহখিনি ওলাই গ'ল। কিন্তু কোনো পৰিচিত লোক দেখা নেপালে। হতাশ মনেৰে সি ঘূৰি আহিল।

এইদৰে একেৰাহে কেইবাদিনো ধৰি, বেলেগ বেলেগ অফিচৰ মুখে মুখে, অফিচলৈ অহা আৰু অফিচ ছুটীৰ সময়ত

খাপ, দি চাই চাই, গণেশে কাকো লগ নাপালে। গধূলি সময়ত হোটেলৰ কাৰণে বজাৰ কৰা মানুহৰ লগত পুলিচবজাৰ হৈ বৰ-বজাৰলৈ গ'ল। উদ্দেশ্য সেই একেটাই। কিন্তু তাৰ উদ্দেশ্য সিদ্ধি নহ'ল। বেজাৰ মনেৰে সি হোটেললৈ ঘূৰি আহিল।

চাওঁতে চাওঁতে, এসপ্তাৰ পাৰ হৈ গ'ল। হোটেলত থক-খোৱাৰ খৰছ হিচাপ কৰি দেখিলে যে সি এমাহ থাকিবলৈও তাৰ খৰছ মুজুৰি বাগ। খৰছৰ অভাৱত, তাৰ আগাতেই সি ছিলঙৰপৰা গুচি যাব লাগিব। কিন্তু, ক'লৈ? আনহাতে, হাতত থকা টকাকেইটা শেষ হ'লে সি কৰিব কি?—ইত্যাদি কথাবোৰ ভাবি তাৰ বুকুখন কঁপিবলৈ ধৰে আৰু মুহূৰ্ত্তৰ কাৰণে সি বিচালত হৈ পৰে।

এদিন গধূলি, উদ্দেশ্য বিহীন হৈ, পুলিচ জাৰেদি বৰ-বজাৰলৈ বুলি, ৰাস্তাৰ ইফালে-সিফালে চাই চাই, লাহে লাহে নামনি বাটেদি গৈ আছে। ঠিক এনেতে, বৰ-বজাৰৰপৰা ঘূৰি অহা এজন প্ৰায় ত্ৰিশ বছৰীয়া ডেকা ল'ৰাৰ চকুৰে চকুৰে পৰিল। মুহূৰ্ত্তৰ কাৰণে থমকি ৰৈ, ডেকাজনে গণেশলৈ চাই সুধিলে— তোমাক চিনিপাওঁ, চিনি পাওঁ যেন লাগিছে। তুমি আহিছা ক'ৰপৰা?

কথাটো শুনি যেই গণেশৰ গোটেই গাটো জিকাৰ খাই উঠিল। সি যেন হাতত সৰগ ঢুকি পালে।

মিছিকৈকৈ হাঁহি এটা মাৰি গণেশে ক'লে— হয় দাদা, ময়ো আগতে আপোনাক দেখা যেন লাগিছে। আপুনি শিৱসাগৰৰ হাইস্কুলত পঢ়া নাছিল জানো? ময়ো তাতেই পঢ়িছিলো। মোৰ ঘৰ দিচাংমুখৰ মথাউৰিৰ কাষত।

—ঠিকেই ধৰিছা। তোমাৰ নাম গণেশ শইকীয়া নহয় জানো? তুমি বছেৰেকীয়া পৰীক্ষাত ফাৰ্ষ্ট, চেকেণ্ড হৈ প্ৰাইজ পাইছিলা। হয়নে নহয়? ডেকাজনে সুধিলে।

—হয় দাদা। আপোনাৰ মনত আছে দেখিছো—লাহেকৈ কৈ গণেশে তলমূৰ কৰিলে।

—বাৰু, তুমি কেতিয়া আহিলা আৰু ক'ত আছাহি ?

—আজি এসপ্তাহমান হ'ল দাদা। এই অসম হোটেলতে আছোহি।

—কিয়নো আহিলা ইয়ালৈ ?

—আহিলোঁ দাদা, কিবা কাম-চাম এটা বিচাৰি।

—তুমিনো কি পাচ কৰিলা ?

অলপপৰ তলকামাৰি ৰ'ল গণেশ। তাৰ পিচত, মুৰ তুলি বেজাৰ মনেৰে ক'লে—দাদা, আজি দুবছৰৰ আগতে ফাষ্ট' ডিভিজনত মেট্ৰিক পাচ কৰিলোঁ। কলেজলৈ যাবলৈ ঘৰৰ অৱস্থা নাই। দুবছৰ ঘৰতে থাকি পিচত অৱস্থাই বাধ্য কৰিলে ঘৰৰ পৰা ওলাই আহিবলৈ। এসপ্তাহ ইয়াতে এনেয়ে ঘুৰি ফুৰিছোঁ। আজি ভাগ্যক্ৰমে আপোনাক লগ পালোঁ। আপুনি মোক কিবা এটা উপায় দিয়ক, দাদা। নহ'লে, মই জীয়াই থকাই টান হৈ পৰিছে। যি কোনো সৰু-সুৰা চাকৰী পালেই মই কৰিম।

এইবুলি গণেশ তলমূৰ কৰি ৰ'ল। ডেকাজনে দেখিলে যে গণেশৰ চকু দুটা ধুল-ধুলীয়া হৈ পৰিছে আৰু লগে লগে দুই এটোপাল চকুপানীও মাটিত পৰিছে। ডেকাজনৰ গণেশলৈ পুতৌ লাগিল।

অলপপৰ গণেশৰ মুখলৈ চাই থাকি, ডেকাজনে সুধিলে— বাৰু, তোমাৰ ঘৰত কোন কোন আছে ?

গণেশ জিকাৰ খাই উঠিল। এতিয়া গোটেইবোৰ ঘৰৰ কথা ওলাই পৰিব। তথাপি, কবই লাগিব। উপায় নাই।

ইয়াকে ভাবি, চকু দুটা মচি, ডেকাজনলৈ চাই কলে— দাদা, ঘৰত মোৰ দেউতা আৰু মাহী আই আছে। ঘৰখনত মইয়ে ডাঙৰ। মা নাই, সৰুতে ঢুকাল।

এইবুলি গণেশে আকৌ তলমুৰ কৰিলে। ডেকাজনৰ বুজিবলৈ বাকী নেথাকিল যে মাহী মাকৰ কাৰণেই সি ঘৰ এৰিব লগা হ'ল। সকতে মাক মৰা ল'ৰা-ছোৱালীবোৰ যে কিমান দুৰ্ভগীয়া, সি নিজেই ভুক্তভোগী। গতিকে, গণেশৰ দুখ লগা অৱস্থা দেখি, ডেকাজনৰ বৰ দুখ লাগিল আৰু পৰাপক্ষত গণেশক কিবা এটা সহায় কৰিবলৈ মনতে ভাবিলে।

অলপপৰ কিবা এটা চিন্তা কৰি ডেকাজনে কলে—বাৰু, গণেশ।

—কি দাদা— বুলি গণেশে মূৰ তুলি চালে।

—তুমি ডি, পি, আই, অফিচটো চিনি পোৱানে ?

—হয় দাদা, চিনি পাওঁ। মই এদিন গৈছিলো তালৈ।

—তেনেহলে ভালেই হল। তুমি কালিলৈ দহটামান বজাত ডি, পি, আই, অফিচলৈ যাবা। মই তাতে কাম কৰো। মোৰ নাম মহেন্দ্ৰ ফুকন। অফিচলৈ গৈ বাহিৰত থকা যি কোনো চাপ্ৰাচীক সুধিলেই মই থকা কোঠাটো দেখুৱাই দিব। তেতিয়া বাৰু মই তোমাৰ লগত কথা হ'ম।

এইবুলি কৈয়েই ডেকাজনে আগলৈ খোজ দিলে। গণেশে ডেকাজনলৈ একেথৰে চাই থাকিল।

গণেশ আৰু আগবাঢ়ি নগল। মহেন্দ্ৰ ফুকনৰ কথাকে ভাবি ভাবি আহি হোটেল পালেহি। আজি আকস্মিক ভাৱে চিনাকী মানুহজন লগ পোৱাত তাৰ মনটো বৰ ভাল লাগিল। তাৰ মনলৈ ভাব আহিল যে কেতিয়াবা বহুদিন ধৰি অশেষ কষ্ট কৰি বিচাৰি ফুৰিলেও, বিচৰা বস্তুটো নাপায়। কিন্তু, কেতিয়াবা নিবিচাৰিলেও, আকস্মিক ভাৱে বিচৰা বস্তুটো আগতে ওলায় দিয়েহি। মুঠতে, আজিৰ দিনটো তাৰ কাৰণে ভাল বুলিয়েই ধৰি লব লাগিব। পিচদিনা বা কি ফলাফল হয়গৈ, সেইটো কব নোৱাৰি। তথাপি, মানুহ আশাবাদী। কিজানি, তাৰ দিন

ভালদৈ আহিব পাৰে। ইয়াকে ভাবি গণেশে নিজকে নিজে শান্তনা দিলে আৰু পিচদিনা ডেকাজনক লগ ধৰিবলৈ উৎকণ্ঠিত হৈ থাকিল।

পিচদিনা গণেশে দাহাটা বজাৰ আগতেই ডি, পি, আই, অফিচৰ সমুখত থিয় হৈ, অতি উৎকণ্ঠিত হৈ, মহেন্দ্ৰ ফুকন অহালৈ বাট চাই থাকিল। অলপ পিচতেই দুই চাৰিজন মানুহ অফিচলৈ আহিছে। ক্ৰমাৎ, অফিচলৈ অহা মানুহৰ ভীৰ বাঢ়িছে আৰু ইমানপৰ নিস্তব্ধ হৈ থকা অফিচৰ কোঠাবোৰত কৰ্ম্ম তৎপৰতা বাঢ়িব ধৰিছে। দাহাটা বাজিবলৈ আৰু কেইমিনিট-মানহে আছে। ইমান পৰলৈকে মহেন্দ্ৰ ফুকনক অহা নোদেখি, গণেশে উচ-পিচাই আছে। ঠিক এনেতে, অলপ দূৰত, ফুকনক অফিচৰ ফালে বেগা-বেগিকৈ অহা দেখি, গণেশৰ মনটো আনন্দত নাচি উঠিল।

ওচৰ পাওতেই গণেশে—অ', দাদা আহিল—বুলি নমস্কাৰ দিলে। ফুকনেও প্ৰতি নমস্কাৰ দি, গণেশক লগতে নি, অফিচৰ মাজৰ বাটটোৰ কাষতে থকা এখন বেঞ্চত বহিবলৈ দি ক'লে—তুমি খন্তেক ইয়াতে বহা। এটা অফিচত কিবা এটা খবৰ কৰি, পিচত তোমাক মাতি লৈ যামহি। এই বুলি ফুকনে নিজৰ অফিচত সোমাই, কিছুপৰ থাকি ওলাই আহি, আকৌ আন ফালে ওচৰতে থকা আন এটা অফিচত সোমালগৈ। তাত কিছুপৰ থাকি, এইবাৰ পোনে পোনেই গণেশৰ ওচৰলৈ আহি, তাক একাষৰীয়াকৈ মাতি নি, লাহেকৈ ক'লে—বাৰু গণেশ। তুমি অসমীয়া প্ৰাইমাৰী স্কুলৰ পণ্ডিত কাম কৰিবানে?

—কৰিম দাদা, ক'ত আছে?—আনন্দত উত্ৰাৱল হৈ গণেশে ক'লে।

—এই ওচৰতে মুল্‌কী নামে ঠাইত এখন নতুন অসমীয়া প্ৰাইমাৰী স্কুল খুলিব। তালৈকে দুজনমান সহকাৰী শিক্ষক লাগে।

দৰখাস্ত কৰাৰ আজিয়েই শেষ দিন। সেই কাৰণে, যদি তুমি ইচ্ছা কৰা, তেনেহ'লে আজিয়েই দৰখাস্ত এখন দিব লাগিব। ভাগ্যত থাকিলে হয়তো পায়ো যাব পাৰা। মই ভাবোঁ, যদি তুমি পোৱা, তেনেহ'লে এইটো কামকে কৰা বেয়া নহ'ব। কাৰণ তুমি ইয়াতে খোপনি লৈ, ওপৰলৈ যাবলৈ চেষ্টা কৰি থাকিব পাৰিবা। নহয় জানো বাৰু ?

—নিশ্চয় দাদা।—আগ্ৰহেৰে গণেশে ক'লে। এইটো কাম পালে মোৰ ডাঙৰ ভাগ্য বুলি ভাবিম। তাৰ পিচত, কপালত যি আছে হ'ব। এইটো কাম দিয়াব পাৰিলে আপুনি মোৰ ঈশ্বৰ হ'ল দাদা।

—বাৰু তুমি খন্তেক বহা। মই এখন দৰখাস্ত লিখি দিওঁ। তুমি সেইখনকে 'কপি' কৰি মোৰ ওচৰলৈ আনিবা। তাৰ পিচত যি হয় কৰিম।

এই বুলি ফুকনে নিজৰ অফিচলৈ গৈ লৰালৰিকৈ এখন দৰখাস্ত লিখি আনি, আন এখন চাদা কাগজৰে সৈতে গণেশৰ হাতত দিলেহি। তেতিয়া গণেশে মানুহ বহা এটা সুকীয়া কোঠাৰ এচুকত নিজৰ দৰখাস্তখন লিখি আকৌ ফুকন থকা কোঠালৈ গ'ল। তেতিয়া ফুকনে ধুনীয়া আখৰেৰে লিখা দৰখাস্তখন দেখি ভাল পালে আৰু তেতিয়াই গণেশক লগত লৈ ডি, আই, অফিচলৈ গৈ দৰখাস্তখন গণেশৰ হতুৱাই ডি, আইৰ হাতত দিয়ালে আৰু লগে লগে গণেশৰ ছুটা লেটাৰ পাই ফাৰ্ষ্ট ডিভিজনত পাচ কৰা 'মাৰ্ক লিষ্ট'খনো ডি, আইক দেখুৱালে। ডি, আইয়ে গণেশৰ মাৰ্কলিষ্টখন চাই, অসমীয়া আৰু অঙ্কত লেটাৰ পোৱা দেখি, এটি মিছিকীয়া হাঁহিৰে গণেশলৈ চাই ক'লে—অ, বে'চ। শিক্ষকৰ কাৰণে উপযুক্ত হ'ব। বাৰু, অহা মঙ্গলবাৰে দহটা বজাত এই অফিচতে দৰখাস্তকাৰীসকলক সাক্ষাৎ লোৱা হ'ব। তুমি সেইদিনা আহিবা। এতিয়া বাৰু যোৱা।

গণেশ ওলাই আহিল। তাৰ পিছত, ডি, আইয়ে মহেন্দ্ৰ ফুকনৰ লগত গণেশৰ বিষয়ে কিছু আলোচনা হ'ল। ফুকনে, ডি, আইক, গণেশ যে স্কুলত এজন মেধাবী ছাত্ৰ আছিল, সেই বিষয়ে কৈ চাকৰী এটা গণেশক দিবলৈ অনুৰোধ কৰিলে। ডি, আইৰ আশ্বাস পাই, ৰঙমনে ফুকন ওলাই আহিল আৰু গণেশক পঠাই দি নিজৰ অফিচত সোমালগৈ। ইফালে, গণেশেও ৰঙমনেৰে হোটেললৈ বুলি খোজ ল'লে।

গণেশে ভাবিলে—আজি বুধবাৰ। অহা মঙ্গলবাৰলৈ আৰু ছ-দিন আছে। সেইদিনালৈকে হোটেলত থকা প্ৰায় পোন্ধৰ দিন হ'ব। তেতিয়ালৈকে হোটেলৰ খৰছ দি আৰু বেচি পইচা হাতত নেথাকিবগৈ। যদি চাকৰিটো হয় ভালেই। যদি নহয় তেনেহ'লে সি খৰছৰ অভাৱতেই ইয়াৰপৰা গুচি যাব লাগিব। তেতিয়া তাৰ কি গতি হ'ব? সি কলৈ যাব বা কি কৰিবগৈ—ইত্যাদি কথাবোৰ ভাবি, গণেশ আহি হোটেল পালেহি।

এই ছ-টা দিন গণেশৰ নেথায়-নুপুৱাই লাগিল। ঘূৰি মঙলবাৰে সি দহ বজাৰ আগেয়েই ডি, আই, অফিচত হাজিৰ হ'লগৈ। প্ৰাৰ্থী বৰ বেছি নাছিল। কেওজনৰে সাক্ষাৎ হ'ল। দুদিনৰ পিচত ফুকনৰ যোগেদি, গণেশে কামটো পোৱা খবৰ পালে। খবৰটো পায়েই, গণেশে নবালৰিকৈ গৈ ফুকনক কৃতজ্ঞতা জনালেগৈ। সি এটা দীঘল স্বস্তিৰ নিশ্বাস পেলালে।

দুই-এদিন পিচতে গণেশে মুলকী স্কুলত জইন কৰিলেগৈ। এজন কোমল বয়সীয়া ডেকা ল'ৰা দেখি স্কুলৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীবোৰ অলপ আচৰিত হৈছিল। পিচলৈ দেখি দেখি সেইবোৰ ভাব নাইকীয়া হ'ল।

গণেশে দেখিলে যে তাৰ জীৱনৰ এটা ভাঙৰ সংস্থান

হ'ল। তাৰ বিদ্যা অনুসৰি সি এটা ভাল চাকৰীয়ে পাইছে। ইয়াতে খোপনি পিতি, সি লাহে লাগে উন্নতি কৰিবলৈ চেষ্টা কৰি যাব। এই কামত সহায় কৰাৰ কাৰণে মহেন্দ্ৰ ফুকনৰ প্ৰতি ভক্তি আৰু কৃতজ্ঞভাৱে গণেশৰ অন্তৰ উপচি পৰিল।

এতিয়া আন এটা ডাঙৰ সমস্যাই গণেশক দেখা দিলেহি। স্কুলত যি কেইটা দৰ্মহা পাব, তাৰে হোটেলত থকা খৰছটোৰে নুকুলাবগৈ। তেনেহ'লে, সি এতিয়া কি কৰিব? হয় সি হোটেল এৰি দি, কম খৰছত চলিব পৰাকৈ আন এঠাইত থাকিবগৈ লাগিব, নহয় —যদি হোটেলতে থাকিব লগা হয়, তেনেহ'লে দৰ্মহাৰ উপৰিও, আন কিছু টকা সি উপাৰ্জ্জন কৰিব লাগিব—যিটো কথা বৰ্ত্তমান তাৰ কাৰণে অসম্ভৱ যেন লাগিছে। গতিকে, গণেশে ভাবি গুণি ঠিক কৰিলে যে, দৰ্মহাটো নোপোৱালৈকে সি এই কেইদিন হোটেলতে থাকিব আৰু লগে লগে স্কুলখনৰ ওচৰতে ক'ৰবাত বৰষুণ নপৰা এটা জুপুৰি ঘৰ হ'লেও, তাতেই থাকিবগৈ লাগিব। কাৰণ এইকেইটা টকাৰে হোটেলত সি কোনোমতেই থাকিব নোৱাৰে। আনহাতে, সি জীৱনত কঠোৰ সংগ্ৰাম কৰিবলৈ ওলাই আহিছে যেতিয়া, যি কোনো সমস্যাৰ সন্মুখীন হ'বলৈ সি দৃঢ় প্ৰতিজ্ঞ। ইয়াকে ভাবি গণেশে তলে তলে দুটা কথা অনুসন্ধান কৰিবলৈ ধৰিলে। তাৰ এটা হ'ল—ক'ৰবাত সৰু সৰু ল'ৰা-ছোৱালী পঢ়াবলৈ এটা টিউচন পায়নেকি, আনটো হ'ল—স্কুলৰ ওচৰতে তেনেই কম ভাৰাত থাকিবলৈ এটা সৰু কোঠা। এই দুটা বস্তু যোগাৰ কৰি ল'ব পাৰিলেই সি তাৰ জীৱনৰ সংগ্ৰাম চলাই যাব পাৰিব।

গণেশে স্কুলৰ ল'ৰা ছোৱালীবোৰক খুব যতনকৈ পঢ়াবলৈ ধৰিলে। সি সৰলভাৱে নিজৰ কৰ্ত্তব্য কৰি যায়। কোনো কথাত ফাঁকি নিদিয়ে। সদায় ঠিক সময়ত স্কুললৈ যায় আৰু ঠিক সময়ত স্কুলৰ পৰা

আছে। সময়ত গণেশ এজন 'ভাল মাষ্টৰ' বুলি ইটোৱে-সিটোৱে কোৱা কুই কৰিবলৈ ধৰিলে। অলপ দিনৰ পিচতে, গণেশে গধূলি এটা টিউচন যোগাৰ কৰি ল'লে। কিন্তু, গণেশে এতিয়াও নিজে সুকীয়াকৈ থাকিবলৈ, নিচেই কম ভাৰাতে এটা সৰু ঘৰ বা কোঠা ঠিক কৰিব পৰাই নাই। সিফালে দৰ্ম্মহা আৰু টিউচনৰ টকাৰে হোটেল খৰছটো দি, দুই-চাৰি টকাহে বাচেগৈ। স্কুলৰ ওচৰতে থকা ব্যৱস্থা এটা কৰি ল'ব নোৱাৰাটৈকে, গণেশ এতিয়া দুখে-কষ্টে হোটেলত থকাটোকে সিদ্ধান্ত কৰিলে।

হঠাৎ বিজুলীৰবেগেৰে এটা ভাব গণেশৰ মনলৈ আহিল।

তাৰ জীৱনৰ লক্ষ্য আছিল—উচ্চ-শিক্ষা লাভ কৰা—তাৰ মানে বি, এ, পাচ কৰা আৰু পিচলৈ পাৰিলে এম, এ, পাচ কৰা। আন হাতে, সি এতিয়াও নিজকে থিতাপি লগাব পৰা নাই। তাৰ জীৱন সংগ্ৰামৰ ই এটা প্ৰধান লক্ষ্য। গতিকে, সি এতি-যাৰ পৰাই আৰম্ভ কৰিব লাগিব। কলেজত নাম লগাই পঢ়াৰ ক্ষমতা তাৰ নাই। আনহাতে ঘৰতে প্ৰাইভেটকৈ পঢ়ি পৰীক্ষা দি উপাধি লাভ কৰা দৃষ্টান্ত অলেখ। গতিকে সিও তাকেই কৰিব লাগিব। যত্নৰ অসাধ্য একো নাই। সি এতিয়াৰপৰাই আই, এ, পৰীক্ষাৰ কাৰণে কিতাপ পত্ৰ গোটাই লৈ আজৰি সময়ত একান্তমনে পঢ়িবলৈ লাগি গ'ল।

গণেশে দেখিলে যে হোটেলত পঢ়াৰ বাতাবৰণ নাই, দিন-ৰাতি হোটেললৈ অহা-যোৱা মানুহৰ খিটখিটনি, চিঞৰ-বাখৰ লৰা-ধাপৰা, ইত্যাদি নানা কাৰণত সদায় এটা নহয় এটা গণ্ডগোল আছেই। গতিকে ভালকৈ পঢ়া-শুনা কৰিবলৈ হলে তাক এডোখৰ নিৰিবিলি ঠাই লাগিব। য'ত সি নিশ্চিন্তমনে পঢ়িব পাৰে। ইয়াকে ভাবি গণেশে স্কুলৰ আশে-পাশে ক'ৰবাত এটা জুপুৰি ঘৰ হ'লেও তাতে থাকিবলৈ মনস্থ কৰি, তলে তলে অনুসন্ধান কৰিব ধৰিলে।

আনহাতে, গণেশে আকৌ ভাবিলে যে সুকীয়াকৈ থাকিবলৈ হলে তাৰ বহুত বস্তুৰ প্ৰয়োজন হব, যেনে—বাচন-বৰ্ত্তণ চকী-মেজ, পালেং, দা-কটাৰী ইত্যাদি নানা খুহু-খাহু বস্তু। তাৰ ওপৰিও, ঘৰ ভাৰা, নিজে ৰান্ধি বাঢি খোৱা আদি কামত তাৰ বহুত সময় অবাবত যাব। বিশেষকৈ ভাত ৰন্ধা কামটো বৰ টান কথা। কথাতে কয় বোলে—'মতাৰ ভাত ৰন্ধা, মাইকীৰ গৰু ৰখা' ইযাতকৈ টান কাম নাই। তথাপি, আৱশ্যক হলে সেইবোৰ কাম কৰিবই লাগিব। কিয়, আজি কালি বহুত ডাঙৰ মানুহে নিজে ভাত-পানী ৰান্ধি, অফিচ-কাছাৰীলৈ যায়। তেনে-হলে সিও পাৰিব। অৱশ্যে, প্ৰথমে কিছু অসুবিধা লাগিব। পিচলৈ সহজ হৈ যাবগৈ। কিন্তু, তাৰ এই লাগতিযাল বস্তুবোৰ কিনিবলৈকে বহুত পইচা লাগিব। এইবোৰ লবলৈও টকা-পইচা গোটাব লাগিব। তেতিয়াহে যদি সুকীয়াকৈ থকাৰ কথাটো ভাবিব পাৰি। তথাপি, যিমান সোনকালে পৰা যায়, বেলেগে থকা ব্যৱস্থা কৰিবই লাগিব। আৰু তাৰ কাৰণে সকলো বাধা-বিঘিণি, অসুবিধা ইত্যাদিবোৰ অতিক্ৰম কৰিবলৈ সি প্ৰস্তুত আছে।

চাওঁতে চাওঁতে চিলঙলৈ অহা তিনিমাহ হৈ গল। সেই দিনা দেওবাৰ। জিৰণিৰ দিন। ৰাতিপুৱা চাহটোপা খায়েই গণেশে কিতাপ এখন হাতত ললে। হঠাৎ তাৰ মনলৈ আহিল—অতীত জীৱনৰ কাহিনীবোৰ—সেই ফাগুণী—যাক কেন্দ্ৰ কৰি তাৰ জীৱনত ইমানবোৰ লটি-ঘটি। কিন্তু, তাৰ কাৰণে ফাগুণীৰ গাত কোনো দোষ নাই। ফাগুণীৰ কাৰণে তাৰ মনত বৰ দুখ লাগিছে। ফাগুণীয়ে ছাগে এতিয়া কি ভাবিছে? এইবোৰ দেখি শুনি তাই ছাগে নীৰবে চকুলো টুকিছে। তাৰ পিচত, মুহূৰ্ত্ততে মনলৈ আহিল ভনীয়েকৰ কথা। গণেশৰ গাটো জিকাৰ খাই আহিল। ইমান দিনে ভনীয়েকলৈ সি এখন চিঠিও দিয়া নাই। ভনীয়েকে

তাৰ কাৰণে ছাগৈ কিমান দুখ কৰি আছে। সঁচাকৈয়ে তাৰ বৰ অন্যায় হৈছে ভনীয়েকলৈ খবৰ নিদিয়াটো। কিতাপখন থৈ গণেশে লৰালৰিকৈ ভনীয়েকলৈ এখন চিঠি লিখিলে। চিঠিত তাৰ বৰ্তমান অৱস্থাৰ কথাখিনি মোটামুটিকৈ জনাই, শেষত বৈনাযেকৰ বাহিৰে, সি ক'ত আছে, কি কৰিছে—ইত্যাদি কোনো কথা কাকো নক'বলৈ ভনীয়েকলৈ টানি লিখিলে। চিঠিখন সি নিজেই ডাকঘৰত দি আহিলগৈ।

ইবিলাক কামৰ লগতে গণেশে আই, এ, পৰীক্ষাৰ কাৰণে সাজু হোৱাটোও তাৰ দৈনিক কামৰ লগত ধৰি ল'লে। পৰীক্ষাৰ কাৰণে এখন এখনকৈ আটাইখিনি লাগতিয়াল কিতাপ সংগ্ৰহ কৰি, আজৰি সময়ত পঢ়িবলৈ ধৰিলে। মাহৰ শেষত তাৰ যি দুই-চাৰিটকা হাতত থাকে, তাৰে কিতাপ-পত্ৰ আদিত খৰছ কৰে। প্ৰত্যেক বিষয়ৰ কিতাপখিনি দুই-তিনিবাৰকৈ পঢ়াৰ পিচত গণেশে বিশ্ববিদ্যালয়ৰ আগতে হৈ যোৱা প্ৰশ্নো-ত্তৰৰ কিতাপখনো কিনি আনি, সেই পৰীক্ষাৰ প্ৰশ্নবোৰ আৰু তাৰ উত্তৰ বিলাকৰ ধৰণ-কৰণবোৰ বুজিবলৈ চেষ্টা কৰিলে। কেতিয়াবা টান টান প্ৰশ্নৰ উত্তৰবোৰ গণেশে নিজেই বহীত লিখি যায়। এইদৰে পঢ়া আৰু লিখা দুযোটা অভ্যাস সমানে চলাই যাবলৈ ধৰিলে। কাৰণ সি জানেযে পঢ়াৰ পিচত লিখা কামটোও লগে লগে কৰি গ'লে পৰীক্ষাত খৰতকীয়াকৈ নিৰ্ভুল উত্তৰ লিখি যাব পাৰি। পৰীক্ষালৈ সাজু হোৱা এইটো অতি আবশ্যকীয় অভ্যাস। গণেশে ইয়াৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰি গৈছিল। আনহাতে বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰি, প্ৰাইভেটকৈ আই, এ, পৰীক্ষা দিবলৈ সকলো প্ৰস্তুত কৰি ৰাখিলে।

মুলকীলৈ উঠি যোৱা বাটটোৰ কাষতে, গড়খাৰৈৰ তলত এটুকুৰা সমান ঠাইত স্কুল ঘৰটো সজা হৈছে। ঘৰটোৰ

সিমূৰে পাহাৰৰ পৰা নামি অহা এটি সৰু জুৰি বৈ গৈছে। জুৰিটোৰ গাতে লাগি থকা সিফালে আকৌ পাহাৰলৈ উঠি যোৱা থিয় গড়া। স্কুললৈ অহা সৰু সৰু ল'ৰা-ছোৱালীবিলাক, কিছুমান ৰাস্তাৰপৰা থিয় গড়াইদি স্কুললৈ নামি যায় আৰু কিছু-মানে সিফালে দলংখনেদি পাৰ হৈ সৰু এটা ৰাস্তাইদি আহে। ইফালে মানুহ, মটৰ আদি যোৱা ঘাই ৰাস্তাই দি উঠি গৈ এটা ডাঙৰ ঘৰ পায়গৈ। তাৰ সিফালে আৰু মটৰ যোৱা ৰাস্তা নাই। তলৰ পৰা খোজ কাঢ়ি যোৱা মানুহে এই ঘৰটো পায়গৈ মানে, তাৰ বুকুখন ধপ্‌ধপাবলৈ ধৰে। ফোপাই-জোপাই অলপ সময় থাকিহে কথা ক'বলৈ বা ইফালে-সিফালে যাবলৈ সমৰ্থ হয়। এই ঠাইৰ পৰা এটা সৰু লুঙ্‌-লুঙীয়া বাটেদি গৈ খাছীয়ালোকৰ কেইটামান ঘৰ পাযগৈ। তাৰে এটা ঘৰৰ সৰু কোঠা এটা ভাৰা লৈ গণেশে থাকিবলৈ ল'লে।

হোটেলৰপৰা আহি গণেশে নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিলে। তাৰ উপৰিও, ৰন্ধা-বঢ়া আদি কামবোৰ নিজেই কৰিব লগা হোৱাত তাৰ কৰ্ম-ব্যস্ততা আৰু বাঢ়িল। আনহাতে, হোটেলৰপৰা ইমান দূৰ বাট উঠা-নমাকৈ অহা-যোৱা কৰোঁতে তাৰ ভালেখিনি সময় গৈছিল। এতিয়া সেইখিনিৰ-পৰা সি ৰেহাই পালে আৰু বিশেষকৈ, পঢ়া-শুনা কৰিবৰ কাৰণে ভাল এটা পৰিবেশ পালে আৰু লগে লগে স্কুলখনলৈও তেনেই ওচৰ হৈ পৰিল।

মাজে মাজে গণেশে নিজৰ জীৱনটোৰ কথা ভাবি এটা দীঘল হুমুনিয়াহ কাঢ়ে। সি ক'ত আছিল—ক'লৈ আহিল—আৰু এতিয়া কি পৰিবেশৰ মাজত সোমাই পৰিছেহি আৰু আগলৈও বা কি পৰিবৰ্ত্তন ঘটে—ইত্যাদি কথাবোৰ ভাবি সি তন্ময় হৈ পৰে। গণেশে আকৌ ভাবিলে যে এই পৃথিৱীখনেই এখন ডাঙৰ যুদ্ধ ক্ষেত্ৰ। নিজে বৰ্ত্তি থাকিবৰ কাৰণে প্ৰত্যেকেই

এই যুদ্ধ ক্ষেত্ৰত নামিব লাগিব। ইযাৰপৰা অব্যাহতি কোনেও নেপায়। অৱশ্যে প্ৰত্যেক মানুহৰে যুদ্ধ-ক্ষেত্ৰ বেলেগ বেলেগ। এই জগতৰ কোটি কোটি মানুহে জীযাই থাকিবলৈ সংগ্ৰাম কৰিছে। নিজেই তাৰ ভিতৰৰে এটা। গতিকে সিও সংগ্ৰাম চলাই যাব লাগিব। ইযাৰ গত্যন্তৰ নাই।

পৰীক্ষালৈ আৰু বেছি দিন নাই। নিজৰ কৰ্ত্তব্য কৰিও আজৰি সময়ত যিমানদূৰ পাৰে, পঢ়া-শুনা কৰিবলৈ ধৰিলে। ৰাতি বাৰটালৈ পঢ়ে আৰু খুব ৰাতিপুৱাই উঠি টিউ-চনলৈ যোৱাৰ আগলৈকে সি দুই-এঘণ্টা পঢ়ে। পৰীক্ষা দিবগৈ লাগিব গুৱাহাটীত। পৰীক্ষাৰ দুদিনৰ আগতে স্কুলৰপৰা এসপ্তাহ ছুটি লৈ গুৱাহাটীলৈ গ'ল। এটা হোটেলত থাকি পৰীক্ষা দিলেগৈ। পৰীক্ষা শেষ হোৱাৰ দিনাই পিছ বেলা গণেশ ছিলঙলৈ উভটিল। পৰীক্ষা দি আহি তাৰ মনটো বহুত পাতলিল আৰু ভাবিলে যে তাৰ পৰীক্ষা ভালেই হৈছে, সি ভালকৈ পাচ কৰিব লাগে। পিচ-দিনাই আকৌ স্কুলত জইন, কৰিলেহি।

পৰীক্ষাৰ খবৰ নোলোৱালৈকে এই কেইদিন এনেয়ে গণেশে এঠাইত টাইপ,-ৰাইটিং শিকিবলৈ ল'লে। দুমাহ একেৰাহে শিকি, পিছত পৰীক্ষা দি পাচ কৰি, এখন চাৰ্টি-ফিকেট লৈ থলে। সি ভাবিলে যে এই চাৰ্টিফিকেটখন আগলৈ বহুত কামত আহিব।

তেতিয়াৰ দিনত আই, এ, পাচ কৰিলেই ছিলঙৰ যি কোনো অফিচতে কেৰাণী কামৰ কাৰণে উপযোগী হয়। ইতি-মধ্যে গণেশে অফিচবোৰত তেনে কাম খালি হৈছেনেকি, তলে তলে খবৰ কৰিবলৈ ধৰিলে আৰু তাৰ চিনাকী মহেন্দ্ৰ ফুকনকো এই বিষয়ে কৈ থ'লে। এদিন এই ফুকনেই খবৰ দিলে যে চেক্ৰেটৰী অফিচত কেইটামান কেৰাণীৰ কাম খালি হৈছে। খবৰ

পায়েই গণেশে লৰাল্ৰিকৈ স্কুকনৰ পৰামৰ্শ লৈ, নিজেই দৰখাস্ত টাইপ কৰি যথাস্থানত দিলেগৈ। ইফালে পৰীক্ষাৰ খবৰৰ কাৰণে তাৰ মনটো দিপ্‌দিপাই থাকিল। আনহাতে সি কেৰাণী কামৰ পৰীক্ষাৰ কাৰণে সাজু হ'ল আৰু দুই-এখন বাছিবা দৰকাৰী কথা থকা কিতাপ আনি পঢ়িবলৈ ধৰিলে। কেতিয়াবা লাইব্ৰেৰীলৈ গৈয়ো খবৰ কাগজ বা আন আলোচনী পঢ়েগৈ।

অলপ দিনৰ পিচতে পৰীক্ষাৰ খবৰ ওলাল। গণেশে প্ৰথম বিভাগত পাচ কৰিছে। খবৰটো পায়েই তাৰ মন আনন্দত নাচি উঠিল। বহুত দিনৰ মূৰত তাৰ ওঁঠত হাঁহি বিৰিঙিল। কিন্তু পিছ মুহূৰ্ত্ততে তাৰ মনলৈ আহিল অতীত জীৱনৰ কাহিনী বোৰ। সি আজি ক'লৈ আহি কি পৰিৱেশত থাকি আই, এ, পাচ কৰিলেহি। গণেশে এটা দীঘল হুমুনিয়াহ পেলালে। সি আকৌ ভাবিলে যে বহুত দিনৰ মূৰত হ'লেও আংশিক হিচাবে তাৰ জীৱনৰ লক্ষ্যত এখোজ আগবাঢ়িছে। বাকী বি, এ, আৰু পিচলৈ এম, এ, পাচ কৰিবলৈ সি এইদৰেই যত্ন কৰি যাব। ইফালে গণেশে প্ৰথম বিভাগত পাচ কৰা খবৰটো যথাস্থানত জনালেগৈ।

এদিন হঠাৎ এখন চৰকাৰী চিঠি গণেশৰ হাতত পৰিলহি। সি চিঠিখন খুলি চাই দেখিলে যে এসপ্তাহৰ পিচতে তাক কেৰাণী কামৰ কাৰণে পৰীক্ষা দিবলৈ চেক্ৰেটৰী অফিচলৈ মাতিছে। তাৰ মনটো ভাল লাগিছে যদিও লগে লগে তাৰ বুকুখন কঁপি উঠিছে। তাৰ মনলৈ আহিছে যে কত বি, এ, এম, এ, পাচ লৰাই এই পৰীক্ষা দিবহি। সি জানো সিবিলাকক চেৰ পেলাব পাৰিব? তথাপিও যত্নৰ অসাধ্য একো নাই। সি চেষ্টা কৰি চাবই। ইয়াকে মনস্থ কৰি গণেশ পৰীক্ষাৰ কাৰণে প্ৰস্তুত হ'ল।

এদিন গণেশ পৰীক্ষা দি আহিলগৈ। পৰীক্ষা ভালেই হৈছে। তথাপি, তাৰ মনত খু-দুৱনি লাগি থাকিল যে, সি

জানো পাৰিব ইবিলাকৰ লগত ? তথাপি আশাধাৰী জীৱ। গণেশ আশাতেই বন্দী হৈ ৰ'ল।

এমাহমানৰ পিচত গণেশে আৰু এখন চিঠিত তাক চেক্রেটৰী অফিচত সাক্ষাৎ কৰিবলৈ মাতিছে। মনটো উগুল-থুগুল লাগিল। কি-বা সোধে, সোধা প্ৰশ্নৰ উত্তৰ সি দিব পাৰেনে নোৱাৰে— পিচত বা কি হব— ইত্যাদি নানা ভাৱ, আশঙ্কা তাৰ মনলৈ আহিল। এদিন গৈ ফুকনৰ পৰাও দিহা পৰামৰ্শ লৈ আহিলগৈ। গণেশ বৰ উৎকণ্ঠিত হৈ, সেইদিনালৈ বাট চাই থাকিল।

নিৰ্দিষ্ট দিনত গণেশ সাক্ষাৎ দিবলৈ গ'ল। ফুকনৰ দিহামতেই পৰীক্ষক সকলক কেনেকৈ নমস্কাৰ জনাই ঠিকমতে বহিবগৈ— কেনেকৈ ফট্-ফট্কৈ উত্তৰ দিব— নজনা প্ৰশ্নৰ উত্তৰ বিলাকো সেমেনা-সেমেনিকৈ নেথাকি নম্ৰভাৱে নেজানা বুলি ওপৰাই উত্তৰ দি, অলপ তজ-বজীয়া হৈ দেখুৱাব— ইত্যাদি কথাখিনি মনত ৰাখি সেইদিনা গণেশক সোধা প্ৰায় সকলো প্ৰশ্নৰ উত্তৰ বিলাক ভালকৈ দি ৰংমনেৰে ঘূৰি আহিল। চাকৰীৰ খবৰাবাৰ নোলোৱালৈকে গণেশ বৰ উদ্বিগ্ন হৈ থাকিল।

এমাহ পাৰ হৈ গ'ল। এদিন হঠাৎ পিয়নে আহি এটা দীঘলীয়া খামৰ চিঠি গণেশৰ হাতত দি গ'লহি। চিঠিখন পাইয়ে গণেশৰ বুকুখন উজনি-ভাটি কৰিছে। কঁপা-কঁপা হাতেৰে চিঠিখন খুলি, ভালকৈ পঢ়ি চাই, সি আনন্দত নাচি উঠিল। তাক চেক্রেটৰী অফিচৰ কেৰাণী কামত নিযুক্ত কৰিছে। সি যে কামটো পাব আশাই কৰা নাছিল। বিশেষকৈ তাৰ টাইপ্-ৰাইটিং চাৰ্টিফিকেট খনে তাৰ কামটো পোৱাত সহায় কৰিলে। গণেশে অনেকবাৰ ঈশ্বৰৰ নাম ললে।

যথা সময়ত স্কুলৰ কামটো ৰিজাইন্ দি গণেশে চেক্রেটৰী অফিচত জইন্ কৰিলেগৈ। প্ৰথমে তাক টাইপ কৰিবলৈকে দিলে।

সি ভালেই পালে। অফিচত টাইপ কামৰ বাহিৰেও আন আন অফিচৰ কাম বিলাকতো সি মনোযোগ দিলে।

এতিয়া গণেশে টকা-পইচা ফালৰ পৰা বহুত সকাহ পালে। এতিয়াৰ দৰমহা স্কুলৰ দৰমহাতকৈ প্ৰায় দুগুণ। গতিকে খৰছ পাতিৰ কাৰণে বেছি ভাবিব লগা নহ'ল। কিন্তু মাজে মাজে তাৰ অতীত জীৱনৰ কথাবোৰ মনত পৰিছে দুখ লাগি আছে।

আই, এ, পাচ কৰি কেৰাণী কাম পাই গণেশৰ মনটো ভাল লাগিল। কিন্তু তাৰ জীৱনৰ এটা প্ৰধান লক্ষ্য—বি, এ, পাচ কৰা। সি ভাবিলে যে অহা দুবছৰৰ পিছত, কলেজত পঢ়া ছাত্ৰ-ছাত্ৰীৰ লগে লগে, সিও বি, এ, পাচ কৰিবই লাগিব। ইয়াকে ঠিক কৰি, বি, এ, পাঠ্য তালিকাৰ কিতাপবোৰ এখন এখনকৈ আনি পঢ়িবলৈ লাগি গ'ল। বিশেষ অসুবিধাৰ কাৰণে ৰাতিপুৱাৰ টিউচনটো এৰি দিলে। গধূলিটোৰ অভিভাৱকৰ অনুৰোধ ক্ৰমেই কৰি থাকিল।

জগত পৰিবৰ্ত্তনশীল। এই বিশাল বিশ্বৰ প্ৰত্যেক দেশৰ প্ৰত্যেক ঠাইৰে, কিছু নহয় কিছু, সাল সলনি হৈছেই। সেইদৰে দিন-ৰাতিৰ নিচিনাকৈ, মানুহৰ জীৱনতো সুখ-দুখ লাগি আছেই। গণেশেও ইয়াৰপৰা ৰেহাই পোৱা নাই। জীৱনৰ প্ৰথমছোৱাত, মাক মৰাৰ পৰা, নানা লটি-ঘটিৰ মাজেদি আহি এতিয়া অকণমান সুখৰ মুখ দেখিছে যদিও, তাৰ জীৱনৰ কথাবোৰ ভাবি, নিজেই চঞ্চল হৈ পৰে। তথাপি মানুহৰ জীৱনটোৱেই এনেকুৱা। সুখ-দুখ, ঘাট-প্ৰতিঘাত আদি এই-বিলাক মানুহৰ চিৰ লগৰীয়া। ইয়াৰপৰা কোনেও অব্যাহতি নেপায়। গণেশো মানুহ। গতিকে সিও এইবোৰৰ সন্মুখীন হ'বই লাগিব। তাৰ গত্যন্তৰ নাই। ইয়াকে ভাবি গণেশে

একান্তমনে নিজৰ কৰ্ত্তব্যত আগবাঢ়িবলৈ ধৰিলে।

ঠিক দুবছৰৰ পিচত গণেশে ডিষ্টিংচন লৈ বি, এ, পাছ কৰিলে। জীৱনত তাৰ এটা ডাঙৰ উদ্দেশ্য সিদ্ধি হ'ল। সি কিছু আত্ম-তুষ্টি লাভ কৰিলে আৰু লগে লগে অদূৰ ভৱিষ্যতে এম, এ, পাচ কৰিবলৈও তাৰ এটা ক্ষীণ আশা অন্তৰত থিতাপি ললে।

আনহাতে, এতিয়া সি নিজকে নিজে থান-পিত লগাই কোনো এঠাইত এটুকুৰা মটি লৈ তাতে সৰু ঘৰ এটা সাজি নিজৰ ৰবীয়াকৈ থাকিবলৈ মনস্থ কৰিলে। 'মন কৰিলেই ছণ, হয়'। সি থকাৰ ওচৰতে এজন মানুহৰ পৰা ডেৰ কঠা মাটি কিনিলে আৰু পিচত চৰকাৰী ঋণ লৈ তাতে এটা সৰু ঘৰ কৰিবলৈ আৰম্ভ কৰি দিলে। কেইমাহমানৰ পিচতে ঘৰ হৈ গল আৰু গণেশে তেতিয়াৰ পৰা নিজা ঘৰতে থাকিবলৈ ললে। কিন্তু তাৰ দৰ্ম্মহাৰ এটা বৃজন অংশ চৰকাৰৰ ধাৰ হিচাবে প্ৰতিমাহে কাটিবলৈ ধৰিলে। গণেশে আকৌ হাত-ধৰি চলিব লগা হ'ল।

(৯)

চাওঁতে চাওঁতে আজি চাৰি বছৰ হৈ গ'ল— গণেশ ঘৰৰ পৰা ওলাই যোৱা! গণেশনো ক'লৈ গ'ল— ক'ত আছেগৈ-ইমানদিনে মৰিল নে সাজিল— ইত্যাদি কোনো খবৰ গাৱঁৰ মানুহে নেপায়। কিছুমানে, গণেশ যে সেইখন গাৱঁৰে এটা লৰা আছিল—এই কথাটোও লাহে লাহে পাহৰি গৈছে। কিন্তু, পাহৰি যোৱা নাই এটি প্ৰাণীয়ে— ফাগুণী। ফাগুণীৰ অন্তৰত গণেশৰ বাহিৰে আনৰ স্থান নাই। পুৱা-গধূলী গণেশৰ কথা ভাবিয়ে হাঁ-হুমুনিয়াহ কাটি থাকে।

কেতিয়াবা নীৰৱে চকুপানী টোকে। ফাগুণীৰ মাকে গণেশৰ কথা গাৱৰ আৰু তাৰু সোধে। কিন্তু কাৰোপৰা একো সমিধান নেপায়। ইফালে, গণেশৰ দেউতাকে, যদিও মাহীয়েকৰ উচটনিত গণেশক ঘৰৰ পৰা উলিয়াই দিলে, তথাপি পিচত সকলো কথা বুজি পাই, নিজেই অনুতাপত দগ্ধ হৈছে। কৰবাত গণেশৰ খা-খবৰ কৰিবলৈ যাবলৈও, ঘৈণীয়েকৰ পৰা এটা খোজো ইফাল-সিফাল কৰিব নোৱাৰে। বিশেষকৈ, গণেশ আতৰি যোৱাৰ পৰা দেউতাক একেবাৰে অকলশৰীয়া আৰু সহায়হীন হৈ পৰিল। গতিকে, সকলো বেদনা নিজৰ বুকুত গুজৰি-গামৰি, নিজে নিজেই মাৰ যায়।

পুহ মাহৰ মাজভাগ। গাঁৱৰ মানুহে ধানখেতি চপোৱাত দিনে নিশাই লাগি আছে। তাকৰীয়া খেতিৰ দুই এজনৰ ধান চপোৱা হৈ গ'ল। বাকীবিলাকৰ পথাৰৰ ধানখিনি ভঁৰালত সোমাই নোলোৱালৈকে গাত তৎ নোহোৱা হৈছে। ফাগুণীয়েও পথাৰৰ মূৰত অকলে অকলে ধান দাই আছে। ধান দাইছে সেই কেইডৰা মাটিতেই য'ত আজি চাৰিবছৰৰ আগতে, এদিন ভুঁই কই থাকোতে আবেলি পৰত ভয়ানক বতাহ-ধুমুহা, বিজুলি-ঢেৰেকণি আহোঁতে, ফাগুণীয়ে ভয়ত প্ৰাণকাতৰে ঘৰলৈ দৌৰিছিল আৰু ঠিক এনেতে, গণেশে তাইক পিচফালৰ পৰা চিঞৰি মাতিছিল। এইবোৰ পুৰণা স্মৃতি মনত পৰি, ফাগুণীৰ মনত বৰ দুখ লাগিল আৰু বেজাৰ মনেৰে, অকলে নীৰৱে ধানদাই থাকিল। ঠিক এনেতে, পথাৰৰ মূৰৰফালে থকা হাবিৰ মাজৰ পৰা এটি অতি কৰুণ সুৰৰ বনগীত, বতাহৰ চালে চালে আহি ফাগুণীৰ কানত পৰিলহি—

হাঁয় ঐ

লাওলৈ বুলি, হেদালি দিছিলো

বগালেহি বৰ পুৰৈ।

ঘালৈ বুলি, আশা কৰিছিলো

সিও হ'ল কত্তবা দূৰৈ॥
হাঁ-য় ঐ ...

ফাগুণী সেই ফালেই থৰ হৈ ৰ'ল।

তৎক্ষণাৎ গণেশলৈ আকৌ মনত পৰিল। মনত পৰিল-- আজি চাৰি বছৰৰ আগতে গণেশে তাইক কেনেকৈ অচেতন অৱস্থাত পথাৰৰপৰা কোলাকৈ আনি, গোটেই ৰাতিটো সেও-সেতক দি তাইৰ প্ৰাণ ঘূৰাই আনিছিল আৰু তাৰপিচত বহুতো পুৰণা স্মৃতি। এবাৰ ভাবিছিল— সঁচাকৈয়ে গণেশেই আছি, হাবিৰমাজৰ পৰা তাইকে উদ্দেশ্য কৰি বুকুত লাগি যোৱা এই বনগীত ফাকি গাইছেহিনেকি? ফাগুণীয়ে আকৌ ভাবিলে— নহয়, গণেশে এনেকুৱা কাম কেতিয়াও নকৰে। গণেশ আজি এই ৰাজ্যত নাই। গণেশ আজি কোনোবা অজানা ৰাজ্যলৈ উৰা মাৰিলে --যি ৰাজ্যলৈ হয়তো চৰাই-চিৰিকতিও নেযায়। হাঁয়, গণেশ আজি ক'লৈ গ'ল? হয়তো মনৰ দুখত গণেশে আজি কৰবাত আপোনঘাতী ' ফাগুণীয়ে আৰু ভাবিব নোৱাৰিলে। চকু দুটা চলচলীয়া হৈ আহিল। এহাতে কাচি আৰু ইহাতে কটা ধানমুঠিৰে ধাননিৰ মাজত বহি পৰিল আৰু উচুপি উচুপি কান্দিবলৈ ধৰিলে।

—ঐ ফাগুণী। ফাগুণী' ধাননিৰ মাজত অকলে অকলে বহি কি কৰিছ? —অলপ দূৰৰপৰা এজনী সমনীয়া ছোৱালীয়ে মাতিলে। তায়ো ওচৰতে ধান দাই আছিল। ফাগুণীৰ কোনো উত্তৰ নাই।

—হেৰঐ ফাগুণী। তই বহি বহি কি কৰিছ? —আকৌ সুধিলে ছোৱালীজনীয়ে।

ফাগুণীয়ে ছোৱালীজনীৰ ফালে পিঠি দি আছিল। তাইলৈ ঘূৰি নোচোৱাকৈয়ে ফাগুণীয়ে চাদৰেৰে লাহেকৈ চকুদুটা

মছিবলৈ ধৰিলে। ছোৱালীজনীয়ে বুজিলে যে নিশ্চয় ফাগুণীয়ে কিবা কাৰণত কান্দিছে। লৰালৰিকৈ গৈ ওচৰ পায়েই আকৌ সুধিলে— এই ফাগুণী! কি হৈছে তোৰ?

এইবাৰ ফাগুণীয়ে ছোৱালীজনীৰ ফালে চাই লাহেকৈ ক'লে— নাই, একো হোৱা নাই।

ফাগুণীৰ ৰঙা পৰা চকু দুটা দেখিয়েই ছোৱালজনীয়ে বুজিলে যে তাইৰ ধাৰণা সত্য। তৎক্ষণাৎ ওচৰলৈ আহি ফাগুণীৰ গাত ধৰি কলে— ইয়ে! তই দেখোন কান্দি আছ? কি হৈছে তোৰ?

ফাগুণী নিমাত। ক্ষন্তেক ভাবি ছোৱালীজনীয়ে ফাগুণীলৈ চাই ক'লে— অ' বুজিছো— বুজিছো ফাগুণী। এই অলপ আগতে কোনোবাই হাবিৰ মাজৰপৰা গোৱা বনগীত ফাকি শুনি তোৰ গণেশলৈ মনত পৰিছে, নহয়নে? মযো শুনিছিলো। পিচ বৰ দুখ লাগে সেই, শুনি।

এইবুলি কৈ ছোৱালীজনী কিছু সময় নিতাল মাৰি ৰ'ল। তাৰ পিচত এটা দীঘল হুমুনিয়াহ কাঢ়ি ফাগুণীলৈ চাই বেজাৰ মনেৰে কলে—

—নেকান্দিবি ফাগুণী। মই তোৰ মনৰ কথা বুজিছো। কাৰণ, ময়ো তোৰ নিচিনাই দুৰ্ভগীয়া। চাছোন— সেই কামেশ্বৰ টোৱে ইমান দিন মোক বিয়া কৰাম কৰাম বুলি কিমান যে কি নকৰিলে। কিন্তু সেইদিনা ঘপহকৰে আন ক'ৰবাৰ (ধাদহী) এজনী পলুৱাই আনিলে। এতিয়া মোৰ কি গতি হ'ল, তই নিজেই ভাবি চাছোন। মই দিনে নিশাই জ্বলি পুৰি মৰিছো। সেই কাৰণে মই তাক বুকুত চপৰিয়াই শাও দি আছো বুইছ। যি দিনাই সি ঘৈণীয়েকৰ মুৰটো চোবাব, সেইদিনাহে মোৰ বুকুখন অলপ শাঁত পৰিব।

ক্ষন্তেক বৈ গ'ল ছোৱালীজনী। ফাগুণীয় একেথৰে চাই থাকিল তাইৰ মুখলৈ।

ছোৱালীজনীয়ে এটা হুমুনিয়াহ কাঢ়ি আকৌ ক'লে—অৱশ্যে গণেশ তেনেকুৱা নহয়। এই "বইজাতী" মাহীয়েকজনীয়েহে গিৰিয়েকক লগাই লগাই গণেশক খেদালে। হয়তো এদিন ঘপহকৰে গণেশ ওলাবহি। তই চিন্তা নকৰিবি।

তাৰপিচত ফাগুণীৰ হাতত ধৰি ছোৱালীজনীয়ে কলে—বাৰু ফাগুণী। এতিয়া উঠ, ঘৰলৈ যাওঁ। বেলি পৰিল। এন্ধাৰ হব এতিয়া।

—বাৰু তই আগবাঢ়চোন, বিলাহী। মই গৈছো— ফাগুণীয়ে লাহেকৈ ক'লে।

—নহয়, নহয়। আমি একেলগে যাম। তোক এৰিথৈ নেযাওঁ— বিলাহীয়ে কলে।

ফাগুণীয়ে ভাবিলে তাইৰ নিচিনা বিলাহীজনীও দুৰ্ভগীয়া। তাইলৈ পুতৌ লাগিল। আনহাতে, ৰাতি হ'লে আন কিবা দুৰ্ঘটনাও হৈ যাব পাৰে তাহানিৰ দৰে। এতিয়া গণেশ নাই, তাইক ৰক্ষা কৰিবলৈ। গতিকে, ভালে ভালে যোৱাই ভাল ইয়াৰ পৰা।

ইযাকে ভাবি ফাগুণীয়ে লাহেকৈ বিলাহীক কলে—বাৰু, ৰবি তেনেহ'লে ক্ষন্তেক।

এইবুলি ফাগুণীয়ে দাই থোৱা দহ-বাৰটামান ধানৰ মুঠি গোটাই আনি গাৰ চাদৰ খনাৰে মেৰিযাই ল'লে। তাকে দেখি বিলাহীয়েও কেইটামান ধানৰ মুঠি নিজৰ চাদৰেৰে মেৰিযাই লবলৈ ধৰোতেই ফাগুণীয়ে কলে— ইয়ে, এইবোৰ আক' তই কি কৰিছ ?

—একো নহয় দেছোন। গা টোও যাব, ছাঁটোও যাব। এনেয়ে যোৱাতকৈ কেইটামান মুঠি মাৰি লৈ যাওঁছোন তহঁতৰ ঘৰলৈ।

এইবুলি কৈয়েই বিলাহীয়ে লবালবিকৈ ধানৰ মুঠিৰ টোপোলাটো মুৰত লৈ ফাগুণীক হাতত ধৰি আগলৈ খোজ দিলে। ফাগুণীয়েও নির্ব্বিবাদে বিলাহীৰ পিছ ল'লে।

ঘুৰি বহাগত ফাগুণীৰ বিয়া হৈ গ'ল আন এটা ল'ৰাৰ লগত। লৰাটোৱে কাম কৰে বাগিছাত, উজনীৰ ফালে। প্ৰথমে ফাগুণীয়ে ঘোৰ আপত্তি কৰিছিল কিন্তু মাকৰ চকুৰ পানী আৰু গাঁৱৰ মানুহে দিনে-নিশাই বুজনি দিয়াত, অনিচ্ছাস্বত্ত্বেও, শেষত মত দিলেগৈ।

(১০)

ছিলঙলৈ আহি গণেশে কম সময়ৰ ভিতৰতে দুটা পৰীক্ষা পাচ আৰু লগে লগে এটা স্থায়ী চাকৰীত সোমাই, নিজৰ ববীযাকৈ এটা সৰু ঘৰ কৰি, নিজকে আত্ম-প্ৰতিষ্ঠা কৰিলে। সি ভাবিলে যে হয়তো, জীৱনৰ বাকীছোৱা এই অফিচত কাম কৰিয়েই অৱসৰ লবগৈ। কিন্তু, এই কথাটো তাৰ মনে নেমানিলে। জগত পৰিবর্ত্তনশীল আৰু লগে লগে মানুহৰ জীৱনটোও। গতিকে, সি ক্ৰমাৎ উধাবলৈ চেষ্টা কৰিবই লাগিব। সেই কৰ্ম্মক্ষেত্ৰ হব এই ছিলঙেই। পিচলৈ হয়তো, আন ঠাইলৈও যাবগৈ পাৰে। গণেশে ভাবিলে যে সি এই ছিলঙতেই থাকি, ইয়াতকৈ উচ্চ খাপৰ কিবা চাকৰীলৈ যাব পাৰিবনেকি। পিচত অনুসন্ধান কৰি দেখিলে যে 'ষ্টেনগ্ৰাফাৰ' পদটো অলপ ওখ ধৰণৰ আৰু দৰ্ম্মহাও বেছি। গতিকে সি তাৰে এটা পদ পাবলৈ হলে, ষ্টেনগ্ৰাফী পাচ কৰিব লাগিব। কিন্তু, ষ্টেনগ্ৰাফী শিকা সহজ নহয়। তাৰ কাৰণে বহুত কষ্ট কৰিব লাগিব। তথাপি, যত্নৰ অসাধ্য একো নাই। সি কঠোৰ পৰিশ্ৰম কৰিব লাগিব। এদিন নহয় এদিন, সি কৃতকাৰ্য্য হবই। আনহাতে, সি টাইপ

ৰাইটিং ভালকৈ জানেই। ষ্টেনগ্ৰাফীও তাৰে এটা উচ্চ খাপৰ বিদ্যা, গতিকে, নোৱাৰাৰ কোনো কাৰণ নাই। ইযাকে ভাবি, গণেশে ষ্টেনগ্ৰাফীৰ কিতাপ সংগ্ৰহ কৰি ঘৰত পঢ়ি অভ্যাস কৰিবলৈ ধৰিলে। লগে লগে ইংৰাজীত এম, এ, পৰীক্ষা দিবলৈও ঠিক কৰি, তাৰো দুই এখনকৈ কিতাপ আনি আজৰি সময়ত পঢ়িবলৈ আৰম্ভ কৰিলে। এটা আমনি লাগিলে আনটো বিষয় পঢ়ে। এইদৰে দুয়োটা বিষয়ত অগা-পিছাকৈ পৰীক্ষা দিবৰ কাৰণে গণেশ সাজু হ'ল।

গণেশে সময় নষ্ট নকৰি, অহা দুবছৰৰ পিচত ইংৰাজীত এম, এ, পৰীক্ষা দিবলৈ মনস্থ কৰিলে। ষ্টেনগ্ৰাফীটো আগৈ যি কোনো সময়তে পাচ কৰিব পাৰিব। কিন্তু, এম, এ, পৰীক্ষা নিৰ্দ্দিষ্ট সময়তহে দিব পাৰি। এতিয়া উৎসাহ-উদ্যম থাকোতেই, পৰীক্ষাটো দি পাচ কৰিব লাগিব। নহলে, এবছৰমান পিছু-হুঁচকা মাৰিলেই, কামটো হুঁহকি গৈ থাকিব। গতিকে গণেশে ষ্টেনগ্ৰা- ফীতকৈ এম, এ, পৰীক্ষাৰ কাৰণে বেছি জোৰ দিলে আৰু পুৱা, গধূলি আৰু ৰাতি দুপৰলৈকে কিতাপ পঢ়িবলৈ ধৰিলে। ইতিমধ্যে, পৰীক্ষাৰ কাৰণে যাৱতীয় ব্যৱস্থাবোৰ সময় মতে কৰি থ'লে।

যথা সময়ত গুৱাহাটীত আহি গণেশে এম, এ, পৰীক্ষা দি গ'লহি। দুমাহৰ পিচত খবৰ ওলাল। গণেশে ২য় শ্ৰেণীৰ উচ্চ স্থান লাভ কৰিছে। খবৰ কাগজত গণেশৰ নামটো ওলোৱাৰ লগে লগে অফিচৰ সকলো মানুহ স্তম্ভিত হ'ল। কাৰণ গণেশে এম, এ, পৰীক্ষা দিছেগৈ বুলি, দুই এজনৰ বাহিৰে কোনেও গম নেপায়। গণেশে মনত বৰ ৰং পালে।

সেইদিনা দেওবাৰ। গণেশে ৰাতিপুৱা চাহটোপা খাই উঠি, চকী এখন লৈ বাহিৰৰ বাৰান্দাত বহিলহি। দূৰত থকা উঠা-নমা পাহাৰবোৰত ৰাতিপুৱাৰ ৰ'দ পৰি কিছুমান অপৰূপ দৃশ্য গঢ়ি উঠিছে। সেইবোৰ চাই চাই গণেশ তন্ময় হৈ ৰ'ল আৰু লগে লগে নানা পুৰণা স্মৃতিবোৰ আহি মানসপটত দেখা দিলহি। এইদৰে

ভাবি থাকোতেই, হঠাৎ তাৰ ঘৰখনলৈ তথা দেউতাকলৈ মনত পৰিল। আজি ছবছৰৰ আগত দেউতাকে তাক ঘৰৰ পৰা উলিয়াই দিছিল। কিন্তু, হঠাৎ দেউতাকে এনেকুৱা অসম্ভৱ সিদ্ধান্তলৈ আহিছিল কিয়? মাক মৰা বুলি দেউতাকে তাক খুব মৰম কৰিছিল। তেনেহলে এনেকুৱা কল্পনা কৰিব নোৱাৰা পৰিবৰ্ত্তন কেনেকৈ হবলৈ পালে? গণেশ তন্ময় হৈ কিছুপৰ তাকেই ভাবি থাকিল। খন্তেক পিচত গণেশে ভাবিলে যে দেউতাকে সাময়িক উত্তেজনাত এইটো কাম কৰিলে, নাইবা, মাহীমাকৰ চক্ৰান্তৰ বলি হৈ পৰিল দেউতাক। যিহকেই নহওক লাগিলে, তাৰ ফালৰপৰা ইমানদিন নীৰৱ হৈ থকা উচিত হোৱা নাই। পিচত হয়তো দেউতাকে অনুতাপো কৰিব পাৰে। হেজাৰ হওক, জন্মদাতা পিতৃ। দেউতাকে কিবা এটা ভুল কৰিলেও গণেশে তাকেই ধৰি থকা উচিত হোৱা নাই। ইয়াকে ভাবি, গণেশে তেতিয়াই দেউতাকলৈ এখন চিঠি লিখি থলে আৰু পিচদিনা সোমবাৰে নিজেই ডাকঘৰলৈ গৈ, চিঠিখনৰ লগতে দেউতাকলৈ এশ টকা মনিঅৰ্ডাৰ কৰি পঠালে। ইয়াৰ ফলাফল কি হয়গৈ, গণেশ উদ্বিগ্নচিত্তৰে আপেক্ষা কৰি থাকিল।

তেতিয়াৰ দিনত গাঁৱলৈ পিয়ন সপ্তাহত দুদিনকৈহে গৈছিল। গতিকে, ছদিনৰ পিচতহে দেউতাকে চিঠিখন পালে। চিঠিখনৰ শিৰোনামাৰ আখৰ কেইটা দেখিযেই, দেউতাকৰ গাটো জিকাৰ খাই উঠিল। আখৰ কেইটা গণেশৰে যেন লাগিছে। তেনেহলে, গণেশ এতিয়াও ক'ৰবাত আছে। কঁপা কঁপা হাতেৰে চিঠিখন খুলি, বৰ উদ্বিগ্নমনে পঢ়িবলৈ ধৰিলে। চিঠিত বেছি কথা নাই। লিখিছে যে সি এতিয়া ছিলঙৰ অফিচতে কাম কৰি আছে আৰু লগতে এশ টকা মনি-অৰ্ডাৰ কৰি পঠাইছে। তলত তাৰ ঠিকনাও দিছে।

চিঠিখন পঢ়ি শেষ হোৱাৰ লগে লগে, মনৰ আবেগতে দেউতাক চিঞৰি উঠিল—উস্ প্ৰভু! ৰক্ষা কৰিলা।

ইমানপৰ মাহীয়েকে ভিতৰৰ পৰাই আলেখ লেখ চাই আছিল। স্বামীৰ চিঞৰটো শুনিযেই লৰালৰিকৈ ওলাই আহি কি হৈছে— কি হৈছে— সেইখন কাৰ চিঠি বুলি কৈ কৈ ওচৰ পালেগৈ। তেতিয়া দেউতাকে পত্নীলৈ চাই আৰু আনফালে মুখকৰি গহীনাই ক'লে— এইখন গণেশৰ চিঠি।

—কি? গণেশৰ চিঠি? মানুহ কয় দেখোন গণেশ মৰিও হাড়ত বন গজিল।

কথাটো শুনিযেই দেউতাকৰ খুব খং উঠিল। পৰিবাৰলৈ ঘোপাকৈ চাই ক'লে— এই। মুই চণ্ডালি কথা কৰি দেই। তযে যি লাগে মানে কৰিলি।

—মই কি কৰিলো? কি কৰিলো? চোনহৰ পিতেকক বশ কৰিব নোৱাৰি, এতিয়া মোক ধৰিবলৈ আহিছে। বাৰু, পিচত যি হয় হব। কি লিখিছে সি চিঠিত?

অলপপৰ একেথৰে পত্নীলৈ চাই, লাহেকৈ ক'লে— গণেশ এতিয়া ছিলঙৰ অফিচত কাম কৰি আছে।

— আও! ছিলং পালেগৈ! বাৰু, আৰু কিবা লিখিছে নেকি?

—আৰু এশ টকা মনি অৰ্ডাৰ কৰি পঠাইছে। দুই এদিনাত পাবহি লাগে।

—আও! এশ টকা পঠাইছে!— বুলি কৈয়েই আনফালে চাই কিবা কিবি ভাবিবলৈ ধৰিলে।

মাহীয়েকে মনেমনে ভাবিলে—এই এশ টকা পঠাই লৈ গণেশে আগ দুৱাৰেদি পলাই গৈ, আৰু পিছ দুৱাৰেদি ঘৰলৈ অহাৰ এটা ভাওৰ ফন্দী পাতিছে। আৰু যদি গণেশ ঘৰলৈ আহিবলৈ পায়, তেনেহলে, সি আৰু মোক জীযাই নথয়। ঘৰৰ পৰা ওলাই যাওঁতেই মোলৈ চাই কৈছিল বোলে মোক চুলিত ধৰি চোচোৰাই নি নদীত পেলাই দিবগৈ। এইবাৰ আহিলেই সেইটো ক যে নকৰিব, তাৰ কোনো ভুল নাই। গতিকে গণেশক ঘৰলৈ অহাত বাধা দিবই লাগিব। তেনেহলে এতিয়া কি কৰা যায়— ইত্যাদি কথা ভাবি তন্ময় হৈ ৰ'ল।

হঠাৎ আন এটা কথা মনত খেলালে। গণেশে পঠিওৱা এই এশ টকা লবলৈ নিদিলেই, গণেশ লাজ্যত আৰু ঘৰলৈ নাহে। হয়, এইটো কাম কৰাই উচিত হ'ব।

ইয়াকে ভাবি মাহীয়েকে স্বামীলৈ চাই কলে— পিচে টকা এশ লবলৈ নোলোৱা ?

গণেশৰ দেউতাকে ভপৰাই মাত লগালে – ওৱা নলম কিয় আৰু'? গণেশ যোৱা পিচৰ পৰাই টকা-পইচাৰ অভাৱত আধাখিনি মাটি-বাৰী বন্ধক গ'ল। বাকীখিনিও তেনেকৈ যাবগৈ যেন লাগিছে। এতিয়া এই টকা কেইটাৰে বন্ধকত থোৱা কিছু মাটিকে মোকালাম আৰু বাকী টকাৰে ইটা সিটা কিনিম। এইবুলি মিচিকৈকৈ হাঁহি পত্নীৰ মুখলৈ চালে।

কথাবোৰ শুনি মাহীয়েকৰ খং উঠিল। ভাবিলে যে কথা সৰ্ব্বনাশ হ'ল। যিটো সন্দেহ কৰিছিল, সেইটোৱেই হবগৈ এতিয়া।

ইয়াকে ভাবি স্বামীলৈ টলটলকৈ চাই কলে— তুমি এই টকা নোলোৱাই ভাল দেখিছো।

—কিয় ? নলম কিয় ? আচৰিত হৈ দেউতাকে সুধিলে।

—কিয় এতিয়াও বুজা নাইনে ? গণেশ আৰু ঘৰলৈ অহাৰ কৌশল এইবোৰ। ছিলঙত চাকৰী কৰা এইবোৰ চব মিছা কথা। ক'ৰবাত চুৰি ডকাইতি কৰি যদি এশ টকা পঠাইছে তেনেহ'লে তাৰ আচল মতলবটো হৈছে— যেনে তেনে ঘৰলৈ অহা আৰু পিচত ঘৰৰ এটা এটাকৈ আটাইবোৰকে শেষ কৰি নিজে গজগজীয়াকৈ ঘৰত বহি লোৱা। তাৰ পেটৰ কথা মই বুজিছো। সেইকাৰণে মই কওঁ, গণেশৰ টকা আহিলে লব নেলাগে। পিচত এই টকাই কাল হবগৈ চাবা বাৰু।

—হেৰ' তই এইবোৰ কি বকিছ। গণেশ তেনেকুৱা ল'ৰা নহয়, বুইছ।

—বুজিছো বুজিছো, মই চব বুজিছো। মই এতিয়া কেচুৱা ছোৱালী নহয়, গণেশৰ চালাকী নুবুজিবলৈ। মই আকৌ কৈছো— তুমি সেই টকা লব নোৱাৰা।

—কি কলি? মই সেই টকা ল'ব নোৱাৰো? নলম কিয় টকা। সেইটো মোৰ খুচী। তই কলেই হলনে?

—তেনেহ'লে ময়ো কৈছো,— তুমি টকা ল'লেই ময়ো ঘৰৰ পৰা ওলাই যাম ল'ৰা-ছোৱালী কেইটা লৈ। পিচত তুমি ঘৰত অকলে অকলে বিৰাজ কৰি থাকিবা। সেইবুলি জানি-শুনিও গণেশৰ গছকনি খাবলৈ মই এই ঘৰত নেথাকো। নহলে, ক'ৰ-বাত আপোনঘাতীয়েই হ'মগৈ।

এইবুলি কৈযেই মাহীমাকে সাউংকৰে তাৰপৰা আঁতৰি আহিল। ইফালে দেউতাকে ভাতে থৰ হৈ কিবা ভাবি থাকিল।

ছদিনৰ পিচত সঁচাকৈয়ে টকা আহিল। পিয়নে সুধি সুধি আহি ঘৰ পায়েই গণেশৰ দেউতাকক সুধিলে— আপুনি গণেশ শইকীয়াৰ দেউতাক নেকি?

—হয়— বুলি দেউতাকে উত্তৰ দিলে।

—আপোনাৰ পিতেক ক'ত থাকে?

—এই ছিলঙত।

পিয়নে নিশ্চিন্ত হৈ ক'লে— বাক, আপোনাৰ নামত এশ টকা মনি-অৰ্ডাৰ আহিছে। আপুনি চহী কৰি টকাটো ৰাখক।

এইবুলি পিয়নে মনি-অৰ্ডাৰৰ কাগজখন আৰু কলমটো উলিয়াই হঠাইত চহী কৰিবলৈ দেখুৱাই দিলে। দেউতাকে কলমটো হাতত লওঁতেই ভিতৰৰপৰা মাহীমাক লৰি আহি চিঞৰি ক'লে—নাই নাই, টকা ল'ব নোৱাৰা।

পিয়নে আচৰিত হৈ মাহীয়েকক ক'লে—ওৱা, এইবোৰ কি কৈছে আপুনি?

—মই ঠিকেই কৈছো— বুলি পিয়নলৈ হাত যোকাৰি মাহীযেকে ক'লে।

পিয়ন অবাক হ'ল। এবাৰ গণেশৰ দেউতাকলৈ আৰু এবাৰ মাহীয়েকলৈ চাই পেপুৱা লাগিল। পিচত দেউতাকলৈ চাই পিয়নে লাহেকৈ ক'লে— এখেতনো কোন ?

দেউতাকে ক'লে— গণেশৰ মাহীমাক।

—গণেশৰ মাক নাই নেকি ?

—নাই, মৰিল।

—অ' . সেই কাৰণেহে। এতিয়াহে বুজিছো—বুলি পিয়নে এবাৰ মাহীমাকলৈ চালে।

তেতিয়া মাহীমাকে খঙেৰে পিয়নলৈ চাই ক'লে— এইবোৰ ঘৰুৱা কথা সুধিবলৈ তুমি কোন ?

পিয়নে ভয় খালে। অলপ নৰম সুৰত কলে—নহয় আইদেউ, এতিয়া যেনেকুৱা পৰিস্থিতি হৈছে, মই আচল কথাটো জানিবই লাগিব। পিচে এতিয়া টকা ল'ব দেউতাইহে। আপুনি নহয়।

এইবুলি পিযনে আকৌ দেউতাকলৈ চাই ক'লে— দেউতা, আপুনি সোনকালে চহী দুটা কৰি দি মোক বিদায় দিয়ক। মোৰ আৰু কেবাখনো মনি-অৰ্ডাৰ 'বিলি' কৰিবলৈ আছে।

—বাৰু, ৰবা তেনেহলে— বুলি কৈ দেউতাকে চহী কৰিবলৈ লওঁতেই ইফালে মাহীমাকে চিঞৰি ক'লে— কি ? মোৰ কথা নুশুনিলা তুমি ? তেনেহলে মই নিজেই আপোনঘাতী হৈ মৰি যাওঁ— বুলিয়েই ভিতৰলৈ লৰমাৰি গৈ, ধান-দোৱা কাচিখন হাতত লৈ ওলাই আহিল আৰু গিৰিয়েকলৈ চাই— মই মৰি যোৱাই ভাল— বুলি কাচিখন ডিঙিৰফালে টোঁৱালে। তেতিয়া দেউতাকে— "হে-হে, কি কৰ। কি কৰ। —বুলি খেদামাৰি গৈ, কাচিখনৰ নালটোত ধৰিলেগৈ। দুয়োৰে মাজত টনা-আজোৰা লাগিল। গিৰিয়েকে ঘৈণীয়েকৰ মাজত এই দৰৰা-দৰৰিবোৰ দেখি

পিয়নে ভয়খাই লৰমাৰি গৈ পদূলি মূৰৰপৰা চাই থাকিলগৈ।

ইফালে দেউতাকে মাহীমাকৰ হাতৰ পৰা কোনো পধ্যেই কাচিখন একৰাব নোৱাৰি শেষত সৈমান হৈ কলে—বাৰু শুন্ শুন্। মোক বাৰু টকা নেলাগে। তই কাচিখন এৰি দে।

তেতিয়া মাহীয়েকে কলে— তুমি সঁচাকৈ কৈছানে?

—মই তোৰ গাত ধৰি শপত খাইছো বাৰু মোক টকা নেলাগে।

তেতিয়া মাহীমাকে হাতৰ মুঠিটো ঢিলাই দিযাত দেউতাকে কাচিখন নিজৰ হাতলৈ আনি দূৰলৈ দলিয়াই দিলে আৰু লগে লগেই পদুলি মূৰত থকা পিয়নক মাতিলে—হেৰা পিয়ন, এইফালে

পিয়নে ভয়ে ভয়ে ওচৰ পাওঁতেই দেউতাকে কলে— হেৰা পিয়ন, মোক টকা নেলাগে। তুমি লৈ যোৱা।

তেতিয়া পিয়নে কলে— নহয় দেউতা। আপুনি যদি টকা নলয়, তেনেহলে মোক টকা নেলাগে বুলি এই মনি-অৰ্ডাৰখনৰ পিঠিত লিখি তলত আপোনাৰ চহীটো দিয়ক। নহলে পোষ্ট-মাষ্টৰে মোক ধৰিব।

—কি কব পোষ্টমাষ্টৰে?

—পোষ্টমাষ্টৰে কব যে মই আপোনাৰ ঘৰলৈ নহাকৈয়ে মিছাকৈ আপুনি টকা নলয় বুলি কৈছোগৈ। কিন্তু, আপোনাৰ চহীটো থাকিলে 'না' বুলি কব নোৱাৰে। ইফালে, মই আপোনাৰ ঘৰলৈ আহি কিমান ডাঙৰ বিপদত পৰিছাহি, সেইবোৰ কথা কলে পোষ্টমাষ্টৰে জানো বিশ্বাস কৰিব?

পিয়নৰ কথা শুনি দেউতাকে মিছিকৈ হাঁহিলে আৰু ইফালে মাহীমাকেও ভিতৰত হাঁহি ৰাখিব নোৱাৰি মুখত সোপা দিলে।

তাৰপিচত পিয়নৰ কথামতে দেউতাকে 'টকা নেলাগে' বুলি লিখি তলত চহীটো কৰি দিলে। চহীটো লৈয়েই পিয়ন লৰালৰিকৈ তাৰপৰা আতৰিল। দেউতাকে পিয়নক নেদেখালৈকে একেথৰে চাই থাকিল আৰু পিচত এটা ডাঙৰ হুমুনিয়াহ কাঢ়ি তাতে আকাশ-পাতাল ভাবিবলৈ ধৰিলে।

গণেশে দেউতাকলৈ টকা পঠিয়াই কিছুদিন উৎকণ্ঠিত হৈ কুপনখন পাবলৈ বাট চাই আছিল। এদিন অফিচত কাম কৰি থাকোতেই এজন পিয়ন হাতত মনি-অৰ্ডাৰখন লৈ, গণেশৰ ওচৰ পালেহি। মনি-অৰ্ডাৰখন দেখিয়েই গণেশৰ বুকুখন চিৰিংকৈ উঠিল। ইতিমধ্যে, পিয়ন আহি, টকা ঘুৰাই পঠালে বুলি, ইপিঠিত থকা দেউতাকৰ চহীটো দেখুৱালে। চহীটো দেখি গণেশে মনত বৰ আঘাত পালে। চহীটো কৰি টকা খিনি লৈ পিয়নক বিদায় দিলে। তাৰ পিচত, বেজাৰ মনেৰে একেথৰে শূণ্যলৈ চাই থাকিল। অফিচৰ পৰা ঘৰলৈ আহি, দেউতাকলৈ পঠোৱা টকা-শ, এটা খামত ভৰাই, আছুতীয়াকৈ বাকচত থৈ দিলে।

সেইদিনা অফিচৰ পৰা ঘৰলৈ আহি, গণেশ কেনিও ফুৰিবলৈ ওলাই নগল। গধূলি বাৰান্দাত চকী এখনত বহি, তাৰ অতীত জীৱনৰ কথাকে ভাবি থাকিল। সি ভাবিলে যে তাৰ ভনীয়েকজনীৰ বাহিৰে নিজৰ বুলিবলৈ এই সংসাৰত আৰু কোনো নাই। ইমানদিনৰ মূৰত দেউতাকলৈ চিঠি আৰু টকা পঠিয়াই, যি মনৰ এটা পৰিবৰ্ত্তন হব বুলি আশা কৰিছিল, সেই আশাত কোনোবাই চেচা পানী ঢালিলে। ইয়াত যে মাহী-মাকৰ হাত নাই, এই কথা ভাবিবলৈ সি টান পালে। আন-হাতে, গণেশে ইমানদিন কেৱল ভনীয়েকৰ লগতহে চিঠিৰ আদান-প্ৰদান চলাই আছে। তাৰ বাহিৰে, এই পৃথিৱীত কাৰো লগত গণেশৰ সম্বন্ধ নাই। ইফালে, ভনীয়েকে গণেশক সদায় মাতি

থাকে এবাৰ তিনিচুকীয়ালৈ যাবলৈ। কিন্তু, গণেশে নানা অজুহাত দেখুৱাই, পিচত যাম বুলি কয়। এইবাৰ অহা পূজাৰ বন্ধতে যাব লাগিব বুলি সি ঠিক কৰিলে আৰু লগে লগে ভনীয়েকলৈও লিখিলে। পূজালৈ আৰু এমাহ বাকী। ভনীয়েকে ৰংমনেৰে ককায়েক অহালৈ বাট চাই থাকিল।

পূজাৰ বন্ধত গণেশ ভনীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। ছিলঙৰ নানা ফলমূল, বিস্কুট, কেক, আদি মিঠাই আৰু ভনীয়েকৰ লৰা-ছোৱালী হাললৈ বহুত কাপোৰ-কানি কিনি লৈ, এদিন ছিলঙৰ পৰা যাত্ৰা কৰিলে। গুৱাহাটীত বাছৰ পৰা নামিয়েই, বাহিৰে বাহিৰে ৰেলত উঠিল। এটা কোঠাৰ এচুকত নিজৰ বিচনাখন পাৰি ললে। তাৰ পিচত, বাকচ আৰু টোপোলা-টাপলিবোৰ দিহা লগাই থৈ, গণেশ বিচনাত বহি পৰিল আৰু লগে লগে বহুত কথা, বহুত চিন্তা তাৰ মনলৈ আহিল। সি ভাবিলে যে আজি ছ-বছৰৰ আগত এইখন ৰেলতেই আহি গুৱাহাটী হৈ, অনিশ্চিত ভাৱে ছিলঙলৈ গৈছিল। আজি ছ-বছৰৰ পিচত এইখন ৰেলতেই আকৌ ছিলঙৰ পৰা তিনিচুকীয়ালৈ ঘূৰি আহিছে। এই ছ-বছৰ ভজগতত বহুত পৰিবৰ্ত্তন ঘটিল। লগতে তাৰ জীৱনটো। এটা নিঠৰুৱা নিবনুৱা ডেকা ঘৰৰপৰা ওলাই আহি, এতিয়া নিজৰ ভৰিতে নিজে থিয় হব পৰা হৈছে যদিও, আনহাতে, নানা মানসিক দুখ-কষ্ট আৰু চিন্তাই বেৰি ধৰিছে। তথাপি, সকলো অসুবিধা, অপায় অমঙ্গল কাটি কৰি থৈ, সি যে ভনীয়েকক ইমানদিনৰ মূৰত দেখা কৰিবলৈ আহিছে, তাতেই সি কিছু শান্তনা পাইছে।

পিচদিনা আগবেলা দহমান বজাত গণেশ ভনীয়েকৰ ঘৰ পালেগৈ। গণেশক দেখিয়েই ভনীয়েকে— আই ঐ দেহি · ককাইদেউ পালেহি বুলি লৰা-লৰিকৈ গৈ গণেশ কআগবঢাই আনিলেগৈ। ভিতৰত আথে-বেথে বহিবলৈ দি, বাকী বিচনা,

বাকচ, টোপোলা-টাপলিবোৰ কামকৰা লৰাটোৰ হতুৱাই অনালে। আজি ছ-বছৰৰ পিচত ককায়েকক দেখি মনটো বৰ ভাল লাগিল। তাহানি গণেশ তিনিচুকীয়াৰ পৰা যাওঁতে, ভনীয়েকে আশা কৰা নাছিল যে ককায়েকক আকৌ দেখা পাব। ভাবিছিল কিজানি, ককায়েকে মনৰ দুখত ৰবৰবালৈ গুছি যাবগৈ, নাইবা ক'ৰবাত আপোণঘাতীও হবগৈ পাৰে। সেই কাৰণে ভনীয়েকে তেতিয়া হুক্-হুককৈ কান্দিছিল।

ভনীয়েকে গণেশক এবাৰ মূৰৰপৰা ভৰিলৈকে চাই দেখিলে যে ককায়েক বয়সতকৈ বহুত আগবাঢ়ি গ'ল। এই বয়সতে দুই-এডাল চুলিও পকিল। কপালত কেইবাটাও ৰেখা বহিছে। হয়তো, মনৰ দুখতে ককায়েক অকালতে বুঢ়া হৈ গ'ল। মনত বৰ দুখ লাগিল ভনীয়েকৰ।

গণেশক চাহ-জলপান খুৱাই, ভনীয়েকে ভাতৰ যোগাৰ কৰাত লাগিল। এবাৰ লৰা-ছোৱালীহাল আনি ককায়েকক দেখুৱালেহি। গণেশে সিহঁতক দেখি মনত বৰ ৰং পালে আৰু সিহঁতলৈ অনা বিস্কুট উলিয়াই হাতে হাতে দিলে। তাৰ পিচতে ছিলঙৰ পৰা অনা নানা ফলমূল, কাপোৰ-কানি, জোতা-মোজা, পুতলা আদি উলিয়াই ভনীয়েকৰ হাতত দিলে।

—ইছ, ইমানবোৰ বস্তু কিয় আনিলা ককাইদেউ?

—এহ, ইহঁতলৈহে আনিছো। একো নহয় দেছোন—বুলি গণেশে হাঁহি লৰা-ছোৱালীহাললৈ চালে। ভনীয়েকৰ মনটো ভাল লাগিল যদিও, মনে মনে ভাবিলে যে ককায়েকে ইমানদিনে বিয়া কৰোৱা হলে, নিজেও এনেকুৱা লৰা-ছোৱালীৰ বাপেকী হলহেঁতেন। বিয়া কৰাবৰ বয়স হৈ গল। সেইটো উদ্দেশ্যৰেই ককায়েকক সদায় মাতি আছিল। এতিয়া আহিল যেতিয়া এবাৰ শেষ চেষ্টা কৰি চাব লাগিব। ইতি সময়তে বৈনায়েক অফিচৰ

পৰা আহি পালেহি। ঘৰখনত এটা আনন্দৰ পৰিবেশ গঢ়ি উঠিল।

এইদৰে হাঁহি-ধেমালিৰে কেইদিনমান গল। কেতিয়াবা গণেশে ভনীয়েকৰ লৰা-ছোৱালীহাল লগত লৈ, ইফালে-সিফালে ফুৰে। ভনীয়েকে ঘৰৰ পৰা চাই থাকি আমোদ পায় আৰু লগতে ককায়েকৰ বিয়াখনো কেতিয়াকৈ পাতিব পাৰি, তাকে চিন্তা কৰিবলৈ ধৰিলে।

এদিন গধূলি ভাত খাই উঠি, ভনীয়েক, বৈনায়েক আৰু গণেশ এটা কোঠাত বহিলহি। লৰা-ছোৱালীহাল ইতিমধ্যে শুলে। ভনীয়েকে, সিহঁত থকা বাগিছাৰ ওচৰে-কাষৰে আন আন বাগিছাবোৰত কোন কোন চিনা পৰিচয়ৰ লোক আছে তাকে কবলৈ গৈ, কথা প্ৰসঙ্গত— আমাৰ গাঁৱৰ ফাগুণীও সেই মাকুমৰ ওচৰৰ এখন বাগানতে থাকে।

গণেশে আচৰিত হৈ সুধিলে— কোন ফাগুণীৰ কথা কৈছ ?

—কিয়, তাহানি বজ্ৰপাত পৰোতে তুমি যে পথাৰৰ পৰা কোলাতকৈ ঘৰলৈ আনিছিলা, সেইজনী ফাগুণীয়েই।

—তেনেহলে, ফাগুণীৰ বিয়া হৈ গল নে কি ?

—ওঁ, কেতিয়াবাই। লৰাটো ইয়াৰে। এবাৰ ফুৰিবলৈ যাওঁতে লৰাটোৱে ফাগুণীক দেখি বিয়া কৰাব খুজিলে। গাঁৱৰ ৰাইজেও ধৰি-মেলি বিয়াখন পাতি দিলে। ফাগুণীৰ এজনী ছোৱালীও আছে। দুবছৰমান হৈছে। ছোৱালীজনী যে ইমান ধুনীয়া হৈছে, মাকজনীৰ দৰে।

এইবুলি কৈ ভনীয়েকে ককায়েকৰ মুখলৈ চাই দেখিলে যে গণেশৰ মুখখন কেঁহৰাজ বৰণৰ হৈ পৰিল। হঠাৎ ককায়েকৰ পৰিবৰ্ত্তণ দেখি, পেটে পেটে ভয় খালে। ফাগুণীৰ বিষয়ে আৰু একো নকৈ, মনে মনে থাকিল।

ইফালে, কথাবোৰ শুনি গণেশৰ বুকুত প্ৰচণ্ড বা-মৰলী ঘূৰিব লাগিছে। ভেনেহলে— ফাগুণীৰ কেতিয়াবাই বিয়া হৈ গল! আজিলৈকে তাক এইটো কথা কোনেও কোৱা নাই বা সিও নিজে কোনো খবৰ কৰা নাই। ফাগুণীৰ প্ৰতি যে এইটো বৰ ডাঙৰ অন্যায় হৈ গল, সেইটো গণেশে উপলব্ধি কৰিলে। তথাপি, মনৰ কথা মনতে লুকুৱাই ৰাখি, ভনীযেৰলৈ চাই লাহেকৈ কলে— বাৰু, ফাগুণীক কেতিয়াবা লগ পাইছিলি নেকি?

—অঁ, পাইছিলো সেইদিনা তিনিচুকীয়াৰ বজাৰতে। তিনিচুকীয়াত আঁৰু দেওবাৰে বৰ ডাঙৰ হাট বহে। তালৈ বাগানৰ পৰা বহুত মানুহ আহে। সেইদিনা আমিও গৈছিলো। বজাৰৰ মাজতে গিৰিয়েকৰে সৈতে ফাগুণীকো পালো। চা-চিনাকী হৈ বহুত কথা বতৰা পাতিলো।

—ফাগুণীয়ে মোৰ কথা কিবা কৈছিল নেকি?— গণেশে সুধিলে।

—ওঁ, কৈছিলতো। বেছিভাগ তোমাৰ কথাকে সুধি আছিল— তুমিনো ক'ত থাকা— কি কৰিছা— বিযা-বাৰু কৰালানে নাই— ইত্যাদি।

গণেশে লাজপাই তলমূৰ কৰিলে।

—আৰু কি কৈছিল, জানা? তুমি ইয়ালৈ আহিলে, ফাগুণীৰ ঘৰলৈ তোমাক দহো-কুৰি মাতি গৈছে।

খন্তেকৰ কাৰণে কাৰো মাত নাই। তাৰ পিচত গণেশে সুধিলে—

—গিৰিয়েকৰ নামটো কি?

—ইয়ে, মই নামটো নেজানো। তাৰপিচত গিৰিয়েকলৈ চাই সুধিলে—

আপুনি গিৰিয়েকৰ নামটো জানেনে?

—অঁ, জানো। নামটো হ'ল—ধনেশ্বৰ বৰা। মাকুম জংচনৰ গাতে লাগি থকা বাগিছাখনত কাম কৰে।

—বাৰু, শুব তেনেহলে—বুলি গণেশ কিবা কিবি ভাবি থাকিল। খন্তেক পিচতে তিনিও শুবলৈ উঠিল।

গণেশ বিচনাত পৰিলগৈ। বহুত পৰলৈ টোপনি নাই। ফাগুণীৰ কথাকে ভাবি আছে। ফাগুণীৰ বিয়া হৈ গ'ল। এক হিচাপে ভালেই হ'ল। ফাগুণীৰ জীৱনৰ এটা গতি লাগিল আৰু লগে লগে মাকৰ এটা ডাঙৰ বোজা আতৰিল। কিন্তু, আনহাতে সি চিৰকাললৈ ফাগুণীক হেৰুৱালে। বিষম আঘাত লাগিল গণেশৰ বুকুত।

ৰাতিপুৱা সোনকালে শুই উঠি চাহ-জলপান খাই, বৈনায়েক অফিচলৈ গ'ল। অলপ সময়ৰ পিচত, গণেশেও চাহ খাই কাপোৰ কানি পিন্ধি ভনীয়েকক ক'লে—মই ফাগুণীক এবাৰ দেখা কৰি আহোঁগৈ।

ককায়েক হঠাৎ ফাগুণীৰ ওচৰলৈ যাবলৈ ওলোৱাত, ভনীয়েক আচৰিত হ'ল আৰু লগে লগে প্ৰমাদ গণিলে। ইযাৰ ফলাফল বা কি হয়গৈ, তাকে ভাবি অস্থিৰ হৈ পৰিল। এতিয়া নেযাবি বুলিও ক'ব নোৱাৰি। পিচত ভাবিলে যে ফাগুণীৰ কথা নোকোৱাই ভাল আছিল। সেই কথা কৈ এতিয়া নিজেই বিপদ আনিলে।

ভনীয়েকৰ ঘৰৰপৰা আহি গণেশ, তিনিচুকীয়া ৰেলত উঠি মাকুম জংচনত নামিলগৈ। এবাৰ কেওফালে চাই লৈ, লাহে লাহে ওচৰত থকা বাগিছাখনৰ ফালে খোজ ললে। গণেশৰ প্ৰথম কথা হ'ল—সেই বাগানত কাম কৰা অফিচাৰসকল কোনফালে থাকে, যাক সাধাৰণতে 'বাবু লাইন' বোলে। বাগানৰ মাজৰ এটা বহল বাটেদি অনিশ্চিত ভাবে আগবাঢ়ি গৈ আছে গণেশ। এনেতে সিফালৰপৰা অহা কেইজনমান বাগানৰ বনুৱাক লগপাই বাবুলাইনৰ

কথা সুধিলে। সিহঁতে বাগানৰ সিমূৰে থকা কলঘৰটোৰ সিফালে বুলি দেখুৱাই দিলে। গণেশে এবাৰ সেইফালে চাই, চিন্তিত মনেৰে আগবাঢ়ি গ'ল। কিছুদূৰ গৈ কলঘৰটো পাৰ হৈ, গণেশৰ চকুত পৰিল অলপ দূৰত থকা বাবু লাইনটো। গণেশৰ বুকুখন চিৰিংকৈ উঠিল। সি ভাবিলে—হয়তো, সেই শাৰীপাতি থকা ভালেখিনি ঘৰৰ কোনোবা এটাত ফাগুণী নিশ্চয় আছে। তেনেহলে আজি ইমান দিনৰ মূৰত ফাগুণীক সি আকৌ দেখা পাব। তাক দেখি ফাগুণীয়ে বা কি কয়—ফাগুণীৰ মনত বা কি পৰিবৰ্ত্তন ঘটে—ইফালে, নিজৰ বা কি অৱস্থা হয়— ইত্যাদি কথা ভাবি সি অস্থিৰ হৈ পৰিছে। এবাৰ ভাবিলে যি হ'ল, যি নহ'ল, ইয়াৰ পৰাই ঘূৰি যাবগৈ নেকি? আকৌ ভাবিলে— ইমান দূৰ আহি, সৌৱা কেইখোজমান আতৰৰ পৰা ঘূৰি গলে বৰ বেয়া কথা হব। সি এবাৰ আহিল যেতিয়া ফাগুণীক দেখা কৰি যাবই— ফলাফল যিয়েই নহওক লাগিলে। ইয়াকে ভাবি, গণেশ লাহে লাহে আগবাঢ়ি গল। কিন্তু, যিমানেই ওচৰ চাপিছে, সিমানেই তাৰ বুকুখন কঁপিবলৈ ধৰিছে।

অলপ দূৰ গৈয়েই এজন মানুহক লগ পাই, ধনেশ্বৰ বৰাৰ ঘৰ কোনটো বুলি সোধাত, মানুহজনে কলে যে বাঁওফালে থকা প্ৰথম দুটা ঘৰ এৰি, তৃতীয় ঘৰটোৱেই। গণেশ নিশ্চিন্ত হল আৰু ফাগুণীৰ সন্মুখীন হবলৈ নিজকে প্ৰস্তুত কৰি লবলৈ চেষ্টা কৰিছে যদিও, তাৰ বুকুখন আগতকৈ বেছি ধপ-ধপাইছে।

লাহে লাহে গৈ ঘৰটোৰ গেটৰ ওচৰত ঠিয় হৈ, ইফালে সিফালে চাইছে। বাবু লাইনৰ আটাইবোৰ ঘৰেই একেধৰণৰ। কোনোবাই চিনাকী কৰি নিদিলে কোনটো ঘৰত কোন থাকে ধৰাটো টান হৈ পৰে। সেই সময়ত অফিচাৰ সকল বাগিছালৈ ওলাই গৈছে। ঘৰৰ তিৰোতাসকল ৰন্ধা-বঢ়া কামত ব্যস্ত। গতিকে, ঘৰৰ দুৱাৰবোৰ কিছুমান জপোৱা আৰু কিছুমান আধা

খোলা হৈ আছে। এনেতে, ঘৰত কাম কৰা বাগিছাৰ এজনী বনুৱা ছোৱালীয়ে তুবছৰীয়া এজনী সৰু ছোৱালী কোলাত লৈ বাহিৰ'ল ওলাই আহিল। কোলাত থকা ছোৱালীজনী দেখিয়েই গণেশৰ বুকুখন চিৰিংকৈ উঠিল। ছোৱালীটিৰ চকু, মুখ, নাক, চুলি আৰু গাৰ বৰণটো সাইলাখ ফাগুনীযেই। থৰ লাগি চাই থাকিল ছোৱালীটিলৈ। এইজনী ফাগুনীৰ জীয়েকেই হব কিজানি। তথাপি কথাটো খাতাং কৰিবলৈ গণেশে বনুৱা ছোৱালীজনীক সুধিলে— হেৰ' ছোৱালী, এইটো ধনেশ্বৰ বৰাৰ ঘৰ হয়নে?

ঠিক এনেতে ফাগুনী ওলাই আহি, গণেশক দেখিয়েই চকৃখাই উঠিল। পিছ মুহূৰ্ত্ততে মনৰ ভাব লুকুৱাই গণেশলৈ চাই হাঁহি হাঁহি ক'লে— ইযে ককাইদেউ দেখোন। ক'ৰ পৰা আহিল? আহক, আহক, এই ভিতৰতে বহকহি।

ইফালে ফাগুনীক দেখি গণেশেও শিলৰ মূৰ্ত্তিৰ দৰে থৰ হৈ ৰ'ল আৰু লগে লগে বুকুখন উজনি-ভাটি কৰিবলৈ ধৰিলে। কি ক'ব, কি নক'ব, একো ঠিক কৰিব নোৱাৰি অবাক হৈ চাই থাকিল ফাগুনীলৈ।

—আহক ককাইদেউ, কি ভাবিছে? ভিতৰলৈকে আহক

গণেশৰ সাপান ভাঙিল। লাহে লাহে আগলৈ খোজ দিযাৰ লগে লগে গণেশে ভাবিলে— ফাগুনীয়ে দেখোন তাক 'আপুনি' বুলি মাতিছে কিয়? আগেয়ে দেখোন তাক 'তুমি' বুলিহে কৈছিল। হযতো, বহুদিন নেদেখাৰ কাৰণে নাইবা অৱস্থাৰ পৰিবৰ্ত্তনৰ লগে লগে এই সম্বন্ধবো পৰিবৰ্ত্তন হৈছে। যিয়ে নহওক সি কিন্তু ফাগুনীক আগৰদৰে 'তই' বুলিয়েই মাতিব। তেতিয়াহে তাহানি সৰু কালৰ আদান-প্ৰদানবোৰ একেদৰে থাকিব।

এইদৰে ভাবি গৈ গণেশ ভিতৰ সোমালগৈ। ফাগুনীয়ে কোঠাটোত মেজখনৰ এমূৰে থকা চকীখনত গণেশক বহিবলৈ দি নিজে মেজৰ ইমূৰে থকা চকীখনত বহিল। তাৰপিছত ফাগুনীৰ নিৰ্দ্দেশ

মতে বমুৱা ছোৱালীজনীয়ে ফাগুনীৰ জীয়েকক কোলাত লৈ ফুৰিবলৈ ওলাই গ'ল।

গণেশে এবাৰ ফাগুনীৰ মুখলৈ চাই আকৌ তলমুৰকৈ ৰ'ল। বহুত কথা মনলৈ আহিল— তাহানিৰ ফাগুনীক অচেতন অৱস্থাত তুলি অনাৰ পৰা বৰ্ত্তমানলৈকে এটা এটাকৈ ঘটনাবোৰ বিজুলী বেগেৰে মনলৈ আহিল। গণেশে দেখিলে যে ফাগুনীজনী বয়সতকৈ বহুত আগবাঢ়ি গ'ল। আগৰ চেহেৰা পাতি নাই। চকুৰ তলত দুটা অস্পষ্ট ক'লা ধেনুভিৰীয়া ৰেখা। গভীৰ চিন্তা বা মনৰ কষ্টই ইয়াৰ নিদৰ্শন। আগৰ ৰাংঢালী ফাগুনীৰ পৰিবৰ্ত্তে এজনী যেন বেদনাৰে ভৰা বোৱাৰী ছোৱালী। লগে লগে আৰু এটা কথা মনলৈ আহিল গণেশৰ। ফাগুনী এতিয়া তেনেই ওচৰতে বহি আছে যদিও, সিহঁতৰ মাজৰ দূৰত্ব এতিয়া পৃথিৱীৰ ইমূৰ-সিমূৰ। আজি ফাগুনী তাৰ ওচৰৰপৰা যুগ যুগান্তৰলৈ আঁতৰি গ'ল। ফাগুনী এতিয়া পৰৰ গৃহিণী আৰু সেইদৰেই স-সন্মানে কথা-বতৰা পাতিব লাগিব। ইত্যাদি কথা ভাবি গণেশৰ বুকুখন হম্-হমাই আহিল।

—আপুনি কেতিয়া আহিল ককাইদেউ— নীৰৱতা ভঙ্গকৰি ফাগুনীয়ে মাত লগালে।

গণেশে যেন টোপনিৰ পৰা সাৰ পালে।

—অ' আজি চাৰিদিনমান হ'ল— অলপ ইতস্তত: কৰি গণেশে ক'লে।

—দুই-চাৰি দিনৰ পিচতে যাবগৈ লাগিব। দহ দিনৰ ছুটি লৈ আহিছিলো। এতিয়া ছুটী শেষ হওঁ হওঁ। —এইবুলি গণেশে ফাগুনীলৈ চালে। ফাগুনীয়ে তলমূৰ কৰি এটা হুমুনিয়াহ কাঢ়িলে।

কন্তেকলৈ কাৰো মুখৰ মাত নাই। তাৰপিচত ফাগুনীয়ে গণেশলৈ চাই আকৌ ক'লে— কই ইয়াত আছো বুলি

আপোনাক কোনে ক'লে ?

—ভনীজনীয়ে, —বুলি গণেশ ভক্ষমূৰকৈ ক'লে।

- নহলে মই জীয়াই আছোনে মৰিলো ইমান দিনে খবৰ লওঁতা কোনো নোলাল।

ফাগুনীৰ কথা কেইষাৰে গণেশৰ বুকুত বৰ আঘাট দিলে। তাকেই উদ্দেশ্য কৰি যে কৈছে, গণেশৰ বুজিবলৈ বাকী নেথাকিল।

—নহয় ফাগুণী, তই ভুল বুবুজিবি। মোৰ জীৱনত যি বোৰ ঘটনা ঘটি গৈছে, সেইবোৰ তই নজনা নহয়।

—জানো চব জানো। মানুহৰ জীৱনত কম বেছি পৰিমাণে লটি-ঘটিবোৰ হয়েই। সেইবুলি আপুনি চিঠি এখন দিও আপোনাৰ খা খবৰবোৰ জনাব পাৰিলে হেঁতেন। ইফালে আমি মৰিলোনে-সাজিলো সেইবোৰ খবৰ নোলোৱা হলেও হ'লহেঁতেন।

—বুজিছো সেইটো কথা। কিন্তু মই কি ভাবিছিলো জান ?

—কি ভাবিছিল ? ফাগুণীয়ে আগ্ৰহেৰে গণেশলৈ চাই থাকিল।

—মই ভাবিছিলো— মোৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজত মই যেতিয়ালৈকে নিজৰ ভৰিত নিজে থিয় দিব নোৱাৰিম, তেতিয়ালৈকে মোৰ বিষয়ে মই কাকো জানিবলৈ নিদিওঁ।

—আপুনি জানিব নিদিলেও মই আপোনাৰ কথা চব শুনিছো।

—কি ? কোনে ক'লে তোক মোৰ কথা ?

—আপোনাৰ ভনীয়েকেই। এদিন তিনিচুকীয়াৰ বজাৰত লগ পালো আপোনাৰ ভনীয়েকক। তেৱেঁই কলে আপুনি ভনীয়েকৰ ঘৰৰপৰা ছিলঙলৈ গৈ তাত প্ৰথমে স্কুলত, তাৰপিচত চেক্ৰেটৰী অফিচত কেৰাণী সোমাল আৰু লগে লগেই ছিলঙত আই, এ, বি, এ, আৰু এম, এ, পাছ কৰিলে। তাৰপিচত সেই 'মুলুকী' বোলা ঠাইতে নিজাকৈ ঘৰ কৰি ছিলঙৰ স্থায়ী বাসিন্দা হৈ পৰিল।

—আও, তই দেখোন মোৰ চব কথাই জানিলি !

—আপুনি মোৰ খবৰ নললেও, মই আপোনাৰ খবৰ আকৃতাৰ্‌ সুধি ফুৰো। সেইদিনা ভনীয়েকৰ পৰা কথাবোৰ জানি মনটো বৰ ভাল লাগিল।

এইবুলি ফাগুণীয়ে এটা দীঘল হুমুনিয়াহ কাঢ়িলে। গণেশে অবাক হৈ চাই থাকিল ফাগুণীলৈ।

অলপপৰ নিতাল মাৰি থাকি ফাগুণীয়ে ক'লে—বাক এটা কথা আপোনাক সোধো, আপুনি বেয়া নেপাব।

—কিয় বেয়া পাম, কছোন বাক।

—তেনেহলে কওঁ শুনক— আপোনাৰ বিয়াখন কেতিয়া পাতিছে?

গণেশৰ বুকুখন চিৰিংকৈ উঠিল। হঠাৎ এনে এটা প্ৰশ্ন কৰিব বুলি গণেশে ভবাই নাছিল। মুগুনাৰ ভাও ধৰি ফাগুণীৰ মুখলৈ চাই থাকিল গণেশ।

—বোলো আপোনাৰ বিয়াখন কেতিয়া পাতিছে?

—মোৰ বিয়াৰ কথা মই ভবাই নাই ফাগুণী।

—আপুনি নেভাবিলেও, আনে আপোনাৰ বিয়াৰ কথা ভাবে।

— বাক, কোনে কছোন?

—সেইবোৰ কথা পিচত কম। এতিয়া বাক কওকছোন— আপোনাৰ বিয়াখন কেতিয়া পাতিব?

—তই ইমান কোঢা-মুঠীয়াকৈ ধৰিছ কিয়?

—আছে কাৰণ। পিচত কম। আগেয়ে মোৰ প্ৰশ্নটোৰ উত্তৰ দিয়ক।

গণেশ নিমাত। তাৰপিচত ফাগুণীলৈ চাই ক'লে— এই সংসাৰত কত মানুহে জানো বিয়া নকৰোৱাকৈ থকা নাই?

—আছে। কিন্তু আপোনাৰ কথা সম্পূৰ্ণ বেলেগ।

—কিয়?

—কিয় মানে—আপুনি কথাবোৰ বুজিও নুবুজাৰ ভাও ধৰিছে।

—মই তোৰ কথাবোৰ একো বুজি পোৱা নাই।

—তেনেহলে কওঁ শুনক। আপোনাৰ জীৱনৰ সুখ-দুখৰ লগত আন মানুহৰো সুখ-দুখ সাঙোৰ খাই আছে।

—তাৰমানে ?

—তাৰমানে মোৰ কথাকে কওঁ। মোৰ কাৰণেই যে এদিন আপুনি ঘৰৰপৰা ওলাই আহিব লগা হ'ল, মোৰ কাৰণেই যে আপুনি ইমান যন্ত্ৰণা ভোগ কৰিছে— সেইবোৰ কথা মই নজনা নহয়। কিন্তু, কি কৰিব ! সকলো ভাগ্যৰ লিখন। মানুহৰ কাৰ জীৱনত কি ঘটনা ঘটে কোনেও কব নোৱাৰে। আজি বহুত দিন ধৰি এটা কথা আপোনাক কম বুলি ৰৈ আছিলো। এতিয়া মই তাকেই ক'ম ।

—কি কথা কছোন ?

—তাকে কৈছো শুনক। তাহানি সৰগ পৰি সৰগলৈ গৈছিলো। আপুনি কিয় মোক আদবাটৰ পৰা ঘূৰাই আনি আকৌ নৰকলৈ ঠেলি পঠিয়ালে ? সৰগ পৰি মৰিলো বুলি সেই গছৰ তলতেই এৰি থৈ অহা হলে আজি আপোনাৰ জীৱনত ইমানবোৰ লটি-ঘটি নহয় আৰু মযো নানা দুখ কষ্ট ভুগিব লগা নহ'লহেঁতেন। কিন্তু আপুনি আপোনাৰ কৰ্ত্তব্য কৰিলে আৰু মই জীয়াই থাকিলো এই নৰক যন্ত্ৰণা ভুগিবলৈ।

ফাগুণীৰ চকু দুটা চল্-চলীয়া হৈ আহিল।

—তই কি বকিছ এইবোৰ। গণেশে আচৰিত হোৱা যেন দেখুৱাই কলে।

—আপুনি শুনি যাওক। মই আপোনাৰ উপকাৰৰ কথা কেতিয়াও নেপাহৰো। কিন্তু মোৰ কাৰণেই হোৱা আপোনাৰ দুখলগা অকলশৰীয়া জীৱনটোৰ কথা ভাবিলে মোৰ বুকুখন দেই-

পুৰি আছে। মই ক'তো শান্তি পোৱা নাই। কিন্তু মোৰ এই অশান্তিপূৰ্ণ জীৱনত শান্তি ঘূৰাই আনিবলৈ—মোৰ জীৱনত এখন সুখৰ সংসাৰ গঢ়ি দিয়াৰ ক্ষমতা আপোনাৰ হাতৰ মুঠিতেই আছে। এতিয়া কওক, আপুনি মোক সেইখন সংসাৰ পাতি দিবনে?

—কি? তোৰ সুখৰ সংসাৰ মোৰ হাতৰ মুঠিত আছে! মই একো ধৰিব পৰা নাই। তথাপি তোৰ সুখৰ কাৰণে সম্ভৱ হ'লে মই সকলো ত্যাগ কৰিবলৈ, আনকি প্ৰাণ বিসৰ্জ্জন দিবলৈও ৰাজী আছো।

—বেচ, শুনি সুখী হ'লো। এতিয়া মোৰ অন্তৰৰ কথা আপোনাৰ আগত খুলি কওঁ। যদি আপোনাৰ মোলৈ মৰম আছে, যদি আপুনি মোৰ জীৱনত এখন সুখৰ সংসাৰ গঢ়ি দিব খোজে, তেনেহ'লে মোৰ একমাত্ৰ অনুৰোধ—— আপুনি বিয়া কৰাওক ককাইদেউ, আপুনি বিয়া কৰাওক। আপুনি বিয়া কৰালেই মই এই পৃথিৱীৰ ভিতৰত আটাইতকৈ সুখী তিৰোতা হৈ পৰিম আৰু এই যাতনাৰে ভৰা পৃথিৱীখন মোৰ কাৰণে হ'ব এখন অমৰাপুৰী স্বৰ্গ। আপুনি বিয়া কৰাওক ককাইদেউ।

কথাখিনি কৈ ফাল্গুণীয়ে অতি করুণ ভাৱে চাই থাকিল গণেশলৈ।

—তইনো মোৰ বিয়াৰ কাৰণে ইমান ভাবিছ কেলেই? তোৰ নিজৰ সংসাৰৰ কথাহে ভাবিব লাগে। মই নিজেই সেই-বোৰ কথা ভবা নাই আৰু মোৰ এইটো জীৱনেই ভাল লাগিছে।

—নহয় ককাইদেউ। তাহানি আপুনি কিয় ঘৰৰপৰা ওলাই যাব লগা হ'ল, সেইটো আপুনি নকলেও মই ভালকৈ জানো। তাৰ কাৰণে সম্পূৰ্ণ ময়েই দোষী। মোৰ কাৰণেই আপুনি ইমান দুখ লগা জীৱন কটাব লগা হৈছে। আপোনাৰ জীৱনৰ দুখ-কষ্ট বোৰ দেখি মইনো বাৰু কেনেকৈ জীয়াই থাকিব পাৰো, আপুনি কওকচোন। আপুনি ওলাই যোৱা দিনৰে পৰা মই দিনে-ৰাতিয়ে

চকুপানী টুকিছো। ঈশ্বৰক খাটি আছিলো আপোনাক লগ পাবলৈ ভগৱানে সেইটো সুযোগ আজি দিছে। এতিয়া কওক ককাইদেউ আপুনি কেতিয়া বিয়া কৰাব? আপুনি বিয়া নকৰালে মোৰ জীৱনলৈ শান্তি নাহে। আপুনি জানো মোৰ জীৱনত অকণমানো সুখৰ ৰেঙণি পৰাটো নিবিচাৰে?

—নিশ্চয় বিচাৰো। তোৰ জীৱনটো সুখৰ হওক, মই তাকেই কামনা কৰো। কিন্তু, সেই বুলি তই মোৰ জীৱনৰ কথা ভাবিব নালাগে। এই সংসাৰত প্ৰত্যেক মানুহৰে জীৱনবোৰ সুকীয়া আৰু সেই অনুপাতেই জীৱনত সুখ-দুখ ভোগ কৰি থাকে। এতিয়া তোৰ এখন সুকীয়া সংসাৰ। গতিকে, এতিয়া নিজৰ সংসাৰৰ প্ৰতিহে মন দিব লাগে। আনৰ কথা ভাবিলে একো লাভ নাই। মই এই অকলশৰীয়া জীৱনটোৰেই ভাল পাইছো আৰু আজীৱন এইদৰে থাকিম বুলিয়েই ভাবিছো।

গণেশৰ কথাত ফাগুণীৰ অন্তৰত বৰ আঘাত লাগিল। তথাপি, এবাৰ শেষ চেষ্টা কৰি চাবলৈ মন মেলিলে।

—অৱশ্যে ককাইদেউ, আপোনাৰ কথাবোৰত মূল্য নোহোৱা নহয়। কিন্তু, এতিয়া আপুনি মোক পৰৰ মানুহ বুলি ভাবিছে হবলা আৰু সেইদৰে কথাবোৰো পৰৰ মানুহক কোৱাদি কৈছে। আনহাতে, মই আপোনাক আগৰদৰেই আপোন বুলি ভাবি আছো, যদিও বাস্তৱ জগতত মই বহুত দূৰলৈ আতৰি আহিছো।

খন্তেক নীৰৱে থাকি ফাগুণীয়ে আকৌ কলে— বাৰু ককাইদেউ, যাওক সেইবোৰ কথা। এতিয়া আকৌ আগৰ কথালৈ আহোঁ। মই কোৱামতেই যে কালিলৈকে এজনী আপুনি বিয়া কৰাবগৈ, সেইটো নহয়। মোৰ আগত কেৱল আপুনি 'বিয়া কৰাম' এই কথাটো কওক, আপোনাৰ এই এটা কথাৰ ওপৰতে মোৰ জীৱনৰ সকলো সুখ-দুখ নিৰ্ভৰ কৰিছে। মই কাৰো

কৰিছো ককাইদেউ, আপুনি বিয়া কৰাম বুলি কওক।

এইবুলি ফাগুণীয়ে কন্দনামুৱা হৈ চাই থাকিল গণেশলৈ।

ইমানপৰলৈকে ফাগুণীৰ কথাবোৰত গণেশে অন্তৰত বেদনা অনুভৱ কৰিছিল যদিও, ফাগুণীৰ আগত কথাৰে বা ভাৱ-ভঙ্গি'ৰ একো প্ৰকাশ কৰা নাছিল— কিজানি ফাগুণীয়ে অন্তৰত আঘাত পায় বুলি। তাৰ পৰিবৰ্ত্তে, কথাবোৰ খুব পাতলকৈ লোৱা যেন দেখুৱাইছিল আৰু সেই অনুক্ৰমেই ফাগুণীৰ কথাবোৰৰ সহজ সৰল ভাৱে উত্তৰ দি গৈছিল, যাতে ফাগুণী কোনো কথাতেই উত্তেজিত হৈ নপাৰে। কিন্তু, এই মূহুৰ্ত্তত, এনে এটা পৰিস্থিতি আহি পৰিলহি, য'ত, গণেশৰ নিজৰ মনোভাৱ আৰু গোপন কৰিব নোৱাৰা হৈ পৰিল। এহাতে ভীষ্ম প্ৰতিজ্ঞা, আনহাতে, ফাগুণীৰ চলচলীয়া চকুৰে কাতৰ অনুৰোধ। এই দোমোজাত পৰি গণেশ পেপুৱা লাগিল আৰু কি কৰ, কি নকৰ বুলি ভাবি অস্থিৰ হৈ পৰিল।

—আপুনি দেখোন একো নকলে, ককাইদেউ— গণেশলৈ চাই ফাগুণীয়ে আকৌ কলে। আপুনি কেৱল মাত্ৰ 'বিয়া কৰাম' বুলি কলেই হল। আপোনাৰ পৰা সেইটো উত্তৰ পাম বুলিয়েই আশা কৰি আছো। কওক, ককাইদেউ, দেৰি নকৰিব।

এইবুলি ফাগুণীয়ে অতি আগ্ৰহেৰে চাই থাকিল গণেশৰ মুখলৈ।

খন্তেকৰ কাৰণে গণেশ বিচলিত হৈ পৰিল। তাৰপিচত মনটো ডাঠ কৰি ক'লে— অধৈৰ্য্য নহবি ফাগুণী। মই তোৰ মনৰ কথাবোৰ নুবুজা নহয়। কিন্তু তই এতিয়া সংসাৰী মানুহ। তোৰ স্বামী আৰু সন্তান লৈ এখন সুখৰ সংসাৰ গঢ়ি তোলাৰ দায়িত্ব তোৰ ওপৰতে। আনে কোনেও তেনে সংসাৰ গঢ়ি দিব নোৱাৰে। গতিকে ধৈৰ্য্য ধৰি নিজৰ অৱস্থাৰ লগত খাপ খুৱাই

চলিলেই সকলোৰে সংসাৰ সুখী হৈ পৰে। ঐশ্চৰ্য্য-বিভূতি বা ক্ষমতাই সেই সুখ-শান্তি দিব নোৱাৰে। আনহাতে মোৰ জীৱনটো সম্পূৰ্ণ স্বকীয়া। মই উদাসীন— সংসাৰ বৈৰাগী। মোৰ কাৰণে এই জীৱনেই ভাল বুলি ভাবো। সাময়িকভাৱে ছিলঙত থাকিবলৈ এটা সৰু ঘৰ কৰি লৈছো যদিও বোধকৰো চিৰকাল তাত নেথাকিম। তাৰপিচত ক'লৈ যাম, কি কৰিম—সেইটো ভৱিষ্যতৰ কথা।

গতিকে মোৰ কাৰণে তই কোনো চিন্তা কৰি নেথাকিবি। আৰু থাকিলেও লাভ নাই। এতিয়া সকলো কথালৈ পিঠি দি তই নিজৰ সংসাৰখন গঢ়ি লবলৈ যত্ন কৰ। তাতেই তই শান্তি পাবি। আনত নহয়।

—তেনেহলে আপুনি বিয়া নকৰাওঁ বুলিয়েই ঠিক কৰিছে নহয় ককাইদেউ ?

—তেনে বুলিয়েই ধৰি লবি। মিছা কথা কৈ মানুহক প্ৰৱঞ্চনা কৰা মোৰ উদ্দেশ্য নহয়। আৰু এটা কথা। তইতো জানই— মোৰ জীৱনত আৰু বিয়া নহয়। তাৰ বাবে তই মোক ক্ষমা কৰিবি ফাগুণী। তোৰ সংসাৰ সুখৰ হওক—ইয়াকে কামনা কৰিলো। বাৰু মই যাওঁ এতিয়া।

এইবুলি কৈয়েই গণেশ বহাৰপৰা উঠিল।

কি ককাইদেউ! কলৈ যায় ? বহক—বুলি ফাগুণী চিঞৰি উঠিল। ইমান সোনকালে যে গণেশ যাবলৈ ওলাব ফাগুণীয়ে কল্পনাই কৰা নছিল।

—নহয় ফাগুণী। আৰু নকবি। মই অস্থিৰ হৈ পৰিছো। ঈশ্বৰে তোৰ মঙ্গল কৰক। মই আহিলো।

এইবুলি কৈয়েই গণেশে বাহিৰলৈ খোজ ললে।

ফাগুণী শিলৰ মূৰ্ত্তিৰ দৰে অবাক হৈ চাই থাকিল। পিছ

মুহূৰ্ত্ততে—উস্ ককাইদেউ! আপুনি মোক অথাই সাগৰত পেলাই থৈ গ'ল— বুলি কৈয়েই মেজত মুৰটো থৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে।

ইফালে গণেশ ওলাই গৈ চোতালৰপৰা ফাগুণীৰ উচুপনি শুনি থমকি ৰ'ল আৰু পিছমুহূৰ্ত্ততে বিষাদ মনেৰে আকৌ আগলৈ খোজ দিলে।

উচুপনি মাৰ গ'ল। তাৰপিচত ফাগুণীয়ে গালত হাতদি বেজাৰ মনে দূৰলৈ চাই থাকিল। হৈ যোৱা কথাবোৰ ভাবি থাকোতে শেষত গণেশে কৈ যোৱা কথা এবাৰলৈ মনত পৰিল— 'তইতো জানই, মোৰ জীৱনত আৰু বিয়া নহয়।' সঁচাকৈয়ে জানো ফাগুণীয়ে জানে এই কথাটো।

হঠাৎ ফাগুণীৰ এটা কথা মনত পৰিল। তাহানি এদিন ফাগুণীহঁতৰ ঘৰত কিবা বিয়াৰ কথা ওলাওঁতে, গণেশে ফাগুণীক কৈছিল—"ফাগুণী, মই তোকেই বিয়া কৰাম। তোৰ বাহিৰে মই আন কাকো বিয়া নকৰাওঁ।"

তেনেহ'লে এই কথাটোকে গণেশে সোঁৱৰাই দিছিলনেকি? হ'বও পাৰে। কাৰণ, ফাগুণীৰ বিয়া হৈ গ'ল আৰু আনহাতে, গণেশে নিজৰ কথা ৰাখিলে।

কিন্তু, ফাগুণীয়েও জানো নিজৰ কথা ৰাখিব নোৱাৰিলেহেঁতেন? তাইযো ভাবিছিল যে গণেশৰ বাহিৰে তাই আন কাকো বিয়া নকৰায়। কিন্তু ছোৱালীৰ মান সন্মান, আত্ম-ৰক্ষা ইত্যাদি কথাত পুৰুষৰ আশ্ৰয় নিতান্ত প্ৰয়োজন। তাৰ উপৰিও, মাক-বাপেক আৰু সমাজৰ এটা দায়িত্ব আছে। এই সকলোবোৰৰ হেঁচাত পৰি ফাগুণীয়ে অনিচ্ছা সত্ত্বেও বিয়া কৰা-বলৈ বাধ্য হ'ল।

আনহাতে, ল'ৰাৰ কথা সম্পূৰ্ণ বেলেগ। সিহঁত এই-বোৰ কথাত স্বাধীন। আনকি কেতিয়াবা মাক-বাপেকৰ কথা

উলাই কৰিও বহুত ল'ৰাই আন এজনী বিয়া কৰায় বা চিৰকুমাৰ হৈ থাকে। গণেশ তাৰেই নিদৰ্শন।

ঠিক এনেতে, বাগিছাৰ কলঘৰত বাৰ বজাৰ দীঘলীয়া উকি পৰিল। অফিচাৰসকল দুপৰীয়া ভাত খাবলৈ ঘৰলৈ আহিব।

ফাগুণীও লাহেকৈ বহাৰ পৰা উঠিল আৰু এটা দীঘল হুমুনিয়াহ কাঢ়ি চকুপানী মুছি মুছি ৰান্ধনী ঘৰৰ কালে খোজ ল'লে।

আবেলি চুটা মান বজালৈকে গণেশক ঘূৰি নহা দেখি, ভনীয়েকে ঘৰত চট্‌-ফটাই আছে। ইমানপৰ তাত কি কৰিছে-কি বা হৈছে ইত্যাদি কথা ভাবি, এবাৰ বাহিৰলৈ, এবাৰ ভিতৰলৈ অহা-যোৱা কৰি আছে। এবাৰ ভাবিছে যে ফাগুণী ইয়াত থকা কথাটো ককায়েকক ক'বই নালাগিছিল। কাৰণ, আগতে ফাগুণীৰ লগত ককায়েকৰ লেন-দেনৰ কথাবোৰ ভনীয়েকে ভালকৈ জানে। ফাগুণীৰ কাৰণেই যে ককায়েকৰ জীৱনত ইমানবোৰ লটি-ঘটি হল সেইবোৰো নজনা নহয়। কিন্তু, সেইদিনা কথাৰ চলাতে ফাগুণীৰ কথা ওলাই গল। ঠিক এনেতে, ভালেমান দূৰত ককায়েকক অহা দেখি মনটো ভাল লাগিল। নজনাৰ ভাও জুৰি ভনীয়েক লাহেকৈ ভিতৰ সোমাই থাকিল।

খন্তেক পিচতে গণেশ আহি দুৱাৰ খুলি ভিতৰ সোমাই গ'ল। এনেতে ভনীয়েকে লৰালৰিকৈ ওচৰলৈ আহি--অ', ককাইদেউ আহিলা। বহুত দেৰি হ'ল দেখোন - বুলি ককায়েকক প্ৰশ্ন কৰিলে।

—অঁ, আহিলোঁ। নাই বিশেষ একো দেৰি হোৱা নাই—বুলি গণেশ ওচৰৰ চকী এখনতে বহি লগে লগে এটা হুমুনিয়াহ কাঢ়িলে। ভনীয়েকে কথাটো লক্ষ্য কৰিলে।

— পিচে, পালাগৈ ফাগুণীক লগ? ভনীয়েকে সুধিলে।

—অঁ, পাৰোঁ'গৈ—কাহেকৈ গণেশ ক'লে।

—ফাগুণীয়ে কি ক'লে?

—ইয়ে, তাহানিবোলে তিনিচুকীয়া বজাৰত লগ পাওঁতে, তই ফাগুণীক মোৰ কথা চব, কৈছিলি। আজি ফাগুণীয়ে সেই-বোৰকে মোৰ আগত কৈছিল। এই বুলি গণেশে এটা হাঁহি মাৰিলে।

—অঁ, হয় নেকি? ভনীয়েকে হাঁহিলে। —আৰু কিবা কথা ফাগুণীয়ে কৈছিলনেকি?—ভনীয়েকে আকৌ সুধিলে।

এইবাৰ গণেশ থৎমৎ খাই গ'ল।

—নাই—তেনেকৈ—মানে—বিশেষ—একো কোৱা নাই—বুলি-কৈয়েই গণেশ গহীন হৈ পৰিল। লগে লগেই ফাগুণীৰ লগত হোৱা কথাবোৰ মনত পৰি তন্ময় হৈ ৰ'ল।

ভনীয়েকে বুজিলে যে নিশ্চয় কিবা এটা অঘটন ঘটিছে। কিন্তু এই সময়ত আৰু একো কথা নুসুধি ককায়েকক গা ধুবলৈ কৈ ভনীয়েকে ভাত বাঢিবলৈ গ'ল।

ভাত খাই উঠি, গণেশ আকৌ আগৰ চকীত বহি, কিবা ভাবি থাকিল। ভনীয়েকে লক্ষ্য কৰিলে, কিন্তু একো নক'লে। গধূলি ভাত খাই উঠি, গণেশ ভনীয়েক আৰু বৈনায়েক ওচৰা-ওচৰিকৈ তিনিখন চকীত বহিলহি। অলপপৰ ইটো সিটো কথা পাতি গণেশে ভনীয়েকলৈ চাই ক'লে—অঁ', এটা কথা মই কাইলৈ যাওঁ। মোৰ আৰু ছুটী দুদিনহে আছে। কাইলৈ গধূলিকৈ গ'লে পৰহি গধূলিলৈহে ছিলং পামগৈ। তাৰ পিচ দিনা কামত জইন, কৰিবই লাগিব। সেই কাৰণে কাইলৈ গধূলিকৈ যাবই লাগিব।

—কাইলৈকে যোৱাগ? আৰু কেইদিনমান ছুটী ল'ব নোৱাৰা জানো? ভনীয়েকে ক'লে।

—নহয় অঁ। কাইলৈকে নগলে মোৰ বৰ দিগদাৰ হ'ব। কাৰণ আকৌ ছুটী ল'লে, পিচত দৰ্মহা-পাতি পোৱা বৰ দিগদাৰ হয়। তোৰ কথা মতেই আহি থাকিলোঁ আৰু ইমান দিন।

এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে, ভনীয়েকেই কেইবাখনো চিঠি দি গণেশক মাতি আনিছিল এটা ডাঙৰ কথাত। কথাটো হ'ল—গণেশৰ বিয়া পতা। সেইকাৰণে গণেশ আহিবৰ দিনাৰ পৰা ভনীয়েকে গণেশক বিয়া পাতিবলৈ কুটুৰি আছে। কিন্তু গণেশে—বাৰু মই ভাবি চাওঁ—মোৰ বহুত জৰুৰী কাম আছে—সেইবোৰ কৰি লৈহে পিচত বিবেচনা কৰিব লাগিব—তইনো ইমান তৎ নোহোৱা কৰিছ কে'লেই—ইত্যাদি কথাৰে হাঁহি মুখে, গণেশে ভনীয়েকৰ কথাবোৰ এৰাই যায়। কাৰণ গণেশে ভনীয়েকক খুব মৰম কৰে। কেতিয়াও টান কথা নকয় আৰু ভনীয়েকৰ লগতহে কেবল হাঁহি-ধেমালিৰে কথা পাতে। গতিকে, ভনীয়েকে বিয়াৰ কথা উলিয়ালেই, গণেশে হাঁহি হাঁহি, আন কথা কৈ, আচল কথাটো এৰাই ফুৰে।

পিচদিনা গধূলি এমুঠি খাই বই লৈ গণেশ যাবলৈ ওলাল। তিনিচুকীয়াৰ পৰা ৰাতি আঠটা বজাত ভটীয়নী ৰেলখন যায়। গণেশ সেইখনতে যাবগৈ। ঠিক এনেতে ভনীয়েকে ককায়েকলৈ চাই, লাহে লাহে ক'বলৈ ধৰিলে—পিচে ককাইদেউ তুমি যাবলৈ ওলালা। কিন্তু মোৰ কথাটো একো এটা সমিধান নিদিয়াৰ কাৰণে মই বৰ দুখ পাইছোঁ। ভাবি চোৱাচোন—নিজৰ বুলিবলৈ তোমাৰ বাহিৰেনো কোন আছে। সৰুতে মা মৰিল। পিচত মাহী আইৰ অত্যাচাৰৰ পৰা তুমি সৰুৰেপৰা যেনেকৈ ৰক্ষা কৰিছিলা, সেইবোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ। মোৰ বিয়াৰ পিচত, মাহী আইৰ গোটেইবোৰ আক্ৰোশ তোমাৰ ওপৰতে পৰিল। শেষত, তুমিও ঘৰ এৰিবলৈ বাধ্য হ'লা। বাৰু, যাওঁক সেইবোৰ কথা। এতিয়া তুমি

নিজৰ ভৰিত নিজে থিয় দিব পৰা হৈছা। সেইকাৰণে তোমাৰ বিয়াখন পাতিবলৈ ইমান জোৰ কৰি আছোঁ। কিন্তু, তুমি আজিলৈকে মোক কোনো এটা খাতাং কথা নক'লা।

এইবুলি ভনীয়েক চাদৰেৰে চকুপানী মছিবলৈ ধৰিলে।

ভনীয়েকৰ চকুপানী দেখি গণেশ খন্তেকৰ কাৰণে বিচলিত হৈ পৰিল। বিয়া নকৰাবলৈ সিদ্ধান্ত কৰাৰ কিবা মূল্য আছেনে নাই—এই বিষয়ে তাৰ সন্দেহ হ'ল। আনহাতে, ভনীয়েকৰ মনত কষ্ট দিয়াটো গণেশে কোনোমতেই সহ্য কৰিব নোৱাৰে। এবাৰ ভাবিলে—ভনীয়েকৰ আগত বিয়া কৰাম বুলিয়ে কৈ যাব নেকি? তেতিয়া ভনীয়েকে মনত ৰং পাব। আকৌ আনহাতে ফাগুনী আৰু ফাগুনীৰ আগত কৈ অহা কথাবোৰ তাৰ মনত পৰিল। এতিয়া সি ভনীয়েকৰ আগত কি কব, কি নক'ব ইত্যাদি কথা ভাবি থাকোতেই, ভনীয়েকে আকৌ ক'লে—ক'তা ককাইদেউ, একো নকলা দেখোন।

গণেশ চক্‌খাই উঠিল। কিছুপৰ থাকি লাহেকৈ কলে—বাৰু, মোৰ কিছুদিন এই বিষযে ভাবিবলৈ সময় লাগিব। মই বাৰু ছিলঙলৈ গৈয়ে এই বিষযে তোলৈ লিখিম। তই চিন্তা নকৰিবি। এতিয়া মই যাওঁ।

তাৰ পিচতেই গণেশে বৈনায়েকক মাত লগাই হাতত চুটকেছটো লৈ ভনীয়েকৰ ঘৰৰপৰা ওলাই আহিল। ভনীয়েকে চকুপানী মছি মছি গণেশক নেদেখালৈকে চাই থাকিল।

খন্তেক পিচত, স্বামীয়ে পত্নীলৈ চাই গহীনাই ক'লে—মই এটা কথা মন কৰিছোঁ। মানে সেইদিনা ফাগুনীৰ ঘৰৰ পৰা ঘোৰাৰ পিচৰপৰা দাদাৰ মনটো বেলেগ হৈ পৰিল যেন দেখিছোঁ। কিয় এনে হ'ল তুমি জানানে?

এটা হুমুনিয়াহ কাঢ়ি পত্নীয়ে ক'লে—এ-হ,, সেইবোৰ কথা ক'লেনো কি হ'ব। ককাইদেৱে আগতে ফাগুণীক বিয়া কৰাব খুজিছিল। এইটোকে চেলু লৈ মাহী আইয়ে দেউতাক লগাই লগাই ককাইদেউক ঘৰৰ পৰা উলিয়াই পঠিয়ালে। ফাগুণীৰ কাৰণেই ককাইদেউৰ এইবোৰ লটি-ঘটি হ'ল।—বুলি এটা দীঘল হুমুনিয়াহ কাঢ়িলে।

—মই ঠিক ধৰিছোঁ, দেখিছা। পিচে তুমিও এটা ভুল কৰিলা।

—কি ভুল কৰিলোঁ মই?

—ভুল মানে—সেইদিনা তুমি দাদাৰ আগত ফাগুণী ইয়াত আছে বুলি ক'বই নেলাগিছিল। আগতে মই এইবোৰ কথা জনা হ'লে, তোমাক ফাগুণীৰ কথা ক'বলৈ মানা কৰিলোহেঁতেন।

—কেনেকৈনো জানিম কথাটো ক'লেই যে তেনেকুৱা হ'বগৈ।

—সেই কাৰণেহে কৈছোঁ, তুমি কথাটো আগতে মোক নকৈ এটা ডাঙৰ ভুল কৰিলা। বাৰু, যি হ'ব লগা হ'ল। মই বাৰু দাদালৈ টানি অনুৰোধ কৰি কাইলৈ এখন চিঠি দিম। দাদাই কি উত্তৰ দিয়ে সেইটো চাই লৈ পিছত কিবা এটা কৰিব লাগিব। তুমি এইবোৰ কথা বৰকৈ চিন্তা নকৰিবা। পত্নীয়ে এটা দীঘল হুমুনিয়াহ কাঢ়ি, শুন্যলৈ চাই থাকিল।

টিকটটো কিনি লৈ গণেশ ৰেলত উঠি, ভৰাটোৰ চুক এটাত নিজৰ বিচনাখন পাৰি লৈ দীঘল দি পৰিল আৰু লগে লগেই আকাশ-পতাল ভাবিবলৈ ধৰিলে। এই কেইদিনৰ ভিতৰতে হৈ যোৱা ঘটনাবোৰ, যেনে—ফাগুণীৰ লগত দেখা-সাক্ষাৎ—ফাগুণীৰ কাতৰ অনুৰোধ নিষ্ঠুৰ ভাৱে প্ৰত্যাখ্যান। তাৰ পিচত, ভনীয়েকৰো সেই একেটা কথা লৈয়ে চল, চলীয়া চকুৰে অনুনয়-বিনয়। কিন্তু গণেশ সেই বিষয়ত অচল-অটল।

তথাপি তনীয়েকৰ চকুপানী দেখি তাৰ অন্তৰত বৰ আঘাত লাগিছিল। এবাৰ ভাবিছিল—সঁচাকৈয়ে সি বৰ নিষ্ঠুৰনেকি? ডাঙৰ ডাঙৰ বীৰপুৰুষ সকলেও দেখোন কেতিয়াবা নিজৰ প্ৰতিজ্ঞা ভঙ্গ কৰাৰ দৃষ্টান্ত আছে। তাহানি মহাবীৰ ৰাণা প্ৰতাপ সিংহই মোগলৰ বশ্যতা স্বীকাৰ নকৰো বুলিয়েই পৰ্ব্বতে-পাহাৰে, ল'ৰা-ছোৱালীবে সৈতে লুকাই থাকিও শত্ৰুৰ লগত যুদ্ধ কৰিছিল। এদিন এইদৰে হাবিৰ মাজত থাকোতেই হাবিৰ ঘাঁহ-বননিৰে কৰা এটি সক ৰুটি ৰাণা প্ৰতাপৰ সক ছোৱালীজনীৰ হাতৰপৰা বন বোন্দাই থপিয়াই লৈ গ'ল। ছোৱালীটিয়ে বৰকৈ কান্দিবলৈ ধৰিলে। ৰাণা প্ৰতাপে এই দৃশ্য দেখি আছিল। তেওঁৰ মনত বৰ আঘাট লাগিল আৰু তেতিয়াই মোগলৰ বশ্যতা স্বীকাৰ কৰি আকবৰলৈ চিঠি পঠিয়ালে। চিঠি পায়েই আকবৰ আনন্দত নাচি উঠিল। কিন্তু আকবৰৰ ৰাজসভাৰে এজন ৰাজপুত কবিয়ে কথাটো জানি মনত বৰ দুখ পালে আৰু ৰাণা প্ৰতাপলৈ তেনে কাম নকৰিবলৈ গোপনে চিঠি দিলে। এই চিঠি পাযেই ৰাণা প্ৰতাপ উৎসাহিত হৈ মোগলৰ বিৰুদ্ধে দুগুণ উৎসাহেৰে সংগ্ৰাম কৰিবলৈ ধৰিলে আৰু চিতোৰৰ বাহিৰে বহুত হেৰোৱা ৰাজ্য উদ্ধাৰ কৰিলে।

তেনেহলে মহাবীৰ ৰাণা প্ৰতাপ সিংহয়ো সাময়িক উত্তেজনাৰ বশবৰ্ত্তী হৈহে বশ্যতা স্বীকাৰ কৰি চিঠি দিছিল। কিন্তু ৰাজ দৰবাৰৰ ৰাজপুত কবিৰ উদগনি চিঠি পাই ৰাণা প্ৰতাপে হেৰোৱা মনোবল ঘুৰাই পালে আৰু আকৌ প্ৰবল-প্ৰতাপে শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম চলাবলৈ ধৰিলে।

এতিয়া গণেশৰ মনতো এইবোৰ সাময়িক দুৰ্ব্বলতাহে নেকি? তেনেহলে সি এতিয়াও দুৰ্ব্বলতাৰ বশবৰ্ত্তী হৈ পৰা নাই। দেখা যাওক বাৰু— 'ক'ৰ পানী ক'লৈ যায়'।

ইত্যাদি কথা ভাবিয়েই গণেশ এবাৰ টোপনি গ'ল। পিচদিনা গধূলি ছিলং পাই গণেশে গুদাই-নিকাই ছুটামান বাছি খাই যাই শুই থাকিল।

তাহানি গণেশে পঠিওৱা টকা শ লব নোৱাৰি দেউতাকে মনত বৰ দুখ পালে। তেওঁ ভাবিছিল যে ইমান খিনি কৰা স্বত্বেও গণেশে আকৌ দেউতাকৰ কাষ চাপিব খুজিছিল। কিন্তু এই যম-ডাকিনী মাহীমাকজনীৰপৰা সেইটো হৈ নুঠিল। গণেশৰ দুখতে দেউতাক ক্রমাৎ দুর্ব্বল হৈ আহিল।

গণেশ ঘৰৰপৰা ওলাই যোৱা আজি ছ—বছৰেো অধিক হৈ গ'ল। ঠিক এনেতে এবাৰ গাঁৱত আৰু আশে-পাশে হাইজা বেমাৰে প্রবল ভাবে দেখা দিলে। এই বেমাৰত পৰিয়েই গণেশৰ মাহীমাকৰ গাভৰু ছোৱালীজনী মৰিল। পিতৃ-মাতৃ শোকত বিয়াকুল হৈ পৰিল। সন্তান শোকৰ উপৰিও দেউতাকৰ সময়মতে ভাত জলপান আদি সকলো আলপৈচান ধৰা একমাত্র ছোৱালীজনীৰ মৃত্যু হোৱাত বাপেকৰ চাওঁতা-চিতোতা মানুহ নোহোৱা হ'ল। দেউতাকৰ প্রতি আওকণীয়া ভাবটো মাহীমাকৰ আগৰদৰেই থাকিল। ফলত দেউতাকৰ পানীত হাঁহ নচৰা গতি হ'ল।

আনহাতে, একমাত্র জীয়েকৰ হেৰুৱাই, মাহীমাক পগলাৰ দৰে হৈ পৰিল। ঘৰখনত বাকী থাকিল কেৱল সৰু পিতেকটো। মাহীয়েকে ভাবিলে যে আগতে সতিনীয়েকৰ পিতেক-জীয়েক হালক নানা অত্যাচাৰ কৰাৰ কাৰণেই কিজানি যম বজাই তাইৰ জীয়েককো বুকু উদং কৰি মাৰি লৈ গ'ল। এই ঘটনাৰ পৰাই মাহীমাক সংসাৰৰ প্রতি উদাসীন হৈ পৰিল।

তাৰ উপৰিও, গণেশ ঘৰৰপৰা ওলাই যোৱাৰ পিচত ঘৰৰ ম'হবোৰ চাওঁতা-চিতোতা নোহোৱাৰ কাৰণে, দেউতাকে

উপায় নেপাই যাকে-তাকে আধা-মূলী কৰি বেচি দিলে। তাৰ পিচত গোহালীৰ গৰু, ভঁৰালৰ ধান, পথাৰৰ মাটি আদি লাহে লাহে কমি আহিল। দেউতাক অসুস্থ হৈ পৰাত, খেতি বাতি কৰিব নোৱাৰি কিছুমান মাটি বেচিলে, কিছুমান বন্ধকত আৰু কিছুমান মাটি আধিলৈ দিলে। তথাপি বছেৰেকত ভাত মুঠি-য়েই নোজোৰা হৈ পৰিল। গণেশ থকা হ'লে আজি ঘৰৰ এনেকুৱা অৱস্থা নহ'লহেঁতেন। সেই কাৰণে, এহাতে গণেশৰ কাৰণে দুখ, আনহাতে নিজৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক চিন্তাৰ কাৰণে দেউতাকৰ অৱস্থা দিনে দিনে বৰ শোচনীয় হৈ আহিল।

ইফালে গণেশে ছিলঙত গতানুগতিক ভাৱেই অফিচত কাম কৰিবলৈ ধৰিলে। বহুত চিন্তা-ভাৱনাৰ মাজতো, তাৰ এটা কথা এতিয়াও আধকৱা হৈ থাকিল। ছিলঙলৈ আহিয়েই, মনৰ উলাহতে হওক বা জিদত লাগিয়েই হওক, প্ৰথম ছ-বছৰ-তেই কলেজৰ ছাত্ৰৰ দৰে ক্ৰমে আই, এ, বি, এ আৰু এম, এ ভালকৈ পাচ কৰি, চেক্ৰেটৰী অফিচত কামত সোমাল আৰু নিজৰ স্থায়ী ভাৱে মুলকীত এটা ঘৰো সজালে। এম, এ, পঢ়াৰ লগে লগে ষ্টেনগ্ৰাফীৰ কিতাপো আনি পঢ়িছিল। কিন্তু তেতিয়া এম, এ, পাচ কৰিলৈ পিচত ষ্টেনগ্ৰাফীটো পাচ কৰিব বুলি থৈ দিলে। এম, এ পাচ কৰা আজি দুবছৰ হৈ গ'ল। কিন্তু ষ্টেনগ্ৰাফী, পাচ কৰা নহ'ল। গণেশে ভাবিলে যে পিচলৈ থলে কাম পিচ পৰি যায়—এইটো একেবাৰে সত্য কথা। ষ্টেন-গ্ৰাফী পাচ কৰাৰ আৰু এটা উদ্দেশ্য আছিল। এইটো পৰীক্ষা পাচ কৰিব পৰিলেই, সি এচেমব্লীৰ ৰিপৰ্টাৰ হ'ব আৰু লগে লগে বহুত মানুহৰ লগত চিনা-পৰিচয় আৰু লগতে বহুত কথা শিকিব পাৰিব। এই কথা ভাবিয়েই গণেশে ষ্টেনগ্ৰাফী পঢ়াত আকৌ মনোযোগ দিলে।

এদিন অফিচত কাম কৰি থাকোঁতে, দিনৰ এটামান বজাত এজন টেলিগ্ৰাম পিযনে সুধি সুধি গণেশৰ ওচৰলৈ আহি ক'লেহি—আপোনাৰ নামেই নেকি গণেশ শইকীয়া ?

—হয়—বুলি গণেশে পিযনৰ মুখলৈ চালে।

আপোনাৰ এখন টেলিগ্ৰাম আছে, এইয়া লওক—বুলিয়েই পিয়নে টেলিগ্ৰামখন আৰু লগতে চহী দিয়া কাগজখন গণেশৰ সমুখৰ মেজত থলে। টেলিগ্ৰাম দেখিযেই গণেশৰ বুকু কঁপি উঠিল। ক'ৰ বা টেলিগ্ৰাম— কি বা খবৰ আহিছে— কিবা ভাল খবৰ যে নহয় সেইটো ঠিক—ইত্যাদি কথা ভাবি গণেশে থৰক-বৰককৈ চহীটো কৰি কাগজখন পিযনক দিলে। পিযন ওলাই গলগৈ। টেলিগ্ৰাম অহা দেখি, ওচৰত থকা সহকাৰী অফিচাৰ সকলেও থৰ লাগি গণেশলৈ চাই থাকিল।

কঁপা কঁপা হাতেৰে গণেশে টেলিগ্ৰামখন খুলিলে আৰু লগে লগে তাৰ বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। টেলিগ্ৰামত লিখা আছিল— "তোমাৰ দেউতাৰাৰ বৰ টান। তোমাক চাবলৈ খুব হেঁপাহ কৰিছে। তৎক্ষণাৎ আহাঁ— ভোগেশ্বৰ"।

টেলিগ্ৰামখন পঢ়িয়েই গণেশৰ মূৰটো ঘূৰাই আহিল। -'উস্'- বুলি মেজতে মূৰটো থৈ বল। লগে লগে দুটোপাল চকুপানী ওলাই আহিল।

এনেতে, ওচৰতে কাম কৰি থকা কেইজনমান সহকাৰী কৰ্ম্মচাৰীয়ে -কি হ'ল, কি হ'ল— বুলি ওচৰ চাপি আহিছিল। তাৰে এজনে টেলিগ্ৰামখন পঢ়িলৈ গণেশক সুধিলে— কি শইকীয়া, আপোনাৰ দেউতাকৰ অসুখ। আগতে কিবা খবৰ পাইছিল নেকি ?

—আগতে একো খবৰ পোৱা নাই— বুলি গণেশে লাহেকৈ কথাটো কৈ মনে মনে থাকিল আৰু লগে লগেই আকৌ

ঘটনাবোৰ মনলৈ আহিল, ঝিবোৰ কথা, হয়তো, আনে কোনেও নেজানে।

—তেনেহ'লে, আপুনি যাবলৈ ওলাওক সোনকালে। —বন্ধু এজনে ক'লে।

গণেশে চকু মেলি বন্ধুজনলৈ চালে আৰু লাহেকৈ বহাৰ পৰা উঠি, হাতত টেলিগ্ৰামখন লৈ, সেই অফিচৰে হেড, এচিষ্টেন্ট-জনক দেখুৱালেগৈ।

টেলিগ্ৰামখন চাই অফিচাৰজনে ক'লে— এতিয়া আপুনি কি কৰো বুলি ভাবিছে।

—মই আজিয়েই যাম বুলি ভাবিছো।

—অঁ, ভাল কথা, তেনেহলে আপুনি ছুটীৰ দৰখাস্তখন দি যাওক গৈ।

—পিচে, এটা কথা হ'ল। —লাহেকৈ গণেশে ক'লে।

—কি হ'ল?

—মোৰ হাতত টকা পইচা নাই। দেউতাৰ বা কি হয়, একো ঠিক নাই। কিবা এটা হলে, সকলো খৰচ পাতি মইয়ে বহন কৰিব লাগিব। সেইকাৰণে অন্ততঃ এহেজাৰ মান টকা নিব পাৰিলে ভাল হয়।

—কি? এহেজাৰ টকা! আচৰিত হৈ অফিচাৰজনে ক'লে।

—নহয় চাৰ, মোৰ আৰু বহুত ঘৰুৱা লেঠা আছে। সেইকাৰণে আপুনি কিবা এটা কৰি টকা এহেজাৰ দিয়ক। মই আপোনাক এহেজাৰ টকাৰ চেক্ এখন দি যাম।

অফিচাৰজনে কিছুপৰ ভাবি ক'লে— বাৰু হব। এখন বিলৰ টকা ডেৰ হাজাৰ আছে। তাৰে এহেজাৰ আপুনি লৈ যাওক আৰু আপুনি দিয়া চেক্‌খন ততাই মই টকাটো জমা থম।

—হ'ব চাৰ। লাহেকৈ গণেশে ক'লে। আপুনি এইটো ডাঙৰ উপকাৰ কৰিলে। এতিয়া মই গৈ ঘৰৰপৰা ওলাই আহোঁগৈ আৰু লগতে চেক্‌খনো লৈ আহোঁ। ঘৰটোও ওচৰৰ কাবোবাক চমজাই থৈ আহিব লাগিব। ঘূৰি আহোঁতে মই চেকখন দি টকাটো লৈ যামহি।

এইবুলি গণেশে লৰা-লৰিকৈ ছুটীৰ দৰখাস্ত এখন লিখি হেড্‌ এচিষ্টেণ্টৰ হাতত দিলে। ঘৰলৈ চালে—ডেৰটা বাজিছে। ছিলঙৰপৰা গুৱাহাটীলৈ শেষৰ বাছখন তিনটা বজাত যায়। গতিকে এই ডেৰ ঘণ্টাৰ ভিতৰতে সি মুল্‌কীত থকা ঘৰৰপৰা ওলাই আহি অফিচৰ পৰা টকা লৈ গুৱাহাটীৰ বাছ ধৰিবগৈ লাগিব।

গণেশ লৰালৰিকৈ অফিচৰপৰা ওলাই গ'ল।

ঘৰলৈ আহি গণেশে ঘৰৰ বস্তু-বেহানিবোৰ ঠিক-ঠাক কৰি লৈ বিচনাখন বান্ধি থলে। তাৰপিচত ওচৰৰ মানুহ এজনক চমজাই দি টেক্সী এখনত আহি অফিচ পালেহি। কিন্তু ইফালে অফিচৰ হেড এচিষ্টেণ্টজন কিবা এটা অফিচৰ জৰুৰী কামত এজন উচ্চ বিষয়াৰ ওচৰলৈ গ'ল। গণেশে অফিচলৈ আহি তেওঁক নেপালেহি। গণেশৰ মুৰ ঘূৰাই গ'ল। তথাপি উপায় নাই। তেওঁক লগ ধৰি টকা নিবই লাগিব। গতিকে গণেশ অফিচত বহি চট্‌-ফটাই থাকিল। বহুত পৰৰ পিচত হেড্‌-এচিষ্টেণ্টজন আহিল আৰু লৰালৰিকৈ গণেশৰ পৰা চেক্‌খন লৈ টকাখিনি দি বিদায় দিলে। ঘড়ীত তিনটা বাজি গ'ল। তথাপি বাছখন পাবগৈয়ো পাবে বুলি যেনাই টেক্সীখন চলাবলৈ ক'লে। টেক্সী আহি পুলিচ বজাৰ পাওঁতেই গুৱাহাটীলৈ যোৱা বাছখন চকুৰ আগেদি পুলিচ বজাৰৰ ৰাস্তাইদি নামি গ'ল। বাছখন যোৱা দেখিয়েই গণেশৰ মুৰত বজ্ৰপাত পৰাদি পৰিল। তথাপি বাছ-

ষ্টেশনলৈ লৈ বিচনাখন সমাই টেক্সীখন বিদায় দিলে। তাৰপিচত ইফালে-সিফালে অনুসন্ধান কৰি চালে ক'ৰবাত গুৱাহাটীলৈ যোৱা বাছ, বটৰ কিবা পায়নে কি ? কিন্তু সকলো মিছা হ'ল।

বহুতপৰ বিচনাখনৰ ওপৰত বহি ভাবি-চিন্তি থাকিল গণেশ। অৱশেষত এখন টেক্সীকে ভাৰা কৰি লৈ গুৱাহাটীলৈ যাত্ৰা কৰিলে। ৰাতি আঠমান বজাত আহি গুৱাহাটী পালেহি। ষ্টেচনত খবৰ কৰি জানিলে যে উজনীলৈ যোৱা গধূলি সাতবজাৰ ৰেলখন অলপ আগতে গ'ল। আকৌ ৰাতি বাৰটা বজাতহে আন এখন গাড়ী উজনীলৈ যাব।

গণেশে ষ্টেচনতে মূৰে—কপালে হাত দি বহি পৰিল। ঘৰীত আঠটা বাজি গ'ল। ইখন ৰেলৰ কাৰণে আৰু চাৰিঘণ্টা সময় বহিব লাগিব। কিন্তু উপায় নাই। অপেক্ষা কৰিবই লাগিব। ইফালে আঘোণ মাহ। বেচ জাৰ পৰিছে। কিন্তু ছিলঙতকৈ বহুত কম। ইফালে দেউতাকৰ বা কেনে অৱস্থা হৈছে— ইত্যাদি কথাবোৰ ভাবি তাৰ মনটো অস্থিৰ হৈ পৰিছে। খন্তেক পিচত চাহ একাপ খাই আহি বিচনাখন আৰু বাকচটো ওচৰ চপাই লৈ বেঞ্চ এখনত জুপুকামাৰি বহি ৰাতি বাৰ বজাৰ ৰেলখনলৈ অপেক্ষা কৰি থাকিল।

আঘোণমহীয়া জাৰত ৰাতি আঠটাৰপৰা বাৰটালৈ, এই চাৰিঘণ্টা সময় ইখন ৰেলৰ কাৰণে জুপকামাৰি বহি থকাটো যে কিমান কষ্টকৰ, তাক ভুক্তভোগীয়েহে জানে। কেতিয়াবা মাজে মাজে টোপনি আহে। কেতিয়াবা আকৌ চকখাই সাৰ পায়। গোটেই ষ্টেচনটোত নিস্তব্ধতা বিৰাজ কৰিছে। এইদৰে থাকোঁতেই ৰাতি বাৰটাৰ কাষ চাপিল। ষ্টেচনত কৰ্ম্মচাৰী আহি টিকেট দিয়া কোঠাটোত লাইট জ্বলাইছে। গণেশে লাহেকৈ উঠি শিৰশুৰিলৈ টিকেটটো লৈ আহিলগৈ।

বাষটাৰ অলপ পিচতে উজনী গাড়ীখন গুৱাহাটী পালেহি। গণেশে ৰেলত উঠি কোঠাটোৰ এমূৰে বিচনাখন পাৰি লৈ শুই পৰিল।

এইদৰেই গোটেই ৰাতিটো আৰু পিচদিনা গোটেই দিনটো আহি গধূলি সাতটামান বজাত শিমলুগুৰি পালেহি। গণেশে লৰালৰিকৈ নামি শিৱসাগৰলৈ যোৱা ৰেল আছেনে নাই খবৰ কৰি জানিলে যে পিচদিনা পুৱাহে শিৱসাগৰ হৈ মৰাণলৈ যোৱা ৰেল আছে। তাৰপিচতেই শিৱসাগৰলৈ যোৱা বাছ আছে নেকি তাৰো খবৰ কৰিলে। কিন্তু ষ্টেচনত বাছ টেক্সী একো নাই।

গণেশ হতাশ হৈ মূৰে কপালে হাত দি বহি পৰিল।

গণেশে এতিয়া কি কৰিব তাকে ভাবিবলৈ ধৰিলে। শিমলুগুৰিৰপৰা শিৱসাগৰ টাউনলৈ দহ মাইল। টাউনৰ পৰা তাৰ ঘৰলৈ ছ-মাইল। তেনেহলে এই যোল্ল মাইল ৰাস্তা সি খোজ কাঢ়ি যাব লাগিব ঘৰলৈ— যিটো তাৰ কাৰণে অসম্ভৱ যেন লাগিছে। আনহাতে দেউতাকৰ কথা মনত পৰি গণেশ অস্থিৰ হৈ পৰিছে। তেনেহলে সি এতিয়া কি কৰিব? এই যোল্ল মাইল ৰাস্তা ৰাতিয়েই খোজ কাঢ়ি যাবগেনে— নাই — পুৱালৈ বাট চাব। তাৰ উপৰিও এটা ডাঙৰ সমস্যা হৈ পৰিল —তাৰ বিচনাখন লৈ। শুদা মানুহটো যাব পাৰিলেও, বিচনাখন লগত নিব নোৱাৰে। ইফালে ঘৰৰ ওচৰ পায়ো পিছদিনা পুৱালৈকে গোটেই ৰাতিটো শিমলুগুৰিতে বৈ থকা কথাটো অসহ্য হৈ পৰিল। গতিকে এতিয়া সি কি কৰিব তাকে গভীৰ ভাৱে চিন্তা কৰিবলৈ ধৰিলে।

শেষত এটা সিদ্ধান্তলৈ আহি গণেশে লাহেকৈ বহাৰ পৰা উঠি ষ্টেচন মাষ্টৰৰ ওচৰলৈ গৈ নিজৰ সকলো কথা কলেগৈ আৰু লগতে টেলিগ্ৰামখনো দেখুৱালে। তাৰপিচত বিচনাখন ষ্টেচন মাষ্টৰৰ কোঠাতে ৰাতিটোৰ কাৰণে থৈ ঘৰলৈ খোজ কাঢ়ি

যাবলৈকে ঠিক কৰিছো বুলি কলে। তেতিয়া ষ্টেচন মাষ্টৰে সুধিলে—আপোনাৰ ঘৰলৈ ইয়াৰপৰা কিমান দূৰ ?

—প্ৰায় যোল্ল মাইল। —লাহেকৈ গণেশে কলে।

—কি ! যোল্ল মাইল ! আপুনি ইমান দূৰ ৰাস্তা আন্ধাৰ ৰাতি অকলে অকলে কেনেকৈ যাবলৈ ওলাইছে ? —আচৰিত হৈ ষ্টেচন মাষ্টৰে সুধিলে।

—মই যাব পাৰিম। কেৱল বিচনাখনৰ পৰাহে মস্কিল হৈছে। মই কাইলৈ নিজেই আহি লৈ যামহি, নাইবা আন মানুহৰ হতুৱাই নিয়াম। আপুনি কোনো চিন্তা নকৰিব।

—বিচনাখন ৰখাত মোৰ কোনো আপত্তি নাই। কিন্তু মই ক'বলৈ হলে আপুনি কাইলৈ পুৱাই যোৱা হে ভাল হব যেন লাগিছে। ঠিক নাই, ক'ত কি বনৰীয়া জন্তু ওলায়।

—সেইকাৰণে আপুনি চিন্তা নকৰিব। আপুনি কেৱল বিচনাখন থবলৈ দিলেই হ'ল।

গণেশৰ দৃঢ়তা দেখি ষ্টেচন মাষ্টৰ অবাক হৈ চাই থাকিল গণেশলৈ।

—বাৰু, ঠিক আছে তেনেহলে। কাইলৈ নিবহিতো ?

—নিশ্চয়। এইখিনি উপকাৰ কৰাৰ কাৰণে আপোনাক ধন্যবাদ জনালো। ভাল, আহোঁ বাৰু।

এইবুলি কৈয়েই বিচনাখন আনি ষ্টেচন মাষ্টৰৰ কোঠাত থলেহি আৰু চুটকেচটো হাতত লৈ গণেশ কোঠাটোৰ পৰা ওলাই আহিল। ষ্টেচন মাষ্টৰ তাতেই থৰলাগি ৰ'ল।

বাহিৰৰ লাইটৰ পোহৰত ঘড়ীটো চাই দেখিলে ন-টা বাজি গ'ল। গণেশে ভাবিলে যে ঘৰ পাবলৈ মানে তাৰ পাঁচ-ছয় ঘণ্টা লাগিব। তেনেহলে ৰাতি তিনিটা মান বজাত ঘৰ পাবগৈ লাগে। ইফালে যোৱা ৰাতিটো আৰু দিনটো অনাহাৰে আছে।

সেই কাৰণে তাৰ গাটো বৰ অৱশ লাগিছে। কিন্তু দেউতাকৰ কথা মনত পৰিলেই গণেশে আন সকলো কথা পাহৰি যায়।

ষ্টেচনৰপৰা অলপ দূৰ গৈয়েই, ৰাস্তাটো নিজান নিজান লাগিছে। আন্ধাৰ ৰাতি। ৰাস্তাৰ দুয়োফালে অ'ত ত'ত মানুহৰ ঘৰ আছে যদিও, প্ৰায়ভাগ মানুহেই খাই-বই শুইছে। ক'ৰবাত দুই এঘৰেহে ভিতৰত চাকিটো লগাই কথা পাতি আছে। মাজে মাজে ঠাইবোৰ নিজান। মানুহৰ ঘৰ নাই। দুয়োদাতিয়ে পাতলীয়া হাবি যদিও আন্ধাৰ নিশা বেছ গহীণ হৈ পৰিছে। এনেবিলাক পৰিস্থিতিৰ মাজেদিয়েই গণেশ চিন্তিত মনেৰে আগবাঢ়ি গৈ আছে। অনাহাৰে থকাৰ কাৰণে তাৰ গাটো দুৰ্ব্বল লাগিছে। তথাপি, কিমান সোনকালে সি দেউতাকক দেখা পাবগৈ সেইটোৱেই হ'ল তাৰ প্ৰধান চিন্তা।

এইদৰে ডেৰঘণ্টামান আহি গণেশ কুঁজীবালী পালেহি। শিৱসাগৰ আৰু শিমলুগুৰিৰ সোঁ-মাজ। ইয়াৰ পৰা দুয়ো ঠাইলৈ পাঁচ মাইল দূৰ। ঠাই ডোখৰ বৰ জয়াল। মানুহৰ ঘৰবাৰী নাই। ৰাস্তাৰ এফালে দ-পিতনিৰে ভৰা মৰিদিখৌ। জোপোহা গছ-গছনিৰে ভৰা আৰু মাজে মাজে একোজোপা ডাঙৰ গছ। ৰাস্তাৰ আনহাতে ওখ ওখ গছেৰে এডোখৰ ডাঠ হাবি। এইবোৰ সুযোগ লৈয়ে বনৰীয়া জীৱ-জন্তুবিলাকে বিশেষকৈ ৰাতি, ৰাস্তাৰ ইফাল-সিফাল হ'বলৈ সুবিধা পায়। তাৰ উপৰিও, এই ঠাইত ৰাতি ভূত-প্ৰেত ওলায় বুলিও মানুহে কোৱা-কুই কৰে। গতিকে, ৰাতি মানুহে এই বাটেদি অকলে অকলে অহা যোৱা কৰিবলৈ ভয় কৰে। গণেশেও কথাটো নজনা নহয়। আগতে সি দুই এবাৰ এই বাটেদি অহা যোৱা কৰিছিল। অৱশ্যে ৰাতি নহয়, দিনতহে। এতিয়া বাধ্য হৈ ৰাতি এই বাটেদি আহিব লগা হৈছে। গতিকে এই ঠাইডোখৰ আহি পোৱাৰ লগে লগে গণেশৰ গাটো অলপ চেৰাইছে।

ৰাতি এখাৰটা। ঘোপমৰা আন্ধাৰ। এইখিনিতে ৰাস্তাটোত এটা কুঁজ আছে। এই কাৰণেই ঠাইডোখৰৰ নাম কুঁজীবালি। চিন্তিত মনেৰে গণেশ লাহে লাহে আহি এই কুঁজটো ঘূৰোতেই, ৰাস্তাৰ সোঁমাজতে কিবা এটা বহি থকা দেখি, তাৰ জীৱ উৰি গ'ল।

—ঐ আই! সৌটো কি?—বুলি ভয়তে কথাটো তাৰ মুখৰ পৰা ওলাল। শব্দ শুনি জন্তুটোৱে গণেশৰ ফালে চালে। চকু দুটাৰ তিৰবিৰণিয়ে গণেশৰ চকুত চমক লাগি গ'ল। গণেশে ধাৰণা কৰিলে যে এইটো নিশ্চয় বাঘ হ'ব। কাৰণ বাঘৰ বাহিৰে আন জন্তুৱে ৰাস্তাত এইদৰে কুকুৰ বহা দি বহি নাথাকে। তৎক্ষণাৎ গণেশৰ এটা কথালৈ মনত পৰিল—"বাঘত থৰ, হাতীত লৰ, ম'হত পৰ"। ইয়াৰ অৰ্থ হ'ল—বাঘৰ মুখামুখি হ'লে, মানুহ থৰ হৈ কাম কৰিব লাগে। লৰ মাৰিব নালাগে। হাতীয়ে খেদিলে, লৰমাৰি বাগি দি পলাব লাগে। কাৰণ হাতীয়ে পাকতে ঘূৰিব নোৱাৰে। আৰু ম'হে খেদিলে, একাষৰীয়া হৈ মাটিত পৰি দিব লাগে। কাৰণ, ম'হে খেদিলে সি চকু মুদি লয় আৰু পোনে পোনে দৌৰ মাৰে।

এই মুহূৰ্তত, গণেশে এতিয়া থৰ হৈ কেনেকৈ বাঘৰ মুখামুখি হ'ব আৰু ভাবিছে। তাৰ হাতত কোনো অস্ত্ৰ-শস্ত্ৰ নাই বাঘৰ লগত যুঁজিবলৈ। গতিকে এই মুহূৰ্তত গছত উঠি নিৰাপদ হোৱাৰ বাহিৰে আন উপায় নাই। ইয়াকে ভাবি গণেশে চুটকেচটো ৰাস্তাৰ দাতিতে থৈ, লৰমাৰি এজোপা গছত উঠিবলৈ গ'ল। এনেতে বাঘটোৱে চোচা মাৰি আহি গণেশৰ ওচৰ পালেহি। বাঘটো আহি পোনেই বাকচটোৰ কেওফালে শুঙি চালে। এই সুযোগতে গণেশে প্ৰাণকান্তৰে বগুৱাবাই গছজোপাৰ মাজভাগ পালেগৈ। তাৰ পিচত বাঘটোৱে ইফালে সিফালে চাই শুঙি শুঙি গণেশ উঠা গছজোপাৰ গুৰি পালেগৈ। তেতিয়া গণেশে আৰু অলপ ওপৰলৈ উঠিল। গছডাল কৰচৰ হওঁতে এইবাৰ গণেশ বাঘৰ চকুত পৰিল।

বাঘটোৱে একেথৰে গণেশলৈ চাই থাকিল। দেখিয়েই গণেশৰ জীৱ উৰি গ'ল। ৰাতি বাঘৰ চকু দুটাৰ তিৰবিৰণিত গণেশৰ মূৰটো ঘূৰি আছিল। সি গছজোপাত টানকৈ ধৰি থাকিল।

হঠাৎ গণেশৰ এটা কথালৈ মনত পৰিল। বাঘৰ চকুৱে চকুৱে চাই থাকিলে, বিশেষকৈ ৰাতি, মানুহৰ বাঘমূৰে ধৰে। অৰ্থাৎ মানুহটোৰ মূৰ ঘূৰাই অজ্ঞান হৈ যায। গণেশৰো তেনেকুৱা এটা অৱস্থা হৈছেহি। সেই কাৰণে সি বাঘটোলৈ নেচাই আনফালে চাই ঈশ্বৰৰ নাম লবলৈ ধৰিলে।

গণেশে এবাৰ ভাবিলে— সি ৰৰকৈ চিঞৰি দিব-নেকি— হেৰঔ—বাঘ ওলাইছে ঔ—খালেঔ—মোক ৰক্ষা কৰহিঔ—ইত্যাদি বুলি। কিন্তু, সি আকৌ ভাবিলে যে ইয়াৰপৰা মানুহ থকা ঘৰ বহুত দূৰত। এতিয়া মানুহবোৰ টোপনিত লালকাল। গতিকে, কোনেও নুশুনে। কোনোবাই সাৰ পালেও, এই হাবিৰ মাজত বাঘৰ মুখত পৰিবলৈ কোনো নাহে। গতিকে, চিঞঁৰাৰ কোনো লাভ নাই।

গণেশে আকৌ ভাবিলে যে গছৰ ডালবোৰ জোকাৰি হাই-হুই কৰি চিঞৰিলে কিজানি ভয খাই আঁতৰি যায়েই। ইয়াকে ভাবি গণেশে গাৰ সৰ্ব্ব-শক্তিৰে ডালবোৰ জোকাৰি, লগে লগে মুখেৰে হাই-হুই, ধৰ-ধৰ ইত্যাদি মাতেৰে চিঞৰিবলৈ ধৰিলে। কিন্তু, বাঘটোৱে উত্তৰ স্বৰূপে এটা গেঙনিহে দিলে। গণেশৰ চুলিৰ আগে জীৱ গল। সি ভাবিলে যে এই বাঘটোৱে নিশ্চয় মানুহৰ তেজৰ সোৱাদ পাইছে। বাঘে এবাৰ মানুহ খাবলৈ পালে, তাৰ আন জীৱ-জন্তুত ৰাপ নোহোৱা হৈ পৰে। ইয়াক আৰু জোকাই নোলোৱাই ভাল। ইয়াকে ভাবি গণেশে ৰাতিপুৱা এই বাটেদি মানুহ চলাচল নকৰে মানে গছৰ ওপৰতে থাকিবলৈ ঠিক কৰিলে।

আনহাতে, বাঘে গণেশক আক্রমণ কৰিবলৈ চেষ্টা চলালে। বাঘটোৱে গছজোপাৰ গুৰিত পিছ ঠেং দুটাত ঠিয় হৈ, আগ ঠেং দুটা গছজোপাৰ যিমান ওপৰলৈ পাৰে সিমান ওপৰলৈ আগবঢ়াই দিলে আৰু গছজোপাৰ কেউফালে আঁচুৰি বখলা-বখল কৰিলে। বাঘৰ এই কাণ্ড দেখি ভয়তে গণেশৰ প্ৰাণ বায়ু উৰি যোৱা যেন লাগিল। সি গছজোপাত বৰকৈ খামোচ মাৰি ধৰি থাকিল।

এইদৰে ৰাতি এঘাৰটাৰ পৰা ক্ৰমে বাৰটা, এটা, দুটা বাজি গল। ইমানপৰলৈ গণেশে গছৰ ওপৰত নিজৰ মৃত্যু-ক্ষণ গণিব লাগিছে। মাজে মাজে টোপনি আহে। আকৌ সাৰ পাই জিকাৰ খাই উঠে। ইফালে খুব জাৰো লাগিছে। তথাপি উপায় নাই। ৰাতি দুপুৰালৈকে থাকিবই লাগিব।

গণেশে এবাৰ তললৈ চালে। ক'তো বাঘটো দেখোন নাই। সি গণেশলৈ খাপ্‌ লৈ থাকি, পিচত আমনি লাগি বোধ-কৰো গুচি গলগৈ। তেনেহলে, সি এতিযাই নামি ইয়াৰ পৰা পলাব নেকি? গণেশে আকৌ ভাবিলে—নহয়, বাঘটো বৰ চালাক। সি ওচৰতে ক'ৰবাত লুকাই আছে। গণেশক গছৰপৰা নামি অহা দেখিলেই, একে জাপে ধৰি লবহি। তেতিয়া আৰু তাক কোনেও ৰক্ষা কৰিব নোৱাৰে। গতিকে, যিমান কষ্ট হয় হওক। ৰাতি দুপুৰালৈকে সি গছৰ ওপৰতে থাকিব লাগিব। ভাগ্যে যেনিবা, এইবিধ বাঘে গছত উঠিব নোৱাৰে। গছত উঠিব পৰা হলে, তাৰ মৃত্যু অনিবাৰ্য্য। আনহাতে, এই তিনি-চাৰি ঘণ্টা গণেশে কোনো জনপ্ৰাণী এটা বাস্তাদি অহা যোৱা কৰা দেখা নাই। বোধকৰো, এই মানুহখোৱা বাঘটোৰ কথা সকলোৱে জানে। সেইকাৰণে, ৰাতি কোনেও এই বাটেদি আহিবলৈ সাহ নকৰে। ইফালে, দেউতাকৰ কথা ভাবি তাৰ মনত বৰ দুখ

লাগিছে। বাঘে বাধা নিদিয়াহলে, সি ইমানপৰ ঘৰ পালেগৈ-হেতেন। সি দেউতাকক জীৱিত অৱস্থাতে পালেগৈহেতেন, কিন্তু সেইটো হৈ নুঠিল।

লগে লগে টেলিগ্ৰামখন পোৱাৰপৰা গণেশৰ বাধা-বিঘিনিবোৰলৈ মনত পৰিল। প্ৰথমতেই অফিচৰ হেড, এচিষ্টেণ্ট, জনৰ পৰা টকা পলমকৈ পোৱাৰ কাৰণেই সি গুৱাহাটীলৈ অহা শেষৰ বাছখন হেৰুৱালে। সেইখন বাছত আহিব পৰা হলে৹ সি আগৰদিনাই দিনে পোহৰে ঘৰ পালেগৈহেতেন। তাৰ পিচত, টেক্সী ভাডা কৰি আহি গুৱাহাটী পোৱাৰ আগতেই গধূলি সাত বজাৰ উজনী গাডীখন গ'লগৈ। ৰাতি বাৰটা বজাত গুৱাহাটীৰ পৰা আহি ইদিনা গধূলি সাত বজাত শিমলুগুৰি পালেহি—যিটো সময়ত তাৰপৰা শিৱসাগৰলৈ আহিবলৈ কোনো ৰেল বা বাছ বা টেক্সী পাবলৈ নাই। শেষত শিমলুগুৰিৰ পৰা খোজ কাটি আহি এই আদবাটতে বাঘৰ মুখত পৰিলহি। এতিয়া ইয়াৰপৰা প্ৰাণটো বচাই কোনোমতে যাব পাৰিলেই হ'ল। ইত্যাদি কথা-বোৰ ভাবি গণেশৰ মনত বৰ দুখ লাগিল। আৰু লগে লগে এটা দীঘল হুমুনিয়াহ কাটিলে।

এইদৰে ভাবি থাকোতেই বহুত দূৰত কোনোবা ফালৰ পৰা এখন গাডী অহাৰ শব্দ তাৰ কাণত পৰিল। কোন ফালৰ পৰা ক'লৈ আহিছে একো ধৰিব পৰা নাই। শব্দ ডাঙৰ শুনি তাৰ লৰী যেনেই অনুমান হ'ল। গণেশে ভাবিলে যে যি গাডীয়েই নহওক লাগিলে যদি গাডীখন এইফালে আহে, তেনেহ'লে যিকোনো প্ৰকাৰে গাডীখন ৰখাই এটা ব্যৱস্থা কৰিব লাগিব। ইয়াকে ভাবি গণেশে অতি উদ্বিগ্ন হৈ গাডীখন অহালৈ বাট চাই থাকিল।

লৰীখন শিৱসাগৰৰ ওচৰৰ কোনোবা এখন বাগিচাৰ পৰা চাহপাতৰ বাকচ বোজাই লৈ শিমলুগুৰি ৰেলত উঠাই

দিয়াৰ কথা। এই বিষয়ে আগতে মেনেজাৰে লিখা-লিখি কৰি থৈছিল। সেইকাৰণে বাস্তিয়েই বাকছবোৰ শিমলুগুৰিত চমজাই দি বাতিপুৱাই ঘূৰি আহিবলৈ নিৰ্দ্দেশ দিছিল। লবীত ড্ৰাইভাৰৰ বাহিৰেও কেইজনমান বাগিছাৰ বনুৱাও লগত আনিছিল—বাকছ-বোৰ ৰেলত তুলি দিবৰ কাৰণে। গাড়ীখন ওচৰ চাপি অহাৰ লগে লগে, গাড়ীৰ লাইট ওচৰৰ গছ-গছনিৰ মাজেদি পোহৰ পৰা দেখি গণেশৰ মনটো আনন্দত নাচি উঠিল আৰু গাড়ীখন কেনেকৈ ৰখাব পাৰি তাকে ভাবিবলৈ ধৰিলে।

লৰীখন আহি ওচৰ পাবলৈ অলপ দূৰ থাকোতেই গণেশে গছৰ ওপৰৰপৰা প্ৰাণকাতৰে চিঞৰিবলৈ ধৰিলে— হেৰা ড্ৰাইভাৰ, গাড়ী ৰখোৱা, ৰখোৱা, গাড়ী ৰখোৱা। মই বৰ বিপদত পৰিছো। মোক ৰক্ষা কৰা, মোক ৰক্ষা কৰা। ৰখোৱা, ৰখোৱা, গাড়ী ৰখোৱা · ।

কোনোবাই চিঞৰা শুনি ড্ৰাইভাৰে গাড়ীৰ বেগ অলপ কমাই দি চিঞৰটো ক'ৰপৰা আহিছে— ইফালে সিফালে চাই গৈছে। পেটে পেটে অলপ ভয় লাগিছে যদিও লগত কেইবা-জনো মানুহ থকাৰ কাৰণে অলপ নিশ্চিন্ত হৈ আছে।

এনেতে একেবাৰে ওচৰৰ গছ এজোপাৰপৰা আকৌ চিঞৰা শুনিলে।

—হেৰা ড্ৰাইভাৰ, গাড়ীখন ৰখোৱা। মই এজন বাটৰুৱাহে। বাঘৰ ভয়ত লৰমাৰি গছত উঠি প্ৰাণ বচালো। মোক ৰক্ষা কৰা। এয়া মই নামি গৈছো। মই শপত খাই কৈছো— মই এজন মানুহহে। আন কোনো নহয়। মোক ৰক্ষা কৰা··· ৰক্ষা কৰা ·· ·· ।

গছৰ ওপৰৰপৰা কাকুতি-মিনতি শুনি ড্ৰাইভাৰে গাড়ী ৰখালে আৰু লগে লগে গণেশ গছৰপৰা নামি লৰমাৰি আহি ড্ৰাইভাৰৰ ওচৰত থিয় হলহি। গাড়ীৰ আটাই কেইজন মানুহে

আচৰিত হৈ গণেশলৈ চাইছে। এনেতে গণেশে কলে— এইয়া চোৰা। মই এজন যাত্ৰী। শিমলুগুৰিৰ পৰা খোজ কাটি আহোঁতে এই ওচৰতে এটা বাঘ দেখি লৰমাৰি গছত উঠি প্ৰাণ বচালো। অ ৰবা, মই বাকচটো লৈ আহো।

এইবুলি গণেশে লৰমাৰি গৈ ওচৰতে থকা বাকচটো আনি গাড়ীৰ মানুহ কেইজনক দেখুৱালে। ড্ৰাইভাৰৰ সন্দেহ অলপ দূৰ হ'ল। তাৰপিচত গণেশক সুধিলে— আপুনি আহিছে ক'ৰপৰা ?

—মই ছিলচৰৰ পৰা আহিছো। মই তাতে কাম কৰো। মোৰ ঘৰ দিচাংমুখত, দেউতাৰ বৰ টান বুলি টেলিগ্ৰাম পাই আজি গধূলি সাওটা বজাত শিমলুগুৰি পালাহি। শিমলুগুৰিত বেল, বাচ একো নোপোৱাত খোজ কাটি আহিছিলো। এই ওচৰতে বাটতে বাঘ এটা বহি থকা দেখি লৰমাৰি গছত উঠিলো। চাৰি ঘণ্টামান গছৰ ওপৰতে আছো। পিচত, তোমালোক আহি মোক ৰক্ষা কৰিলাহি।

—পিছে, আপুনি এতিয়া কলৈ যাব ?—ড্ৰাইভাৰে সুধিলে।

—মই এতিয়া ঘৰলৈকে যামগৈ।

—কিয় ? আপুনি এতিয়া আমাৰ লৰীতে উঠক। আমি শিমলুগুৰিত চাহ বাকচবোৰ নমাইযে ঘূৰি আহি আপোনাক শিৱ-সাগৰত নমাই দিমগৈ।

—সেইটো ঠিকেই। কিন্তু দেউতাৰ কাৰণে মোৰ বৰ চিন্তা হৈছে। সেইকাৰণে মই এতিয়া খোজকাটি যাওঁগৈ। তোমালোক বাৰু যোৱাগৈ। মোক আজি তোমালোকে বৰ ডাঙৰ উপকাৰ কৰিলা। বাৰু মই আহিলো, তোমালোক যোৱাগৈ।

এইবুলি কৈয়েই গণেশে হাতত চুটকেচটো লৈ শিৱসাগৰৰ ফাললৈ লৰ ধৰিলে। ইফালে গাড়ীৰ মানুহ কেইজনে

ইজনৰ মুখলৈ সিজনে চাই থাকিল। পিচত তাৰে এজনে ভয়ে ভয়ে ক'লে— এইবোৰ কি ভুতৰ খেলানে নাই আন কিবাহে।

তেতিয়া ড্ৰাইভাৰে মিছিককৈ হাঁহি ক'লে— নাই, ভুতৰ খেলা নহয়। ইয়াত কেতিয়াবা বাঘ ওলাই বুলি মই জানো। যাহওক, মানুহজন ৰক্ষা পৰিল।

—তেনেহলে ড্ৰাইভাৰজী, গাড়ী চলাই দিয়া। কি ঠিক। আমাকো বাঘে খেদি আহিব পাৰে।

—ভয় নকৰিবা। আমাৰ মানুহ বহুত। সেইকাৰণে বাঘে আমাক খেদি আহিবলৈ সাহ নকৰে।

এইবুলি কৈয়েই ড্ৰাইভাৰে লৰী চলাই দিলে।

গণেশে ড্ৰাইভাৰৰ পৰা বিদায় লৈযে, এহাতে জোতাযোৰ আৰু ইহাতে চুটকেছটো লৈ যিমান পাৰে সিমান দৌৰিবলৈ ধৰিলে। এইদৰে ভালেখিনি দূৰ গৈ এখন গাওঁ পালেগৈ আৰু তাৰপৰা লাহে লাহে খোজ কাঢ়িবলৈ ধৰিলে। গাৱৰে দুই-এটা কুকুৰে ডাক দেখি ভুকিছে। কিন্তু গণেশে সেইবোৰলৈ কেৰেপ কৰা নাই।

নিশা প্ৰায় চাৰিটামান বজাত আহি বৰপুখুৰীৰ পাৰত উঠিলহি। প্ৰায় আঠ বছৰৰ আগতে ঘৰৰপৰা ওলাই আহি এই বাটেদিয়েই ষ্টেচনলৈ নামি গৈছিল। কথাবোৰ মনত পৰি তাৰ বৰ দুখ লাগিল।

বৰপুখুৰীৰ চুকটো ঘুৰি ক্ৰমে তিনটা দোল আৰু কাছাৰী ঘৰটো পাৰ হৈ ট্ৰেজাৰীৰ মুখ পাওঁতেই চকীদাৰে হাতত বন্দুকটো লৈ— "হল্ট হুকুমদাৰ" বুলি খেদামাৰি আহি গণেশৰ বুকুৰ ওচৰত বন্দুকটো টোঁৱাই ধৰি থাকিল। গণেশে ভয় কৰা নাই। কাৰণ সকতে এনে বন্দুকধাৰী চিপাহীৰ আগেদিয়ে সুদীৰ্ঘ আঠ বছৰ কাল সি স্কুললৈ অহা-যোৱা কৰিছিল।

—ক'ৰপৰা আহিছা? চিপাহীয়ে ধমকি দি সুধিলে।

—মই ছিলঙৰ পৰা আহিছো—লাহেকৈ গণেশে ক'লে।

—কি? ছিলঙৰ পৰা আহিছা? এতিয়া ক'লৈ যাবা?

—মই দিচাংমুখলৈ যাম। মোৰ তাতেই ঘৰ। ছিলঙত কাম কৰো। দেউতাৰ বৰ টান বুলি টেলিগ্ৰাম পাযেই আহিলো। এতিয়া মই শিমলুগুৰিৰ পৰা খোজ কাঢ়ি আহিছো। এইখন টেলিগ্ৰাম চাওক।

এইবুলি গণেশে জেপৰপৰা টেলিগ্ৰামখন উলিয়াই দেখুৱালে। চন্তৰীয়ে টেলিগ্ৰামখন দেখি কথাটো সঁচা যেন লাগিল যদিও টেলিগ্ৰামত কি লিখা আছিল পঢ়িব নেজানে। খন্তেক গণেশৰ মুখলৈ চাই থাকি—বাৰু যাব পাৰা বুলি কৈ বাটটো এৰি দিলে। গণেশ লাহে লাহে আগুৱাই গ'ল।

কেইখোজমান গৈ, পুখুৰীৰ চুকটো ঘূৰি অলপ দূৰ গৈয়ে, চাৰিকিইটু হাউচৰ কাষেদি দিচাংমুখলৈ নামি যোৱা বাটটো পালেগৈ। এইটো তাৰ চিৰ পৰিচিত বাট। এই বাটেদিয়েই সি স্কুললৈ অহা-যোৱা কৰিছিল। এতিয়া যদিও ৰাতি হৈয়ে আছে, তথাপি এই ৰাস্তাত যি কোনো বিপদৰ সন্মুখীণ হ'বলৈ সি প্ৰস্তুত। এইদৰে বুকুত সাহ বান্ধি লৈ, গণেশে নিৰ্ভয় মনেৰে ঘৰলৈ খোজ ললে।

ইফালে ঘৰত, সেইদিনা সন্ধিয়াৰে পৰা গণেশৰ দেউতাকৰ অসুখ টান হৈ আহিল। গধূলি হোৱাৰ লগে লগে গাঁৱৰ লগা-ভগা মানুহক খবৰ দিয়া হ'ল। খবৰ পাইয়ে দেউতাকৰ এজন সম্বন্ধীয়া বুঢ়া ককায়েক আৰু কেইজনমান আদহীয়া মানুহ নৰীয়া পৰ দিবলৈ আহিল। বুঢ়াজনে আহি দেখিয়েই বুজিলে যে আজি ৰাতিটো থাকিলেহে থকা। কিন্তু কথাটো কাৰো অগ্ৰত নকলে।

গণেশৰ দেউতাকে মাজে মাজে অল-বকিবলৈ ধৰিলে। কিছুপৰ মনে মনে থাকি এবাৰ হঠাৎ 'গণেশ' বুলি চিঞৰি উঠিল।

—গণেশ আহিল নে? গণেশ কলৈ গ'ল? উস্! মই তাক দেখা নেপালো—ইত্যাদি কথা কৈ চটফটাই থাকিহঁতে ধৰিলে।

তেতিয়া ওচৰতে বহি থকা বুঢ়াজনে লাহেকৈ কলে—ভাইটি, তুমি মনে মনে থাকাছোন। টেলিগ্ৰাম দিছে যেতিয়া, গণেশ নিশ্চয় আহি পাবহি। আহোতে বহুত বেলি, বাছ বগাই আহিব লগা হৈছে কাৰণে অলপ দেৰি হৈছে। তুমি চিন্তা নকৰিবা। মনে মনে থাকা। গণেশ পাবহি।

—নাই—নাই—নাই--ককাই, গণেশ আৰু ক'ত আহিব। তাক ঘৰৰপৰা উলিয়াই দিয়াৰ পিচতো, সি মনেজানি ছিলঙৰ পৰা মোলৈ টকা এশ পঠাইছিল। কিন্তু এই শাকিনী, গজমূৰী, এই জীয়েকৰ মুৰ খাতীযে মোক টকা শ লবলৈ নিদিলে। টকা ঘূৰাই দিয়া দেখি সি জানো কমটো আঘাত পালে? সি এতিয়া কেনেকৈ আহিব। নাহে—নাহে। এই কুলক্ষণী জনীযে গণেশক খালে। তাই অলপ পিচতে মোৰ মুৰটোও খাব এতিয়া ।

—দেখিছেনে, দেখিছেনে—মোক অথনিৰে পৰা কেনেকৈ শাও-শপনি দি আছে—বুঢ়ালৈ চাই লাহেকৈ মাহীয়েকে ক'লে।

বুঢ়াই মাহীযেকলৈ চাই হাতখন দাঙি লাহেকৈ ক'লে—তুমি মনে মনে থাকা। একো নেমাতিবা। মনৰ দুখত বিহকে তিহকে কৈছে।

—উস্ ককাই। এটা কথা মনত পৰি মোৰ বুকুখন ফাটিযোৱা যেন লাগিছে—বুলি গণেশৰ দেউতাকে বুঢ়ালৈ চালে।

—কি কথা ভাইটি? বুঢ়াই লাহেকৈ সুধিলে।

—কিনো কম ককাই। সেইদিনা সি ঘৰৰপৰা ওলাই গৈ তিনচুকীয়াত বোলে পেটৰ ভোকত এটা ভীমকল কিনি খাইছিল। মোক দেখা মানুহে কৈছেহি। উস্! মই তেতিয়াই মৰি নগলো কিয়?—বুলি গণেশৰ দেউতাকে হুক্ হুকুকৈ কান্দিবলৈ ধৰিলে। ওচৰত থকা কুইজনেও চকুপানী পেলাইছিলে।

তেতিয়া বুঢ়াজনে গাত ধৰি লাহে লাহে ক'লে—এই, তুমি এইবোৰ কি কথা কৈছা ভাইটি। এতিয়া আন সকলো কথা বাদ দি, ঈশ্বৰৰ নাম লোৱা আৰু গণেশ যেন সোনকালে আহি পায়হি তাকে কামনা কৰা।

—নাই —নাই - নাই। গণেশ আৰু নাহে। অহা হ'লে ইমান পৰ পালেহিহেঁতেন, মোৰে দুৰ্ভাগ্য। মই মৰাৰ আগতে এবাৰ যদি দেখা পালোহেঁতেন, তেনেহলে মই শান্তি পালোহেঁতেন।

—গণেশ পাবহি। তুমি চিন্তা নকৰিবা। এতিয়া মনে মনে থাকা বুলি বুঢ়াই বুজনি দি কলে।

কিছুপৰ নিতাল মাৰি থাকি, গণেশৰ দেউতাকে আকৌ বুঢ়াজনলৈ চাই ক'লে ককাই, এটা কথা শুনিবনে ?

—কি কথা ভাইটি, কোৱা—বুলি বুঢ়াজনে আগ্ৰহেৰে চাই থাকিল।

—মোৰ আৰু বেছি সময় নাই। গণেশক মই দেখা নেপালো। এইটোৱেই মোৰ মনত দুখ থাকিল। যদি মই গণেশ আহি পোৱাৰ আগতে মৰো, তেনেহলে তাক এটা কথা কবানে ?

—নিশ্চয কম ভাইটি, নিশ্চয কম। কি কথা কোৱা।

—এই এটা কথা মাত্ৰ। মই মৰাৰ পিচত যেন গণেশ এই মাহীয়েক আৰু ভায়েকটোক ভাল চকুৰে চায। সিহঁতক যেন অনাদৰ নকৰে আৰু সিহঁতক যেন ভালকৈ পোহপাল দিয়ে। এইটোৱেই মোৰ শেষ কথা।

—কম ভাইটি। মই গণেশক তোমাৰ সকলো কথাই কম আৰু লগতে আমিও কম। সি তেনেকুৱা ল'ৰা নহয়। তোমাৰ কথা সি নিশ্চয ৰাখিব। তুমি এতিয়া মনে মনে থাকা।

—বাৰু তেনেহ'লে—বুলি গণেশৰ দেউতাক মনে মনে থাকিল।

এনেতে বুঢ়া মানুহজনে ওচৰতে পৰি থকা মানুহ কেইজনক বাহিৰলৈ মাতি নি মনে মনে ক'লে—ভাইটি আৰু

বেছি সময় লৈথাকে। তোমালোকে লৰালৰিকৈ খবলৈ গৈ কিবা-কিবি ছুটামান খাই আহাঁগৈ।

ভেঙিয়া ভাবে এজনে কলে— কিয় ? আপুনি নেখায় খবলৈ ?

—নহয়, মই আহোঁতেই জলপান এমুঠি খাই আহিছো। মোৰ ভোক লগা নাই। মই নগলেও হব।

বুঢ়াৰ কথাত কেইজনমা'ন ভাত খাই আহিবলৈ গ'ল। তাৰে দুই এজনে খাবলৈ বেয়া পাই, ভাত খাই আহিছো বুলিয়ে কৈ থ'লে।

লাহে লাহে মাজ নিশা পাৰ হৈ গ'ল। নিস্তব্ধ জগত। ঘোৰ অন্ধকাৰ। এনেতে ওচৰৰ এজোপা গছৰ পৰা ফেঁচাৰ 'নিউ নিউ'—মাত সকলোৰে কাণত পৰিলহি। ফেঁচাৰ মাত শুনিয়েই সকলোৰে গা বোৰ জিকাৰ খাই উঠিল। ভয়তে ইজনৰ মুখলৈ সিজনে চাইছে। কোনেও কথা কবলৈ সাহ কৰা নাই। বুঢ়াজনে এই সকলোবোৰ দেখি-শুনি আছে যদিও কোনোবাই ভয় খায় বুলি একো মতা নাই। তেওঁ মনতে ভাবিলে এইটো ভাইটিৰ প্ৰতি মৃত্যুৰ আহ্বান।

ঠিক এনেতে গণেশৰ দেউতাক চিএঞৰি উঠিল -গণেশ ! গণেশ ! তই আহিছ ? অ' মাৰো আহিছে তোৰ লগত ? অঁ, ভালেই হ'ল। বহ, বহ, মোৰ ওচৰতে বহ। মাৰকো বহিবলৈ দে · ....

কথাবোৰ শুনি নৰীয়া পৰ দিয়া মানুহবোৰে চাইছে —কিজানি সঁচাকৈয়ে গণেশ আহিল নেকি ? পিচত মাকো লগতে আহিছে বুলি শুনি সকলোৰে পেট ভয় খাইছে— বিশেষকৈ মাইমাকে।

কিছুমান মানুহৰ বিশ্বাস যে মৰিবৰ সময়ত সেই গৰাকী মানুহৰ আগতে মৃত্যু হোৱা পিতৃ মাতৃ, ককাই-ভাই, বাই-ভনী, স্বামী-স্ত্ৰী আদিৰ প্ৰেতাত্মাবিলাকে বিচনাৰ চাৰিওফালে তেওঁকো লগত লৈ যাবলৈ বৈ থাকেহি।

—গণেশ ! গণেশ ! তই ক'লৈ গলি ? তুই কিয় নাহিলি ? মই মৰাৰ আগতে তোক এবাৰ দেখা নেপালো। ৷ উস্ ! উস্ !—বুলি গণেশৰ দেউতাকে আকৌ চাটি-ফুটি কৰিবলৈ ধৰিলে।

ইফালে, বুঢ়াজনে ভাবিলে যে মিছাকৈ গণেশ আহিছে বুলি কৈ থকাৰ কোনো লাভ নাই। হয়তো টেলিগ্ৰাম পোৱাবে কিবা বিজুতি ঘটিছে নাইবা, আহিছে যদিও এতিয়াও বহুত দূৰত আছে। নাইবা আন কিবাও হব পাৰে। গতিকে মনে মনে থকাই ভাল।

কিন্তু, এটা কথা কোনেও জানিব পৰা নাই যে গণেশৰ দেউতাকে ঘৰত যেনেকৈ মৃত্যুৰ লগত তঁৰা-মঁৰা যুজ দি আছে ঠিক সেই একে সময়তে, ঘৰৰ পৰা কেৱল মাত্ৰ এঘাৰ মাইল দূৰত থকা কুঁজীবালিত, গণেশে এজোপা গছত উঠি, বাঘৰ সমুখত নিজৰ মৃত্যুক্ষণ গণিব লাগিছে।

এইবাৰ গণেশৰ দেউতাকৰ অৱস্থা বেয়াৰ ফালে ঢাল খালে। আগতে চট্-ফটাই আছিল যদিও, এইবাৰ থৰ হৈ, উশাহবোৰ অলপ দীঘল দীঘলকৈ লৈছে। উশাহবোৰ লওঁতে কষ্টও হৈছে। বুঢ়াজনে আনফালে চাই কিবা ভাবি আছিল। ইবিলাকৰ দুই এজনে দেখিছে যদিও বুজিব পৰা নাই। হঠাৎ এবাৰ বুঢ়াজনৰ চকু পৰাত ভেওঁ চিঞৰি উঠিল।

—ইয়ে ! তইঁতে কি চাইছ। ভাইটিৰ সময় হল। হেৰ ! কোন ক'ত আছ আহ, পানী এছলু এছলু দেহি।

তাৰ পিছতেই মাহীয়েকলৈ চাই কলে— আইঁ, তুমি পানী দিয়া।

মাহীয়েকে কান্দি কান্দি বাটি এটাত পানী আনি মুখত দিলে। অলপ পানী পেটলৈ গল। বাকীখিনি ওলাই গল। তাৰ পিচত, সকলো পুতেকে পানী দিলেহি। নিজৰ বুলিবলৈ আৰু

মানুহ নাই। জীয়ৰজনী তিনিচুকীয়াত আছে। গণেশৰ কোনো খবৰেই নাই।

'ইফালে, ৰোগীয়ে উশাহবোৰ সলাব নোৱাৰি ইচাটি-বিচাটি কৰি আছে। উশাহ লওঁতে যথেষ্ট কষ্ট পাইছে। কিন্তু, অৱস্থা একে দৰেই আছে।

ৰোগীৰ কষ্ট দেখি বুঢ়াজান হৰ দুখ পাইছে। ইমান কষ্ট খাই থকাতকৈ সোনকালে পাৰ হোৱাই ভাল।

অলপপৰ কিবা এটা ভাবি সক পিতেকক কলে— হেৰ' বোপাই, বাটিটোত অলপমান পানী লৈ আহ।

বুঢ়াৰ কথাত সকলো আচৰিত হৈছিল আৰু পিচত বুঢ়াই কি কৰে, তাকে সকলোৱে চাই আছিল। এনেতে লৰাটোৱে পানী আনি দিয়াত বুঢ়াজনে বাটিটো এহাতে লৈ আনহাতে গণেশৰ দেউতাকৰ মূৰটো পোনাই ধৰি কলে— ভাইটি, গণেশৰ সলনি মএ এই চলু পানী দিছো, খোৱা।

গণেশৰ নাম শুনিয়েই দেউতাকে একেথৰে বুঢ়াজনৰ মুখলৈ চাই থাকিল। তেতিয়া বুঢ়াই গণেশৰ দেউতাকৰ মুখত পানী চলু ঢালি দিলে। পানীচলু মুখৰ ভিতৰত অলপ সময় ঘোকত-পাকত কৰি থাকি এবাৰ ঘটলংকৈ পেটলৈ গ'ল।

খন্তেক পিচাত গণেশৰ দেউতাকে মুখখন ইকাতি কৰি শেষ নিশ্বাস পেলালে। বুঢ়াজানে এই সকলোবোৰ চাই আছিল। তেতিয়া বুঢ়াজনে এটা হুমুনিয়াহ কাটি কলে— এহ., এহ. দেহি। ভাইটিয়ে গণেশৰ কাৰণেই ইমানপৰ ৰখি আছিল। তাৰ নামত পানী টোপা দিয়াৰ লগে লগেই ভাইটিয়ে চকু মুদিলে। তুমি আমাক এৰি গুছি গলাগৈ।

এইখিনি কৈয়েই বুঢ়াই গামোছাৰে চকুপানী মচিলে। লগে লগেই মাহীমাক আৰু লৰাটোৱে হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। ওচৰত থকা মানুহ বিলাকও চকুপানী টুকিছে।

ঠিক এই মুহূৰ্ত্তত, গণেশ গছৰ ওপৰত বহি পানীত পৰা মানুহে যেনেকৈ ওপঙি অহা গছৰ পাতখিলাকে ধৰি নিজক বচাব'ল চায়, সেইদৰে গণেশেও বহুত দূৰত কৰী এখনৰ শব্দ শুনি তাৰ পৰাই কিজানি পৰিত্ৰাণ পাব বুলি অতি উদ্বিগ্ন হৈ সেইফালেই চাই থাকিল।

লগে লগেই গাঁৱৰ মানুহক খবৰ দিয়া হ'ল। খবৰ পায়েই গাঁৱৰ আদহীয়া আৰু ডেকাবোৰে হাতত দা, কোৰ লৈ মৃতকৰ ঘৰলৈ আহিল। বুঢাৰ দিহা মতেই কিছুমানে বাঁহ কাটি আনিলে, কিছুমানে চাঙী সাজিছে, দুই-এজনে শুকান বাঁহ খৰীৰ জোঁৰ বান্ধিছে আৰু শ্মশানলৈ নিবলৈ শুকান খৰি গাঠিইছে। দুঘণ্টামানতে সকলো আয়োজন হৈ উঠিল।

ইফালে, মৃতকৰ দেহ বাহিৰলৈ আনি তুলসীৰ তলত থলে আৰু মিঠাতেলৰ চাকি এটা আৰু দুটামান লেম লগাই ঠাইডোখৰ পোহৰ কৰি ৰাখিলে। ৰাতিপুৱাৰ লগে লগেই মৃতদেহ শ্মশানলৈ নিবলৈ বৈ থাকিল।

ৰাতিপুৱালৈ আৰু বেছি সময় নাই। ফেহুজালী দিছে। কিছু সময়ৰ পিচত, দূৰৈত কাউৰীৰ কা-কা শব্দ শুনিবলৈ পোৱা গ'ল।

ৰাতিপুৱাল আৰু সকলো আয়োজন কৰি মৃতদেহ পথাৰৰ মুৰত থকা এটা ওখ চাপৰিত খৰি দিবলৈ লৈ গ'ল।

ইফালে বুঢাজনে ঘৰৰ মাহীয়েকক বুজনি দিবলৈ আৰু ঘৰখনৰ তেতিয়া যাবতীয় কামবোৰৰ দিহা-পৰামৰ্শ দিবলৈ কিছু সময় ৰ'ল। ইতিমধ্যে, গাঁৱৰ তিৰোতা মানুহবোৰ গণেশহঁতৰ ঘৰলৈ আহিল আৰু ইটো-সিটো কামত সহায় কৰিছেহি।

ৰাতি পুৱাইছে যদিও কেওফালে কুঁৱলীয়ে ছাটি ধৰি আছে। বুঢাজনে মৃতকৰ ঘৰত সকলো দিহা-পৰামৰ্শ দি নিজৰ

ঘৰলৈ বুলি পথাৰৰ বাটেদি আহি আছে। এনেতে সিফালৰপৰা গণেশে হাতত চুটকেচটো লৈ সেই বাটেদিয়েই বেগা-বেগীকৈ ঘৰলৈ আহিছে। বাটত বুঢ়ামানুহজন দেখি গণেশে লাহেকৈ পথাৰলৈ নামি দিলে। এনেতে বুঢ়াজনে কোন এইটো? —বুলি সুধিলে।

—মই গণেশ, ববদেউতা। —গণেশে লাহেকৈ ক'লে।

—অঁ, তই গণেশ নেকি? কেতিয়া পালিহি?

—এইমাত্ৰ আহি পাইছোঁহি, ববদেউতা।

—ইছ্-ইছ্-ইছ্-ইচ— দেহি ঐ! দেউতাৰে গোটেই ৰাতিটো তোৰ কথা কৈ কৈয়ে মৰি গ'ল। তোক চাবলৈ যে ইমান হেঁপাহ কৰিছিল —বোপাই ঐ,। বুলি বুঢ়াজনে কপালত হাত দি পথাৰৰ আলিটোতে বহি পৰিল।

—কি দেউতা মৰিল! কেতিয়া? —গণেশ চিঞৰি উঠিল।

—এই পুৱতী নিশা বোপাই, এই পুৱতী নিশা। তোৰ কথা কৈ কৈযে গোটেই ৰাতিটো কান্দিলে। কি কম বোপাই ঐ কি কম। —বুলি বুঢ়াই চকুপানী মছিলে।

—ঐ — দেউতা — কলৈ গ'ল! —বুলি পথাৰতে বহি গণেশে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। লগে লগে জোতা যোৰো খুলি থলে।

ৰাতিপুৱাই পথাৰৰ মাজত এইদৰে চিঞৰি চিঞৰি কন্দা শুনি, ওচৰৰ মানুহবোৰ লৰি আহিল। গণেশে মুখখন ঢাকি হুক্-হুক্কৈ কান্দি আছে।ওচৰ পাযেই মানুহবোৰে বুঢ়াক সুধিলে— এইয়া কোনে কান্দিছে?

—কোন হব আৰু। এইটো গণেশ। এই মাত্ৰ পাইছেহি। মোৰ পৰা কথাটো শুনি ইণাই-বিণাই কান্দিছেহি।

—আয়ে দেহি! — বুলি মানুহবোৰে কৈ, একেথৰে গণেশলৈ চাই থাকিল। এনেতে বুঢ়াজনে গনেশৰ ওচৰলৈ গৈ হাতত ধৰি কলে— হেৰ বোপাই, তই উঠ। দেউতাৰক খৰি

দিবলৈ সৌ পথাৰৰ মূৰৰ চাপৰি'টালৈকে নিছে। বেচি সময় হোৱা নাই। মুখনমান তামোল খোৱা পৰহে হৈছে। তই এতিয়াই গলে কিজানি দেহাটোকে দেখিবলৈ পাবিগৈ। উঠ, উঠ, বোপাই, পলম নকৰিবি। সোনকালে যা। কান্দিলে কি হ'ব। যি হ'ব লগা হ'ল। এতিযা তই সোনকালে যাগৈ। তোৰ বাকচটো আৰু জোতাযোৰ বাৰু মোৰ ঘৰলৈকে নিয়াম।

এই বুলি বুঢ়াই গণেশৰ হাতত ধৰি তুলি দি, লৰালৰিকৈ যাবলৈ বাটটো দেখুৱাই দিলে।

গণেশে চকু দুটা মচি মচি বহাৰ পৰা উঠিল আৰু পথাৰৰ মূৰলৈ এবাৰ চাই লৈ, এটা সৰু আলিযেদি সেইফালে খোজ ললে। প্ৰথমে লাহে লাহে, তাৰ পিচত বেগাই, তাৰ পিচত লৰি যাবলৈ ধৰিলে। গুদা ভৰিৰে পথাৰৰ সৰু আলিয়েদি লৰি যাওঁতে, কেতিযাবা তাৰ ভৰি পিচলি ধাননিত পৰে। তাৰ পিচত, আকৌ উঠি, আলি'য়দি লৰ ধৰে। এইদৰেই গণেশে ধাননিৰ মাজে মাজে, আলিয়েদি উঠা নমাকৈ লৰি গৈ আছে।

ইফালে, শ্মশানত চিতাৰ জুই দপ. দপ.কৈ জ্বলিছে। প্ৰায়বিলাক মানুহেই চিতাৰ জুইৰ লগত ব্যস্ত আছে। এনেতে তাৰে এজন ডেকা লৰাই পথাৰৰ ফা'ল ঘূৰি চাওতে দেখিলে যে এটা মানুহ পথাৰৰ মাজেদি শ্মশানৰ ফালে দৌৰি আহিছে। লৰাজনে ইবোৰ মানুহৰ দৃষ্টি আকৰ্ষণ কৰিলে। কিন্তু, তেতিয়ালৈকে কোনেও চিনিব পৰা নাই। কাৰণ, বেলি ওলাইছে যদিও, ডাঠ কুঁৱলীয়ে মাজে মাজে মানুহটো ঢাকি ধৰিছে। সকলোৱে অবাক হৈ মানুহটোলৈ চাই আছে। ক্ৰমাৎ মানুহটো ওচৰ চাপি আহিছে। এনেতে, ভোগেশ্বৰে কিছুপৰ একেথৰে চাই থাকি কলে যে এইটো কিজানি গণেশেই হ'ব লাগিব। কাৰণ, গণেশে দৌৰিলে মুখখন এধলীয়া কৰি লয়। হ'বও পাৰে। কাৰণ, তালৈ মই নিজেই গৈ টেলিগ্ৰাম কৰিছিলো।

ঠিক এনেতে মানুহটো গৈ ওচৰ পাওঁতেই ভোগেশ্বৰে চিঞৰি ক'লে— হয়, হয। মই ঠিকেই কৈছিলো। বাক মই আগবাঢ়ি যাওঁ। তোমালোকে ইযাত সাৱধানে থাকিবা।

এইবুলি কৈয়েই ভোগেশ্বৰে লৰমাৰি গৈ গণেশক গৰামাৰি ধৰিলেগৈ। গণেশে চিতা জুইৰ ওচৰ পাযেই— 'ঐ দেউতা মোৰো লৈ যাওক'— বুলি কৈ জুই কুৰাৰ ফালে জোৰেৰে আগবাঢ়ি গ'ল। তেতিযা ভোগেশ্বৰে ইবোৰ মানুহলৈ চাই— ইযে! কি চাইছা ধৰা, ধৰা — বুলি কোৱাৰ লগে লগেই চাৰি-পাচটা ল'ৰাই ধৰি কোনোমতে গণেশক পিছুৱাই আনিলে। তাৰপিছতই, গণেশ মাটিত বহি সৰু ল'ৰাৰ দৰে চিঞৰি চিঞৰি কান্দিব ধৰিলে।

শ্মশানৰ কাম শেষ কৰি ভোগেশ্বৰ আৰু কেইজনমান বন্ধুৱে গণেশক ধৰাধৰি কৰি ঘৰলৈ লৈ আহিল। ইতিমধ্যে, গণেশ আহি বাহিৰে বাহিৰে শ্মশানলৈ গলহি বুলি কথাটো গাঁৱত জনাজাত হল আৰু লগতে মাহীযাকও। গণেশ অহা শুনিযে মাহীমাকৰ বুকু কঁপি উঠিল। এতিযা বা গণেশে কি কৰেহি। বাপেক নোহোৱাত এতিযা গণেশেই সৰ্ব্বে-সৰ্ব্বা। পিচত, তাহানি ঘৰৰপৰা ওলাই যাওঁতে— 'নদীত পেলাই দিম' বুলি কৈ যোৱা কথাটো কিজানি, এতিযাই কৰেহি একো ঠিক নাই। ইত্যাদি কথাবোৰ ভাবি মাহীমাক ভযত পেপুৱা লাগিল।

এনেতে, বন্ধুকেইজনে গণেশক আনি ঘৰ পোৱালেহি। ঘৰ পাযেই গণেশে আকৌ হুক, হুককৈ কান্দিবলৈ ধৰিলে। গণেশক কন্দা দেখি ইফালে মাহীমাক ওলাই আহি, দুৱাৰ মুখত বহি, গণেশলৈ চাই চিঞৰি চিঞৰি কান্দিলে। বন্ধু কেইজনে সকলোকে বুজনি দি থাকিল।

গণেশৰ ওচৰত বন্ধুকেইজন বহুত সময থাকি পিচত যাবলৈ ওলাল। এনেতে গণেশে এটা বৰ জৰুৰী কথা মাছে

বুলি ভোগেশ্বৰক ৰখাই থলে। ই কেইজন গল্গৈ। ভোগেশ্বৰে তেতিয়া তাৰ টেলিগ্রামখন কেতিয়া পালে, কেতিয়া আছিল ইত্যাদি কথাবোৰ সোধাত, গণেশে টেলিগ্রাম পোৱাৰপৰা ঘৰ পোৱালৈকে সকলো কথা ভোগেশ্বৰৰ আগত কলে আৰু লগতে কলে যে কুঁজীবালিত বাঘে তাক আটক কৰি নোথোৱাহলে, সি কিজানি দেউতাকক জীৱিত অৱস্থাত পালেহেঁতেন। এইবুলি গণেশে আকৌ চকুপানী টুকিলে। ভোগেশ্বৰে কথাবোৰ শুনি অবাক হৈ চাই থাকিল গণেশলৈ।

অলপ সময়ৰ পিচত, গণেশে ভোগেশ্বৰক ভনীয়েকলৈ এখন টেলিগ্রাম দিবলৈ আৰু তাৰ বিচনাখন শিমলুগুৰিৰ পৰা আমি দিবলৈ অনুৰোধ কৰিলে। ভোগেশ্বৰ তৎক্ষণাৎ যাবলৈ ওলাল। গণেশ ভোগেশ্বৰৰ হাতত টকা কুৰিটা দিলে আৰু লগতে ষ্টেচন মাষ্টৰলৈ এখন চিঠিও দি পঠালে। ভোগেশ্বৰ ঘৰলৈ আহি, গা-পা ধুই, কিবা-কিবি দুটামান খাই বিচনাখন আনিবলৈ গল।

এতিয়া গণেশ অকলশৰীয়া। তাহানি ওলাই যোৱাৰ পৰা এতিয়ালৈকে যিবোৰ ঘটনা হৈ গ'ল, সেই আটাইবোৰ তাৰ এটা এটাকৈ মনলৈ আহিল। লগতে দুধাৰী চকুলো। ইফালে, মাহীয়েক আৰু ল'ৰাটো গণেশৰ ওচৰলৈ আহিবলৈ সাহ কৰা নাই।

আবেলি হোৱাৰ লগে লগে, খবৰ লবলৈ অহা মানুহ, বিশেষকৈ ইমান দিনৰ মূৰত ঘূৰি অহা গণেশক চাবলৈ ঘৰ ভৰি পৰিল। তাৰভিতৰত, চিনি নোপোৱাবোৰে কিছুপৰ একেথৰে গণেশলৈ চাইছে। চিনিপোৱাবিলাকে ওচৰলৈ গৈ দুই-এষাৰ কথা সুধি বিদায় লৈছে। গণেশৰ ওচৰত কেইজনমান সমনীয়া বন্ধু বহি আছে।

গণেশ অহাৰ খবৰটো ইবিলাকৰ লগতে ফাগুণীৰ মাকেও জানি মনত বৰ বেজাৰ পাইছে। এবাৰ ভাবিছিল—

গণেশক এবাৰ মাত লগাই আহিব নেকি? কিন্তু মাহীমাক জনীৰ কথা ভাবি গাটো জিকাৰ খাই আহিল। এই মাহীমাকৰ কাৰণেই ফাগুণীক গণেশলৈ দিব নোৱাৰিলে আৰু শেষত তাইৰ চক্ৰান্তত পৰিয়েই গণেশ ঘৰৰপৰা ওলাই যাব লগা হ'ল। তাহানি সকতে এখন বিয়া ঘৰত তাইৰ লগত চুলিয়া-চুলি লগাৰ পৰা তাই মোক চকুপাৰি দেখিব নোৱাৰে। পিচে লোকক কৰিলে কি হব। তাযো একেজনী গাভৰু জীযেকৰ মূৰটো খালে। তথাপি এদিন সময় বুজি গণেশক মাত এবাৰ লগাবলৈ যাবই লাগিব।

তিপণীৰ দিনা ল'ৰা-ছোৱালী দুটাৰ সৈতে ভনীযেক আৰু বৈনাযেক আহি পালেহি। আহিয়েই ভনীয়েকে গণেশৰ ডিঙিত ধৰি হুৱাওৱাৰে কান্দিলেহি। মানুহে বুজনি দিযাত কিছু শাম কাটিল। ইফালে, নিজান হৈ থকা ঘৰখন ল'ৰা-ছোৱালী হাল আহিবৰ পৰা অলপ সজীৱ হৈ উঠিল। আনহাতে ভনীযেকৰ যোগেদি গণেশ আৰু মাহীমাকৰ মাজত যোগাযোগ আৰম্ভ হ'ল। এতিয়া ঘৰখনত জীযেকৰ কথামতেই সকলো চলিছে। মাহীয়েকে বুজিলে যে তেওঁ এতিয়া "দাঁত ভঙা ফেঁটীসাপ।"

দেউতাকৰ দহা-কাজৰ সকলো আয়োজন নিজেই কৰিব লগা হোৱাত গণেশ বৰ ব্যস্ত আছে। তথাপি এবাৰ গণেশে ঘৰটোৰ কেউফালে চকু ফুৰাই চাই দেখিলে যে থকা ঘৰটো জেনেই উৰলি গৈছে। বেৰবোৰ মাজে মাজে ভাঙিছে। ঘৰৰ চালে পানী পৰে। কাৰণ আজি বহুত দিন হ'ল ঘৰটো নতুনকৈ চোৱা হোৱা নাই। আনহাতে গোহালীৰ গৰু উদং। ভঁৰালত ধান অলপমানহে আছে। ম'হ এটাও নাই। তাহানি তাৰ বাহিৰে আন কোনেও চম্ভালিব নোৱাৰা উজত গলৃধন ধৰা মতা ম'হটোলৈ মনত পৰি তাৰ বৰ দুখ লাগি আছে।

তাৰ উপৰিও গণেশে তাৰ বিশ্বাসী বন্ধু-বৰ্গৰপৰা তাৰ বহুত ঘৰুৱা কথা জানিলে, যেনে— গণেশ ওলাই যাবৰে পৰা দেউতাকে অভাৱত পৰি খুটীৰ ম'হ, গোহালীৰ গৰু, আৰু পিচলৈ কেইবিঘামান মাটিও বেচি দিলে। তাৰ পিছতো ভালেখিনি মাটি বন্ধকত গ'ল। বাকী থকা কেইবিঘামান, নিজে খেতি কৰিব নোৱাৰি আন মানুহক আধিলৈ দিলে। কিন্তু আধিৰ ধানো পুৰাকৈ নেপায়। গতিকে ঘৰুৱা অৱস্থা দিনক দিনে বেয়ালৈ আহি বৰ্ত্তমান এনে এটা নিঠৰুৱা অৱস্থাত পৰিছেহি। গণেশে তলে তলে অনুসন্ধান কৰি ইযাৰ সত্যতাৰ প্ৰমাণ পালে। এইবোৰ কাৰণতেই যে তাৰ দেউতাকৰ আয়ুস টুটি আহিল, গণেশৰ আৰু বুজিবলৈ বাকী নেথাকিল। তথাপি দেউতাকৰ দহা-কাজ যোৱাৰ পিচতেই এই ঘৰুৱা সমস্যাবোৰ সমাধান কৰিবলৈ গণেশ দৃঢ় প্ৰতিজ্ঞ হ'ল।

গাঁৱৰ ৰাইজ আৰু বন্ধু-বৰ্গৰ সহায়ত গণেশৰ দেউতাকৰ দহা-কাজ শ্ৰাদ্ধ আদি সকলোখিনি কাম সুকলমে হৈ গ'ল। শ্ৰাদ্ধৰ পিচদিনাই, ল'ৰা-ছোৱালী হালৰে সৈতে ভনীয়েক আৰু বৈনায়েক তিনিচুকীয়ালৈ গলগৈ। ঘৰখন আকৌ নিজান হৈ পৰিল।

শ্ৰাদ্ধৰ দুদিনমানৰ পাছত গাঁৱৰ সম্বন্ধীয়া বুঢাজনে গণেশক ঘৰলৈ মতাই নি সেইদিনা মৰিবৰ আগতে গণেশৰ দেউতাকে তেওঁৰ আগত গণেশক কবলৈ কি কি কৈছিল, সেই সকলোবোৰ কথা বিবৰি কলে আৰু সেই বিষয়ে তাৰ মতামত সুধিলে। তেতিয়া গণেশে এটা হুমুনিয়াহ কাঢ়ি কলে যে সি দেউতাকৰ কথা নিশ্চয় ৰাখিব। কাৰণ এই কেইদিন সি নিজেও তাকেই কৰিব বুলি ভাবি আছিল। গণেশৰ কথা শুনি বুঢাজনে বৰ ভাল পালে আৰু তাক প্ৰশংসা কৰিলে।

তাৰপিচত গণেশে সিহঁতৰ মাটিখিনি কোনে কিনি ললে আৰু কোনে কিমান মাটি বন্ধকত ৰাখিছে আৰু সেইবিলাক

ঘুৰাই পোৱাৰ উপায় কি— ইত্যাদি কথা বুঢ়াজনক সোধাত তেওঁ ক'লে বেচা মাটিখিনি ঘুৰাই পোৱা টান। কাৰণ এবাৰ কিনি লোৱা মাটি কোনেও ঘুৰাই নিদিয়ে। আনহাতে বন্ধকত থকা মাটি টকাখিনি দিলেই ঘুৰাই দিবলৈ বাধ্য। গতিকে, তাকে কৰিবলৈ বুঢ়াই গণেশক উপদেশ দিলে। গণেশেও সেই অনুক্ৰমেই টকা ঘুৰাই দি বন্ধকত থকা মাটিখিনি মোকোলাই আনিলে।

তাৰপিচতেই গণেশে থকা ঘৰটোৰ ফালে চকু দিলে। গোটেই ঘৰটো নতুনকৈ চোৱালে। তাৰপিচত ভগা বেৰবোৰ নতুনকৈ দি ভালকৈ লিপি-কুচি দিয়ালে। বাৰীখনৰ চাৰিওফালে জেওৰা দি, গৰু-ছাগলী সোমাব নোৱাৰা কৰিলে। এতিয়া গোহালীৰ গৰু আৰু খুটিৰ ম'হ কেইটাৰ বাহিৰে গোটেই ঘৰখন আগৰ নিচিনা হ'ল। কিন্তু আনহাতে ঘৰত মানুহৰ সংখ্যা গণেশৰ বাদে কেৱল মাক-পিতকহে থাকিলগৈ।

গণেশৰ এই কামবোৰ দেখি মানুহে তবধ মানিলে। কাৰণ যি মাহীমাকে তাক ইমানবোৰ লটি-ঘটি কৰিলে আৰু যি মাহীমাকে এই ঘৰখনত ধ্বংসৰ মুখলৈ টানি আনি খুজি-খোৱা অৱস্থা কৰিলে আজি গণেশে সেই সৰ্কলোবোৰ পাহৰি ঘৰখন আকৌ নতুনকৈ পাতি দিলে, আৰু লগতে মাহীযেককো পোহ পাল দিবলৈ গাত ললে। গণেশৰ এই মহৎ গুণৰ কাৰণে সকলোৱে তাক ভূৰি ভূৰি প্ৰশংসা কৰিলে।

চাওঁতে চাওঁতে এমাহৰ ছুটি শেষ হৈ আহিল। ছিলঙলৈ যোৱাৰ কেইদিনমান আগতে গণেশ সম্বন্ধীয়া বুঢ়াজন আৰু লগতে গাৱৰ কেইজনমান মুখীয়াল মানুহ ঘৰলৈ মাতি আনিলে আৰু গণেশইতৰ মাটিখিনি প্ৰতি বছৰে কাক, কেনেকৈ কৰবলৈ দিব আৰু লগতে ধানখিনিও যেন ঠিকমতে পায়, তাৰে দিহা পৰামৰ্শ দিবলৈ আৰু সকলোসময়তে মাহীযেক আৰু ভাযেকটোৰপ্ৰতি চকু-কান দি থাকিবলৈ তেওঁলোকক অনুৰোধ কৰিলে। ইফালে গণেশে মাহী-

য়েক আৰু ভায়েকটোক কাপোৰ-কানি আৰু লাগতিয়াল কিছুমান বস্তু কিনি দিলে।

যাবৰদিনা গণেশে মাহীমাক আৰু ভায়েকক সকলো দিহা-পৰামৰ্শ দিলে আৰু হাত-খৰছ হিচাবে মাহীমাকৰ হাতত এশ টকা দিলে। মাহীমাকে কিছুপৰ একেথৰে গণেশলৈ চাই থাকি পিচত গণেশক সাৱটমাৰি ধৰি হুকহুককৈ কান্দিলে, কিন্তু মুখেৰে একো ক'ব নোৱাৰিলে।

গণেশে এবাৰ কেউফালে চাই লৈ, বেজাৰ মনেৰে ঘৰৰ পৰা ওলাই গ'ল।

(১২)

পিচদিনা গধূলি গণেশ আহি ছিলং পালেহি। ৰংপুৰত ভালকৈ চাহ খাই আহিছিল কাৰণে ঘৰত আৰু ভাত-চাহৰ একো দিহা নকৰিলে। ঘৰ-দুৱাৰ খুলি, লাইট জলাই বাহিৰে-ভিতৰে ভালকৈ এবাৰ চাই ল'লে। তাৰপিচত, দুৱাৰ বন্ধ কৰি বিচনাত শুই পৰিল। পুহমহীয়া ঠেৰেঙা লগা জাৰ। টোপনি অহা নাই। লগে লগে গণেশৰ ছিলঙত টেলিগ্ৰাম পোৱাৰপৰা, এমাহৰ পিচত আকৌ ছিলঙলৈ ঘুৰিঅহালৈকে কি কি হৈছিল, এই সকলোবোৰ তাৰ এটা এটাকৈ মনত খেলাবলৈ ধৰিলে। সকলোখিনি কাম ছালি-জাৰি চাই দেখিলে— তাৰ ক'তো একো খুত থাকি যোৱা নাই। দেউতাকক এবাৰ দেখা পোৱা হ'লে তাৰ মনত শান্তি পালেহেঁতেন। দুৰ্ভাগ্যবশতঃ ঘৰৰ ওচৰ পায়োঁ কুঁজীবালিত বাধৰ সমুখীন হৈ বন্দী হ'ব লগা হ'ল। নহ'লে, সি দেউতাকক জীৱিত অৱস্থাতেই পালেহেঁতেন। এই কাৰণেই তাৰ অন্তৰত বৰ দুখ থাকি গ'ল।

ইমিনা আগৰণা গণেশে অফিচত জইন কৰিছাগৈ।

সেউতাকৰ মৃত্যুৰ পিচত গণেশ আৰু উদাসীন হৈ পৰিলহি। তাৰ যেন পৃথিৱীত আৰু কোনো নাই। এই বিশাল বিশ্বত সি যেন একেবাৰে অকলশৰীয়া।

তাৰপিচতেই তাৰ মনলৈ আহিল ভৱিষ্যত জীৱনটো। জীৱনত বহুত সংগ্ৰাম কৰি এই ছিলঙতেই থিতাপি ল'লেহি। এতিয়া সি হিচাপ কৰি দেখিলে যে তাৰ এই চাকৰিৰপৰা অৱসৰ লবলৈ আৰু পঁচিশ বছৰতকৈও কিছুদিন বেছি আছে। তেনেহলে এই পচিশ বছৰ কাল সি মুল্কীৰ ঘৰৰপৰা অফিচলৈ আৰু অফিচৰ পৰা মুল্কীলৈ, এই এমাইল-ডেৰমাইল ৰাস্তাতে তাৰ চাকৰী জীৱনটো আবদ্ধ হৈ থাকিব লাগিব। তাৰ উপৰিও অৱসৰ লোৱাৰ পিছত বা আৰু কিমান বছৰ লেলাই-ঘেটাই থাকিব লাগিব তাৰ কোনো ঠিক নাই। গণেশৰ কাৰণে এনেকুৱা এটা ভৱিষ্যত জীৱন অসম্ভৱ যেন লাগিল। যদিও অৱস্থাত পৰি, পেটৰ দায়ত এনে এটা চাকৰীত বাধ্য হৈ সোমাব লগা হৈছিল, তথাপি, এই চাকৰীতে-ঘৰ-কাৰোৰ দি থকা থকাটো তাৰ কাৰণে উচিত নহয়। তাক লাগে পৰিবৰ্ত্তন— তাক লাগে জীৱনটো নানা ঘাট-প্ৰতি-ঘাটৰ মাজেদি টানি নি কোনো এক সপোন ৰাজ্যত প্ৰবেশ কৰা— তাক লাগে এটা বিচিত্ৰময় জীৱন আৰু এখন বিচিত্ৰময় সংসাৰ। কিন্তু এনেকুৱা চাকৰী জীৱনত তেনেকুৱা এখন সংসাৰ গঢ়ি লোৱা কল্পনাৰো অতীত।

এই প্ৰসঙ্গতে গণেশৰ লৰা কাল ছোৱালৈ মনত পৰিল। সকতে মাহীমাকৰূপা পোৱা বইখিনি বাদ দি ৰ'দ, বতাহ, বৰষুণলৈ কেৰেপ্ নকৰি খেতি পথাৰ আদি কৰা গৰু ম'হৰ পিছে পিছে হাবিয়ে বননিয়ে ঘূৰি ফুৰা, সমনীয়া বন্ধুৰ লগত প্ৰেম ধেমালি কৰা, ঢোলৰ পেঁপা লৈ ঘৰে ঘৰে হুচৰি গোৱা, ইত্যাদি কামবোৰতে কটোৱা

অসন্তুষ্টিৰ কাৰণে সেইবিলাকে কাম অতি উৎসাহ-উদ্দীপনাৰে কৰিব পাৰিছিল। কিন্তু এতিয়া এই সীমাবদ্ধ ঠাইতে আবদ্ধ হৈ এই কেৰাণী জীৱনটো তাৰ অসহনীয় হৈ পৰিছেহি। তাক আগে এটা উত্তেজনা পূৰ্ণ সক্ৰীয় জীৱন — য'ত [illegible] লগা-ধৰা আদি কৰ্ম-ব্যস্ততাৰ মাজত থাকিব পাৰিলে তেনে এটা সুযোগ পাবলৈকে গোপনে মনে মনে আশা কৰি থাকিল।

এদিন এনে এটা সুযোগ আঁহি পৰিলহি।

১৯৩৯ চনত পৃথিৱীজুৰি আৰম্ভ হ'ল ২য় মহাযুদ্ধ। হিটলাৰে ইউৰোপত ইংলণ্ডৰ বাহিৰে বাকী এখন এখনকৈ সকলো ৰাজ্য অধিকাৰ কৰি পিছত গোটেই পৃথিৱী জয় কৰিবলৈ মন মেলিলে। আনহাতে পূবফালে জাপানে ওচৰে কাষৰে থকা দ্বীপবোৰ অধিকাৰ কৰি পিচত ভাৰত অধিকাৰ কৰিবৰ কাৰণে ব্ৰহ্মদেশৰ ফালে আগবাঢ়ি আহিল। জাপানৰ উদ্দেশ্য বুজি বৃটিছ চৰকাৰ বিচলিত হৈ পৰিল। আৰু বৃটিছ, আমেৰিকা আৰু ভাৰতীয় সৈন্য মিলিত হৈ জাপানৰ সন্মুখীন হবলৈ প্ৰস্তুত হৈ ৰ'ল। সমস্ত ভাৰত, বিশেষকৈ অসমবাসী আতঙ্কিত হৈ পৰিল।

দেশৰ এনে চলস্থূলীয়া অৱস্থাত, গণেশৰ মনত কিছুমান কথা খেলাবলৈ ধৰিলে। সি ভাবিলে যে জাপানৰ প্ৰধান উদ্দেশ্য হৈছে অসমখন দখল কৰা। কাৰণ, অসম দেশ তেল, কয়লা, সোণ, ৰূপ আদি খনিজ পদাৰ্থৰে পৰিপূৰ্ণ। অসমৰ চাহপাত পৃথিৱী বিখ্যাত, তাৰ উপৰিও, নানা বনস্পতি আদি বহুমূলীয়া সম্পদেৰে অসম দেশ চহকী। এনে এখন দেশ জগতত বিৰল। গতিকে, বৃটিছৰ বাহিৰেও জাপান আমেৰিকা চীন ৰাছিয়া আদি শক্তিশালী দেশ বিলাকৰ অসমৰ প্ৰতি লুভীয়া দৃষ্টি নথকা নহয়।

আনহাতে, গণেশে আকৌ ভাবিলে যে বহু বছৰ ধৰি ভাৰতবাসীয়ে স্বাধীনতা আন্দোলন কৰাৰ ফলত, বৃটীছ চৰকাৰ বৰকা সৰকা হৈ পৰিছে। গতিকে, বৃটীছৰ শাসণ বেছি দিন বৰ্ত্তি থকাটো সম্ভৱ নহয়। কিন্তু, এনে সময়তে যদি জাপানৰ নিচিনা আন এটা প্ৰবল শক্তিয়ে ভাৰত তথা অসম জয় কৰে, তেনেহলে সিহঁতেও বৃটীছৰ দৰে মৰ-কামোৰ দি অসমক দখলত ৰাখিবলৈ চেষ্টা কৰিব। তেতিয়াহলে, বৃটীছ গলেও, জাপানৰ তলতো কিমান বছৰ ধৰি পৰাধীন হৈ থাকিব লাগিব তাৰ ঠিক নাই। গতিকে, জাপানেই হওক বা আন কোনো শক্তিয়েই হওক, বাধা দিবই লাগিব। সদ্যহতে, আক্ৰমণকাৰী জাপানী শত্ৰুক বাধা দিব পাৰিলে, পিচত, বৃটীছক ওফৰাবলৈ বেছি দিন নেলাগিব। ইয়াকে ভাবি, গণেশে সৈন্য বিভাগত যোগদি, আক্ৰমণকাৰী জাপানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মনস্থ কৰিলে।

সকলো আগ পিছ ভাবি, এদিন গণেশ যথাস্থানত চেকেণ্ড, লেফ্‌টেনেণ্টৰ কাৰণে আবেদন পত্ৰ দাখিল কৰিলে। সৈন্য বিভাগত বহুত মানুহৰ আৱশ্যক হৈছিল কাৰণে চৰকাৰে সোনকালেই গণেশক এদিন সাক্ষাৎ দিবলৈ মাতিলে। নিৰ্দ্দিষ্ট দিনত গণেশ হাজিৰ হলগৈ। সাক্ষাৎ হ'ল। গণেশক মনোনিত কৰিলে আৰু স্বাস্থ্য পৰীক্ষা হোৱাৰ পিচতেই মাদ্ৰাজত ট্ৰেইনিং লবলৈ হুকুম আহিল।

অৰ্ডাৰ পায়েই গণেশ অলপ বিচলিত হৈ পৰিল। ইমান সোনকালে যে যাব লগা হব, সেইটো সি কল্পনাই কৰা নাছিল। কিন্তু, পিছ মুহূৰ্ত্ততে সি সিদ্ধান্ত কৰিলে যে সি যাবই। মানুহৰ জন্ম-মৃত্যু আছেই। পৃথিৱীত জন্ম ললে এদিন মৰিবই লাগিব। যদি কিবা এটা ডাঙৰ কাম কৰি মৃত্যু বৰণ কৰিব লগা হয়, তেনেহলে বৰ গৌৰৱৰ কথা হব। ইয়াকে ভাবি, গণেশ যাবলৈ প্ৰস্তুত হ'ল।

কিন্তু লগে লগে কেইটামান ডাঙৰ সমস্যা আহি পৰিল। সি যুদ্ধলৈ যোৱা কথাটো ঘৰত আৰু বিশেষকৈ ভনীয়েকক জনাব লাগিব। ভনীয়েকে শুনিলে খুব কন্দা-কটা কৰিব। কিন্তু উপায় নাই, সি যাবই লাগিব।

যোৱাৰ আগতে গণেশে মুলুকীত থকা নিজা ঘৰটো ভনীয়েকৰ নামত লিখি দিলে আৰু তাৰ অবৰ্ত্তমানত ঘৰটো চৰকাৰৰ তত্ত্বাৱধানত ৰাখিলে। যদি সি ঘূৰি নাহে, তেনেহলে মুলুকীৰ ঘৰে মাটিয়ে ভনীয়েকে পাব। তাৰ উপৰিও তাৰ যিখিনি টকা জমা আছে, সেইখিনি তাৰ ভনীয়েক আৰু ভায়েকৰ মাজত সমানে ভগাই লব।

গণেশ যুদ্ধলৈ যাবলৈ ওলোৱাত সকলো মানুহ স্তম্ভিত হ'ল। কিন্তু কোনেও হকা-বাধা নকৰিলে। কাৰণ গণেশ যে এটা বেলেগ ধৰণৰ ল'ৰা, তাক সকলোৱে জানে।

আগদিনা অফিচৰ কাম চমজাই দি আৰু লগতে বন্ধু-বান্ধৱক মাত লগাই পিচদিনা ৰাতিপুৱাই মাদ্ৰাজত ট্ৰেইনিং লবলৈ যাত্ৰা কৰিলে।

মাদ্ৰাজ পোৱাৰ লগে লগেই গণেশৰ ট্ৰেইনিং আৰম্ভ হ'ল, বহুত দিন অফিচত কাম কৰাৰ কাৰণে প্ৰথমতে কিছু অসুবিধা পাইছিল। কিন্তু, সকতে ব'দে-বৰষুণে কঠোৰ পৰিশ্ৰম কৰাৰ অভ্যাস আছিল গুণে কেইদিনমানৰ ভিতৰতে মিলিটেৰী ট্ৰেইনিঙত অভ্যস্ত হৈ পৰিল। কিন্তু তাৰ লগৰে আলসুৱা দুই-এজনে এই ট্ৰেইনিঙত 'মুখ মেলি পেলোৱা' দেখি গণেশৰ পেট পেটে হাঁহি উঠিছিল। পিচলৈ সিহঁতে চলাফালি যাবলৈ ধৰিলে।

দুমাহ ট্ৰেইনিঙৰ পিচত হোৱা পৰীক্ষাত গণেশে সুখ্যাতিৰে পাচ কৰিলে। গণেশৰ সাহস, উপস্থিত বুদ্ধি, কৰ্ম দক্ষতা, কষ্ট সহিষ্ণুতা আদি গুণবোৰত ওপৰৱালাসকল সন্তুষ্ট হৈছিল আৰু

যুদ্ধক্ষেত্ৰত গণেশে সফলতাৰে সৈন্য পৰিচালনা কৰিব পাৰিব বুলি তেওঁলোকে আশা ৰাখিছিল।

ট্ৰেইনিঙৰ পিচত, চেকেণ্ড লেফটেনেণ্ট শিক্ষাৰ্থীসকলক ভাৰতৰ বিভিন্ন সৈন্য শিবিৰত নিযুক্তি দিলে। কিন্তু গণেশ আৰু লগৰ কেইজনমানক পোনে পোনেই অসমলৈ পঠালে। নিজৰ জন্মভূমি অসমৰ সীমান্তত হোৱা যুদ্ধ ক্ষেত্ৰলৈ আহিবলৈ পাই গণেশে মনত খুব বল পালে। কিন্তু আনহাতে লগৰীয়া কেইজনৰ মুখ শুকাই গ'ল। কাৰণ সীমান্তৰ যুদ্ধত কি ভয়াবহ পৰিস্থিতি হৈছে, দুয়োপক্ষৰ কিমান সৈন্য নিহত হৈছে — ইত্যাদি খবৰ বিলাক সকলোৱে পাইছে। এই যুদ্ধ ক্ষেত্ৰলৈ অহা সৈন্যবিলাকৰ বেছি ভাগেই যে ঘূৰি আহিব পৰা নাই, সেইটোও অবিদিত নহয়। সিঁহতে যুদ্ধলৈ অহাৰ আগতে নিজৰ পিতৃ-মাতৃ, ককাই-ভাই, ইষ্ট-কুটুম্বক মাত এষাৰ লগাবলৈও সুবিধা নেপালে। সেইকাৰণে সিঁহতৰ মনত বৰ দুখ।

মাদ্ৰাজৰপৰা কেইদিনমান ৰেলেৰে আহি ধুবুৰীৰ এচৰ পোৱাৰ লগে লগেই গণেশে হাঁহি হাঁহি লগৰীয়া বন্ধু কেইজনলৈ চাই ক'লে — এয়া আমি অসম সোমালোহি। ইয়াৰপৰা কেইঘণ্টামানৰ পিচতেই আমি ডিমাপুৰ ষ্টেচনত নামিমগৈ। তাৰপৰা তিনি-চাৰিঘণ্টামান গলেই আমি মণিপুৰ সীমান্ত যুদ্ধক্ষেত্ৰ পামগৈ।

এইবুলি গণেশে কৌতূহল হৈ বন্ধু কেইজনৰ মুখলৈ চালে। গণেশৰ কথা শুনি বন্ধু কেইজনৰ মুখ শুকাই গ'ল। দুই-এজনে একোটা দীঘল হুমুনিয়াহ কাঢ়িলে। বাকী দুই এজনে গণেশলৈ চাই ভাবিলে— এই মানুহটো পগলানেকি? যুদ্ধক্ষেত্ৰলৈ অহা কিছুমান মানুহৰ জীৱ উৰি গৈছে। কিন্তু এই মানুহটোৰ দেখোন ফূৰ্তিহে লাগিছে। আনহাতে এটা কথাও হব পাৰে। হয়তো আমাক ৰণলৈ আগবঢ়াই দি ই কেনিবা পলাউঠি মাৰিবও

পাৰে। কাৰণ নিজৰ দেশ যেতিয়া ই সকলো বাট পথ চিনি পায়। ইয়ে তেওঁ এটা কাম নকৰিব একো ঠিক নাই। সেই-বাবেই ই বোধকৰো আমালৈ চাই চাই হাঁহিছে।

ইত্যাদি গণেশৰ বিষয়ে নানা কথা বন্ধু কেইজনৰ মনত খেলাবলৈ ধৰিলে।

অসম সোমোৱাৰ লগে লগে সকলোৰে চকুত পৰিল এটা বেলেগ পৰিস্থিতি। দিনে-নিশাই পুব সীমান্তলৈ ৰেলেৰে কঢ়িওৱা অসংখ্য সৈন্যবোৰ। গোটেই অসমতে যুদ্ধৰ পৰিৱেশ। বস্তুৰ দাম অনেক গুণে বাঢ়িল। বস্তুত নিবনুৱা ল'ৰা চাকৰীত সোমাল। বহুতে যুদ্ধ সম্বন্ধীয় ঠিকা-ঠুকলি কৰি ফুপইছা ঘটিলে। আনহাতে গোটেই অসমতে এটা আতঙ্কৰ সৃষ্টি হৈ পৰিল।

ইফালে জাপানী সৈন্য ক্ৰমাৎ আগবাঢ়ি আহি ব্ৰহ্ম-দেশ জয় কৰি মণিপুৰত উপস্থিত হলহি। সীমান্তত এফালে জাপানী সৈন্য আনফালে বৃটিশ, আমেৰিকা আৰু ভাৰতীয় মিলিত সৈন্যৰ তযা-মযা ৰণ লাগিল আৰু লগে লগে বিমান যুদ্ধও আৰম্ভ হ'ল। জাপানে অসমৰ কেইবা ঠাইতো বোমা বৰ্ষণ কৰিলে। মাজে মাজে দুই এখন জাপানী বিমানে চোৰাংকৈ অসমত থকা বিমান-ঘাটীবোৰ চাই যায়হি। এইবোৰ দেখি শুনি মানুহৰ মনত ভয় সোমাল।

যথাসময়ত গণেশ লগৰীয়া অফিচাৰ কেইজন আৰু একেখন ৰেলতে অহা অনেক সৈন্য-সামন্ত আহি ডিমাপুৰত নামিলহি। চাৰিওফালে হুলস্থুল যুদ্ধৰ পৰিবেশ। আনকথা ভাবিবলৈ অৱকাশ নাই। নমাৰ লগে লগেই কামাণ্ডাৰৰ লগত সাক্ষাত। ইতিমধ্যে কামাণ্ডাৰে গণেশকে আদি কৰি নতুন চেকেণ্ড লেফটেনেণ্ট কেইজনৰ একোটা চমু ৰিপৰ্ট পঢ়ি ল'লে। গণেশৰ ৰিপৰ্টত কেইটামান বিশেষত্ব দেখি কামাণ্ডাৰে গণেশৰ লগত দুই

এবাৰ কথাপাতি পিচ মুহূৰ্ত্তত সিহঁতক যথাস্থানলৈ পঠালে। কামাণ্ডাৰৰ মনৰ ভাৱ কোনেও বুজিব নোৱাৰিলে। আনহাতে সীমান্তত দিনে-নিশাই তুমুল সংগ্ৰাম চলি আছে।

দুদিনমান পিচতে গণেশক সীমান্তৰ যুদ্ধক্ষেত্ৰলৈ পঠালে। গণেশে কামাণ্ডাৰৰ লগত হোৱা সাক্ষাতৰ পিচত সেইটোকে হব বুলি অনুমান কৰি লৈছিল।

চেকেণ্ড লেফটেনেণ্ট গণেশৰ ওপৰত সেইদিনা এটা দায়িত্বৰ ভাৰ দিলে। সেইটো হৈছে শত্ৰুৰ কামানবোৰ অধিকাৰ কৰি শত্ৰুক পৰাজয় কৰা। সেইটো কৰিবলৈ গলে শত্ৰুৰ কামানৰ গুলী বুকু পাতি লৈ আগবাঢ়ি যাব লাগিব, সেই কামানবোৰক ধ্বংস কৰিবলৈ। ই এটা জীৱন মৰণ সমস্যা। কিন্তু গণেশ পিচ হুঁহকা মানুহ নহয়। সি ভাবিলে যে এইটোৱেই এটা ডাঙৰ সুযোগ। এইটো অভিযানেই হলে হব তাৰ মৃত্যু, নহয় যশস্যা লাভ। গতিকে এনে এটা সুযোগ সি কেতিয়াও এৰি নিদিযে। বিশেষকৈ গণেশে বৰ বং পাইছে— তাৰ লগত গুৰ্খা সৈন্যদল দিয়াৰ কাৰণে। সাহসী যোদ্ধা বুলি গুৰ্খা সৈন্য পৃথিৱী বিখ্যাত আৰু লাগে লগে সকলো দেশে গুৰ্খা সৈন্যলৈ ভয় কৰে— বিশেষকৈ জাপানে। এনে এদল সাহসী সৈন্য লগত লৈ সি যে শত্ৰুক পৰাজয় কৰিব পাৰিব সেইটো নিশ্চিত হৈ পৰিল।

ঠিক এনেতে, আন এটা কথা শুনিহে গণেশৰ মনটো বেযা লাগি আছিল। সেইটো হৈছে যুদ্ধলৈ পঠোৱা সৈন্যদলৰ পিছতেই ঠাযে ঠাযে কিছুমান মেচিনগান বহুৱাই থোৱা। উদ্দেশ্য— যুদ্ধলৈ পঠোৱা সৈন্যবোৰ যদি পলাই যায় বা পিছ-হুঁহকা মাৰি আহে, তেনেহলে, সিহঁতৰ ওপৰত মেচিনগান চলাই দিব। কথাটো একেবাৰে মিছাযেনো নেলাগিল। কাৰণ, যুদ্ধত পৰাজয়ৰ সম্মুখীন হব লগীয়া হলে, তেনে নিষ্ঠুৰ ব্যৱস্থা

কোনোৱে লবও পাৰে। নহলে, যুদ্ধলৈ পঠোৱা সৈন্যবিলাকক ভীতি প্ৰদৰ্শণ কৰিবলৈও তেনে ব্যৱস্থা হব পাৰে। কাৰণ, যদি জাপানে ভাৰত অধিকাৰ কৰে, তেনেহলে, বৃটীছৰ খ্যাতি, যশস্যা, ক্ষমতা আদি লোপ পাব আৰু "বেলিমাৰ নোযোৱা" বৃটীছ সাম্ৰাজ্যত চিৰকাললৈ বেলি মাৰ যাব। গতিকে, যি কোনো প্ৰকাৰে বৃটীছে ভাৰতক ৰাখিবই লাগিব। ইত্যাদি বিলাক কাৰণতে, বৃটীছে তেনে এটা ব্যৱস্থা লবলৈ সিদ্ধান্ত কৰা একো আচৰিত নহয়।

কথাবোৰ শুনি গণেশৰ অলপ খং উঠিছিল। কিন্তু সি আকৌ ভাবিলে যে হয়তো, কথাটো সঁচা হবও পাৰে নহবও পাৰে। গতিকে, এইবোৰ কথালৈ মূৰ ঘমাবলৈ তাৰ আৱশ্যক নাই। যুদ্ধক্ষেত্ৰৰ পৰা আনে পিছ-হুঁহকা মাৰিলেও, সি কেতিয়াও তেনে কাম নকৰে। সেইটো ঠিক।

পিচদিনা পুৱতী নিশাৰ আগে আগেই গণেশে সসৈন্যে যুদ্ধলৈ যাব লাগিব। তাৰ আগতেই গণেশে কেইজনমান মুখীয়াল গুৰ্খা সৈন্যৰ লগত আলোচনা কৰি ঠিক কৰিলে যে যুদ্ধত উভয়পক্ষৰ গুলীয়া-গুলী চলি থাকোতেই শত্ৰুৰ প্ৰতিটো কামানৰ প্ৰতি লক্ষ্য কৰি, অন্ততঃ দহ বাৰজন সৈন্যই মাটিত পেট পেলাই চুঁচৰি চুঁচৰি গৈ, অতৰ্কিতে কামান চলোৱা সৈন্য কেইজনক পৰাভূত কৰি, সেই কামানবোৰক বিজুলী বেগেৰে ঘূৰাই লৈ, শত্ৰুপক্ষলৈ গুলী চালনা কৰিব লাগিব। তেনে কৰিব পাৰিলে শত্ৰু সৈন্যৰ মাজত খেলি-মেলি আৰু আতঙ্কৰ সৃষ্টি হব আৰু সেই সুযোগতে আমাৰ সৈন্যই শত্ৰু সৈন্যৰ ওপৰত জপিয়াই পৰিলে, সিহঁতৰ পৰাজয় সুনিশ্চিত। এই ভয়াবহ অভিযানৰ নেতৃত্ব বহণ কৰিব গণেশে নিজেই। ইয়াকে সিদ্ধান্ত কৰি, গণেশ সসৈন্যে প্ৰস্তুত হৈ থাকিল।

যুদ্ধক্ষেত্রলৈ আহি গণেশে আগৰ দিহামতে এ়কোটা দলত দহ-বাৰজনকৈ কেইবাটাও দল গঠন কৰি, সৈন্যদলৰ আগত, অলপ দূৰে দূৰে সজ্জিত কৰি ৰাখিলে আৰু তেওঁলোকে কেনেকৈ মাটিত চুঁচৰি চুঁচৰি শত্ৰুৰ কামানৰ ফালে আগবাঢ়ি গৈ থাকিব— ইত্যাদি সকলো দিহা-পৰামৰ্শ দি, নিজেই ঠিক সোঁ-মাজতে তেনে এটা দলক চলাই নিবলৈ প্ৰস্তুত হ'ল।

সকলো আযোজন ঠিক হোৱাৰ পিচত, গণেশৰ নিৰ্দ্দেশ-মতে এই সৰু দল কেইটাই নিজ নিজ, দলপতিৰ অধীনত মাটিত চুঁচৰি যাবলৈ আৰম্ভ কৰিলে আৰু ইযাৰ সোঁ-মাজৰ দলটোত গণেশে নিজেই নেতৃত্ব ললে।

গণেশৰ দল কেইটা অলপ আগবঢাৰ পিছতেই ভাৰতীয সৈন্যৰ কামান গৰ্জ্জি উঠিল আৰু লগে লগে সৈন্যবিলাকেও গুলি চলাবলৈ ধৰিলে। ঠিক পিচতে, শত্ৰুপক্ষৰ পৰাও সেইদৰে গুলি চলিল। খন্তেক আগলৈকে নিস্তব্ধ হৈ থকা সীমান্ত অঞ্চল, এতিযা তুমুল যুদ্ধক্ষেত্ৰত পৰিণত হ'ল। দুযোপক্ষৰ বহু সৈন্য হতাহত হবলৈ ধৰিলে।

ইতিমধ্যে, গণেশৰ দলকেইটা অতি কষ্টেৰে চুঁচৰি আগ বাঢ়িবলৈ ধৰিলে। দুয়োপক্ষৰ মাজৰ দূৰত্ব দুশ-তিনিশ গজৰ বেছি নহয়। আধামান বাট গৈযে, এবাৰ গণেশে, মূৰৰপৰা লোহাৰ টুপীটো খুলি লৈ, দুই হাতেৰে বুকুৰপৰা এফুটমান ওপৰত ধৰি থাকিল। উদ্দেশ্য তলফালেদি শত্ৰুৰ গুলি আহিছেনেকি। ঠিক পিচতেই, শত্ৰুপক্ষৰ পৰা এটা গুলি আহি, হাতেৰ ধৰি থকা টুপীটোৰ ওপৰফালে প্ৰচণ্ড শব্দেৰে এটা ফুটা কৰি ইফালে ওলাই গল। গণেশৰ বুকু কপি উঠিল। সি ভাবিলে যে শত্ৰুৱে তলফালেদিও গুলি চলাইছে। সিহঁতে মাটিত চুঁচৰি যোৱা কথাটো কেনেবাকৈ গম পাইছে বুলি গণেশৰ সন্দেহ হ'ল। লৰা-

লৰিকৈ টুপীটো আকৌ মূৰত পিন্ধি লৈ অতি সাৱধানে আগবাঢ়িবলৈ ধৰিলে। মনলৈ ভাব আহিল যে যি কোনো মুহূৰ্ত্তত শত্ৰুৰ গুলি আহি মূৰ ফুটাই তাৰ মৃত্যু ঘটাব পাৰে। কিন্তু, গণেশে মৰসাহ দি আগবাঢ়ি গৈ থাকিল আৰু লগতে তেওঁৰ সহকাৰী কেইজনো।

এইদৰে, কিছু সময়ৰ পিচত গণেশৰ দলটো শত্ৰুপক্ষৰ এটা মেচিন্‌গানৰ ওচৰ পালেগৈ। দুয়ো পক্ষৰ পৰা কাণ তাল মৰা কামানৰ গৰ্জ্জণ। কেউফালে ধুঁৱলী কুঁৱলী। এই সুযোগতে গণেশে মেচিন্‌গানটোৰ একেবাৰে কাষ চাপি আহিল। সিহঁতৰ গাৰ ওপৰেদি অবিৰাম গুলি চলিব লাগিছে। এনে অৱস্থাত, কোন মুহূৰ্ত্তত কাৰ মৃত্যু হয় একো ঠিক নাই। গণেশে লক্ষ্য কৰিলে যে বিপক্ষৰ সৈন্য কেইজনে মেচিন্‌গান চলোৱাত ব্যস্ত আছে। ওচৰত ইফালে সিফালে কোন ক'ত আছে মন কৰা নাই। এইটোৰেই সুযোগ বুলি ভাবি, গণেশে, প্ৰথমে লগৰীয়া কেইজনক প্ৰস্তুত হবলৈ ইঙ্গিত দি, গণেশেই প্ৰথমে মেচিন্‌গান চলোৱা সৈন্য কেইজনৰ ওপৰত জপিয়াই পৰিল আৰু লগে লগে তাৰ দলটোৱেও গণেশক সহায় কৰি, কামান চলোৱা আটাইকেইজনক পৰাভূত কৰিলে। পিচ মুহূৰ্ত্ততে, গণেশে, দলটোৰ সহায়ত মেচিন্‌গানটো শত্ৰুৰ ফালে ঘূৰাই লৈ প্ৰচণ্ড ভাৱে গুলিবৰ্ষণ কৰিবলৈ ধৰিলে। এই আক্ৰমণত গণেশক বিশেষ ভাৱে সহায় কৰিছিল বাহাদুৰ চেত্ৰী নামে এটি ১৭।১৮ বছৰীয়া সাহসী গুৰ্খা সৈন্যাই।

সেই প্ৰচণ্ড যুদ্ধৰ মাজতো, গণেশে মন কৰিলে যে নিজৰ পক্ষৰ সৈন্যাই শত্ৰুপক্ষৰ মেচিন্‌গান আৰু দুই এটা অধিকাৰ কৰি বিপক্ষৰ ফালে গুলি চলাইছে। নিজৰ সৈন্যদলৰ কৰ্ম্ম দক্ষতা দেখি, গণেশৰ দুগুণ উৎসাহ বাঢ়িল। এনে সময়তে, নিজৰ সৈন্যদল লাহে লাহে আগবাঢ়ি আহি ওচৰ পালেহি।

গণেশৰ মনোবল দহগুণ বাঢ়িল আৰু লাগ লগেই উচ্চস্বৰে আদেশ দিলে— "শত্ৰুৰ ওপৰত জঁপিয়াই পৰা"—আৰু এই বুলি কৈয়েই, গণেশেই প্ৰথমে শত্ৰুসৈন্যৰ লগত হতাহতি যুদ্ধ আৰম্ভ কৰিলেগৈ।

সেনাপতি গণেশৰ অসীম সাহসত উৎসাহিত হৈ সৈন্য-সকলে প্ৰবলভাৱে শত্ৰুক আক্ৰমণ কৰিলে। জাপানী আৰু গুৰ্খা সৈন্যৰ মাজত ভীষণ হতাহতি যুদ্ধ আৰম্ভ হ'ল। দুয়োপক্ষৰ সৈন্যবোৰ ইমান সানমিহলি হৈ পৰিল যে উভয় পক্ষই শত্ৰুৰ ফালে মেচিনগান চলোৱা বা বিমান আক্ৰমণ কৰা বন্ধ কৰিবলৈ বাধ্য হল। যুদ্ধক্ষেত্ৰত কেৱল চলিছে উভয় পক্ষৰ মাজত তুমুল হতাহতি যুদ্ধ। কোনো পক্ষই বিশেষভাৱে আগবাঢ়িব পৰা নাই। একপক্ষ অলপ আগবাঢ়িছে যদিও, শত্ৰুৰ প্ৰবল বাধাত স্থিতাৱস্থা হৈ আছে। আনহাতে, কোনোফালে শত্ৰুপক্ষ আগ-বাঢ়িলেও, ইফালৰ পৰা প্ৰবল হেঁচাত হুঁহকি যাবলৈ বাধ্য হৈছে। এইদৰেই, উভয় পক্ষৰ হুঁহকা-পিচলাকৈ একেঠাইতে ভয়াবহ যুদ্ধ চলিব লাগিছে।

কিন্তু, অসীম সাহসী আৰু পাৰদৰ্শী গুৰ্খা সৈন্যৰ প্ৰচণ্ড আক্ৰমণত জাপানী সৈন্য বিবুদ্ধি হৈ পৰিল। হঠাৎ এনে আক্ৰমণৰ সন্মুখীন হব বুলি সিহঁতে ভবাই নাছিল। গুৰ্খা সৈন্যৰ তীব্ৰ গতিৰে ৰাইফল চলোৱা আৰু বিশেষকৈ, বিজুলী বেগেৰে চলোৱা খুকুৰীৰ আক্ৰমণত জাপানী সৈন্য পিছ-হুঁহকিবলৈ বাধ্য হৈছে। এইদৰেই উভয় পক্ষৰ মাজত কেইবাঘণ্টা জুৰি প্ৰচণ্ড সংগ্ৰাম চলিল।

ইফালে, উভয় পক্ষৰ ঠিক সোঁ-মাজত, গণেশ, নিজৰ সৈন্যদল লগত লৈ, শত্ৰু পক্ষৰ লগত ভীষণ হতাহতি যুদ্ধ চলাই আছে। গণেশক বিশেষভাৱে সহায় কৰিছে বাহাদুৰ চেত্ৰীয়ে। যুদ্ধ আৰম্ভ হোৱাৰ পৰা বাহাদুৰ গণেশৰ লাগ লাগ। আনহাতে,

গণেশেও বাহাদুৰক নিজৰ সক ভায়েকৰ দৰে ৰক্ষণাবেক্ষণ দি গৈছে। এনে তথা-মযা যুদ্ধৰ ভিতৰতো এবাৰ শত্ৰু সৈন্য এজনে নিচেই ওচৰৰপৰা বাহাদুৰৰ বুকুলৈ বুলি বন্দুক টোঁৱালে। সেই মুহূৰ্ত্তত গণেশে দেখি জাপমাৰি গৈ বন্দুকৰ নলীটো ওপৰলৈ দাঙি দিলেগৈ। গুলীয়ে বাহাদুৰৰ টুপিটো ওফৰাই লৈ গ'লগৈ। নহলে তাৰ মৃত্যু সুনিশ্চিত হৈছিল। পিচ মুহূৰ্ত্তত বাহাদুৰে বিজুলী বেগেৰে নিজৰ খুকুৰী উলিয়াই লৈ বন্দুকধাৰী সৈন্যজনক বগৰাই দিলে। কিন্তু সেই মুহূৰ্ত্ততে শত্ৰু পক্ষৰ গুলী আহি গণেশৰ বুকু ভেদ কৰি গ'ল আৰু লাগে লাগেই গণেশ মাটিত বাগৰি পৰিল।

– "আইঔ! কেপ্টেইন চাহাব!" —বুলিয়েই বাহাদুৰে মাটিত পৰি যোৱা গণেশৰ দেহাটো গৱামাৰি ধৰিলে।

মৃত্যুমুখী গণেশে এবাৰ বাহাদুৰলৈ চকু মেলি চাই— 'যোৱা যোৱা, শত্ৰুক পৰাজয় কৰা''— এই শেষ বাণী উচ্চাৰণ কৰিলে। পিচ মুহূৰ্ত্তত গণেশৰ চকু শেষবাৰলৈ মুদখাই আহিল।

বাহাদুৰে পেপুৱা লাগি একেথৰে গণেশলৈ চাই থাকিল। তাৰ শোকে খুন্দামাৰি ধৰিছে। সি ভাবিলে যে তাক বচাবলৈ গৈয়ে কেপ্টেইন গণেশ মৃত্যুৰ মুখত পৰিল। বাহাদুৰে এবাৰ ভাবিছিল যে গণেশৰ দেহাটো কোলাতকৈ লৈ নিজ শিবিৰৰ ফালে দৌৰি যাব নেকি? কিন্তু, সেইটো তাৰ অসম্ভৱ যেন লাগিল। কাৰণ তযাঁ-মযাঁ যুদ্ধ চলি থাকোতে কোন ফালৰপৰা গুলী আহি গাত লাগেহি একো ঠিক নাই। তেতিয়া তাৰ চেষ্টা অথলে যাব। পিচমুহূৰ্ত্তত তাৰ কেপ্টেইনৰ শেষ বাণীলৈ মনত পৰিল— "যোৱা যোৱা, শত্ৰুক পৰাজয় কৰা।"।

এবাৰ সন্মুখলৈ চাই পঠিয়ালে বাহাদুৰে। ইতিমধ্যে জাপানী সৈন্য ভালেখিনি পিচুৱাই গ'ল। বাহাদুৰে ভাবিলে

যে কেপ্তেইনৰ আদেশ মানি যুদ্ধ কৰাটোৱেই তাৰ প্ৰধান কৰ্ত্তব্য। এইবুলি ভাবিয়েই, বাহাদুৰে এহাতে ৰাইফল আৰু এহাতে খুকুৰী লৈ আকৌ যুদ্ধত জপিয়াই পৰিলগৈ।

পুনৰাৰপৰা আবেলিলৈকে তুমুল সংগ্ৰাম চলিল। গুৰ্খা সৈন্যৰ প্ৰচণ্ড আক্ৰমণত তিষ্ঠিব নোৱাৰি শত্ৰুসৈন্য ছেদেলি-ভেদেলি হৈ পৰিল। বহুত সৈন্য যুদ্ধত মৰিল আৰু বহুত অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হ'ল। ভাৰতীয় সৈন্যই পৰাজিত শত্ৰুক বহুত দূৰলৈ খেদি পঠিয়ালে। হৈ যোৱা যুদ্ধ ক্ষেত্ৰ এতিয়া সম্পূৰ্ণ ভাৰতীয় সৈন্যৰ অধীনত।

সেনাপতি চেকেণ্ড লেফটেনেণ্ট গণেশ শইকীয়াৰ নেতৃত্বত এই ভাৰতীয় সৈন্যৰ প্ৰথম জয়লাভ আৰু জাপানী সৈন্যৰ প্ৰথম পৰাজয়। কেওফালে ৰণৰ জয়ধ্বনি উঠিল। কিন্তু লগে লগে যুদ্ধ ক্ষেত্ৰত অসংখ্য আহত সৈন্যৰ করুণ আৰ্ত্তনাদত সকলো জয়ধ্বনি তলপৰি গ'ল।

তত্তাতৈয়াকৈ আহত হোৱা সৈন্যসকলক শত্ৰু-মিত্ৰ নিৰ্ব্বিশেষে যথা স্থানলৈ নিয়া হ'ল। লগে লগেই বিচাৰ কৰা হ'ল—সেইদিনা যুদ্ধৰ সেনাপতি গণেশ শইকীয়া ক'লৈ গ'ল—জীৱিত নে মৃত — আহত নে নিৰুদ্দেশ—ইত্যাদি একো খবৰ কোনেও দিব নোৱাৰিলে। শেষত খবৰ কৰা হ'ল যে যুদ্ধৰ ঠিক আগমুহূৰ্ত্তত চেকেণ্ড লেফটেনেণ্ট গণেশ শইকীয়া কোনখিনিত আছিল আৰু তেওঁৰ লগত কোন কোন সৈন্য আছিল। এইদৰে বহুত অনুসন্ধান কৰাৰ পিচত বাহাদুৰ ছেত্ৰীৰ নামটো ওলাল। বাহাদুৰক বিচাৰি চলাথ কৰিলে। অৱশেষত যুদ্ধক্ষেত্ৰৰ মাজ ভাগত আহত অৱস্থাত বাহাদুৰক পাই, লৰালৰিকৈ কমাণ্ডাৰৰ ওচৰলৈ অনা হ'ল। গণেশ শইকীয়াৰ কথা সোধাত বাহাদুৰে সেইদিনা যুদ্ধ আৰম্ভৰে পৰা মৃত্যুলৈকে গণেশৰ বীৰত্বৰ কাহিনী

বোৰ ক'বলৈ ধৰিলে। শেষত বাহাদুৰে ক'লে যে তাক বচাবলৈ যাওঁতেই কেপ্টেইন চাহাবৰ বুকুত গুলী লাগি পৰি গ'ল। এই বুলি কৈয়েই বাহাদুৰে হুক্-হুক্কৈ কান্দিবলৈ ধৰিলে। তাৰপিচত গণেশৰ মৃতদেহ কোনখিনিত পৰি আছে তাকে বিচাৰি উলিযাবলৈ অনুসন্ধান পাৰ্টি বাহাদুৰকো লগত লৈ গ'ল। বাহাদুৰৰ নিৰ্দ্দেশ ক্ৰমেই প্ৰথমে দখল কৰা শত্ৰুৰ মেচিনগানটো ওচৰ পালেগৈ। তাৰপিচত পোনে পোনে অলপ দূৰ ইফালে সিফালে বিচাৰি চাওঁতেই গণেশৰ মৃতদেহ বাহাদুৰৰ চকুত পৰিল। লৰমাৰি গৈ মৃতদেহটো সাবটি ধৰি বাহাদুৰে আকৌ কান্দিবলৈ ধৰিলে। ইতি-মধ্যে কেইবাজনো সৈনিকে ধৰা-ধৰিকৈ গণেশৰ মৃতদেহ শিবিৰলৈ অনা হ'ল। কামাণ্ডাৰে গণেশৰ মৃতদেহক চেলাম দি প্ৰথমেই গণেশৰ ওপৰ জেপত থকা 'পাচ পৰ্ট চাইজৰ' ছবিখনৰ তলত লিখা থকা "গণেশ শইকীয়া, চেকেণ্ড লেফটেনেণ্ট" নামটো পঢ়ি লৈ নিশ্চিত হ'ল। গণেশৰ পোচাকৰ পৰা বাকী থকা কাগজ পত্ৰবোৰ উলিয়াই লৈ, ভালকৈ নিৰ্দ্দিষ্ট স্থানত থলেগৈ। তাৰ পিচত বাহাদুৰৰপৰা গণেশৰ বীৰত্বৰ কাহিনীবোৰ সবিশেষ লিখি ললে আৰু লগে লগেই গণেশৰ ফটোখনৰে সৈতে তাৰ নেতৃত্বত সেইদিনা যুদ্ধত জয়লাভ কৰা গোটেই কাহিনীটো ওপৰৱালালৈ পঠালে আৰু লগে লগে ভাৰতৰ বিভিন্ন খবৰ কাগজত প্ৰকাশ কৰিবলৈও অনুৰোধ কৰিলে। তাৰপিচত গণেশৰ মৃতদেহ স-সন্মানে দাহ কৰা হ'ল।

পিচদিনা গোটেই ভাৰতত তথা গোটেই পৃথিৱীতে বেতাৰ যোগে খবৰটো প্ৰচাৰ কৰা হল আৰু ভাৰতৰ সকলো খবৰ কাগজত প্ৰথম পৃষ্ঠাতে গণেশৰ ছবিৰে সৈতে, ডাঙৰ ডাঙৰ আখৰেৰে যুদ্ধৰ বৰ্ণনাবোৰ ছপা হৈ ওলাল। লগে লগে অসমৰ দৈনিক বাতৰিবোৰতো অনুৰূপ বৰ্ণনা প্ৰকাশ পালে।

গোটেই ভাৰত, বিশেষকৈ অসমবাসীয়ে গণেশৰ বীৰত্বত গৌৰৱ অনুভৱ কৰিলে।

সেই সময়ত সাধাৰণতে দেশৰ বা-বাতৰি পাবলৈ বাতৰি কাকতৰ বাহিৰে অন্য উপায় নাছিল। আনকি, অসমৰ মানুহেই, অসম সীমান্তত যুদ্ধৰ পৰিস্থিতি কেনে হৈছে, সেইবোৰ জানিবলৈ বাতৰি কাকতলৈ বাট চাই থাকিব লাগিছিল। কেতিয়াবা বাতৰি কাকততো আচল বাতৰিবোৰ প্ৰকাশ নাপাইছিল। আৱশ্যক মতে চৰকাৰে কিছুমান সত্য ঘটনাও গোপন কৰি ৰাখিছিল। তথাপি, উৎসুক ৰাইজে খবৰ কাগজত যি পাইছিল তাকেই সচাঁ বুলি ধৰি লৈছিল।

গণেশৰ ছবিৰে সৈতে সেইদিনা, যুদ্ধৰ বিৱৰণ লৈ, অসমৰ সকলো বাতৰি কাকতবোৰ অসমৰ চহৰ-নগৰ গাঁৱে-ভুঞে বিয়পি পৰিল। সকলোৱে উদগ্ৰীৱ হৈ কাগজ পঢ়ি, কিছুমানে দুখৰ হুমুনিয়াহ কাঢ়িছে, কিছুমানে গণেশৰ বীৰত্বৰ কাহিনীত গৌৰৱ অনুভৱ কৰিছে।

আন ঠাইৰ দৰে, তিনিচুকীয়াতো সেইদিনা মানুহে খবৰ কাগজ পঢ়িবলৈ থপিয়া-থপি লগাইছে।

বাগিছাৰ কৰ্ম্মচাৰীসকল, কিছুমানে অফিচত আৰু কিছুমান, যেনে— মতা-মহৰী, মাইকী-মহৰী আদি কৰ্ম্মচাৰীসকলে, বনুৱাসকলৰ লগত দিনটো বাগিছাৰ মাজে মাজে ঘুৰি ফুৰিব লাগে। গৰম কালি চাহপাত চিঙাৰ সময়ত আবেলি প্ৰত্যেক বনুৱাই চিঙা কেচা চাহপাত জুখি গুদামত জমা দিওঁতে বহুত পলম হয়।

এইদৰে, শ্ৰীকৰুণা দাস নামে এজন মতা-মহৰীয়ে, তেওঁৰ চাৰ্জত থকা সকলো বনুৱাই চিঙা চাহপাত গুদামত জমা

দি ঘৰলৈ আহোঁতে, বেলি পৰোপৰা হ'ল। সেইদিনাৰ অসমীয়া বাতৰি কাকতখন হাতত লৈ, ক্লান্ত ভাবে লাহে লাহে বাবুলাইনত থকা তেওঁৰ ঘৰৰ ফালে খোজ দিছে। তেওঁৰ ঘৰ পোৱাৰ অলপ আগতে অফিচত কাম কৰা শ্ৰীধনেশ্বৰ বৰাক জীয়েকৰ লগত ধেমালি কৰি বাহিৰত বহি থকা দেখা পাই, ৰাস্তাৰ পৰাই সুধিলে— হেৰি বৰা, আপুনি গণেশ শইকীয়া নামৰ মানুহ এজন চিনি পায়নে? -এইবুলি কৈয়েই দাস ধনেশ্বৰ বৰাৰ ঘৰলৈ সোমাই আহিল।

—ঊহুঁ, নেপাওঁ চিনি। ক'ৰ মানুহনো সেইজন— বৰাই লাহেকৈ সুধিলে।

—কিয়, আপোনাৰ তেখেতৰ ঘৰ শিৱসাগৰৰ দিচাংমুখত নহয় জানো?

—হয়, কিয়?

—এই গণেশ শইকীয়াৰ ঘৰো দিচাংমুখতেই। আপোনাৰ তেখেতে চিনি পাবও পাৰে।

—কিয়? আপুনিনো কিয় সুধিছে অচিনাকী গণেশ শইকীয়াৰ কথা?

গণেশ শইকীয়াৰ নামটো দুয়োজনে কেইবাবাৰো লোৱা শুনি, ফাগুণীয়ে লৰালৰিকৈ ভিতৰৰ পৰা ওলাই আহি দাসলৈ চাই সুধিলে— কোন গণেশ শইকীয়াৰ কথা কৈছে?

মিলিটাৰী চেকেণ্ড-লেফ্‌টেনেণ্ট গণেশ শইকীয়াৰ ঘৰ শিৱসাগৰৰ দিচাংমুখত বুলি লিখিছে। আপুনি চিনি পায় নেকি? --লাহেকৈ দাসে সুধিলে।

ইয়ে, গণেশ শইকীয়া দেখোন আমাৰ গাঁৱৰে ল'ৰা। মোৰ জেঠাদেউৰ পিতেক হয়। কিহৰ মিলিটাৰীৰ কথা কৈছে?

ফাগুণীৰ সম্বন্ধীয়া মানুহ বুলি জানি করুণা দাস গহীণ হৈ পৰিল। অলপপৰ ভাবি লাহেকৈ সুধিলে— গণেশ শইকীয়াই ছিলঙত কাম কৰিছিল নহয়?

—ওঁ—বুলি ফাগুণীয়ে লাহেকৈ কলে।

—আপুনি গণেশ শইকীয়া যুদ্ধলৈ যোৱাৰ কথা কিবা জানেনে?

গণেশ যুদ্ধলৈ যোৱাৰ কথা শুনিয়েই ফাগুণীৰ বুকুখন কঁপি উঠিল। অলপ আচৰিত হৈ ক'লে— কি? যুদ্ধলৈ যোৱা কথা! ওঁহো, নেজানো। অ' সেই তিনিচুকীয়াৰপৰা অলপ দূৰত থকা এখন-বাগিছাত গণেশৰ নিজৰ ভনীয়েক আছে। আজি বহুতদিন ভনীয়েকক মই লগ পোৱা নাই। লগ পোৱা হ'লে ভনীয়েকে মোক ক'লেহেঁতেন। কিয়নো সুধিলে গণেশ শইকীয়াৰ কথা?

করুণা দাস আৰু গহীন হ'ল। এতিয়া কথাটো কবনে নকয় তাকে ভাবিছে। অলপপৰ ৰৈ, বাতৰি কাকতত থকা আন কথাবোৰ আঁৰ কৰি কেৱল গণেশৰ ছবিখন ফাগুণীক দেখুৱাই ক'লে— এইজন মানুহ আপুনি বাৰু চিনি পাইছেনে?

হাঁহি মুখে মিলিটেৰী পোছাকত থকা গণেশৰ ছবিখন দেখিয়েই ফাগুণী চিঞৰি উঠিল—ইযে! এইজন দেখোন আমাৰ গণেশ ককাইদেউ। কি হ'ল এওঁৰ? —বুলিয়েই অতি উৎকণ্ঠিত হৈ চাই থাকিল দাসৰ মুখলৈ।

করুণা দাসে লৰালৰিকৈ খবৰ কাগজখন পিছফালে ৰাখি কি ক'ব, কি নক'ব বুলি ভাবি থাকোতেই ফাগুণীৰ স্বামীয়েও উৎকণ্ঠিত হৈ ক'লে— এৰা, আপুনি গণেশ শইকীয়াৰ কথা মোকো আৰু একো কোৱা নাই। কি হ'লনো মানুহজনৰ? —বুলি আগ্ৰহেৰে চাই থাকিল দাসৰ মুখলৈ।

ক্ষন্তেকৰ কাৰণে দাস পেপুৱা লাগিল। ইমানখিনি আগবাঢ়ি এতিয়া কথাটো নক'লে নচলিব বুলি ভাবি দাসে

ৰবালৈ চাই গহীনাই ক'লে—বুইছে ৰবা। চেকেণ্ড লেফটেনেণ্ট গণেশ শইকীয়াই বৰ বীৰত্বপূৰ্ণ কাম কৰি যুদ্ধত প্ৰাণ ত্যাগ কৰিলে।

কথাটো শুনিয়েই ফাগুণী চিঞৰি উঠিল— কি। গণেশ ককাইদেউ যুদ্ধত মৰিল॥ উস্॥ —বুলি কৈয়েই লৰমাৰি ভিতৰলৈ গৈ হুক্-হুক্কৈ কান্দিবলৈ ধৰিলে।

বাহিৰত ৰবা আৰু দাস দুয়োজনে ইজনৰ মুখলৈ সিজনে চাই পেপুৱা লাগি থাকিল।

—ইযেহ, কথাটো কৈ মই লেঠাহে লগালো। এইবুলি জনা হলে মই ইযাত নোসোমালোহেঁতেন — বুলি বেজাৰমনেৰে দাসে ক'লে।

—নহয়, আপুনি নোকোৱা হলেও কথাটো এদিন জানিলো হেঁতেন। —লাহেকৈ ৰবাই ক'লে।

—হয়, হয়, সেইটো কথাও ঠিক। পিচে কি কৰিব। মানুহৰ এদিন মৰণ আছেই। তথাপি, যুদ্ধত মৰিল যদিও তেওঁৰ বীৰত্বৰ কাহিনী চিৰকাললৈ থাকি গ'ল। সেইটোৱেই গৌৰৱৰ কথা। বাৰু ৰবা। আপুনি তেখেতৰ ওচৰলৈ যাওক। কিছু শান্থনা দিয়কগৈ। মযো বাৰু আমাৰ তেওঁক আপোনালোকৰ ঘৰলৈ পঠাওঁগৈ।

এইবুলি কৈ দুখমনেৰে দাস গ'লাগৈ। ৰবাই লাহেকৈ উঠি ভিতৰলৈ গ'ল ফাগুণীৰ ওচৰলৈ।

আজি— ফাগুণীৰ মৰ্ম্মবেদনা কোনেও নেজানে বা কাৰো আগত মুখ ফালি ক'বও নোৱাৰে। আনে নেভবিলেও ফাগুণীয়ে ভাবিছে— গণেশে কিয় আজি যুদ্ধক্ষেত্ৰত প্ৰাণ দিবলৈ গ'ল। ইয়াৰ কাৰণ আনে নেভাবিলেও ফাগুণী নিজেই বুলি ধৰি লৈছে।

সেইদিনাই আবেলি ঠিক একে সময়তে বাগিছাৰ ডাক পিয়নে আন আন চিঠিৰ লগতে অনা খবৰ কাগজৰ পৰা ঘটনাটো অফিচত জানিব পাৰি গণেশৰ বৈনায়েক মৰ্ম্মাহত হৈ পৰিল। অফিচৰ সকলো মানুহ গোট খাই বৈনায়েকক গভীৰ সমবেদনা জনালে। কিন্তু আটাইতকৈ ডাঙৰ কথা হল— এতিয়া ঘৰলৈ গৈ তেওঁৰ পত্নীক, অৰ্থাৎ গণেশৰ ভনীয়েকক কোনে কেনেকৈ খবৰটো দিবগৈ। খবৰটো পোৱাৰ লগে লগেই যে এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হব সেইটো ঠিক। গতিকে অফিচত সকলোৱে আলোচনা কৰিলে যে বাবু লাইনৰ ওচৰ চুবুৰীয়া কেইগৰাকীমান বয়সস্থ মহিলা আৰু লগতে কেইজনমান অফিচাৰে গৈ গণেশৰ ভনীয়েকক শান্ত্বনা দিবগৈ।

আগৰ দিহামতেই ওচৰ চুবুৰীয়া এগৰাকী বুঢ়ী আইতা আৰু কেইগৰাকীমান মহিলাৰে সৈতে দুই-চাৰিজন বাগানৰ অফিচাৰ চিন্তিত মনেৰে গণেশৰ ভনীয়েকৰ ঘৰলৈ আহিল। দলটোৰ শেষত বেজাৰ মনেৰে আহিছে বৈনায়েক।

আইতাক আগত লৈ মহিলা কেইগৰাকী জপনা খুলি ঘৰলৈ সোমাই গ'ল।

কোনোবা মানুহ ঘৰলৈ আহিছে বুলি গমপাই গণেশৰ ভনীয়েক ভিতৰৰপৰা দুৱাৰ মুখলৈ ওলাই আহি দেখিলে যে ওচৰৰে এগৰাকী বুঢ়ী মানুহৰ লগত আৰু কেইগৰাকীমান আদহীয়া তিৰোতা আৰু অলপ দূৰত কেইজনমান বাগানত কাম কৰা মানুহ নিজৰ স্বামীৰে সৈতে লাহে লাহে সিহঁতৰ ঘৰলৈকে আহিছে। ইমানবোৰ মতা-মাইকী মানুহ সিহঁতৰ ঘৰৰ ফালে অহা দেখি গণেশৰ ভনীয়েক কিছু আচৰিত হ'ল। ইতিমধ্যে আহি ওচৰ পোৱাত গণেশৰ ভনীয়েকে অলপ হাঁহি ক'লে— ইয়ে, আইতা আৰু আইদেউহঁতো আহিছে দেখোন। আহক আইতা, ভিতৰাত বহকহি।

এইবুলি কৈ ভনীয়েক ভিৰোঙা কেইগৰাকীৰ ভিতৰত বহিবলৈ দিলেগৈ। কিন্তু কাৰো মুখৰ মাত নাই। কেৱল ইগৰাকীয়ে সিগৰাকীৰ মুখলৈ চাইছে আৰু তলমূৰ কৰি এটা হুমুনিয়াহ কাঢ়িছে। তেওঁলোকে খবৰটো দিয়াৰ পিচ মুহূৰ্তত কিটো পৰিস্থিতি হব তাকেহে দকৈ ভাবিছে।

—হঠাৎনো আপোনালোক কিয় আহিল আইতা— বুলি ভনীয়েকে সুধিলে।

—এ— আহিলো আই, তোৰ পেহবলৈকে এটা ডাঙৰ কথাত— বুলি এটা হুমুনিয়াহ কাঢ়ি আইতাকে ক'লে।

—কিনো ডাঙৰ কথা আইতা কওকচোন। আপোনাৰ কথা শুনি মোৰ বৰ ভয় লাগিছে— এইবুলি ভনীয়েকে কেওগৰাকীলৈ চালে।

—কম আই, তাকে কবলৈকে আহিছো। বাৰু, তোৰ ককায়েৰ এতিয়া ছিলঙতে নাই জানো?

—এতিয়া নাই আইতা। আগতে ছিলঙতে কাম কৰিছিল, আজি কেইদিনৰ আগতে যুদ্ধলৈ গ'ল—বুলি এটা হুমুনিয়াহ কাঢ়িলে।

—বাৰু, ককায়েৰৰপৰা কিবা চিঠি পত্ৰ পাইছনে?

- আজি এসপ্তাহমানৰ আগতে মণিপুৰৰপৰা দিয়া এখন চিঠি পাইছিলো আইতা। তাৰপৰা একো খবৰ পোৱা নাই।

কথাষাৰ কৈয়ে ভনীয়েকে মানুহ কেইগৰাকীলৈ চালে আৰু লগে লগে বুকুখন ধপ-ধপাবলৈ ধৰিলে।

—উঁ— বুলি আইতাকে তলমূৰকৈ কিবা ভাবিলে। তাৰপিচত গহীনাই ক'লে— যুদ্ধত বোলে বহুত মানুহ মৰিছে। এই বোৰ শুনি আমাৰ পেটৰ ভিতৰত হাত-ভৰি লুকাইছে।

কথাবোৰ শুনি গণেশৰ ভনীয়েকে ভাল নেপালে। কাৰণ সেই যুদ্ধলৈকে ককায়েক গৈছে। সেইকাৰণে সেইবোৰ কথা ভাল পেলাই ঘপহকৰে সুধিলে – পিচ আইতা, আপোনালোক কিয় আহিছিল, নকলে দেখোন।

—কম আই, কম। ইমানপৰ তাকেই কম কম বুলি কবলৈ সাহ কৰা নাই। কবলৈ বৰ দুখো লাগিছে।

—কি দুখ লগা কথা আইতা, নকয় কিয়? উত্তেজিত হৈ ভনীয়েকে সুধিলে। লগে লগে মাতটো থোকা-থোকি হৈ আহিল আৰু গা-টো কঁপিবলৈ ধৰিলে।

—তই ধৈৰ্য্য ধৰিব লাগিব আই। এতিয়া কথাটো কওঁ শুনিবি— বুলিয়েই বুঢ়ীয়ে আন কেইগৰাকী তিৰোতালৈ চাই ইঙ্গিতেৰে সতৰ্ক হবলৈ কলে। তাৰপিচত আকৌ ভনীয়েকলৈ চাই চাদৰেৰে চকুপানী মচি ক'বলৈ ধৰিলে— হেৰ' আই পূৰ্ণিমা, কথাটো কওঁ শুন।

—তই দুখ নকৰিবি আই। আজিৰ খবৰ কাগজত তোৰ ককায়েৰৰ ছবিৰে সৈতে আহিছে যে ককায়েৰে যুদ্ধত বৰ বীৰত্বৰে যুজি জাপানী সৈন্যক পৰাজয় কৰিলে আৰু লগতে ককায়েৰো সেই যুদ্ধতে মৃত্যু হ'ল।

—আই ঐ ককাইদেউ মৰিল!! বুলি চিঞৰ এটা মাৰি ধঁাছ কৰে মাটিত পৰি মূছ্‌কছ্‌, গ'ল।

—হেৰ' কি চাইছ, ধৰ ধৰ। বুলি আইতাকে চিঞৰ মাৰি দিয়াত বাকী কেইগৰাকী তিৰোতাই চিঞৰ বাখৰ কৰি পূৰ্ণিমাৰ মুখটো দাঙি, এগৰাকীয়ে গাটো আওঁজাই ধৰি থাকিল। এগৰাকীয়ে মূৰত পানী ঢালিবৰ কাৰণে পানী আনিবলৈ পাকঘৰলৈ লৰ ধৰিলে। ইগৰাকীয়ে কন্দনামুৰা হৈ পেপুৰা লাগি চাই থাকিল।

ইমানপৰ বাহিৰত মনে মনে বহি থকা স্বামীৰ সৈতে মানুহ কেইজনো ভিতৰলৈ লৰি আহিল। অৱস্থা দেখিয়েই কেওফালে ধৰ,-ধৰ, মাৰ-মাৰ লাগিল। গিৰিয়েকে মাটিৰপৰা তুলি নি লৰালৰিকৈ বিচনাত শুৱাই দিলেগৈ আৰু লগে লগেই মূৰত পানী ঢলা, চকুৰে মুখে পানী ছটিওৱা, মূৰৰফালে বিচনীৰে বিচা ইত্যাদি কামবোৰ চলিবলৈ ধৰিলে।

এইদৰে বহুত সময়লৈকে চেতন ঘূৰি নহা দেখি সকলোৰে বুকু কঁপিবলৈ ধৰিলে। তাৰে এজনক চাইকেল মাৰি বাগানৰ ডাক্তৰক আনিবলৈ পঠালে। অলপ সময়ৰ পিচত মানুহজন ঘূৰি আহি ক'লেহি যে ডাক্তৰ ঘৰত নাই। টাউনত চিনেমা চাবলৈ গ'ল। উপায় নেপায় কম্পাউণ্ডাৰকে মাতি আনিবলৈ পঠালে। আনহাতে ঘৰুৱা চিকিৎসাবোৰ চলি থাকিল।

ইফালে সৰু ল'ৰা-ছোৱালী হালেও মাকৰ তেনে অৱস্থা দেখি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। বাপেকে এবাৰ মাকলৈ আকৌ এবাৰ ল'ৰা-ছোৱালী হাললৈ চাই পেপুৱা লাগিল।

এইদৰে বহুতপৰ বিচনাত অচেতন হৈ পৰি থকাৰ পিচত হঠাৎ এবাৰ আকৌ চিঞৰমাৰি উঠিল।

—আইঔ ককাইদেউ — কলৈ গলাগৈ ঔ — মোকো লৈ যোৱা ঔ ককাইদেউ তোমাৰ লগতে । · মযো ক'ৰবাত মৰোগৈ ঔ বুলি কৈয়ে ঘপহকৈ বিচনাৰপৰা মাটিত নামি পৰিল। তেতিয়া ওচৰত থকা মানুহ কেইগৰাকীয়ে পূৰ্ণিমাক গৰামাৰী ধৰিলেহি।

এইদৰে ধৰাধৰি কৰি থাকোতে, এবাৰ পূৰ্ণিমা মাটিত পৰি গ'ল। তাৰপিচত, মাটিত বাগৰি বাগৰি, আকৌ চিঞৰি কান্দিবলৈ ধৰিলে। কোনোমতেই কাৰো বুজনী নেমানে।

সকলো মানুহে অবাক হৈ একেথৰে চাই থাকিল। তেতিয়া বুঢ়ী আইতাকে ভাবিলে যে কিছুপৰ কান্দিবলৈকে দিয়া ভাল। বহুতপৰ চিঞৰি চিঞৰি কান্দি থাকিলে, মানুহৰ শোক কিছু পাতলিলে আৰু কান্দি কান্দি শেষত যেতিয়া নিজেই অৱশ হৈ যাবগৈ, তেতিয়া কান্দোনৰ বেগো লাহে লাহে কমি আহিব। তেতিয়াহে যদি বুজনিয়ে কিছু কাম দিয়ে। নহলে, এই অৱস্থাত আন কোনো উপায় নাই।

ইয়াকে ভাবি আইতাক নীৰৱ দৰ্শক হৈ থাকিল আৰু ইবিলাকেও কিছুমানে চকুপানী টুকিছে আৰু কিছুমানে চল্‌চলীয়া চকুৰে একেথৰে পূৰ্ণিমালৈ চাই আছে।

বহুতপৰ চিঞৰি চিঞৰি কন্দাৰ পিচত, কান্দোনৰ বেগটো লাহে লাহে কমি আহিল। কিছুপৰ হুক্‌হুক্‌কৈ কান্দে। আকৌ "ঐ ককাইদেও" বুলি চিঞৰ মাৰি উঠে। ইতিমধ্যে পূৰ্ণিমাক আকৌ মাটিৰপৰা তুলি আনি বিচনাত শুৱাই দিয়া হ'ল।

পূৰ্ণিমা কান্দি কান্দি একেবাৰে অৱশ হৈ পৰিছে। চিঞৰি কান্দিব নোৱাৰি, এতিয়া গাৰুত মুখদি উচুপি উচুপি কান্দিছে। ঠিক এনেতে বুঢ়ী আইতা আহি শিতানৰ ফালেৰে বহিলহি আৰু লাহে লাহে পূৰ্ণিমাৰ আউলি-বাউলি হৈ থকা চুলিৰ ওপৰৰে হাতখন বুলাই, মৰমৰ মাতেৰে ক'বলৈ ধৰিলে—

—অ' আই পূৰ্ণিমা, তই দুখ নকৰিবি। মানুহৰ জন্ম-মৃত্যু আছেই। পৃথিৱীত জন্ম লোৱা এদিন মৰিবই লাগিব। আমিও মৰিম আৰু পৃথিৱীৰ সকলো মানুহ, দুদিনৰ আগ-পিছাকৈ এই সংসাৰ এৰিবই লাগিব। আমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণী মৰাৰ লগে লগে পৃথিৱীত একো চিনচাব নেথাকে। কিন্তু, যি সকলে এই পৃথিৱীত মহৎ কাম কৰে, তেওঁলোকৰ নাম যাউতিযুগীয়া হৈ থাকে। এতিয়া বাৰু তোৰ ককায়েৰৰ কথাকে কওঁ। ককায়েৰে অসীম সাহসেৰে যুদ্ধত জয়লাভ কৰি, শত্ৰুৰ গৰাহৰ পৰা নিজৰ দেশ ৰক্ষা কৰিলে আৰু লগে লগে এই যুদ্ধতেই প্ৰাণ দিলে। এই সংসাৰত দিনে দিনে কিমান মানুহ উপজিছে আৰু কিমান মৰিছে, তাৰ লেখ-জোখ নাই। কিন্তু, তোৰ ককায়েৰ আজি মৰিও অমৰ। আজি গোটেই ভাৰততে তোৰ ককায়েৰৰ ছবিৰে সৈতে বীৰত্বৰ কাহিনীবোৰ খবৰ কাগজত ওলাইছে আৰু আগলৈও ককায়েৰৰ খ্যাতি, যশস্যা আদি বুৰঞ্জীৰ পাতত সোণালী আখৰেৰে লিখা থাকিব। পৃথিৱীত খুব কম মানুহে ইমান গৌৰব আৰ্জিব পাৰে। আনহাতে, সেই বীৰ পুৰুষৰ ভনীয়েক হৈ, তইযো সঁচাকৈয়ে বৰ ভাগ্যৱতী। আজি ককায়েৰে স্বৰ্গৰ পৰাই তোলৈ আৰু দেশবাসীলৈ চাই গৌৰৱেৰে হাঁহিছে। সেই কাৰণে, আই পূৰ্ণিমা তই দুখ নকৰিবি।

আইতাক খন্তেক বৈ গ'ল। ককায়েকে স্বৰ্গৰ পৰাই ভনীয়েকলৈ চাই হাঁহি আছে বুলি শুনি, পূৰ্ণিমাই চল্‌চলীয়া চকুৰে এবাৰ আইতাকলৈ ৰ লাগি চাই থাকিল। খন্তেক পিচতে আকৌ দুহাতে মুখ ঢাকি, হুক্‌হুক্‌কৈ কান্দিবলৈ ধৰিলে।